ৰঙালী বিহু বিশেষ সংখ্যা




তমসো মা জ্যোতির্গময়

# যুগবাৰ্তা

❑ JUGABARTA ❑ 2 ND ISSUE ❑ SATURDAY, 8 APRIL, 2017.

দ্বিতীয় সংখ্যা ❍ শনিবাৰ ❍ ২৫ চ'ত ❍ ১৯৩৮ শক ❍ চিনামৰা, যোৰহাট ❍ অৰিহণা ঃ ১০ টকা


## অসম-নাগালেণ্ড সীমা ঃ সমস্যা আৰু সমাধান

❑ ৰঞ্জিত কুমাৰ হাজৰিকা

ভাৰতৰে দৰে এখন জনবহুল দেশত বিভিন্ন ভাষিক, ধৰ্মীয়, জাতি, বৰ্ণৰ লোকে বসবাস কৰে। বিভিন্ন জাতি-উপজাতি, বৰ্ণ-ধৰ্ম সমাহাৰৰ বাবে বিভিন্ন সময়ত ভাৰতবৰ্ষত আন্তঃৰাজ্যিক সীমা বিবাদ সংঘটিত হৈ আহিছে। এনে সীমা বিবাদে বিশেষকৈ অসম আৰু অসমৰ সংলগ্ন অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম আদিৰ মাজত পৰিলক্ষিত হয়। এই সীমা সমস্যাই চুবুৰীয়া দেশ কেইখনৰ মাজৰ যি আন্তঃৰাজ্যিক সম্পৰ্ক তাৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে। উত্তৰ পূৰ্বাঞ্চলৰ ইতিহাসৰ এক দীঘলীয়া আৰু ৰক্তাক্তময় সীমা বিবাদ হ'ল 'অসম নাগালেণ্ড সীমা বিবাদ।'

১৯৬৩ চনত নাগালেণ্ড এখন পৃথক ৰাজ্য হিচাপে স্বীকৃতি পোৱাৰ পিছতো নগালোকসকলে সীমা বিবাদত লিপ্ত হৈ আহিছে। কিয়নো নাগালেণ্ডে স্বাধীনতাৰ পূৰ্বৰে পৰা চৰকাৰী প্ৰতিবেদনসমূহ উলংঘা কৰি সীমা বিবাদ সংঘটিত কৰি আহিছে। সীমা বিবাদক কেন্দ্ৰ কৰিয়েই দিনে দিনে খিলঞ্জীয়া অসমীয়াৰ ওপৰত নগা সৈন্য বাহিনীৰ যি নৃশংসতাৰ পৰিৱেশ সৃষ্টি হৈ আহিছে তাত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যি লেহেমীয়া কৰ্মপন্থাই এই বিবাদক অধিক অৰাজক, অমানৱীয় আৰু হিংসাত্মক কৰি তুলিছে।



অসম আৰু নাগালেণ্ডৰ মাজৰ সীমা বিবাদৰ এক দীঘলীয়া ঐতিহাসিক পটভূমি আছে। ব্ৰিটিছ শাসনৰ দিনতেই ১৯২৬ চনত এক অধিসূচনা আৰোপিত কৰি প্ৰশাসনীয় সুবিধাৰ বাবে নগা পাহাৰ জিলা তথা বৰ্তমানৰ নগালেণ্ডৰ আৰু অসমৰ এটা খণ্ডৰ ভৌগলিক সীমা অংকন কৰিছিল। ভাৰতৰ স্বাধীনতাৰ সময়লৈকে এই ব্যৱস্থাটোকে চলাই থকা হৈছিল আৰু স্বাধীনতাৰ পিছত আন আন পাহাৰীয়া জাতিৰ এলেকাৰ দৰেই নগাসকলৰ ভূমিখণ্ডক সংবিধানৰ ষষ্ঠ অনুসূচীৰ ৬ পৃষ্ঠাত চাওক

মুখ্য উপদেষ্টাৰ কলম

## সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়াত হুঁচৰিৰ ভূমিকা

❑ আনন্দ শইকীয়া

বিহু জাতীয় জীৱনৰ দাপোণ স্বৰূপ। তিনিটা বিহু - ব'হাগ, মাঘ আৰু কাতিৰ ভিতৰত ব'হাগ বিহুক তুলনামুলকভাবে অধিক গুৰুত্ব প্ৰদান কৰা হয়। ব'হাগ বিহুৰ অপৰিহাৰ্য অঙ্গ হ'ল - গাঁওখনৰ হুঁচৰি যোৰা। অৱশ্যে আজিকালি গাঁওবিলাকত হুঁচৰি লুপ্ত প্ৰায়। আমাৰ এই লেখাত অসমৰ গাঁওবিলাকত হুঁচৰিৰ সংগৃহিত পুঁজিৰে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানত কেনে ধৰণৰ ভূমিকা পালন কৰিছিল- সেই বিষয়ে এক চমু আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে। এই বিষয়ত তত্ত্বগধুৰ প্ৰবন্ধ লিখিবলৈ হ'লে গাঁওবিলাকত ক্ষেত্ৰভিত্তিত অনুসন্ধান চলাব লাগিব। বাস্তৱিকতে ই এটা গৱেষণাৰ বিষয়। আমাৰ এই লেখাত যুগবাৰ্তাৰ পাঠক সমাজৰ আগত বিষয়টো অৱতাৰনাহে কৰিব খুজিছো যাতে অদূৰ ভৱিষ্যতে এই বিষয়ত আগ্ৰহী গৱেষকে গৱেষণাৰত হয়। এসময়ত উজনি অসম, মধ্য অসম নগাঁও, ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ লক্ষিমপুৰ, ধেমাজী, শোণিতপুৰ জিলা আদি গাঁওবিলাকত হুঁচৰি গোৱা পয়োভৰ আছিল। আমি এই লেখাত আমাৰ দক্ষিণ যোৰহাটৰ কেইখনমান গাঁৱৰ কথাহে উল্লেখ কৰিম য'ত হুঁচৰি গাই অনুষ্ঠান স্থাপন কৰাৰ অলেখ উদাহৰণ আছে। এই প্ৰসঙ্গত আমি স্বাধীনতাৰ ১০ পৃষ্ঠাত চাওক

## অ' বিহু ! তোৰে স'তে মোৰ মিতিৰালি বহু শতাব্দীৰ

❑ ড° গিৰীশ বৰুৱা

বহাগ মাত্ৰ এটা ঋতু নহয়। ই শতাব্দী জোৰা এক ইতিহাস। ইয়াৰ অন্তৰালত সোমাই আছে মানুহৰ হা-হুমুনিয়াহৰ ইতিহাস, হাঁহি-কান্দোনৰ ইতিহাস, পোৱা-নোপোৱাৰ ইতিহাস, শোষণ-উৎপীড়নৰ ইতিহাস ইত্যাদি। ই বোকোচাত বান্ধি লৈ আহি আছে অসমীয়া বাৰেৰহনীয়া সংস্কৃতিক। এতিয়াও ইয়াৰ ভাগৰ লগা নাই। এই মহাৰ্ঘ দিনৰ ধামখুমীয়াতো ই আহিয়েই আছে আৰু আহি থাকিবও, কিছু দিনলৈ হলেও।

নাজানোঁ বিহুৱে শেষত কি ৰূপ লয় গৈ। এই ৰূপ লোৱালৈ আমি হয়তো নাথাকিম। তথাপি ই এটা ৰূপ ল'বই। এই ৰূপ ভাল হ'বনে বেয়া হ'ব ক'ব নোৱাৰি। জগত আৰু সমাজ পৰিবৰ্তনশীল। এই কথা ডাঙৰ ডাঙৰ দাৰ্শনিকসকলে কৈ থৈ গৈছে। এইটো আমি কোৱা কথা ৫ পৃষ্ঠাত চাওক



## ৰঙালী বিহুৰ বাস্তৱ দিশ

❑ জয়কান্ত গন্ধীয়া

(১)

**ৰঙালী বিহুৰ ব্যৱহাৰিক দিশৰ পৰম্পৰা ৰাখিবৰ উপায় -**

ক) আজিকালি সংগঠিতভাৱে ৰঙালী বিহু উৎসৱ উদ্‌যাপন কৰা উদ্যোক্তাসকলে হুঁচৰি প্ৰতিযোগিতা পাতি পৰম্পৰাত নথকা স্বত্বেও হুঁচৰিত গাভৰুৰ প্ৰৱেশ কৰোৱাই 'বিহু হুঁচৰি' বা 'হুঁচৰি বিহু' প্ৰদৰ্শন কৰে। এই ব্যৱস্থাটো বা নতুন উদ্ভাৱন এই বিহুযোৰা বন্ধ কৰি নিভাঁজ পুৰুষৰ হুঁচৰি আৰু এই যোৰা হুঁচৰিৰ পিছৰ পুৰুষৰ বিহু প্ৰদৰ্শন কৰোৱাব লাগিব, এনে একোযোৰা হুঁচৰি সংগঠিত কৰিবলৈ উদগনি দিব লাগিব। বিহু হুঁচৰিৰ পৃষ্ঠপোষকসকলে 'সংস্কৃতি বোৱতী নৈ' বুলি কৈ নতুনক আদৰাৰ কথা কয়। বাস্তৱত কিন্তু নৈখন একেখনেই থাকে। পানীখিনি নতুন হ'লেও তাৰ ৰূপৰ গুণৰ কোনো সলনি নহয়, পকনি বা মোচৰ যিকেইটা, সদায় একে কেইটাই।

(খ) এসময়ত উজনি অসমৰ ব্যাপক অঞ্চলত দেখনীয়াৰ ডেকা-গাভৰুৰ দৰে সজাই 'সজোৱা নাচনী'ৰে হুঁচৰি গোৱাৰ প্ৰথা প্ৰচলন হৈছিল। সেই আৰ্হিত 'বিহু হুঁচৰি' বা 'হুঁচৰি বিহু' সৃষ্টি কৰি লৈ হুঁচৰি আৰু মুকলি বিহু একাকাৰ কৰাৰ পিছত ই গৃহস্থৰ চোতাল পাইছেহি, খুদ উজনিতে ইয়াৰ প্ৰাধান্য দেখা গৈছে। ৰঙালী বিহুৰ পৰম্পৰা ৰক্ষা কৰিবলৈ হ'লে গাভৰু নচুওৱা এই হুঁচৰি যোৰা চোতালৰ পৰা ঘূৰাই পঠাব লাগিব, মঞ্চৰ পৰাও নমাই দিয়াৰ সাহস গোটাব লাগিব।

গাভৰুসকল মুকলিভাৱে নাচিব পৰাকৈ সকলোবোৰ বিহুতলীতে 'ডেকা-গাভৰুৰ মুকলি বিহু' প্ৰতিযোগিতা পাতিব লাগে। সময়ৰ প্ৰতি চকু দি এতিয়া প্ৰচণ্ড বিবেক দংশন সহ্য কৰিও ক'ব লগা হৈছে যে অসমৰ ৰাইজে সদ্যহতে হুঁচৰি প্ৰতিযোগিতা স্থগিত ২১ পৃষ্ঠাত চাওক

## ঢকুৱাখনাৰ ঐতিহ্যমণ্ডিত ফাটবিহু

❑ দেচ্‌ডিমনা দাস

ঢকুৱাখনাৰ ঐতিহ্যমণ্ডিত ফাটবিহুৰ ইতিহাস অসমৰ সংস্কৃতিৰ বৰপথাৰৰ এক গৌৰৱময় সোণালী অধ্যায়। ঢকুৱাখনাৰ সুখ-দুখৰ চিৰসাক্ষী, চিৰ প্ৰৱাহমান চাৰিকড়ীয়া নদীখনিৰ পাৰতেই গঢ় লৈ উঠিছিল বিশাল কৃষ্টি-সংস্কৃতিৰ এক নদীকেন্দ্ৰিক সভ্যতা। এই সভ্যতাৰ গাতে গইনা লৈ আহোম ৰাজত্বৰ ছশ বছৰীয়া আধিপত্যৰ মাজতে ১৬ শতিকাৰ কোনো এক বসন্তৰ উদ্দীপনাময় আকৰ্ষণত ঢকুৱাখনাৰ চাৰিকড়ীয়া নদীৰ পাৰৰ ঘাটত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে বিভিন্ন গোষ্ঠী, সম্প্ৰদায়ৰ ডেকা-গাভৰুৱে স্বতঃস্ফুত ভাৱে নৃত্য-গীতেৰে উদ্‌যাপন কৰা বিহুৱেই আছিল ফাটবিহু।

ঢকুৱাখনাৰ ফাটবিহু উৎপত্তি বা আৰম্ভণিৰ বিষয়ে আৰু ফাটবিহু নামৰ উৎপত্তিৰ সম্পৰ্কে বহুজনে বহুধৰণে মত ৩ পৃষ্ঠাত চাওক

# ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ নিৰ্বাচিত কিছু গল্পৰ নাৰী চৰিত্ৰৰ মনোজগতত এটি আলোকপাত

*যোৱা সংখ্যাৰ পিছৰ পৰা*

❑ আকাশ দীপ্ত ঠাকুৰ

**চুটি গল্প ‘উপগ্ৰহ’ৰ ‘কল্যাণী’—অন্য এখন মনোজগতত এভূমুকিঃ**

*‘আচল পূজাৰ দিনাতকৈ কাইলৈ পূজা বুলিলে ল’ৰা-ছোৱালীহঁতৰ যেনেকুৱা আনন্দ, কল্যাণীক তেনেকুৱা এটা আনন্দই আৱৰি ধৰি আছে।’*—এই শাৰী বাক্যৰে আৰম্ভ হোৱা ‘উপগ্ৰহ’ নামৰ গল্পটোত আৰম্ভণিৰ পৰা শেষলৈকে কল্যাণী নামৰ বিবাহোপযোগ্যা ছোৱালীজনীৰ নিজৰে নবৌয়েকৰ ককায়েকৰ লগত বিয়াৰ কথা-বতৰা চলিছে বুলি ঘৰখনৰে আৰ-তাৰ মুখে সৰু বাতৰি এটা কাণলৈ অহাৰ পাছত, সেইখন ঘৰৰে আন এজনী ছোৱালী ৰত্নাৰ বিয়াখাবলৈ বুলি আহি নবৌয়েকৰ সুদৰ্শন সৰুটো ককায়েক অৰুণৰ সৈতে এদিন নিজৰো বিয়াখন হৈ যাব পাৰে বুলি নিজে নিজেই নিশ্চিত হৈ কল্পনাবিভোৰ হৈ পৰাৰ সৰু সৰু অনুভূতিসমূহ; আৰু শেষত তাইৰ বিয়াখন যে আচলতে অৰুণৰ সৈতে নহয়, ঘৰখনৰ সকলোৱে বিয়াৰ আশা পৰিত্যাগ কৰা নবৌয়েকৰ মূক-বধিৰ ডাঙৰটো ককায়েক অনিলৰ সৈতেহে পাতিবলৈ যোজা চলিছে বুলি প্ৰকৃত খবৰটো জানিবলৈ পাই অন্তৰৰ সকলো জল্পনা-কল্পনা মষিমূৰ হৈ পৰাৰ বেদনা গধুৰ ভাবনাখিনি অতি সাৱলীলভাৱে বৰ্ণনা কৰা হৈছে। কল্যাণীৰ অনুভূতিখিনিক কেন্দ্ৰ কৰি আগ বঢ়াই লৈ যোৱা মূল কাহিনীটোক অধিক উপজীব্য কৰি তোলা পাৰ্শ্ব চৰিত্ৰসমূহ যেনে অৰুণ, অনিল, মনোপেহী, শেৱালী আদিৰ যথাযোগ্য উপস্থিতি তথা ভিন্নমাত্ৰিক প্ৰয়োজনীয়তাক গল্পটো পঢ়ি যাওঁতে বৰ সুন্দৰকৈ উপলব্ধি কৰিব পাৰি। বিশেষকৈ কণ্ঠগত বিসংগতিৰে জন্ম লাভ কৰা অনিল নামৰ চৰিত্ৰটোৱে সময়ত নিজেই ডাক্তৰী বিদ্যা জানি লৈ, নিজকে নিজে চিকিৎসা কৰাৰ চলেৰে সম্পূৰ্ণ বোবা কৰি পেলোৱা, বিয়াৰ বাবে ঘৰৰ বাকী মানুহবোৰে চলোৱা প্ৰচেষ্টাত পাত্ৰীসকলৰ দ্বাৰা প্ৰত্যাখ্যান কৰাৰ জৰিয়তে আশাভংগ হোৱাৰ ঘটনা, কালক্ৰমত বধিৰপ্ৰায় হৈ পৰি কোনোবাই কিবা এষাৰ ক’লেও কি কৈছে বুজিব নোৱাৰি অবুজ তথা কাতৰ দৃষ্টিৰে কওঁতাজনৰ মুখলৈ চাই থকাৰ কৰুণ বৰ্ণনাসমূহৰ যথাযথ উপস্থাপনৰ দ্বাৰা পাঠকবৃন্দৰৰ সমমৰ্মিতা আদায় কৰাৰ ক্ষেত্ৰত গল্পকাৰ সম্পূৰ্ণ সফল হৈছে বুলি ক’ব পাৰি। যিকোনো এজন মননশীল পাঠকে কল্যাণী নামৰ মূখ্য চৰিত্ৰটোৰ মনস্তাত্বিক বিশ্লেষণ পৰ্যবেক্ষণ কৰাৰ ক্ষেত্ৰত অথবা সময়ে সময়ে এই চৰিত্ৰটোৰ অন্তৰত অনুভূত হোৱা আনন্দ, বিষাদ, বেদনা ইত্যাদি অনুভূতিসমূহক উপলব্ধি কৰোঁৱাৰ ক্ষেত্ৰত ড° শইকীয়াৰ সৰল বৰ্ণনাসমূহ যেন তুলনাবিহীন। এটা সৰু উদাহৰণেৰে কথাটো অনুভৱ কৰিব পাৰি—

*‘পিৰিচ-পিয়লা লৈ আগ বাঢ়ি অহা কল্যাণীক দেখিয়েই সি চিঞৰি উঠিল—“বা একেবাৰে লক্ষ্মী গোসানী দেখোন! নমস্কাৰ।”*

*কল্যাণীৰ ভিতৰত যেন মুহূৰ্তৰ ভিতৰতে এহেজাৰজনী কল্যাণীৰ সৃষ্টি হ’ল, আৰু সিহঁতৰ প্ৰত্যেকজনীয়েই যেন কাৰো মাত নুশুনা কৰি নমস্কাৰ বুলি চিঞৰিবলৈ ধৰিলে। কিন্তু বাহিৰত কৰাৰ ভিতৰত তাই কেৱল তলৰ ওঁঠখন কামোৰ মাৰি ধৰি হাঁহিটো যিমান পাৰে কমকৈ ওলাবলৈ দিলে; নিঃশব্দে চাহ আৰু জলপানখিনি অৰুণৰ সন্মুখত থ’লে, আৰু ঠিক সেই মুহূৰ্ততে অন্তৰৰ সকলো উত্তেজনা, দুঃসাহস একেলগে থূপ খুৱাই অৰুণৰ চকুলৈ চালে।’*

সৰ্বকালৰ এজন সফল গল্পকাৰ হিচাপে ড° শইকীয়াৰ অসাধাৰণ কৃতিত্বৰ চানেকীও এনে ধৰণেই লক্ষ্য কৰিব পাৰি যে যিকোনো জটিল মনস্তাত্বিক বিশ্লেষণ তেখেতে সৰল তথা সাৱলীলৰূপত বৰ্ণনা কৰি গোটেই ঘটনাটোৰ এখন সুন্দৰ উপভোগ্য প্ৰতিচ্ছবি পাঠকবৃন্দৰ সন্মুখত ডাঙি ধৰিব পাৰে। অন্যান্য সুখপাঠ্য গল্পসমূহৰ দৰেই যেন ‘উপগ্ৰহ’ গল্পটোৰ সাৰ্থকতাও প্ৰকৃততে ঠিক সেইখিনিতেই নিহিত হৈ আছে। শেষৰ ফালে মনোপেহীৰ মুখেদি প্ৰকৃত সত্যটো গম পোৱাৰ পাছত, ইমান দিনে যেন গ্ৰহ-নক্ষত্ৰৰ সৈতে নিজকে তুলনা কৰি কৰি অৱশেষত কল্যাণী গোটেই মানুহজনী এটা লেখত নপৰা উপগ্ৰহলৈ পৰ্যবসিত হৈ গ’ল—

*‘বহুত সময়, কিমান সময় কল্যাণীয়ে ক’ব নোৱাৰে, তাই ঘৰটোৰ নিৰ্জন চুকবিলাক বাছি বাছি লৈ বহি, থিয় হৈ, খুঁটাত ধৰি, বেৰত আউজি কটাই দিলে। একো একোবাৰ এটা দীঘল নিশাহেৰে বুকুখন পূৰ কৰি, নাকৰ পাহি ফুলাই তাই পোন হৈ থিয় হ’বৰ চেষ্টা কৰিলে, আৰু বাৰে বাৰে, পিচ মুহূৰ্ততে ভিতৰত সঁচা, দৃঢ় অৱলম্বন নথকা গোসানীৰ মূৰ্তিৰ নিচিনাকৈ খহি খহি পৰিল।’*

সাম্প্ৰতিক সময়ত সাহিত্যসৃষ্টিৰ ক্ষেত্ৰত বিভিন্ন লেখকক সাধাৰণতে লেখাটোৰ আংগিকৰ ক্ষেত্ৰত বিশেষ পৰীক্ষা-নীৰিক্ষা চলোৱা পৰিলক্ষিত হয়। গল্প, কবিতা, প্ৰবন্ধ আদি যিয়েই নহওক কিয়, এনে ধৰণৰ পৰীক্ষা-নীৰিক্ষাৰ ফলত গোটেই লেখাটো সাধাৰণ পাঠকৰ বাবে দুৰ্বোধ্যপ্ৰায় হৈ পৰাতো স্বাভাৱিক। সাহিত্যৰ গৱেষকসকলৰ বাবে এনে লেখা সফল পৰিগণিত হ’লেও সাধাৰণ পাঠকৰ ক্ষেত্ৰত কিন্তু দুৰ্বোধ্য লেখা কেতিয়াও জনপ্ৰিয় হ’ব নোৱাৰে। এখন কথাছবিৰ সফলতা-বিফলতা যদি দৰ্শকৰ সঁহাৰিৰ ওপৰত নিৰ্ভৰশীল হ’ব পাৰে, তেন্তে এটা চুটি গল্পৰ সফলতাও সদায় সাধাৰণ পাঠকৰ উপভোগ্যতাৰ ওপৰতেই নিশ্চয় নিৰ্ভৰশীল হ’ব। সাম্প্ৰতিক সময়ৰ গল্পকাৰসকলে এই বিষয়ত সতৰ্ক হোৱাৰ প্ৰয়োজনীয়তা সততেই অনুভৱ হয়। এই ক্ষেত্ৰত ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পসমূহত নিহিত হৈ থকা সকলো শ্ৰেণীৰ পাঠক-পাঠিকাকে সহজে আকৃষ্ট কৰিব পৰা এই বিশেষ কৌশলসমূহক বিস্তৃতভাৱে বিশ্লেষণ কৰি এই সমূহক সতৰ্কতাৰে অনুকৰণ কৰিলে পাঠকসমাজ নিশ্চয় উপকৃত হ’ব।

**‘মেনকা’ আৰু ‘জয়ন্তী’—প্ৰতিবাদী সত্তাৰ অনুৰণন ঃ**

‘সন্ধ্যাৰাগ’, ‘অনিৰ্বাণ’, ‘অগ্নিস্নান’, ‘কোলাহল’, ‘সাৰথি’, ‘আৱৰ্তন’ ‘ইতিহাস’ আৰু ‘কালসন্ধ্যা’—এই আটাইকেইখন কথাছবিৰ চিত্ৰনাট্য ৰচনা কৰা ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ সাহিত্য প্ৰতিভাৰ অন্য এটা অবিস্মৰণীয় ভূমিকাৰ নিদৰ্শণ হৈ গৈছে এই আঠখন কথাছবিৰে শক্তিশালী চিত্ৰনাট্যকেইখনৰ জৰিয়তে। উল্লেখযোগ্য যে যি সময়ত ৰাষ্ট্ৰীয় চলচিত্ৰ বঁটা আহৰণৰ ক্ষেত্ৰত হিন্দী ভাষাৰ চলচিত্ৰসমূহকে ধৰি, বাংলা কথাছবি আৰু দক্ষিন ভাৰতীয় কথাছবিসমূহৰ অঘোষিত আধিপত্য অব্যাহত আছিল, ঠিক সেই সময়তে অৰ্থাৎ আশীৰ দশকতে ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ বহুল চৰ্চিত উপন্যাস ‘অন্তৰীপ’ৰ কাহিনীটোৰ প্ৰথমাংশৰ আধাৰত ৰচিত চিত্ৰনাট্য ‘অগ্নিস্নান’ৰ জৰিয়তে তেখেতে শ্ৰেষ্ঠ চিত্ৰনাট্যৰ ৰাষ্ট্ৰীয় চলচিত্ৰ বঁটাৰে সন্মানিত হৈ সমগ্ৰ অসমবাসীৰ বাবে যেন এক বিৰল গৌৰৱৰ ইতিহাস ৰচনা কৰিছিল।

অসমীয়া সাহিত্যত আজিলৈকে যিমানবোৰ নাৰী চৰিত্ৰৰ সৃষ্টি হৈছে, সেই সকলোবোৰৰ ভিতৰত সৰ্বাধিক চৰ্চিত চৰিত্ৰটোৱেই হয়তো ‘মেনকা’ বুলি ক’লেও নিশ্চয় অত্যুক্তি কৰা নহ’ব। পুৰুষতান্ত্ৰিক সমাজব্যৱস্থাত যুগ যুগ ধৰি নিষ্পেষিত হৈ অহা নাৰীসত্তাৰ স্বতন্ত্ৰ অধিকাৰ সাব্যস্তকৰণৰ দৃষ্টিভংগীৰে ‘মেনকা’ হৈছে সঁচা অৰ্থত এক মৌলিক প্ৰতিবাদৰ প্ৰতিভূ। মেনকাকে কেন্দ্ৰ কৰি চৌপাশৰ মূখ্য-গৌণ চৰিত্ৰসমূহ যেনে অহংকাৰী তথা মদগৰ্বী স্বামী মহীকান্ত, সামাজিক দৃষ্টিৰে অৱহেলিত অথচ যুক্তিবাদী মানসিকতাৰ মদন চোৰ, প্ৰতিবাদী সত্ত্বেও পৰিস্থিতি সাপেক্ষে নিৰুপায় হৈ পৰা দেওৰেক ভদ্ৰকান্ত, গ্ৰাম্য জীৱনৰ স্বভাবগত সৰলতাৰে সম্পৃক্ত কিৰণ, বাৰ্ধ্যকৰে জৰ্জৰিত শাহু-শহুৰ—এই সকলোবোৰৰে এক সুন্দৰ মনস্তাত্বিক প্ৰতিফলন ঘটিছে ‘অগ্নিস্নান’ চিত্ৰনাট্যখনিত। কোৱা বাহুল্য যে ইয়াৰ নামটোৱেই এক বিশাল প্ৰতীকি অৰ্থ বহন কৰে—অগ্নিৰে স্নান কৰি উজ্জ্বল হৈ উঠা অথবা অগ্নিৰে স্নান কৰিব পৰাৰ এক দুৰন্ত দুঃসাহস। ভাৰতীয় সমাজ ব্যৱস্থাৰ গইনা লৈ পবিত্ৰতাৰ চানেকী দিবলৈ অগ্নিপৰীক্ষা দিবলৈ বাধ্য কৰোৱা হৈছিল সীতাক। কিন্তু মেনকাই যুগান্তৰৰ বাবে মদগৰ্বী স্বামীৰ অহৈতুকী প্ৰতাৰণাৰ প্ৰত্যুত্তৰত অগ্নিস্নানৰ যি এক জ্বলন্ত স্বাক্ষৰ ৰাখি থৈ গ’ল, সেয়া অসমীয়া সমাজব্যৱস্থাৰ বাবে গ্ৰহণযোগ্যতাৰ এক চিৰন্তন প্ৰশ্ন হৈ আজিকোপতি যেন এক দোদুল্যমান অৱস্থাতে ৰৈ যাব খোজে। কিন্তু চিত্ৰনাট্যখনিৰ জৰিয়তে দাঙি ধৰা মেনকাৰ সংলাপৰ সবল যুক্তিযুক্ততাই মেনকাৰ প্ৰতিবাদৰ গ্ৰহণযোগ্যতাৰ সপক্ষে এক ইতিবাচক দৃষ্টি উন্মেষিত কৰাত যে সম্পূৰ্ণ সফল হৈছে, তাত কোনো দ্বিমত থাকিব নোৱাৰে—

*“...মই এটা মানুহৰ লগত লুকুৱাই লুকুৱাই সদায় লেতেৰা হৈ থাকিব পাৰিলোঁহেঁতেন, কিন্তু সেইটো মোক নালাগে। মোক আপোনাক দেখুৱাবলৈ এটা প্ৰমাণ লাগে। আৰু তাৰ পাছত আকৌ ছাফা হৈ থাকিবলৈ লাগে। ঠিক তাকে মই কৰিলোঁ।”*

*“...কিন্তু মই কিয় অকলে সহি থাকিম? সহি থাকিলে মোৰ কি লাভ হ’ব? সহি সহি এদিন মৰি থাকিম? সৰগলৈ যাম? সীতা-সাৱিত্ৰী হ’ম? কি পাপৰ কাৰণে মই নৰকৰ যন্ত্ৰণা ভুগিলোঁ?”*

*“আই-বোপায়ে সীতা-সাবিত্ৰী হ’বলৈ কৈ পঠিয়াইছিল। তেনেকুৱা হ’ব নোৱাৰিলেও মই ধৰ্মত আছিলোঁ। এঘাৰ বছৰে মই বহুত সহ্য কৰি আপুনি ভাল পোৱা কামকে কৰিলোঁ। কিন্তু কথা নাই, বতৰা নাই, দং দংকৈ গাভৰু ছোৱালী এজনী আনি আপুনি মোৰ আগতে, মোৰ চাৰিটাকৈ ল’ৰা-ছোৱালীৰ আগতে তাইৰ লগত শুবলৈ ল’লে। তাৰ পাছতো, তাৰ পাছতো মই সীতা-সাৱিত্ৰী হ’ম। আপোনাৰ ভৰিৰ ধূলি শিৰত লৈ লৈ ধৰ্ম কৰিম?”*

ঠিকেই, মেনকাই পিঞ্জৰাত আবদ্ধ হৈ থাকিও সঠিক সময়ত সঠিক ঠাইত আঘাত হানিব জানিলে; আৰু এনেকুৱা মোক্ষম আঘাত হানিলে, যাৰ ফলত মানসিকভাৱে ক্ষত-বিক্ষত হৈ পৰাজয় বৰণ কৰিবলৈ বাধ্য হ’ল দুৰাচাৰী মহীকান্ত।

আৰু ঠিক এইখিনিতেই মেনকাৰ সৈতে পাৰ্থক্য পৰিলক্ষিত হয় ড° শইকীয়াৰ সৃষ্ট আন এটি নাৰী চৰিত্ৰ ‘জয়ন্তী’ৰ ক্ষেত্ৰত। ড° শইকীয়াই নিজস্ব এক মৌলিক কাহিনীৰে ৰচনা কৰা অন্য এখন চিত্ৰনাট্য ‘আৱৰ্তন’ৰ মূখ্য চৰিত্ৰ জয়ন্তী হৈছে এখন আগশাৰীৰ ভ্ৰাম্যমান থিয়েটাৰৰ প্ৰচুৰ জনপ্ৰিয় তথা মূখ্য অভিনেত্ৰী। জয়ন্তীক বাদ দিলে, এক প্ৰকাৰ অস্তিত্ববিহীন হৈ পৰাৰ সম্ভাৱনাই দেখা দিয়া থিয়েটাৰখনৰ মালিক, অসৎ প্ৰকৃতিৰ নায়কজন ইত্যাদি মানুহবোৰৰ আৰু কেৱল তাইৰ উপাৰ্জনৰ ওপৰত নিৰ্ভৰশীল তাইৰ ঘৰখনৰ মানুহবোৰৰ স্বাৰ্থপৰতাই যেন তাইক থিয়েটাৰখনৰ মাজতে বন্দী কৰি ৰাখিব খোজে। মুক্তিৰ সন্ধান লৈ অহা ইঞ্জিনিয়াৰ পৰিমলৰ পথো তেওঁলোকে কৌশলেৰে বন্ধ কৰি থ’ব খোজে। কিন্তু অৱশেষত জয়ন্তীয়ে পিঞ্জৰামুক্ত হোৱাৰ কৌশল আয়ত্তলৈ আনিব জানিলে। আবদ্ধ কৰি ৰাখিব খোজা সকলোকে প্ৰকাৰন্তৰে অসহায় কৰি থৈ মনৰ দৃঢ়তাৰে পৰিমলে দেখুৱাই দিয়া বাটেদি তাই ওলাই গুচি গ’ল। অৱশ্যে তুলনামূলক দৃষ্টিভঙ্গীৰে বিবেচনা কৰোঁতে জয়ন্তীৰ ক্ষেত্ৰত উদ্ভৱ হোৱা পিঞ্জৰামুক্তিৰ পৰিস্থিতি মেনকাৰ ক্ষেত্ৰত পৰিলক্ষিত নহয়। তত্ৰাচ এই দুই প্ৰতিবাদী নাৰী চৰিত্ৰৰ অদমনীয় সাহস অতি সুন্দৰ সংলাপেৰে চিত্ৰনাট্য দুখনত পৰিস্ফুট হৈ উঠিছে। অন্যহাতে ‘আৱৰ্তন’ চিত্ৰনাট্যখনৰো নামটোৱে সুস্পষ্টভাৱে দুটা অৰ্থ বহন কৰা অনুভৱ হয়। এক দৃষ্টিৰে লক্ষ্য কৰিলে জয়ন্তীক মূখ্যঅক্ষৰূপে লৈ বাকী চৰিত্ৰসমূহৰ নিৰ্ভৰশীলতাই যেনেকৈ ‘আৱৰ্তন’ নামটোৰ এটা অৰ্থৰ ইংগিত দিয়ে, অন্য এক দৃষ্টিৰে আকৌ ভ্ৰাম্যমান থিয়েটাৰখনৰে এসময়ৰ মূখ্য অভিনেত্ৰী হৈ কালক্ৰমত অপ্ৰয়োজনীয় হৈ পৰা তৰুৰ চৰিত্ৰটোৰ প্ৰাসংগিকতাক গুৰুত্ব দি সেই স্থানত বৰ্তমান জয়ন্তীৰ সজোৰ উপস্থিতি আৰু, জয়ন্তী পৰিমলৰ সৈতে আঁতৰি যোৱাৰ পাছত সেই ৰিক্তস্থানত আন এগৰাকী অভিনেত্ৰী মালাক সুকৌশলেৰে প্ৰতিষ্ঠিত কৰা দিশটোলৈ লক্ষ্য কৰিলে আৱৰ্তন নামটোৱে সেই ধৰণৰ ইংগিত বহন কৰাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি।

**উপসংহাৰ ঃ**

অসমীয়া সাহিত্যৰ পুৰোধা ব্যক্তিসকলৰ ভিতৰত অন্যতম ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ সাহিত্য প্ৰতিভাৰ স্বাক্ষৰৰূপী মহাসমুদ্ৰৰ পৰা সযতনে বুটলি অনা দুটিমান নাৰী চৰিত্ৰৰ মনোজগতৰ আভাস দিবলৈ কৰা এই প্ৰচেষ্টাৰ সামৰণিলৈ আগ বাঢ়িছোঁ। প্ৰকৃততে তেখেতৰ সৃষ্ট চুটি গল্প, উপন্যাস, নাটক, চিত্ৰনাট্য আদি সৰ্বজন সমাদৃত সাহিত্যৰাজিত বৰ্ণিত মূখ্য নাৰী চৰিত্ৰসমূহৰ যিকোনো এটা চৰিত্ৰকে মনস্তাত্বিক দৃষ্টিৰে বিশ্লেষণ কৰি সঠিকৰূপত আলোকপাত কৰিব বিচাৰিলে এনেকুৱা একোটা প্ৰবন্ধৰ সৃষ্টি হ’ব পাৰে । সেয়েহে বিশদভাৱে চৰিত্ৰসমূহক বিশ্লেষণ নকৰি এটি বিহংগম আলোকপাতৰ জৰিয়তে এই ৰচনাটি সামৰিব খোজা হ’ল।

সাহিত্যসৃষ্টিৰ প্ৰয়োজনীয়তা আৰু সৰ্বসাধাৰণ পাঠকবৃন্দৰ ৰসাস্বাদনৰ হাবিয়াস—এই দুয়োটা এটাৰ সৈতে আনটো ওতঃপ্ৰোতঃভাৱে জড়িত হৈ থকা বিষয়। সাম্প্ৰতিক সময়ৰ উদীয়মান লেখকসকল এই বিষয়ত সচেষ্ট হোৱাতো বৰ প্ৰয়োজন। উদ্ধৃতিৰ সপক্ষে একে আষাৰত ক’ব পাৰি যে ড° শইকীয়াৰ দ্বাৰা সৃষ্ট নাৰী প্ৰধান লেখাসমূহত প্ৰধান চৰিত্ৰকেইটাৰ জটিল মনস্তত্ত্ব সাধাৰণ পাঠকৰ চকুত উপভোগ্যৰূপত প্ৰকট হৈ অধিক সংবেদনশীল হৈ পৰা দেখা যায়। মনস্তত্ত্বৰ যথোপযুক্ত বিশ্লেষণ কৰাৰ ক্ষেত্ৰত চৰিত্ৰসমূহৰ অন্তৰ্ভাগত নিহিত হৈ থকা সূক্ষ্মাতিসূক্ষ্ম মনস্তাত্বিক দিশসমূহ সাহিত্যসৃষ্টিৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা ব্যক্তি অথবা গৱেষক দৃষ্টিভংগীৰে মূল্যায়ন কৰা ব্যক্তিসকলৰ চকুত সতকাই ধৰা পৰাটো স্বাভাৱিক। সৰ্বসাধাৰণ পাঠকবৃন্দৰ বাবে আকৌ কাহিনীৰ গতিশীলতা তথা গ্ৰহণযোগ্যতাৰ সৈতে সাঙোৰ খাই থকা এনে জটিল মনস্তত্ত্বৰ বাবেহে মূল কাহিনীটো অধিক উপভোগ্য হৈ পৰা পৰিলক্ষিত হয়। ড° শইকীয়াৰ লেখনিত মুখ্য ভূমিকা গ্ৰহণ কৰা নাৰী চৰিত্ৰসমূহ যেনে মেনকা, চাৰু, কল্যাণী, কিম্বা জয়ন্তী আদি যিয়েই নহওক, প্ৰায় সকলোৰে ক্ষেত্ৰত সততেই পৰিলক্ষিত হোৱা ভিন্নসুৰী মানসিকতাৰ আঁৰত পুৰুষতান্ত্ৰিক সমাজব্যৱস্থাৰ গইনা লৈ মানসিক নিৰ্যাতনৰ প্ৰতক্ষ্য অথবা পৰোক্ষ প্ৰভাৱ স্পষ্টভাৱে দৃষ্টিগোচৰ হয়। অন্যহাতে সৰ্বসাধাৰণ অসমীয়া নাৰীক প্ৰতিনিধিত্ব কৰা এই চৰিত্ৰসমূহৰ মনস্তত্ত্বৰ মাজেদি চিৰাচৰিত লোকজীৱনৰ সুন্দৰকৈ প্ৰতিফলন ঘটাটো প্ৰতিটো গদ্যতে সদা-সৰ্বত্ৰ বিদ্যমান হৈ থকা দেখা যায়।

*প্ৰসঙ্গ পুথি ঃ*

*(১) ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্প সমগ্ৰ ঃ শ্ৰী অনন্ত হাজৰিকাৰ দ্বাৰা প্ৰকাশিত; বনলতা, ডিব্ৰুগড়। (২) ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ নাট্য সম্ভাৰ ঃ শ্ৰী নগেন শৰ্মাৰ দ্বাৰা প্ৰকাশিত; জ্যোতি প্ৰকাশন, পান বজাৰ, গুৱাহাটী। (৩) অগ্নিস্নান ঃ শ্ৰী অজয় কুমাৰ দত্তৰ দ্বাৰা প্ৰকাশিত চিত্ৰনাট্য; ষ্টুডেণ্টচ ষ্ট’ৰচ, গুৱাহাটী। (৪) আৱৰ্তন ঃ শ্ৰী অজয় কুমাৰ দত্তৰ দ্বাৰা প্ৰকাশিত চিত্ৰনাট্য; ষ্টুডেণ্টচ ষ্ট’ৰচ, গুৱাহাটী। (৫) শৃংখল ঃ লয়াৰ্ছ বুক ষ্টল, পান বজাৰ, গুৱাহাটী। (৬) সেন্দুৰ ঃ লয়াৰ্ছ বুক ষ্টল, পান বজাৰ, গুৱাহাটী। (৭) গহ্বৰ ঃ প’লাৰ্ড, গুৱাহাটী।* ❖

# মুদ্ৰা সৰ্বস্ব বিহু প্ৰতিযোগিতাক নৱ-প্ৰজন্মই আদৰণী জনাব নালাগে

❑ ড° অনিল কুমাৰ শইকীয়া

সাম্প্ৰতিক সময়ত সৰ্বত্ৰ প্ৰতিযোগিতাৰ পয়োভৰ। প্ৰতিযোগিতা যেন জীৱনৰ অভিন্ন অঙ্গ হৈ পৰিছে। সাহিত্য, সমাজনীতি, অৰ্থনীতি, ৰাজনীতি, সংস্কৃতি কোনোটো দিশেই প্ৰতিযোগিতাৰ আক্ৰমণতে সাৰি যোৱা নাই। ফলত ব্যক্তি, সমাজ, অৰ্থনীতি, ৰাজনীতি, সাহিত্য-সংস্কৃতিত 'যোগ্য ভোগ্য বসুন্ধৰা' মন্ত্ৰেৰে উত্তাল হৈ পৰিছে। পিছে সমাজৰ দুৰ্বল, অবহেলিত তথা পিছপৰা লোকৰ বাবে এনেবোৰ প্ৰতিযোগিতাই জীৱন-জীৱিকা তথা মানৱীয়তাৰ বাবে ভাবুকি আহি পৰিছে। সাহিত্য-সংস্কৃতিত সংঘটিত হৈ থকা প্ৰতিযোগিতাই মুদ্ৰা সৰ্বস্ব এক মানসিকতা গঢ়ি তুলিছে যিটোৱে সাহিত্য-সংস্কৃতিৰ মূল্যবোধ তথা মহত্বখিনিক উপেক্ষা কৰিছে। বিভিন্ন উৎসৱবোৰো প্ৰতিযোগিতামুখী হৈ উৎসৱৰ তাৎপৰ্য আৰু লক্ষ্যসমূহ নাইকিয়া কৰি পেলাইছে। সম্প্ৰতি ধৰ্মীয়ভাৱে উদ্‌যাপন কৰা পৰম্পৰাবোৰো প্ৰতিযোগিতাৰ ধামখুমিয়াত সোমাই পৰিছে। ধৰ্মীয় মূল্যবোধৰ যেন অপমানিত হৈ আহিছে আমাৰ এনে ভাৱ হয়।

ব'হাগ বিহুত আমাৰ সংস্কৃতিৰ পৰম সত্বাটো এৰাব নোৱাৰাকৈয়ে জড়িত হৈ আছে। ব'হাগ বিহু হৈছে আমাৰ বিশ্বমুখী পৰিচয়ৰ অনন্য সংস্কৃতি। এই সংস্কৃতিয়ে অসমীয়া জনজীৱনৰ পৰমতম স্বাদ আহৰণ কৰি কৃষি সংস্কৃতিৰ স্বকীয়তা আৰু গ্ৰাম্য জীৱনৰ মৌলিকতা প্ৰতিফলিত কৰি আহিছে। বিহুৱে সাৰ্বজনীন ৰূপ পৰিগ্ৰহণ কৰি অসমৰ সকলো শ্ৰেণীৰ আদৰৰ আৰু কাম্যতম উৎসৱ হৈ পৰিছে। বিহু সংস্কৃতিত অসমৰ খাদ্য-সম্ভাৰ, সাজ-পোছাক, বিহু নাচ আৰু নাম আৰু বিহুৰ অনান্য বাদ্য-যন্ত্ৰৰ উপৰি বসন্তৰ অনাবিল উপচাৰে সমৃদ্ধ কৰি তোলা পৰিৱেশ আৰু পৰিস্থিতিয়ে সচাঁকৈয়ে আমাক বিষ্ময়াভূত কৰি প্ৰাণত আবেগৰ ঢল বোৱাই দিয়ে।

বিহুত প্ৰতিযোগিতা অনিবাৰ্য হৈ পৰিছে। মঞ্চ বিহুৱে যেতিয়া প্ৰসাৰতা লাভ কৰিবলৈ ধৰিলে তেতিয়াই মঞ্চ বিহুবিলাক প্ৰতিযোগিতাৰে মুখৰিত হৈ পৰিল। ৭০/৮০ দশক বা তাৰো আগত গৃহস্থৰ ঘৰে ঘৰে বিহু বা হুঁচৰি গাই গৃহস্থক কুশল কামনা কৰি অহাটো এক চিৰপৰিচিত পৰম্পৰা আছিল। এযোৰা বিহু হুঁচৰি দল গৃহস্থৰ চোতালত পদাৰ্পণৰ বাবে অন্তহীন অপেক্ষাৰ কথা আমাৰ আজিও মনত আছে। বিহু দল আহি গৃহস্থৰ ঘৰত বিহু গাই, আশীৰ্বাদ দি গোটেই বছৰটোৰ বাবে কুশল কামনা কৰাটো কিমান পবিত্ৰ বুলি ভৱা হৈছিল সেইয়া আমাৰ জ্যেষ্ঠসকলৰ বাবে বিস্মৃত ব্যতিক্ৰমৰ কথা। পিছৰ পৰ্যায়ত প্ৰতি ঘৰত বিহু শেষ কৰি নগৰৰ আমন্ত্ৰিত গৃহস্থৰ ঘৰলৈ বিহু গাবলৈ যায়। এনেবিলাক বিহুত প্ৰকৃততে স্বতঃস্ফুটতা, পৰম্পৰা আদি প্ৰতিফলিত হৈছে। কেতিয়াবা একাংশ আঢ্যৱন্ত পৰিয়ালে অধিক মাননী দি বিহুৰ দলবিলাকক প্ৰলোভিত কৰি অহাত অন্য এক প্ৰছন্ন প্ৰতিযোগী মানসিকতাৰ ফালে ঠেলি দিয়া হৈছিল। সম্পদৰ আভিজাত্যই বিহু দলবিলাকৰ ওপৰত পৰোক্ষভাৱে প্ৰলোভিত কৰাৰ প্ৰৱণতা জাগৃত কৰা হৈছিল। প্ৰতি ঘৰে ঘৰে বিহু বা হুঁচৰি গোৱা পৰম্পৰা অন্ত পৰিল। এতিয়া উজনীৰ বহু অংশত সংকীৰ্তনেই বিহুৰ বিকল্প হিচাবে চলি আহিছে যিটোৱে বিহুৰ আনন্দময় প্ৰকাশক প্ৰতিহত কৰিছে। গাঁৱৰ সৰু সৰু ল'ৰা-ছোৱালী কেইটামানে গৃহস্থৰ ঘৰৰ চোতালবোৰ মাত্ৰ পবিত্ৰ কৰি ৰাখিছে। পিছে বহু অঞ্চলৰ গাঁওবিলাকত বাটত আগচি কণ কণহুঁতৰ বিহু ধেমালীবোৰে আমোদ দিলেও বিহু সংস্কৃতিৰ অপকাৰী চৰিত্ৰহে প্ৰতিফলিত কৰে। নামঘৰ, ক্লাৱ, লাইব্ৰেৰী আদিৰ নামত বিহু গোৱাটো নাইকিয়া হোৱাত বিশেষকৈ নামঘৰ সাজিবৰ বাবে বা অনন্য ধৰ্মীয় অনুষ্ঠান আদিৰ নামত সংকীৰ্তনেৰে গৃহস্থৰ ঘৰত আশীৰ্বাদ দিয়াৰ প্ৰথা বহু ঠাইত এতিয়া প্ৰচলন হৈ আহিছে।

নগৰত বিহু মঞ্চ, বিহু অধিৱেশন, বিহু সন্মিলন উদ্‌যাপিত হৈ থকাৰ সময়ত গ্ৰামাঞ্চলটো তেনেবোৰৰ প্ৰয়োজন আৰম্ভ হৈ গ'ল। নগৰৰ মঞ্চবিলাকত বিহু দল, হুঁচৰি, নাচনী প্ৰতিযোগিতা এৰাব নোৱাৰা প্ৰতিযোগিতা হৈ পৰিছে। ধন, গাড়ী, অনান্য মূল্যবান পুৰস্কাৰে প্ৰলোভিত কৰি তোলা প্ৰতিযোগিতাবোৰ, নামী-দামী শিল্পীক লাখ লাখ টকা দি এক মুদ্ৰা সৰ্বস্ব উৎসৱ অথবা প্ৰতিযোগিতালৈ পৰ্যবসিত হোৱাটো কিন্তু বিহু সংস্কৃতিৰ ক্ষেত্ৰত চিন্তাৰ বিষয়। সুস্থ প্ৰতিযোগিতাৰ প্ৰয়োজনত বিহুৰ স্বকীয়ৰূপ আৰু পৰম্পৰা ৰক্ষাক আপোচ কৰিব নালাগে। সৌন্দৰ্য প্ৰতিযোগিতাৰ নিচিনাকৈ বিহু নাচনী প্ৰতিযোগিতাবোৰ পৰ্যবসিত কৰিব নালাগে। বিহুৰ পৰম্পৰা বা স্বকীয় মৰ্যাদাৰ কথা যিমানে নকওক লাগে বহু সময়ত সিবোৰ অৰ্থহীন হৈ পৰে। দৃশ্য মাধ্যম টি.ভি, ভিচিডি, চিডি আদিবোৰৰ দায়িত্ব অসীম। কিন্তু সম্প্ৰতি এনে মাধ্যমবিলাকো পুঁজিবাদৰ আগ্ৰাসনে নচুৱাই আছে। মুনাফালোভী পুঁজিবাদে সদায়ে একোখন ৰমৰমীয়া তথা ৰসাল বজাৰ বিচাৰি ফুৰে। বিজ্ঞাপন, বিভিন্ন প্ৰচাৰ আৰু এতিয়া অনান্য ডিজিটেল মাধ্যমবোৰ হৈ পৰিছে পুঁজিবাদৰ সুগম পৰিবাহী। এনেবোৰে প্ৰতিযোগিতাবিলাকক উৎসাহিত কৰি বহু মূল্যবান পুৰস্কাৰ, ধন তথা সম্পদৰ প্ৰলোভনেৰে বজাৰ সৃষ্টি কৰি আহিছে। এই বজাৰবিলাকত সম্প্ৰতি সংস্কৃতিৰ ক্ষেত্ৰবোৰ হৈ পৰে মুনাফাৰ অপ্ৰতিদ্বন্দ্বী উৎস। সেয়ে মুদ্ৰা সৰ্বস্ব হৈ উঠা প্ৰতিযোগিতাত সংস্কৃতিৰ মূল্যবোধৰ মৃত্যু ঘটে আৰু এক দুষ্কৃতি চিন্তাৰ আৱৰ্তত সংস্কৃতিক বিচৰণ কৰিবলৈ বাধ্য কৰে।

বিহু প্ৰতিযোগিতাৰ বাবে অৰ্থাৎ প্ৰতিযোগী নিৰ্বাচনৰ বাবে একান্ত নিয়মাৱলী প্ৰয়োজন যিখনে সমজাতীয় এক নিৰ্বাচন সকলো মঞ্চত সম্ভৱ কৰি তুলিব পাৰে। পিছে বহুবিলাক অঞ্চলত নিজাববীয়াকৈ কিছুমান নিয়মাৱলী প্ৰস্তুত কৰি প্ৰতিযোগিতাবিলাক অনুষ্ঠিত কৰি আহিছে। ফলত বিচাকৰ মানদণ্ডবোৰ সমজাতীয় হৈ নুঠে। সেইদৰে বিভিন্ন অঞ্চলত থলুৱাভাৱে প্ৰচলিত হৈ থকা বিহুৰ ওপৰত কৰ্মশালা, প্ৰশিক্ষণ আৰু প্ৰতিযোগিতাবিলাক অনুষ্ঠিত হয়। এনেবোৰ ভিন্নতা কিন্তু অপাংক্তেয় বুলি ভাৱিব নালাগিব। তথাপি সমগ্ৰ অসমত সৰ্বজনৰ গ্ৰহণীয় নিয়মাৱলীৰ প্ৰয়োজন য'ত সকলো অঞ্চলৰ বিহুনাম, নাচ, হুঁচৰি তথা পৰম্পৰাক সামৰি প্ৰস্তুত কৰা হয়। এই ক্ষেত্ৰত বিহু সুৰক্ষা সমিতিয়ে এখন নিয়মাৱলী আৰু বিভিন্ন নিৰ্দেশনা এই পুস্তিকা প্ৰকাশ কৰিছে। অসমৰ বিহু বিশেষজ্ঞ তথা কেইবাদশক ধৰি বিহু সংস্কৃতিৰ পৰম্পৰা ৰক্ষা আৰু ইয়াৰ এক গতিশীলতা আনিবৰ বাবে অপ্ৰাণ চেষ্টা চলাই অহা শ্ৰদ্ধাৰ জয়কান্ত গন্ধীয়া দেৱসহ বহু সংখ্যকে বিহু সুৰক্ষা সমিতি সমগ্ৰ অসমত প্ৰতিষ্ঠা কৰিছে। অকল প্ৰতিষ্ঠা কৰাই নহয় বিহু সংস্কৃতিক এই জাতীয় অৰ্থনীতিলৈও উত্তৰণ ঘটোৱাৰ কৰ্ম অব্যাহত ৰাখিছে। তেনে চিন্তাৰে প্ৰতিফলন ঘটোৱা নিয়মাৱলীখন প্ৰতিযোগিতাৰ সকলো আয়োজকে অধ্যয়ন কৰা উচিত বুলি ভাৱো। নিয়মাৱলীখনত বিৰ্তকৰ স্থল থাকিব পাৰে যদিও বিৰ্তকৰ ফলত উদ্ভৱ হোৱা সংশোধন, সংযোজন বিলাকে নিয়মাৱলীখনক গ্ৰহণযোগ্য মৰ্যদা দিব বুলি ভাৱিব পাৰি।

নতুন প্ৰজন্মই আমাৰ পৰম সম্পদ। তেওঁলোকৰ হাততে আমাৰ সকলো ভৱিষ্যত সমৰ্পণ কৰিব লাগিব। সেয়ে বিহু সংস্কৃতিৰ ক্ষেত্ৰত এক সুস্থ পথ নিৰ্দেশনা আৰু বিহুৰ ঐতিহ্যক উজ্জীৱিত কৰি তুলিব পৰা প্ৰতিযোগিতাবোৰ সম্ভৱ কৰি তুলিব লাগিব। দৃশ্য মাধ্যমত বহু সময়ত বিহুৰ অচিনাকীৰূপ দিয়া হয় যিবোৰে নতুন প্ৰজন্মক বিপথে পৰিচালিত কৰিব। সাম্প্ৰতিক সময়ত দৃশ্য মাধ্যমৰ লগতে ডিজিটেল মাধ্যমবোৰ অতি গ্ৰহণীয় আৰু আদৰণীয় হৈ পৰাত বিহু সংস্কৃতিৰ নিচিনা অসমীয়াৰ চিতন্তন সত্বাক সঠিক আৰু শ্ৰদ্ধাভাৱে আগুৱাই নিবই লাগিব। ডিজিটেল মাধ্যম এতিয়া নৱপ্ৰজন্মৰ পৰম বান্ধৱ। সেয়ে এই বান্ধৱক দুষ্কৃতিৰে চিৰাকৃত নকৰি প্ৰজ্ঞাৰ, সংস্কৃতিৰ উৎকৃষ্ট বাহক কৰি তোলাৰ বাবে নতুন প্ৰজন্মৰ প্ৰতি আমাৰ পৰম আহ্বান নিবেদন কৰিলোঁ। ❖

এক পৃষ্ঠাৰ পৰা

## ঢকুৱাখনাৰ ঐতিহ্যমণ্ডিত

পোষণ কৰিছে যদিও এটা নিৰ্ভৰযোগ্য তথ্য পোৱাত অদ্যপৰিমিত সাঁথৰ হৈয়ে আছে।

কোনো লোকৰ মতে আহোম ৰজাৰ দিনত ঢকুৱাখনাৰ চাৰিকড়ীয়াৰ পাৰত বিহু চাবলৈ বহু দূৰৰ পৰা হেজাৰ হেজাৰ মানুহ আহিছিল। মানুহৰ খোজত বিহু তলিৰ মাটি ফাট মেলিছিল বাবে এই বিহুৰ নাম ফাটবিহু হ'ল।

আহোম ৰজাৰ দিনত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বিহু দল এটাই শিৱসাগৰ ৰংঘৰ বাকৰিত বিহু প্ৰদৰ্শন কৰিবলৈ গৈছিল। বিহু প্ৰদৰ্শনত কিবা কাৰণত বাধা পোৱা হেতুকে ফালৰি কাটি আহি বা ফাটি আহি বেলেগ বিহু মৰা বাবে এই বিহুক ফাটবিহু বোলা হৈছিল।

কোনো কোনোৰ মতে, চাৰিকড়ীয়াৰ ঘাটত আগতে ৰাতি বিহুও পতা হৈছিল। ব'হাগৰ সাতদিন ধৰি চলা ৰাতি বিহু চাবলৈ বহু দূৰৰ পৰা বিহুবলীয়া ডেকা-গাভৰু পলাই আহি ঢকুৱাখনাৰ চাৰিকড়ীয়া নদীৰ পাৰৰ ম'হঘুলি চাপৰিত লগ লাগে। বিহুতলিত ঢুলীয়া আৰু নাচনিৰ মাজত প্ৰতিযোগিতা হয়। ঢুলীয়া ভাগৰিবনে নাচনী ভাগৰিব? যদি ঢুলীয়া ভাগৰে তেন্তে নাচনী সেই বিহুতলিৰ পৰা আন এখন বিহুতলিত গৈ বেলেগ ঢুলীয়াৰ লগত বিহু মাৰে। এইদৰে আঁতৰি গৈ বা ফাটি গৈ বেলেগে বেলেগে বিহু কৰা বাবেই এই বিহুক ফাটবিহু বোলা হৈছিল।

ইয়াৰ উপৰিও বিহুৰ তলিত ডেকা-গাভৰুৰ মনৰ মিল হৈ বিহুতলি এৰি পলাই ফাটমৰা বিহু কৰি থাকোতে ঢোল ফটা, নাচি থাকোতে থাকোতে নাচনীৰ গাৰ কাপোৰ ফটা আদি অনেক কথাৰ পৰাই এই বিহুটিক ফাটবিহু বুলি কোৱাৰ স্থল আছে বুলি অনেক লোকে ঠাৱৰ কৰিছে যদিও এইসমূহ তথ্য সম্পূৰ্ণ শুদ্ধ বুলি বহুলোকে মানি ল'ব বিচৰা নাই।

স্বৰ্গদেউ চুহুংমুঙৰ দিনত ১৬ শ শতিকাৰ আৰম্ভণিতে চুতীয়াসকলক পৰাস্ত কৰি 'হাবুং' (বৰ্তমানৰ ঢকুৱাখানা) আহোমৰ অধীনলৈ অনা হৈছিল। আৰু এই অঞ্চলৰ শাসন শদিয়া খোৱা গোসাঁইৰ হাতত দিয়া হৈছিল। এইজনা স্বৰ্গদেউৱেই সৰ্বপ্ৰথমে বেপাৰ-বাণিজ্য তথা কৰ-কাটলৰ সুবিধাৰ্থে চকী, হাট, ঘাট, ফাট আদিৰ সৃষ্টি কৰিছিল। কালক্ৰমত বৃহৎ হাবুং অঞ্চলতো কড়াঘাট, সোৱণশিৰি বৰঘাট, টেকেলীফুটা ঘাট, মাতমৰা ঘাট, চাৰিকড়ীয়া ঘাট আৰু চাৰিকড়ীয়া হাট বা ফাটৰ সৃষ্টি হৈছিল। কোনোৰ মতে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ৰাজ্য খণ্ডৰ বেহা-বেপাৰ আৰু ৰজাঘৰীয়া কৰ-কাটলৰ কেন্দ্ৰস্থল হিচাবে ঢকুৱাখানাৰ চাৰিকড়ীয়া নৈৰ পাৰত এখন হাট বহুৱাইছিল। এই হাটকে ফাট বুলিও কোৱা হৈছিল।

দেখা যায়, চ'তৰ শেষত ব'হাগ মাহত নদীসমূহ পানীৰে ওফন্দি উঠে। তেনে সময়তেই নদীৰে নাওঁ চলাই ৰজা-ঘৰীয়া ডা-ডাঙৰীয়াসকল আহি সৰ্বসাধাৰণ ৰাইজৰ পৰা কৰ-কাটল আদায় কৰে।

স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনতে ৰজাঘৰীয়া পৃষ্ঠপোষকতাত ঠন ধৰি উঠা অসমীয়া থলুৱা লোকগীত মাতে জনসমাজত সমাদৰ পোৱা সাহসতেই ফাটলৈ অহা হেজাৰ হেজাৰ লোকে ৰজা-ঘৰীয়া মানুহক কৰ-কাটল দিয়াৰ পিছত বিভিন্ন জনগোষ্ঠীয়ে তেওঁলোকক আনন্দ দিয়াৰ মানসেৰে একেলগে বিহুৰ ৰং-ধেমালিত মচগুল হৈ পৰে। এই ফাটত মৰা বিহুৱেই অদ্য-পৰিমিত ঢকুৱাখানাৰ চাৰিকড়ীয়া নদী পাৰৰ ম'হঘুলি চাপৰিত বিদ্যমান হৈ থকা খিলঞ্জীয়া ফাটবিহু আৰু এই তথ্যটিক বিদ্বত মহলে সঁচা বুলি বিশ্বাসেৰে মানি লোৱা দেখা গৈছে।

অনেক কিংবদন্তি আৰু তথাকথিত লেখাৰ পৰা জনামতে ঢকুৱাখনাৰ ফাটবিহু মাৰিবলৈ বৰ লুইত, অৰনৰি পৰীয়া মিচিংসকল প্ৰথমে আহে বুলি কোৱা শুনা যায়। কাৰণ তেওঁলোকৰ হাতী, ম'হৰ সংখ্যাও সৰহ আছিল আৰু সেই অনুপাতে কৰ-কাটলো সৰহীয়া আছিল। আন এক সূত্ৰ মতে ব্ৰহ্মপুত্ৰ তথা সোৱণশিৰি, কড়া, চাৰিকড়ীয়াৰ পাৰে পাৰে থকা মিচিং, কৈৱৰ্ত লোকসকলে প্ৰথমে একেলগে মাছ-কাছ ধৰি খাইছিল, খেতি-বাতি কৰিছিল আৰু বিহুক চহা জীৱনৰ হৰ্ষ-বিষাদৰ উৎসৱ হিচাপে পালন কৰিছিল। পিচে বিহু নামত উল্লেখ আছে -

ম'হঘুলি চাপৰিলৈ আহিবা ঐ লাহৰী
ফাটবিহুৰ বতৰা পাই।
মিচিঙো আহিব দেউৰীও আহিব
আমাৰ বিহু ভাঙোতা নাই।।

অৰ্থাৎ কোনো কোনো লোকে মিচিং আৰু দেউৰীসকলেই প্ৰথমে একেলগে বিহু কৰিছিল আৰু তাৰ পিচতহে আহোম, চুতীয়া, কছাৰী, কোচ-কলিতা, সুত, কৈৱৰ্ত আদি সম্প্ৰদায়ৰ লোকসকলে ফাটবিহুত উবুৰি খাই পৰিছিলহি বুলি কয়।

যিকি নহওক, ফাটবিহু কেনেকৈ উৎপত্তি হ'ল, ফাটবিহু নামটো কেনেকৈ আহিল আৰু বিহু প্ৰথমতে কোনে আৰম্ভ কৰিছিল এই ক্ষেত্ৰত অনেক প্ৰথিতযশা লোকে চিন্তা-চৰ্চা কৰি আছে আৰু ভৱিষ্যতলৈও চিন্তা-চৰ্চা কৰি গৱেষণা কৰাৰ স্থল আছে বুলি ভাৱি এইবোৰ কথা বিজ্ঞসকললৈ এৰি দিলো।

এতিয়া আহো ফাটবিহুৱে ক্ৰমানুসাৰে এৰি অহা দিনবোৰৰ কিছু কথালৈ। আহোমৰ দিনৰে পৰা ফাটবিহুৱে অতীত পৰম্পৰা ৰক্ষা কৰি নিজৰ নান্দনিক বিশিষ্টতা নেহেৰুৱাই স্বকীয় মহিমাৰে মহিমামণ্ডিত হৈ ইংৰাজৰ দিনলৈকে ঐতিহ্য বজাই ৰাখিবলৈ সক্ষম হৈছে। অৱশ্যে কিছু ৰাজনৈতিক পাকচক্ৰত পৰি অথবা প্ৰাকৃতিক দুৰ্যোগৰ পৰিপ্ৰেক্ষিতত মাজে সময়ে ফাটবিহুৰ গৌৰৱৰ ধ্বজা থমকি নোৰোৱা নহয়। তথ্যৰ পম খেদি জানিব পৰা মতে ১৯১৭ চনৰ ৰুছ বিপ্লৱৰ প্ৰভাৱ অসমত পৰাত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰতো ব্ৰিটিছ বিৰোধী ঢৌ উঠে আৰু ঢকুৱাখানাৰ ফাট বিহুত যতি পৰে। ১৯৪৩-৪৪ চনত পুনৰ ফাটবিহু অনুষ্ঠিত হোৱাৰ কথা জনা যায়। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিচত ১৯৪৮ চনত পোন প্ৰথম বাৰৰ বাবে ঢকুৱাখনা চৰকাৰী ৬ পৃষ্ঠাত চাওক

## সম্পাদকীয়

### বিহু অসমীয়া জাতীয় পৰিচয়

সংস্কৃতিয়ে একোটা জাতিৰ পৰিচয় দিয়ে। বিহুৱে অসমীয়া জাতীয় পৰিচয় বহন কৰে। কিন্তু যি সংস্কৃতিক লৈ আমি বিশ্ব দৰবাৰত খোজ দিবলৈ ওলাইছো সেই সংস্কৃতিক ঘৰতে এলাগী কৰিছো। বিহু পালন কৰিছো কিন্তু গৃহস্থই নিজৰ চোতালত হুঁচৰি এযোৰা সেৱা জনাবলৈ নোপোৱাৰ অৱস্থা এটাৰ সৃষ্টি হৈছে। লংপেণ্ট পিন্ধি শ্ৰুতিকটু চিএঞৰ কেইটামান মাৰি ক্লাৱঘৰ বা আন কোনো ঠাইত হোৱাই নোহোৱাই ঢোলটো বজাই আমি বিহুৰ ঐতিহ্য ৰক্ষা কৰিব পাৰিম নে? গৃহস্থৰ চোতালৰ পৰা বিহু মঞ্চলৈ গ'ল কিন্তু কেইখন গাঁৱৰ ল'ৰা মঞ্চত বিহু মাৰিবলৈ যায় ভাৱিব লগীয়া! অপ্ৰিয় সত্য অসমীয়া ডেকাই বিহু মাৰিব নজনা অৱস্থাৰ সৃষ্টি হৈছে। অভিজ্ঞ লোকৰ দ্বাৰা প্ৰশিক্ষণপ্ৰাপ্ত অসমৰ কেইটিমান বিহু দলৰ কথা বাদ দিলে অসমত শুদ্ধকৈ বিহু মাৰিব জনা লোক কিমান ওলাব সেয়া সন্দেহৰ বিষয়। কিছুমান বিহু গীতৰ কেছেটত লংপেণ্ট, ছাৰ্ট পিন্ধি কান্ধত ঢোলটো লৈ বিহু মৰা ৰূপবোৰ চালে বাহিৰৰ মানুহে আমাৰ সাংস্কৃতিক ভুলকৈ নুবুজিব নে? বিহুনাম বুলি বিহুগীত গোৱাটো উচিত নে? প্ৰতিযোগিতাৰ ধামখুমীয়াত উৎকট নাটকীয়ত্বৰ মাজত বিহুৰ আঁচল সৌন্দৰ্য থাকিবগৈ নে? সময় থাকোতেই আমি আমাৰ ঐতিহ্যৰ প্ৰতি সচেতন হোৱা উচিত। ইমান এটা বৃহৎ জাতি থাকোঁতে বিহুক বিশ্বদৰবাৰলৈ নিয়ক বুলি দুই চাৰিজনৰ কান্ধত ভাৰখন তুলি দি সান্ত্বনা লভাৰ অভ্যাসটো এৰিবৰ হ'ল। বিহুক অৰ্থসৰ্বস্ব কৰি তোলাতাকৈ আনন্দ সৰ্বস্ব কৰি তুলিব নোৱাৰিনে? আমাৰ জাতীয় পৰিচয়ৰ বাবে বিহুক মৰ্যাদা সম্পন্ন কৰি তুলিবই লাগিব। ইয়াৰ বাবে আমাৰ আগ্ৰহ আৰু আন্তৰিকতাৰ প্ৰয়োজন।

# সাম্প্ৰতিক বিহু ঃ এক লোক-সাংস্কৃতিক ৰূপৰেখা

❑ ইন্দ্ৰজিৎ কুমাৰ বৰুৱা

সাম্প্ৰতিক বৌদ্ধিক তথা সাংস্কৃতিক পৰিমণ্ডলৰ বিদ্বত সমাজৰ একাংশই 'লোক-সংস্কৃতি' শব্দটোৰ প্ৰায়োগিক অৰ্থ এটা সংকীৰ্ণ অভিধাত নিৱন্ধ কৰাটো প্ৰায়েই প্ৰতীয়মান হৈছে। এইসকলে এনে এটা বোধ দিয়াটো প্ৰত্যক্ষ হৈছে যে কেৱল পৰম্পৰাগত গীত, নৃত্য, বাদ্য, অভিনয় আদি সাংস্কৃতিক সমলসমূহৰ সমষ্টিয়েই লোক-সংস্কৃতি। এইটো স্বৰূপাৰ্থত এটা ভ্ৰান্ত ধাৰণা, কিয়নো লোক-সংস্কৃতিৰ পৰিসৰ অতিশয় পৰিব্যাপ্ত। নক'লেও হ'ব যে, পৰম্পৰাগতভাৱে আৰু পুৰুষানুক্ৰমে লোক-সমাজত চলি অহা সকলো ৰীতি-নীতি, ধ্যান-ধাৰণা, আচাৰ-অনুষ্ঠান, শিল্প-কলা ইত্যাদি উপাদানবোৰৰ সমাহাৰেই হ'ল লোক-সংস্কৃতি। ই কেৱল গীত-মাত, নৃত্য-বাদ্যৰ পৰিক্ৰমাতে আৱদ্ধ নহয়। এনে এক প্ৰেক্ষাপটতেই লোক-সংস্কৃতিৰ শ্ৰেণী বিভাজন বস্তুতঃ চাৰি প্ৰকাৰে সিদ্ধঃ ১) লোকায়ত সাহিত্য, (২) লোকায়ত ৰীতি-নীতি, (৩) লোকায়ত শিল্প আৰু (৪) লোকায়ত পৰিৱেশ্য কলা। অসমৰ লোক-সাংস্কৃতিক ক্ষেত্ৰখনো এই শ্ৰেণী বিন্যাসৰ পৰা নিশ্চয় বিচ্ছিন্ন নহয়। তৎস্বত্বেও অসমৰ লোকায়ত পৰিৱেশ্য কলা অৰ্থাৎ পৰম্পৰাগতভাৱে চলি অহা গীত, নৃত্য, বাদ্য, অভিনয়ৰ সমষ্টিগত বৰ্ণিল ৰূপটোৱেইহে যে আমাৰ লোক-সংস্কৃতিৰ ক্ষেত্ৰখনত নিৰ্ণায়ক প্ৰাধান্য লাভ কৰি আহিছে আৰু লক্ষ্যণীয়ভাৱে এই লোক-সাংস্কৃতিক সমলখিনিয়েইহে যে বিশ্ব দৰবাৰতো প্ৰসিদ্ধি লাভ কৰিবলৈ সমৰ্থ হৈছে সেইটোও সকলোৱেই স্বীকাৰ কৰিবলৈ বাধ্য।

কোৱা নিস্প্ৰয়োজন যে অসমৰ লোকায়ত পৰিৱেশ্য কলা আৰু সামগ্ৰিকভাৱে অসমৰ লোক-সাস্কৃতিক পৰিমণ্ডলৰ মূল সৌধ নিৰ্মাণ কৰাত নিৰ্ণায়ক ভূমিকা পালন কৰা সাংস্কৃতিক উপাদানটো হ'ল বিহু অৰ্থাৎ ৰঙালী বিহু। প্ৰাক-বৈদিক কালৰ পৰাই বিহু উৎসৱৰ ক্ৰমাগত বিস্তাৰণ অসমৰ চুকে-কোণে, গাঁৱে-ভূঁএে দৃশ্যমান হৈ আহিছে। মূলতঃ বিহু উত্তৰ-পূব এছিয়াৰ পৰা আহি অসমৰ বিভিন্ন প্ৰান্তত নিগাজীকৈ বসবাস কৰিবলৈ লোৱা তিব্বত-বৰ্মীয় মঙ্গোলীয় জনগোষ্ঠীসমূহৰ অৱদান বুলি ক'ব পাৰি। অৱশ্যে পৰৱৰ্তী আহোম ৰাজত্বৰ কালছোৱাত আৰ্যসকলৰ প্ৰব্ৰজনৰ পশ্চাদপটত এই বিহুত আৰ্যকৰণৰ প্ৰভূত প্ৰভাৱ পৰিলক্ষিত হোৱা দেখা যায়। যি কি নহওঁক, আৰ্য আৰু মঙ্গোলীয় গোষ্ঠীসমূহৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, লোকাচাৰ আদিৰ মোহনীয় সংশ্লেষণত বিহুৱে সাম্প্ৰতিক অৱস্থা পাইছেহি আৰু বিভিন্ন জনগোষ্ঠীৰ মাজত বৈচিত্ৰপূৰ্ণ সম্প্ৰীতিৰ কাৰক আৰু বাৰেৰহণীয়া বৃহত্তৰ অসমীয়া সংস্কৃতিৰ বাহকৰূপে প্ৰতিষ্ঠিত হৈছেহি। স্মৰ্তব্য যে যুগৰ বিৱৰ্তন আৰু ক্ৰমবিকাশৰ লগত খোজ মিলাই আমাৰ বিহু উৎসৱটিয়েও বিভিন্ন পৰ্যায় অতিক্ৰম কৰিছে। অনাদিকালৰ এই উৎসৱ অসমীয়া ডেকা-গাভৰুহঁতে, গীত-নৃত্য আৰু বাদ্যৰ মাধ্যমেৰে মুকলি পথাৰত, লুইতৰ পাৰত আৰু গছৰ তলত উদ্‌যাপন কৰিছিল। পৰৱৰ্তী পৰ্যায়ত ই গৃহস্থৰ পদূলিত অৱস্থান কৰে। আহোম ৰাজত্বৰ কালছোৱাত সম্পূৰ্ণ ৰাজকীয় মৰ্যাদা আৰু পৃষ্ঠপোষকতা লাভ কৰি ই ৰংঘৰৰ বাকৰিলৈ আহে আৰু বিংশ শতিকাৰ মাজভাগত এই উৎসৱ আহি মঞ্চত উপৰিষ্ট হয়। শুনা যায় যে ১৯৪১ চনত ডিব্ৰুগড়ত প্ৰথমবাৰৰ বাবে অসমৰ সিংহপুৰুষ প্ৰয়াত ৰাধাগোবিন্দ বৰুৱাৰ বলিষ্ঠ পদক্ষেপ আৰু পৃষ্ঠপোষকতাত মঞ্চবিহু উদ্‌যাপিত হয় আৰু দ্বিতীয়খন মঞ্চবিহু প্ৰয়াত ৰঘূনাথ চৌধাৰী আৰু ভালেকেইজন চিন্তানায়কৰ উদ্যোগত ১৯৪২ চনত শিৱসাগৰত অনুষ্ঠিত হয়। অৱশ্যে ১৯৫১ চনত প্ৰয়াত ৰাধাগোবিন্দ বৰুৱা, প্ৰয়াত লক্ষ্যধৰ চৌধুৰী প্ৰমুখ্যে চিন্তানায়কসকলৰ পৃষ্ঠপোষকতাত গুৱাহাটী লতাশিল খেলপথাৰৰ এক বৃহৎ আকাৰৰ মঞ্চত অনুষ্ঠিত হোৱা মঞ্চবিহুটিয়েহে এক অভাৱনীয় আলোড়ন সৃষ্টি কৰিবলৈ সমৰ্থ হয়। সেইদিন ধৰি মঞ্চ বিহুৱে পিচ হুঁহকি চাব লগা ৯ পৃষ্ঠাত চাওক

# বিহুৰ বিচাৰক

❑ ৰূপজ্যোতি নাথ

বিহু অসমীয়াৰ জাতীয় উৎসৱ। বিহু শব্দৰ অভিধানিক অৰ্থ মই নাজানো। বৰ্তমানত বিভিন্ন পণ্ডিতে বিভিন্ন বিশ্লেষণেৰে দিয়া অৰ্থকো মই মানিব নোখোজো। বহু পণ্ডিতে কয় বিষুৱৰ পৰা বিহু শব্দৰ উৎপত্তি কিন্তু মোৰ প্ৰশ্ন অসমত যেতিয়া বিহুৰ আৰম্ভ হৈছিল তেতিয়াৰ অসমীয়াই বিষুৱ ৰেখাৰ বিষয়ে জানিছিল নে নাই। তেনে বহু শব্দ বা নামাকৰণ আছে যিখিনি সেই সময়ত কি ভাৱ প্ৰকাশৰ বাবে কি অৰ্থত দিছিল বহু পণ্ডিতে নজনাকৈয়ে নিজৰ পাণ্ডিত্য প্ৰকাশৰ বাবেই নিজা ৰবীয়া অৰ্থ ব্যাখ্যা দিয়ে। শব্দকোষ ব্যাকৰণ অভিধান আন কি লিখিত সাহিত্য সৃষ্টিৰ আগতেই বহু শব্দ, নাম, মানুহৰ সমাজত সৃষ্টি আৰু প্ৰচলিত আছিল। মুঠৰ ওপৰত কালিদাস আৰু বিদ্যাৱতীৰ বিদ্যায়তনিক জ্ঞান যুঁজত উদ্দেশ্য প্ৰণোদিত পণ্ডিতৰ অৰ্থ ব্যাখ্যাই ইয়াৰ প্ৰমাণ।

যিনহওক বিহু যিহেতু অসমীয়া জাতীয় তথা গ্ৰাম্য জন জীৱন সংপৃক্ত উৎসৱ আৰু ইয়াৰ সৃষ্টিৰ মূল অথবা তাৎপৰ্য, প্ৰতিচ্ছবি অথবা ৰূপৰ সবিশেষ কোনেও জনাৰ উপায় নাই, তেনেস্থলত ইয়াৰ আকৌ প্ৰতিযোগিতা হ'ব কেনেকৈ? বিচাৰেইবা ইয়াৰ ওপৰত কৰিব কিহৰ ভিত্তিত। বৈজ্ঞানিক দৃষ্টিভঙ্গী আৰু ইয়াৰ সামৰ্থ তথ্য কেইজন বিচাৰকৰ হাতত মজুত আছে। ২০১৭ চনৰ মাঘৰ বিহুত ভেলাঘৰ প্ৰতিযোগিতাই মাঘৰ বিহুৰ প্ৰকৃত ৰূপ প্ৰতিফলিত কৰিলে নে। নৱ প্ৰজন্মকেইবা কি ধাৰণা দিয়া হ'ল।

ব'হাগ বিহুটো বিশ্ব দৰবাৰত উজ্জ্বলাই তোলাৰ মহান স্বাৰ্থত ৰাধা গোবিন্দ বৰুৱাৰ দৰে ব্যক্তিসকলে যেতিয়া গুৱাহাটী লতাশিল খেল পথাৰত প্ৰথম বাৰ মঞ্চলৈ তুলিছিল সেইদিনা বহু সাধাৰণ চহা অসমীয়াই কিবা এটা তেওঁলোকৰ পৰা আজুৰি নিয়াৰ দুখত গোপনে উচুপিছিল। ভয় হৈছিল গ্ৰাম্য সংস্কৃতিত ডাঙৰ-দীঘল হোৱা দুখীয়া কৃষকৰ জী জনী অভিজাত্যৰ ঘৰলৈ বোৱাৰী কৰি নি আগৰ বেশ-ভূষা গুচাই বিলাসিতা আৰু আভিজাত্যৰ মাজেৰে সজাই ল'ব নেকি। পাহৰাই পেলাব নেকি আগৰ সহজ-সৰল ভাষা-ব্যৱহাৰো।

অৱশ্যেই সমাজ জীৱনৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, প্ৰযুক্তি বিদ্যাৰ উত্তৰণ ঘটিছে। তাৰ লগে লগে সংস্কৃতিৰো ৰূপান্তৰ ঘটিছে ক্ৰমসহভাৱে। সেয়ে কিন্তু বোৱতী সূতিৰ পানী থাওকতে জোখাৰ প্ৰক্ৰিয়া কিমান দূৰ ফলপ্ৰসূ। বিভিন্ন সময়ত বনাই লোৱা হৈছে নতুন নতুন নিয়ম নীতি। যিখিনি নিয়ম নীতিয়ে হেৰুৱাই পেলাইছে তাহানিৰ অনাক্ষৰী যুগৰ মানুহে আবেগ অনুভূতিৰে সজাই লোৱা আৰু দুৰ্বল-সবল একাকাৰ হৈ উদ্‌যাপন কৰা বাপতি সাহোন বিহুটো। আজি চ'তৰ বিহু নোহোৱা হ'ল। চহা জীৱন, যৌৱন, প্ৰকৃতিৰ সৰল বিনন্দীয়া ৰূপ প্ৰকাশৰ চন্দবদ্ধ বিহুগীতবোৰ হেৰাই গৈছে। সৰু বিহুৱতী, বৰ বিহুৱতী, বিহু কোঁৱৰ, মৌ কোঁৱৰ, ঢুলীয়া, পেঁপুৱা এইবোৰ মূল বিহু দলৰ পৰা আঁতৰাই অনা হৈছে।

এটা সত্য যে বিহু এটা জনগোষ্ঠীৰ মূল সৃষ্টি হ'লেও বিভিন্ন সময়ত প্ৰব্ৰজন হোৱা বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি ইয়াত এনেদৰে লিপিত খাই আছে যাক বাহিৰৰ পৰা ভিন্নতা দেখাৰ ব্যৱস্থাই নাথাকে। তেনে সময়ত সেই সেই জনগোষ্ঠীৰ আদি সংস্কৃতিৰ শুদ্ধ ৰূপটো জনাৰ প্ৰয়োজন আছে। স্থান-কাল ভেদে বহু জনগোষ্ঠীয়ে নিজা সংস্কৃতিৰো কিছু এৰি পেলাইছে। আচলতে এটা জাতিয়ে আন এটা জাতিত জিন যাবলৈ যাওঁতে ড° ভূপেন হাজৰিকাৰ ভাষাত 'কিছু ল'ব লাগে কিছু দিব লাগে জিন যাবলৈ হ'লে' বহু জাতি-জনগোষ্ঠীখিনি যদি এটা জাতি হয় তেন্তে সেই সন্মিলিত জাতিটোৰ জাতীয় সংস্কৃতিত সেই সকলৰ স্বগোষ্ঠীয় সংস্কৃতি নিহিত হৈ থাকে। যেনে, বিহুত গাখীৰ ব্যৱহাৰ আৰ্যসকলৰ, জহা-বৰা মঙ্গোলীয় সকলৰ, জ্যেষ্ঠজনক সেৱা কৰা, আৰ্য মঙ্গোলীয়ৰ, জুইক পূজা কৰা নিষাদ, কিৰাতসকলৰ, গো-পূজা আৰ্যদ্ৰাবিড় আৰু মেজিৰ ব্যৱস্থা আৰ্যসকলৰ। ঠিক তেনেদৰে ভেলাঘৰ প্ৰকৃততে হাৰলি বা টঙি ঘৰৰ পৰা আহিছে যাক আগতে খেতি চপোৱাৰ অন্তত ভোজ-ভাত খাই পুৰি পেলোৱা হৈছিল।

সেয়ে বিচাৰকসকলে আনক বিচাৰ কৰিবলৈ যোৱাৰ পূৰ্বে নিজক বিচাৰ কৰি লোৱাৰ প্ৰয়োজন। বৰ্তমান ব'হাগ বিহু অৰ্থসম্বল আভিজাত্যৰ একচেতিয়া সম্পত্তিত পৰিণত হৈছেগৈ। লোক চক্ষুত সমাদৰ বুটলিবলৈ গৈ গ্ৰাম্য দৰিদ্ৰৰ পৰা ইয়াক কাঢ়ি নিয়া হৈছে। বহু হাজাৰ টকীয়া সাজপাৰ, দামী বাদ্য-বাদক অবিহনে মন আৰু পাৰদৰ্শিতা থাকিলেও ইয়াত প্ৰৱেশ কৰাৰ উপায় নাই। আনকি আগৰ দিনত দুখীয়া-চহকী সকলোৰে চোতালত হুঁচৰিয়ে ৰাইজৰ পদধূলা পেলোৱা আৰু গৃহস্থয়ো নতুন বছৰৰ বাবে কড়া-কড়ীগণ্ডা পাৰিলে বস্ত্ৰ এটুকুৰা আগবঢ়াই আঠুলৈ আশীৰ্বাদ লোৱাতো নোহোৱা হৈছে। আজিকালি চহকী চাইহে হুঁচৰি গোৱা দেখা যায়। বিহু বিচাৰি ৰাইজ আজি মঞ্চলৈ ঢাপলি মেলিছে। গ্ৰাম্য বিহুৰ অস্তিত্ব ৰক্ষাৰ দায়িত্ব জাপি দিয়া হৈছে গাঁৱৰ কণ কণ এচাম ল'ৰা-ছোৱালীৰ হাতত।

বৰ্তমান প্ৰতিযোগিতাৰ মাপকাঠিত বান্ধি লোৱা নিয়মখিনিকে বিহু সৃষ্টিকাৰী সকলে বান্ধি লৈছিল নেকি? আবেগ-অনুভূতি, আনন্দ-উল্লাস, প্ৰেম-প্ৰীতিৰ জীয়া বাস্তৱ প্ৰতিফলিত কৰিবলৈ পতা বিহুত চচ্ছলতা, দামী অলংকাৰ, সাজপাৰ আৰু নৃত্যৰ কঠোৰ নীতি-নিয়মৰ ব্যৱস্থা কিমান আছিল তেতিয়া। তাৰ বাবেই নেকি আজি বিহুৰ উৎপত্তি স্থলত বিহু নিস্প্ৰভ হৈ আহিছে। পুৰস্কাৰ আৰু সন্মান লাভৰ আশাত আজিৰ বিহুৱতী বিহুৱান দৌৰিব লাগিছে, মেনেজ হৈছে কেতিয়াবা কিছু বিচাৰকো (প্ৰচাৰ মাধ্যমে কয়)।

ব'হাগ বিহু বুলিলেই বিহুৰ সিংহভাগ জাপি দিয়া হৈছে চফল-সবল নাৰীৰ ওপৰত। প্ৰকৃত আবেগ-অনুভূতি ৰাজ্যিক আভৰনেৰে প্ৰকাশ নহয়। হয়, অন্তৰত সৃষ্ট মাদকতাহে। আচলতে শাস্ত্ৰত থকাপদ বৰ্ণনাত ভিত্তি কৰি ঈশ্বৰৰ ৰূপ অংকন কৰাৰ দৰে আজিৰ এচামে বিহুগীত দুই এফাঁকিৰ ভিত্তিত বিহুৱা বিহুৱাৰ ৰূপ অংকন কৰিবলৈ লৈছে। সেয়ে আকাশীলতাৰ দৰে গুৰি চিগি মঞ্চ বৃক্ষত চালি পাতি বিহু বগাব লাগিছে। বহু ক্ষেত্ৰত আকৌ বিহুৱে সংকৃষ্টি, অপ-সংস্কৃতি, দুষ্কৃতি এটাইকেইটা ৰূপ ল'বলৈ গৈ থকা দেখা গৈছে। ইয়াৰ লগে লগে অশ্লীল গীতে বিহুক নগ্ন কৰি বহু শিল্পীয়ে সমাদৰ আৰু মৰ্যদাৰ আভৰণ পিন্ধিছে। বিহুৰ অস্তিত্ব আৰু মৰ্যদা ৰক্ষাৰ ক্ষেত্ৰত কেইজনমান স্বনাম ধন্য ব্যক্তিয়ে কিছু পদক্ষেপ লোৱা পৰিলক্ষিত হৈছে। কিন্তু বিহুৰ নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত কেৱল শিক্ষিত চামেই নহৈ গএঞা বৃদ্ধ-বৃদ্ধাকো লগত লৈ সিদ্ধান্ত লোৱাৰ প্ৰয়োজন আছে আৰু ধাৰ্য কৰা নীতি-নিয়ম সমূহো বহল প্ৰকাশ আৰু প্ৰচাৰেৰে জনমত বিচৰাৰ প্ৰয়োজন আছে। তাৰ পিচতহে স্থায়ী নিয়ম কৰা আৰু বিচাৰক গঢ় দিয়াব লাগে। বিচাৰকৰ ভুলৰ বাবেই বহু উদীয়মান শিল্পী অকালতে মৰহি যোৱাৰ নিদৰ্শন নথকা নহয়। বিশেষকৈ স্বাৰ্থ জড়িত বিচাৰকক জাতীয় সংস্কৃতিৰ শত্ৰু হিচাপে গণ্য কৰিব লাগে।

আমি বিচাৰো প্ৰতিটো বিহুৰ পূৰ্ব মৰ্যদা ৰক্ষা পৰক, যুগ সাপেক্ষে কিছু নতুনত্বও সংযোগ ঘটক। সমগ্ৰ অসমবাসীয়ে এই বিহুবোৰ কেৱল বাপতি সাহোন বুলি কৈ থকাতকৈ ইয়াক পৰম্পৰাগতভাৱে ৰক্ষা কৰাতোও প্ৰয়োজন। বিশেষকৈ বিচাৰক আৰু ব'হাগ বিহুৰ ওপৰত অসমীয়া জাতীয় সংস্কৃতিৰ ভেটিৰ অধিকাংশ নিৰ্ভৰ কৰে।

অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ত গঢ়ি উঠা বিহু আমাৰ সমূহীয়া সংস্কৃতি হৈ ৰওক। ❑

# বিহুগীতৰ নান্দনিক সৌন্দৰ্য

❑ ৰুণিমা বৰুৱা

অনুষ্ঠানমূলক গীতবিলাকৰ ভিতৰত বিহুগীত অসমীয়া জাতিৰ অতি মৰমৰ, অতি হেঁপাহৰ, অতি চেনেহৰ ঃ

‘অতিকে চেনেহৰ মুগাৰে মহুৰা
তাতোতকৈ চেনেহৰ মাকোঁ
তাতোতকৈ চেনেহৰ ব’হাগৰ বিহুটি
নেপাতি কেনেকৈ থাকোঁ।’

‘তাতোতকৈ চেনেহৰ ব’হাগৰ বিহুটি নাপাতি কেনেকৈ থাকোৱেই’ খুব সহজেই অৱকাশ দিয়ে। বিহু অসমীয়া মানুহৰ হিয়াৰ আমঠু আৰু বিহুগীত অসমীয়াৰ মৰম আকলুৱা, বিহুবলীয়া ডেকা-গাভৰুৰ হিয়াৰ কোমল বুকুভেদি ওলোৱা আবেগৰ নিজৰা, প্ৰণয়ৰ স্বতঃস্ফূৰ্ত প্ৰকাশ। ব’হাগ আৰু বিহুগীতৰ মাজত সম্বন্ধ অতি নিবিড়, বিয়াৰ দৰা-কইনাৰ দৰে। এজনৰ অবিহনে বিবাহ কাৰ্য সম্পন্ন নোহোৱাৰ নিচিনাকৈ বিহুগীতৰ আৱাজ নথকাকৈ কোনো বছৰৰ আৰম্ভণি অসমৰ জাতীয় জীৱনত সম্ভৱপৰ হৈ উঠা নাই। ব’হাগ আহিলে ঢাপত নাহৰ, কেতেকী, তগৰ গোন্ধালে দূৰৈত ঢোলত চাপৰ পৰিলে অসমীয়াৰ মনত বিহু বিহু লাগে, গা ৰাই-জাই কৰে, বিহুগীতত আছে--

‘নাহৰো ফুলিলে কেতেকীও ফুলিলে
তগৰ ফুল ফুলিবৰ বতৰ,
তগৰৰ গোন্ধে পাই ৰ’ব মই নোৱাৰো
গচকি ভাঙি যাওঁ যঁতৰ।’

এই বিহুগীতবিলাকত আন্তৰিকতা, আনুভূতিক গাম্ভীৰ্য, বিশ্বাসবোধ, উচ্চস্তৰৰ কল্পনা আৰু সৌন্দৰ্যবোধৰ সুন্দৰ প্ৰকাশ দেখা যায়। উন্মাদ বসন্তকালে কামনাৰ বা বলাই মতলীয়া কৰে ডেকা-গাভৰুৰ মন, প্ৰণয়ৰ প্ৰবল আবেগ হৃদয়ত ধৰি ৰাখিব নোৱাৰি ডেকা-গাভৰুসকল অতীজত ঢাপলি মেলিছিল উদং পথাৰৰ বুকুলৈ, বিহু তলিলৈ। তেওঁলোকে উদং পথাৰৰ বুকুত যোৰ যোৰকৈ প্ৰণয়ৰ বেদী ৰচনা কৰিছিল, যৌৱনৰ নাচি নাচি সৃষ্টিৰ বীজ সিঁচিছিল আৰু প্ৰকৃতি যেন হৈ পৰিছিল উৰ্বৰা, সৃষ্টি সম্ভৱা।

লোক জীৱনৰ দাপোনস্বৰূপ বিহুগীতৰ মাজতে লুকাই আছে সহজ-সৰল জন-জীৱনৰ সুখ-হাঁহি-কান্দোনৰ অপূৰ্ব ছবি। বিহুগীতবোৰ প্ৰথমতে কবিতা পাছতহে গীত। ইয়াৰ কাব্যৰস আৰু গীতৰ সৌন্দৰ্য দুয়োটাই অখণ্ড ৰূপত অনুভূত হয়। গীতৰ নান্দনিক দিশটোৰ সাৰ্থকতা যিদৰে আছে কাব্যিক অভিব্যক্তিও সেইদৰে আছে। বিহুগীতবোৰ মূলতে প্ৰেমমূলক। ডেকা-গাভৰুৰ অন্তৰত গুজৰি-গুমৰি উঠা প্ৰেমৰ গোপন প্ৰৱাহ ইয়াৰ মাজেদি প্ৰৱাহিত হৈছে। ইয়াত আছে প্ৰেমৰ পূৰ্বৰাগ, এজনে আনজনৰ মাজত দেখা অপৰূপ সৌন্দৰ্য -

‘ডালিম গুটিৰ দাঁতেৰে হাঁহি ঐ শুৱনি
তোমাৰ চকলীয়া মুখ,
ভাগৰত থাকিলেও দিনৰে দিনতো
অন্তৰত পাওঁ মই সুখ।’

প্ৰেম, যৌৱন আৰু বিৰহ এই তিনিও ভাৱৰ সুন্দৰ প্ৰকাশ হৈছে বিহুগীতত। ইয়াৰ সংমিশ্ৰণত বিহুগীতৰ সৌন্দৰ্য অধিক প্ৰকাশ পাইছে। ইয়াৰ মাজত ভাৱৰ সন্মোহনী তথা স্বচ্ছন্দ প্ৰৱাহ মন কৰিবলগীয়া। সাহিত্য সৃষ্টিত সম্ভৱতঃ আটাইতকৈ প্ৰেমৰ গুৰুত্বপূৰ্ণ স্থান প্ৰাপ্তিয়ে বিহুগীতবোৰক অন্য মাত্ৰা প্ৰদান কৰিছে ঃ

‘তুমি নামে গালা উৰাই ঘূৰাই
লৈ গ’ল বতাহে উৰাই
মই নাম গালো উৰাই ঘূৰাই
তোমাকো আনিলে ভুলাই।’

সাহিত্যৰ দৃষ্টিকোণৰ পৰা চাবলৈ গ’লে বিহুগীতবোৰত কাব্যগুণ বৰ সুন্দৰভাৱে প্ৰকাশ পাইছে। আমি সকলোৱেই জানো যে কবিতাৰ মূলবস্তু হ’ল ছন্দ। যি কবিতাক সাহিত্যৰ অন্যান্য ধাৰাৰ পৰা পৃথককৈ ৰাখিছে। বিহুগীতবিলাক বিভিন্ন ছন্দৰ অলংকাৰেৰে ঝংকাৰিত। ছন্দ দুবিধ - এবিধ হ’ল মিত্ৰাক্ষৰী, য’ত চৰণৰ ক্ষেত্ৰত অক্ষৰৰ মিল থাকে। আনবিধ হ’ল অমিত্ৰাক্ষৰ য’ত অক্ষৰৰ মিল নাথাকে, কিন্তু ভাৱৰ সাদৃশ্য বৰ্তমান। মিত্ৰাক্ষৰী ছন্দৰ যতিৰ দ্বাৰা নিয়ন্ত্ৰিত কিন্তু অমিত্ৰাক্ষৰ ছন্দ যতিৰ দ্বাৰা নিয়ন্ত্ৰিত নহয়। ভাৱৰ প্ৰবাহে যতিক অতিক্ৰম কৰি যায় অৰ্থাৎ ই ভাৱৰ দ্বাৰাহে নিয়ন্ত্ৰিত। বিহুগীতত এই দুয়োবিধৰ বৰ সুন্দৰ প্ৰয়োগ হোৱা দেখা যায়। এই ছন্দৰ ভিতৰত দুলড়ী আৰু ছবি ছন্দৰ প্ৰয়োগ অধিক। দুলড়ী হ’ল ছয়টা চৰণেৰে গঠিত ছন্দ। ইয়াৰ প্ৰথম, দ্বিতীয়, চতুৰ্থ আৰু পঞ্চমত ছয়টাকৈ অক্ষৰ, তৃতীয় আৰু ষষ্ঠত আঠোটাকৈ অক্ষৰ থাকে। ষষ্ঠ আৰু তৃতীয়ৰ অন্ত্যমিলো থাকে।

দুলড়ীৰ নিচিনাকৈ ছবি ছন্দৰ প্ৰয়োগো মন কৰিবলগীয়া। ছবি ছন্দত ছয়টা চৰণ থাকে। প্ৰতিটো চৰণত প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু পঞ্চমত আঠোটাকৈ অক্ষৰ; তৃতীয়, ষষ্ঠত দহোটাকৈ অক্ষৰ থাকে। তৃতীয় আৰু ষষ্ঠ চৰণৰ অন্ত্যমিল থাকে। যেনে -

‘এটা বাটিত নহৰু এটা বাটিত পনৰু
এটা বাটিত খুতৰা শাক,
মূৰৰ চুলি চিঙি আশীৰ্বাদ কৰিছোঁ
চেনাই তই কুশলে থাক।’

ছন্দৰ নিচিনাকৈ অলংকাৰৰ প্ৰয়োগে বিহুগীতৰ সৌন্দৰ্যৰ সোণত সুৱগা চৰাইছে। অলংকাৰ দুবিধ - শব্দালংকাৰ আৰু অৰ্থালংকাৰ। য’ত শব্দৰ বৈচিত্ৰ্য ফুটি উঠে সেয়া অৰ্থালংকাৰ। বিহুগীতবিলাকত দুয়োবিধ অলংকাৰৰ প্ৰয়োগ দেখা যায়। শব্দালংকাৰৰ ভিতৰত অনুপ্ৰাসৰ প্ৰয়োগ অধিক। অনুপ্ৰাস হ’ল শুনিবলৈ শুৱলা হোৱাকৈ সঘন ব্যঞ্জন বৰ্ণৰ ওচৰা-ওচৰিকৈ হোৱা বিন্যাস। বিহুগীতত তাৰ উদাহৰণ -

‘চিৰিপ চিৰিপ কৰি কাপোৰ ধুই আছিলো
চিৰি লুইতলৈ চাই
চিৰি লুইততে কিৰিলি পাৰিয়ে
চেতনাই নাৱে মেলি যায়।’

অৰ্থালংকাৰৰ ভিতৰত আকৌ উপমা অলংকাৰৰ প্ৰচুৰ প্ৰয়োগ আছে। তাৰ লগতে ব্যতিৰেক, উৎপেক্ষা, অতিশয়োক্তি আদিৰো প্ৰয়োগ আছে। ইয়াৰ মাথোন উপমাৰ উদাহৰণ এটিহে দাঙি ধৰা হ’ল। উপমা হ’ল দুটা বিজাতীয় বস্তুৰ মাজত থকা স্পষ্ট আৰু বৈচিত্ৰ্যজনক তুলনা। উদাহৰণ স্বৰূপে -

‘তোমাৰ চকুযুৰি হৰিণাৰ চকু যেন
বুকুতো পদুমৰ চকা
তোমাৰ হাত দুখনি পদুমৰ ঠাৰি যেন
ৰেচমৰ কাপোৰে ঢকা।’

কিছুমান বিহুগীত অলংকাৰ শাস্ত্ৰৰ নীতি-নিৰ্দেশনা মানি নচলাকৈয়ে কাব্যিক কোমলতাৰ সৌন্দৰ্য বহন কৰা দিশটো মন কৰিবলগীয়া। প্ৰতীক, চিত্ৰকলা আৰু ৰসৰ প্ৰকাশে বিহুগীতৰ সৌন্দৰ্যত জেউতি চৰাইছে ঃ

‘আৰু বেলি কৈছিলা হাঁচতি দিম বুলি
এইবেলি কাটিছা পাঁজী
তোমাৰে হাঁচতি আমাকে নালাগে
তিৰোতা আনি ল’ম কাঁজি।’

হাঁচতি আৰু কপৌফুল পাহক প্ৰেমৰ প্ৰতীক ৰূপে ব্যৱহাৰ কৰা হৈছিল। কেতিয়াবা প্ৰতীক চিত্ৰকল্পৰূপে প্ৰকাশ পাইছে ঃ

‘চটাই পৰ্বতত পহু জাল পাতিলো
চটাইতে গধূলি হ’ল
সমনীয়াই সুধিলে কমে কিয়ে বুলি
জাল ফালি হৰিমা গ’ল।’ ইত্যাদি

কেৱল সেয়াই নহয় লোকগীতৰ অন্যতম অঙ্গ জতুৱা ঠাঁচ, খণ্ডবাক্য, সুৰীয়া শব্দ, কোমলাকান্তৰ শব্দৰ প্ৰচুৰ প্ৰয়োগৰ দ্বাৰা বিহুগীতবিলাক সৌন্দৰ্যমণ্ডিত। যেনে -

‘তোমালৈ চাওঁতে চকুপানী টোকোতে
হাতে সিয়ামুৰি ধৰে
নাচনিৰ চকুলৈ চাবকে নোৱাৰি
চকু চাটে মাৰি ধৰে।’

ইয়াৰ উপৰি ৰসৰ সুন্দৰ প্ৰয়োগে বিহুগীতবোৰৰ মাধুৰ্য বঢ়ায় তুলিছে। বিহুগীতৰ মূল ৰস আদি বা শৃংগাৰ ৰস। পৰিৱেশ আৰু সময়ভেদে কৰুণ ৰসো পৰিস্ফুট হৈছে।

এনেদৰে বিভিন্ন ছন্দ অলংকাৰ, ৰস, জতুৱা ঠাঁচ, যুৰীয়া শব্দ আদিৰে সমৃদ্ধ বিহুগীতবোৰ অসমীয়া লোক-সাহিত্যৰ ভঁৰালত এক সোণসেৰীয়া অমূল্য সম্পদ। বিহুগীত সহজ-সৰল চহা জীৱনৰ জীৱন সংগীত। বিহুগীতত চহা জীৱন আৰু প্ৰকৃতিয়ে যেন হাতত ধৰাধৰিকৈ আগবাঢ়ে। বৰ্তমান আধুনিকতাৰ ধামখুমীয়াত বিহুগীতবোৰে বৰণ সলাইছে। বিহুগীতৰ প্ৰকৃতি নিভাঁজ সোণেৰে গঢ়া। বৰ্তমান বিভিন্ন যুগৰ বোল লাগি বিহুগীতে নিজস্ব ৰূপ হেৰুৱাই পেলাইছে। বৰ্তমান আমি বহু বিহুগীত পাইছো সেয়া যুগে গৰকা বিহুগীতহে, প্ৰকৃত নিভাঁজ ৰূপত নাই। তথাপি বিহুগীতে অসমীয়া মানুহক যুগে যুগে আনন্দ দি থাকিব। বিহুগীতৰ যি সৌন্দৰ্য সেয়া অনন্য সুন্দৰ। বিহুগীতবোৰ সংৰক্ষণৰ বাবে সকলো সচেষ্ট হ’ব বুলি আশা কৰিলোঁ। ❑

এক পৃষ্ঠাৰ পৰা

## অ’ বিহু ! তোৰে স’তে মোৰ

নহয়। বিহুতো পৰিবৰ্তন ঘটিছে, ঘটিবই। ঘটাটো অৱশ্যম্ভাবী। আমি ইয়াক জোৰকৈ ধৰি ৰাখিব নোৱাৰো।

বিহু এক সংস্কৃতি। সংস্কৃতি বোলে বোৱতী নৈৰ দৰে। ই ৰৈ নাথাকে। ইয়াক ভেটিবও নোৱাৰি। ভেটিলে ই ভেটা ভাঙিব, নহ’লে প্লাৱন আনিব।

সংস্কৃতি ৰূপী বিহুৱে সামাজিক মানুহৰ সৃজনীশালতাক প্ৰতিনিধিত্ব কৰে। ই মানুহৰ এক আধ্যাত্মিক উৎপাদন। সংস্কৃতিৰ লগতে ই এক কলাও। সেয়ে ইয়াত সৃজনীশীলতা থাকে। গতিকে বিহুৱে অসমীয়া মানুহখিনিক সংস্কৃতিৰ দিশত আগুৱাই আনি আছে। অসমীয়া জাতিৰ প্ৰতি বিহুৰ দান অনবদ্য।

বিহু অকল সংস্কৃতিয়েই নহয়, লগতে ই লোক-সংস্কৃতিও। ই শোষিত জনগণৰ বতৰা কয়, সিহঁতৰ অন্তৰৰ কথা কয়, সিহঁতৰ ধ্যান-ধাৰণাৰ খবৰ দিয়ে। ই জীৱনৰ কষতি শিলৰ ওপৰেদি নিগৰি নিগৰি বৈ অহা সংস্কৃতি। ই অসমীয়া মানুহখিনিৰ ৰুচি-অভিৰুচিৰ সাক্ষী হৈ আহি আছে।

মানুহ এক সামাজিক প্ৰাণী। ই সমাজত থাকি ভাল পায়। সামাজিক প্ৰাণীৰ লগতে ই অৰ্থনৈতিক প্ৰাণীও। চাউল কঠাই খাটি খোৱা মানুহখিনিৰ ঘাই কথা। এই চাউল কঠাৰ ওপৰতে নিৰ্ভৰ কৰি সংস্কৃতি চলে।

সংস্কৃতি বৰ্তে সামাজিক চেতনাবোধত। এই চেতনাবোধ নিৰ্ভৰ কৰে সামাজিক সত্তা স্বৰূপ মানুহৰ ওপৰত। এই চেতনাবোধ ভৌতিক ৰূপান্তৰৰ সাক্ষী স্বৰূপ হৈ আহি আছে। এই চেতনাবোধ আকৌ নিৰ্ভৰ কৰে অৰ্থনৈতিক চৰ্তবোৰৰ ভৌতিক ৰূপান্তৰৰ ওপৰত। ইয়াৰ ওপৰতে নিৰ্ভৰ কৰি মানুহৰ ভাবাদৰ্শ চলে।

বিহুৱে সাংস্কৃতিক বিপ্লৱক নুসূচায় ; সূচায় সাংস্কৃতিক বিবৰ্তনকহে। তথাপি ই খেতিয়কৰ চেতনাক জাগ্ৰত কৰাত সহায় কৰি আহি আছে। ই বহু শতাব্দীৰ প্ৰাচীনতাৰে উদ্ভাসিত মনক সজীৱ আৰু সঞ্চালিত কৰি ৰাখি আছে।

বিহুৱে সংস্কৃতিক ৰজাঘৰীয়া কঢ়ামুঠিৰ পৰা মোকলাই সাধাৰণ জনতাৰ হাতত তুলি দিলে। দেউতাৰ পদূলিৰ বিহু পথাৰ পালেহি। ই ব্ৰজভূমিৰ আপুৰুগীয়া সম্পদ হৈ পৰিল। এতিয়া বিহুৰ ওপৰত জনগণৰ অধিকাৰ। ৰজাঘৰীয়া অধিকাৰে মেলানি মাগিলে।

বিহুৱে অসমীয়া জাতি সত্তাৰ বয়স নিৰ্ণয় কৰি আহিছে। ই অসমীয়া জাতিৰ ধাৰাবহিক অখণ্ডিত ৰূপক সংৰক্ষণ কৰি আহি আছে। বিহুৱে অসমীয়া জাতিক যিমান কটকটীয়াকৈ বান্ধি ৰাখিছে সিমান কটকটীয়াকৈ আনকি শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্ময়ো পৰা নাই ; কাৰণ য’ত ধৰ্মৰ গোন্ধ আছে তাত শ্ৰেণী বিভাজনৰো গোন্ধ আছে। আৰু শ্ৰেণী বিভাজনে জাতি বিভাজনত বৰঙণি যোগায়।

বিহুৱে যৌনতাক মানবীয়তালৈ ৰূপান্তৰ কৰাত সহায় কৰি আহিছে। যদিও বিহু গীত বা নৃত্য শৃংগাৰ প্ৰধান, তথাপি ইয়াত জান্তৱতাৰ পৰা মানবীয়তালৈ উত্তৰণৰ এক ইংগিত আছে।

বিহুৱে অসমীয়া মানুহখিনিক সচেতন কৰি ৰাখিছে। ই এই মানুহখিনিৰ সৌন্দৰ্যানুভূতিৰো বিকাশ সাধন কৰিছে। এই সচেতনতা আৰু সৌন্দৰ্যানুভূতিয়ে এওঁলোকক জন্তুৰ পৰা পৃথক হ’বলৈ অবকাশ দিছে।

কৃষ্টিৰ সংশোধিত ৰূপেই হ’ল সংস্কৃতি। নবপ্ৰস্তৰ যুগত আৰম্ভ হোৱা কৃষিৰ ওপৰতে নিৰ্ভৰ কৰি কৃষ্টি চলি আহিছে। এই কৃষ্টি-সংস্কৃতিৰ ওপৰতে নিৰ্ভৰ কৰি বিহু চলি আহিছে। এই কৃষ্টি-সংস্কৃতিয়ে মানুহক মানুহ কৰি ৰাখিছে।

বিহু মানুহৰ যুগপৎ কৰ্ম কৰাৰ পৰিণতিতে সৃষ্টি হৈ অহা এক সংস্কৃতি। ইয়াত সামূহিক পাৰম্পৰিকতাৰ এক বাৰ্তা আছে। মানুহক ৰং-ৰহইচ বিলোৱাৰো ই কাম কৰি আহিছে। এই ৰং-ৰহইচ ব্যক্তিগত নহয়, সামূহিকহে। ইয়াৰ মাজেদি মানুহৰ আশা-আকাংক্ষা, ভালপোৱা-বেয়াপোৱা আদি প্ৰতিফলিত হৈ আহিছে।

বিহু কেৱল অসমীয়া মানুহখিনিৰ এক সাংস্কৃতিক অলঙ্কাৰেই নহয়, ই জীৱন ধমনিও। ই অসমীয়াৰ জাতীয় বৈশিষ্ট্যক ৰূপায়িত কৰে। ইয়াৰ মাজেদি অসমীয়া মানুহখিনিৰ চৰিত্ৰ গঠন হৈ আহিছে। ভালকৈ জীয়াই থকাৰ ব্যাকৰণ ই শিকাই আহিছে। সেয়ে অসমীয়া মানুহখিনিয়ে বিহুত তেওঁলোকৰ চিন্তা-ভাবনা, তেওঁলোকৰ ভাষা-সাহিত্য, তেওঁলোকৰ কৰ্ম-কাণ্ড সকলোবোৰ লগাই আহিছে। ই দায়িত্ববোধৰ জ্ঞানো দি আহিছে। সেয়ে বিহু আমাক লাগে।

জয়তু বিহু। ❑

এক পৃষ্ঠাৰ পৰা

# অসম-নাগালেণ্ড সীমা

আউটিলৈ অনা হৈছিল। অৱশ্যে নগাসকলে ইয়াক সহজে গ্ৰহণ কৰিব খোজা নাছিল। কিন্তু ১৯৫৬ চনত 'নগা পিপলছ কনফাৰেন্স' এ এখন স্বাধীন নগাভূমি আৰু টুৱেনচাং এলেকাক নগাভূমিৰ ভিতৰুৱা কৰিবলৈ এক প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰে আৰু তাৰ ফলস্বৰূপে ১৯৫৭ চনৰ ১ ডিচেম্বৰ পৰা কাৰ্যকৰী হোৱাকৈ 'নেফা'ৰ তলতীয়া টুৱেনচাং অঞ্চলটো নগা ভূমিৰ ভিতৰুৱা কৰা হৈছিল আৰু ১৯৬০ চনৰ ১ আগষ্ট তাৰিখে কেন্দ্ৰীয় চৰকাৰে 'নগালেণ্ড' নাম দি এখন সুকীয়া ৰাজ্যৰ ঘোষণা কৰিছিল আৰু ১৯৬৩ চনত স্বীকৃতি প্ৰদান কৰা হৈছিল। কিন্তু নগাসকলে সীমা সম্পৰ্কত অসন্তুষ্টি প্ৰকাশ কৰি আছিল। ১৮৬৬ চনত ব্ৰিটিছে জাৰি কৰা অধিসূচনাৰ সময়ত বিভিন্ন ঠাইত সিচঁৰতি হৈ থকা নগাসকলে বাস কৰা তেতিয়াৰ উত্তৰ-কাছাৰ, নগাঁও দিলা আৰু ডিফু সংৰক্ষিত বনাঞ্চলৰ কিছু অংশ নগালেণ্ডৰ ভিতৰুৱা কৰিব বিচাৰিছিল। নগালেণ্ডৰ ৰাজ্য চৰকাৰে নগী বিদ্ৰোহীসকলৰ প্ৰতি সহনশীল নীতি গ্ৰহণ কৰিবলৈ গৈ ১৯৬০ চনত নগা কংগ্ৰেছৰ ফালৰ পৰা ১৬ দফীয়া দাবী সম্বলিত এখন স্মাৰক পত্ৰ ১৯৭১ চনৰ ১০ চেপ্তেম্বৰত আৰু ১৯৭২ চনৰ ৯ ফেব্ৰুৱাৰীত ভূমি হস্তান্তৰ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক তিনিখন স্মাৰক পত্ৰ দাখিল কৰিছিল। যাৰ ফলস্বৰূপে কেন্দ্ৰীয় চৰকাৰে ১৯৭১ চনত 'কে.ভি.কে সুন্দৰম আয়োগ' সীমা সমস্যা সমাধানৰ বাবে এক আন্তকাৰী আয়োগ গঠন কৰিছিল।

১৯৯১ আৰু ২০০৬ চনত নগালেণ্ড চৰকাৰে বিবাদিত ভূমি নিৰীক্ষাৰ বাবে প্ৰশাসনীয় উপমণ্ডল গঠন কৰিছিল। এই ক্ষেত্ৰত অসম চৰকাৰেও যথোচিত সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিছিল যদিও উপযুক্ত পদক্ষেপ লোৱা পৰিলক্ষিত নহ'ল সেইবাবে পৰৱৰ্তী কালছোৱাত শিৱসাগৰ, যোৰহাট আৰু গোলাঘাটৰ জনসাধাৰণ ভুক্তভোগী হৈছে আৰু পুৰণি সীমা বিবাদ সমস্যা বৰ্তমানেও অবিৰত হৈ আছে।

অসম নগালেণ্ডৰ সীমা বিবাদৰ মূল কাৰণ বুলি ক'লে বা ক'বলৈ গ'লে বুৰঞ্জীৰ পাত লুটিয়াব লাগিব। তেতিয়াহে আমি এই বিবাদৰ সঠিক কাৰণ জানিব পাৰিম। বৃটিছ শাসনৰ দিনত জাৰি কৰা ১৮৬৬ আৰু ১৯২৬ চনৰ অধিসূচনাৰ জৰিয়তে বৰ্তমানৰ নগালেণ্ড আৰু তাহানিৰ নগা পাহাৰ জিলাৰ এটা খণ্ডৰ ভৌগলিক সীমা নিৰ্ধাৰণৰ দ্বাৰা যেতিয়া ১৯৬০ চনত নগালেণ্ডক এখন পূৰ্ণাংগ ৰাজ্য হিচাপে ঘোষণা কৰি ১৯৬৩ চনত স্বীকৃতি দিয়া হয়। তেতিয়া নগাসকলে সেই সীমা মানি লোৱা নাছিল আৰু অসমৰ বিভিন্ন ঠাইত নগা অধ্যুষিত এলেকাসমূহ নগাভূমিৰ ভিতৰুৱা কৰিবলৈ দাবী কৰিছিল। বিভিন্ন সময়ত এই কাৰণবোৰক মূল ভেঁটি হিচাপে লৈ সীমা বিবাদ সংঘটিত হৈ আছিল। ইয়াৰ ভিতৰত উল্লেখযোগ্য কাৰণ সমূহ হ'ল -

১৮৬৬ চনত ব্ৰিটিছে পোন প্ৰথম বাৰৰ বাবে বলপূৰ্বক ভাৱে নগা পাহাৰ জিলা গঠন কৰে। ১৯২৫ চনত হোৱা দীৰ্ঘ জৰীপৰ পাছত শিৱসাগৰ জিলা আৰু নৱগঠিত নগা পাহাৰ জিলাৰ সীমা অধিসূচনা যোগে স্থায়ীকৰণ কৰা হয়। ইয়াৰ বিৰুদ্ধে নগাই হয়তো তেতিয়াই ক্ষীণ প্ৰতিবাদ কৰিছিল। ১৯৬৩ চনত যেতিয়া দেশৰ ১৬ সংখ্যক ৰাজ্য হিচাপে নগালেণ্ড স্বীকৃত হ'ল তেতিয়াও কিন্তু ১৯২৫ চনৰ চিহ্নিত সীমা অসম-নগালেণ্ডৰ সীমাৰূপে গৃহীত হ'ল। সংবিধান স্বীকৃত এই সীমাক লৈ হোৱা নগাৰ অসন্তোষ, ক্ষোভ আদি নতুন ৰাজ্যৰ প্ৰাপ্তিৰ সময়তো সজোৰেৰে উত্থাপন হ'ল। ১৮৬৫ চনৰ নগা পাহাৰ জিলাৰ সৃষ্টিৰ আগতে যিবোৰ সীমান্তৱৰ্তী অঞ্চল নগাৰ অধীনত আছিল। সেই সমূদায় অঞ্চল নগালেণ্ডে পুনৰ দাবী কৰি ঘূৰাই বিচাৰিছে ইয়াৰ ফলস্বৰূপে যি ৰক্তাক্ষয় পৰিৱেশ পৰিস্থিতি সৃষ্টি হৈছে সেয়াই অসম-নগালেণ্ডৰ সীমান্তৰ বিবাদৰ মূল কাৰণ।[১]

নগাৰ অগ্ৰাসী মনোবৃত্তি ভূমি দখলৰ ওপৰতো কেন্দ্ৰীভূত আছিল। নগাই ন ন কৌশলেৰে শ শ বিঘা মাটি দখল কৰাৰ চেষ্টাৰে সীমান্তত ৰক্তাক্ষয়ী সংঘৰ্ষৰ সৃষ্টি কৰি অগ্নিগৰ্ভা পৰিস্থিতিৰ অব্যাহত ৰাখিছিল। অসম-নগালেণ্ড সীমান্তৱৰ্তী অঞ্চলৰ "A","B","C" আৰু "D" ছেক্টৰৰ ভূমি মুঠ ৪৯৭৪.০৬ বৰ্গ কিলোমিটাৰ ভূমিৰ ওপৰত দখলৰ বাবে যুদ্ধকালীন পৰিৱেশে দাবী উত্থাপন কৰি আহিছে। তাৰ উপৰিও দখলৰ বাবে যুদ্ধকালীন দাবী অনুসৰি অসমৰ ২১ খন বনাঞ্চল আৰু ৪১ খন চাহ বাগিছাৰ মাটি নগালেণ্ডত চামিল কৰিব লাগে। কিন্তু ৰাজ্য চৰকাৰে আৰু কেন্দ্ৰীয় চৰকাৰে এই বিবাদমান ভূমিৰ প্ৰায় ১২০০ বৰ্গ কিলোমিটাৰ ভূমি বিবাদ নিষ্পত্তিৰ ক্ষেত্ৰত আওকণীয়া মনোভাৱৰ বাবে খিলঞ্জীয়া অসমীয়া লোকসকল নগা দুষ্কৃতিকাৰীৰ চিকাৰ হৈছে আৰু চৰকাৰৰ এই হেমাহিয়ে নাগালিম গঠনত সহায়ক হৈছে।

নগালেণ্ড চৰকাৰে যিহেতু ১৯২৫, ১৯৬৩ চনৰ সীমা চিহ্নিতকৰণ ব্যৱস্থাটোকে নস্যাৎ কৰি আহিছে। সেয়েহে অসমৰ সাংবিধানিক ভাৱে বৈধ সীমান্ত অঞ্চল, অবৈধভাৱে দখল কৰাৰো অভিযোগ নগাই অস্বীকাৰ কৰিছে। আনহাতে দুয়োখন ৰাজ্যৰ মাজৰ এই গুৰুত্বৰ সীমা সমস্যা সমাধান তথা নিৰ্ধাৰণত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয় নিৰ্বিকাৰ ভূমিকা গ্ৰহণ কৰি প্ৰায় অধিক শতিকা ধৰি ব্যৰ্থতাৰ সন্মুখীন হৈ আহিছে। কেন্দ্ৰীয় চৰকাৰৰ সীমা সমস্যাৰ ক্ষেত্ৰত ব্যৰ্থ হোৱাৰ বাবেই সীমান্তত আজিৰ এই অগ্নিগৰ্ভা পৰিস্থিতিৰ সৃষ্টি হৈছে।

অসম-নগালেণ্ড সীমান্তৰ সীমা বিবাদৰ সমস্যা সমাধানত ব্যৰ্থ হোৱাত ৰাজ্য চৰকাৰে সীমা বিবাদৰ নিষ্পতি বিচাৰি উচ্চতম ন্যায়লয়ত নগালেণ্ডৰ বিৰুদ্ধে গোচৰ তৰে। ২০০৪ চনৰ ১৩ চেপ্টেম্বৰত উচ্চতম ন্যায়লয়ে সীমান্ত সমস্যা দূৰ কৰিবৰ বাবে এখন আয়োগ গঠন কৰি দিয়ে আৰু দুয়োখন ৰাজ্যক নিৰ্দেশ জাৰি কৰে যে - "Co-operation with the commission and renders all possible assistance so that commission can function and smoothly discharge the duties, assigned to it by this court."

কিন্তু নগা চৰকাৰে উচ্চতম ন্যায়লয়ৰ নিৰ্দেশত গুৰত্ব নিদিয়াৰ বাবে উচ্চতম ন্যায়লয়ে নগা ৰাজ্যক ধমকি দিবলৈ বাধ্য হয়। ২০০৬ চনৰ ২৫ চেপ্টেম্বৰত ন্যায়ধীশ এছ. এন. ভৈৰৱৰ নেতৃত্বত এখন আয়োগ গঠন কৰে যদিও এই আয়োগে সফলতা লাভ কৰিব নোৱাৰিলে। ২০১০ চনৰ ২০ আগষ্টত উচ্চতম ন্যায়লয় থাৰ্কাতেয় কাটজু আৰু টি.এছ. ঠাকুৰ খণ্ডপীঠে সমস্যা সমাধানৰ বাবে মধ্যস্থতাকীৰ নিয়োগ কৰা সিদ্ধান্ত লয় আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰনালয়ক এই মধ্যস্থতাকাৰীক সহায় কৰিবলৈ নিৰ্দেশ দিয়ে। সুদীৰ্ঘ সময়ৰ পিছতো সৰ্বোচ্চ ন্যায়লয়ে মধ্যস্থতাকাৰী নিয়োগ কৰাৰ স্বত্বেও কোনো সমাধানৰ সূত্ৰ উলিয়াব নোৱাৰিলে আৰু অদূৰ ভৱিষ্যতে ইয়াৰ নিশ্চয়তা নাই। মধ্যস্থতাকাৰীয়ে যি গোপন প্ৰতিবেদন দাখিল কৰিছে, আশংকা মতেহে এয়া নগাৰ পক্ষে যোৱাৰ সম্ভাৱনা অধিক। ২২ পৃষ্ঠাত চাওক

তিনি পৃষ্ঠাৰ পৰা

# ঢকুৱাখনাৰ ঐতিহ্যমণ্ডিত

মজলীয়া স্কুলৰ খেল পথাৰত ফাটবিহুৱে প্ৰাণ পায় উঠে। অৱশ্যে আগৰ সাত দিন সাতি ৰাতিৰ ঠাইত এই বিহু চাৰিদিনহে অনুষ্ঠিত হয়। ইয়াৰ পিছত আকৌ ১৯৫০ চনৰ বৰভূইকঁপ, ১৯৫৪ চনৰ বাৰেচহৰীয়া সবাহ, ১৯৫৬ চনৰ কৃষক সভা, ১৯৫৭ চনৰ কৃষ্টি সভা আদিৰ বাবে ফাটবিহু অনুষ্ঠিত হোৱা নাছিল। ১৯৫৮ চনত পোৱা খেৰ-বাঁহৰ চালিৰ তলে তলে ফাটবিহু অনুষ্ঠিত হয়। ইয়াৰ পিচতো ১৯৫৯ চনত উত্তৰ পৰীয়া ছাত্ৰ সন্মিলন, ১৯৬০ চনৰ ভাষা আন্দোলন, ১৯৬২ চনৰ প্ৰলয়ংকাৰী বানপানী আদি বিভিন্ন কাৰণত ১৯৬৪ চন মানলৈকে ফাটবিহু উদ্‌যাপন হোৱা নাছিল। ১৯৬৫ চনত হুজগাঁও, ঘাঁহীগাঁও আৰু বান্তৌগাঁৱৰ বিহু দল তিনিটাক লৈ ফাটবিহু উদ্‌যাপন কৰা হৈছিল।

এনেকৈ চেগা-চোৰুকাকৈ মাজে সময়ে বিহু পাতি থকাৰ পিচত ১৯৭৬ চনৰ পৰা ঢকুৱাখনা চৰকাৰী মজলীয়া স্কুলৰ খেলপথাৰ, ঢকুৱাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ, ঢকুৱাখনা চৰকাৰী মূগা চুমনি আৰু ১৯৯৬ চনৰ পৰা চাৰিকড়ীয়া নৈ পাৰৰ শিচু গছৰ তলত স্থায়ী মুকলি মঞ্চত লানি নিছিগাকৈ ক্ৰমাগতভাৱে প্ৰতিবছৰে ফাটবিহু উদ্‌যাপন হৈ আহিছে।

আমি ক'ব পৰা অৱস্থাৰ (প্ৰায় ২০০৬)ৰ পৰা ফাটবিহুৰ বিস্তৃত ছবিখন চাই অভিজ্ঞতাৰ পৰা যি কথা বুজি পাইছো ঢকুৱাখনা ফাটবিহুৱে অসৎ ৰাজনীতিৰ গৰাহত নপৰিলে গণ চেতনাৰ মাজেৰে মহা মিলনৰ বাটেৰে গৈ এদিন সমগ্ৰ বিশ্বতে অসমীয়া জাতি সংস্কৃতিৰ ধ্বজা উৰুৱাব। যিহেতু ঢকুৱাখনাৰ ফাটবিহু ব'হাগ বিহুৰেই এটি স্বকীয় ৰূপ। ফাটবিহুৰ মঞ্চটি অসমৰ অন্য চহৰ-নগৰৰ ব্যৱসায়িক উদ্দেশ্যৰে সজোৱা মঞ্চৰ দৰে নহয়। চাৰিওফালে ডাঙৰ ডাঙৰ প্ৰকৃতিৰ নৈসৰ্গিক শোভা, স্থানীয় মানুহে ৰোপণ কৰা অৰ্কিড জাতীয় কপৌফুল, ভাটৌফুলেৰে আবৃত নতুন নতুন গছ, ওচৰতে বৈ থকা চাৰিকড়ীয়া নদীৰ জলৰাশিৰ লগতে পাৰৰ চিৰ সেউজীয়া হাবি-বননি, নৱ-কিশলয়ৰ কুঞ্জে কুঞ্জে প্ৰস্ফুটিত পুষ্পৰ গোপন আলাপ, গছৰ ডালে-ডালে নিগৰি অহা কুলি-কেতেকীৰ অমিয়া মাতৰ অভূতপূৰ্ব পৰিৱেশৰ মাজতে প্ৰাকৃতিক পৰিৱেশেৰে সজোৱা এটা মঞ্চ বিহু। গছৰ তলে তলে হাজাৰ হাজাৰ দেশী-বিদেশী বিহুবলীয়া ৰাইজে বিহু উপভোগ কৰে। মুকলি বিহুৰ দিনা বিবিধ গছৰ তলে তলে বিভিন্ন বিহু দলে নিজৰ নিজৰ বিহুসমূহ প্ৰদৰ্শন কৰে। মিচিং, দেউৰী, কৈৱৰ্ত, কোচ, কলিতা, আহোম, চাহ জনগোষ্ঠী, সোণোৱাল কছাৰী আদি বিভিন্ন জনগোষ্ঠীৰ বিহু দলসমূহে ভাগে ভাগে বিহু কৰি থাকে। সেই বিহু তলিতেই বিচাৰক সকলে মনে মনে গৈ নম্বৰ দিয়ে আৰু মুকলি সভাত ফলাফল ঘোষণা কৰি পুৰস্কৃত কৰে। চালে চকুৰোৱা বিহুবোৰত জিলিকি উঠে অতীতৰ পৰম্পৰাগত ৰীতি-নীতি। হুঁচৰি বিহুত আৰম্ভ কৰা 'স্বৰ্গদেউ ওলালে বাট চ'ৰাৰ মুখলৈ' বুলি গোৱা যোজনা 'শংকৰ ও আমাৰ নিজা গুৰু দৈৱকী নন্দন দেৱ হে' বুলি গোৱা পদ আদিয়ে বিহু সৃষ্টিৰ আদিম ছবি একোখনৰ কথা সোঁৱৰাই বিহুটিৰ গুৰুত্ব বঢ়াই আহিছে।

আনবোৰ মঞ্চৰ দৰে ফাটবিহুৰ মঞ্চত বিহু কুঁৱৰী বা বিহুৰাণী আদিৰ প্ৰতিযোগিতা নকৰে। কেৱল প্ৰাপ্ত বয়স্ক হুঁচৰি বিহু, চেমনীয়া হুঁচৰি বিহু, মহিলাৰ টকা বিহু, গাভৰু সকলৰ জেং বিহু আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰ উপৰি মিচিং, দেউৰী আদি অন্যান্য জনজাতি লোক সকলৰ কৃষ্টি দলসমূহে নিজৰ নিজৰ কৃষ্টি প্ৰদৰ্শন কৰে। এই ক্ষেত্ৰত প্ৰত্যেক বিহু দলৰ পৰম্পৰাগত সাজপাৰ, আ-অলংকাৰ, বাদ্যযন্ত্ৰৰ দিশসমূহ মন কৰিবলগীয়া। ঢকুৱাখনা যিহেতু অসমৰ ভিতৰতে এৰি মুগাৰ ক্ষেত্ৰত দ্বিতীয় সৰ্ব বৃহৎ ৰেচম গৱেষণা কেন্দ্ৰৰ ঠাই। ইয়াত ঘৰে ঘৰে এৰি, মুগা পুহি শিপিনীয়ে নিজে সূতা কাটি কাপোৰ বৈ ৰিহা-মেখেলা, পুৰুষৰ বাবে পঞ্জাৱী চোলা, গামোচা আদি তৈয়াৰ কৰে। অকল যে বিহু মঞ্চতে এনেবোৰ সাজপাৰ পৰিধান কৰে এনে নহয়। বিহুৱে বিহুৱাৰ মন সাত-আঠখন কৰি থকা সময়ছোৱাত প্ৰত্যেক অসমীয়া ডেকাই বিহু মঞ্চৰ বাহিৰতো গাঁৱে-ভূঞে বগা চুৰীয়া, মূগা পঞ্জাৱী, মূগা অথবা বগা গামোচা, কঁকালত ৰঙা টঙালী, হাতৰ সৰু গাঁঠিৰ ওচৰত ৰুমাল আৰু গাভৰুসকলে মূগা-ৰিহা মেখেলা, ডিঙিত জোনবিৰি, পোৱালমণি, খোপাত প্ৰকৃত কপৌফুল বা ভাটৌফুল, ম'হৰ শিঙৰ ফণি, ৰিহাৰ আগত সৰু ডাব কটাৰীখন অথবা বিহুৰ সৰু বাঁহৰ টকাটিৰে সৈতে 'বিহুটি আহিলে ৰমকে জমকে'ৰ কথাষাৰৰ লগত চৌদিশ ৰজিতা খাই থাকে। গীতত কবিৰ দৰে - সোণালী সূতাৰ দেশ ঢকুৱাখনাৰ এই আনন্দময় পৰিৱেশ চাবলৈ ফাটবিহুৰ সময়েই হৈছে সোণালী সুযোগ। এতিয়াও যদি কোনো লোক ঢকুৱাখনাৰ ফাটবিহু দেখাৰ সৌভাগ্য হোৱা নাই, লেখাটিৰ মাজেদিয়ে আমিও ঢকুৱাখনীয়া হিচাপে নিমন্ত্ৰণৰ আহ্বান এটা জনাই থ'লো। নানা দেশী-বিদেশী পৰ্যটকৰ পৰ্যটন স্থলী হিচাবে পৰিচিত হোৱা, নানা জাতি-জনজাতিৰ মহামিলনৰ সমন্বয়ৰ স্থলী পৰিচিত হোৱা বিহুতলিখনত খন্তেক বৈ আনন্দ লৈ যাবহি। শুনি যাবহি ঢকুৱাখনীয়াই গোৱা -

'ম'হ ঘুলি ঐ চাপৰিত আবেলি ঐ আবেলি
ঘিলা খেলিছিলা চাপৰি ঐ চাপৰি' নামবোৰ।

টকা বিহুত গোৱা - "অ' আইদেউ লচপচী ৰিহা ল'লা কেচবাছি দৰা ল'লা মনে বাছি, আকৌ তোমাৰ বিহুলৈ মন" ইত্যাদি ধুনীয়া ধুনীয়া বিহু নামবোৰ, বিহুনামৰ জাতবোৰ।

শেষত, ঢকুৱাখনাৰ ফাটবিহুৱে অতীতৰ পৰম্পৰাক গুৰুত্ব দি আহোতে সকলোৱে জ্ঞাত হৈছে সাজ-পোছাকৰ বাদেও পুৰণি দিনৰ বিহুনাম, বিহু নামৰ সুৰ, কথা, বিহু নাচৰ পুৰণি ভঙ্গীমা, নাচোনৰ পুৰণি লয়লাস, পুৰণি দিনৰ ঢোলৰ চেও-চাপৰ, গগণা, সুতুলী, ম'হৰ শিঙৰ পেঁপা আদিৰ পুৰণি সুৰবোৰ ফাটবিহুৱে ধৰি ৰাখিছে। বৰ্তমান বহুতো ৰঙ্গ মঞ্চত কেৱল মনোৰঞ্জনৰ বাবে কৰা ৰঙীণ বিহু প্ৰদৰ্শনত আগৰ বিহুৰ ৰেহ-ৰূপ নাই বুলি বিজ্ঞসকল আৰু সচেতন মহল চিন্তিত হৈছে। বিহু বিকৃত হৈছে আৰু বিজতৰীয়া হৈছে বুলি আগৰ গাঁৱৰ সহজ-সৰল লোকসকল, শিল্পীসকল ম্ৰিয়মান হৈছে। আমি ভাৱো সমগ্ৰ অসমতেই এই বিহুসমূহৰ এটা গৱেষণামূলক চিন্তা-চৰ্চাৰে অতীতৰ সঁচা বিহুখিনিক হানি হ'বলৈ নিদি, সাম্প্ৰতিক সময়ৰো কিছু ভাল লগা অংশ ৰাখি অতি সংৰক্ষণশীল নহৈ ঢকুৱাখনাৰ ফাটবিহুৰ লগতে অসমৰ অসমীয়াৰ বাপতি সাহোন বিহুক বিশ্বদৰবাৰলৈ আগুৱাই নিয়াৰ প্ৰচেষ্টা হ'ব লাগে।

এইখিনিতে উল্লেখযোগ্য - এটা সীমিত কলেবৰ লেখাৰ যোগেদি ঢকুৱাখনাৰ ফাটবিহুৰ সবিশেষ কৈ শেষ কৰিব নোৱাৰি। সেয়েহে ঢকুৱাখনা হাৰ্হি দেৱালয়ৰ ওচৰত, গোঁসানী থানৰ আশে-পাশে অতীততে ফাটবিহু মৰা কথা, ঢকুৱাখনাৰ ফাটবিহুত মাজুলীৰ পৰা আৰম্ভ কৰি কোন কোন ঠাইৰ মানুহ আহি প্ৰতি বছৰে বিহুত অংশ গ্ৰহণ কৰে হুবহু উল্লেখৰ পৰা আঁতৰি থাকিলো। এই বিহুৰ অন্তৰালত থকা কমিটিৰ কাম-কাজ, শাসন-অনুশাসন, বিত্তীয় সম্পৰ্কীয়ৰ কথা, বিহু কমিটিত কোনে কেনেকৈ আছে, অসমৰ বিভিন্ন ঠাইৰ সাংবাদিক সকল আহি কেনে ভূমিকা গ্ৰহণ কৰিছে, ফাটবিহুৰ মূল আকৰ্ষণ শোভাযাত্ৰাই কেনেকৈ অসমীয়া জাতীয় জীৱনৰ প্ৰতিচ্ছবিখন ডাঙি ধৰিছে, ১৯৭৬ চনৰ পৰা যে ধাৰাবাহিক ভাৱে ফাটবিহুৰ তলিৰ পৰা অনেক সিদ্ধহস্ত লোকৰ লিখনিৰে একোখন 'বিহুৱান' নামৰ আলোচনী প্ৰকাশ হৈ আছে ইত্যাদি বহু কথা প্ৰৱন্ধটিত লিখিবলৈ থাকি গৈছে।

সুদূৰ ভৱিষ্যতে সময় সুযোগ পালে পুনৰ পুংখানুৰূপে লেখাৰ প্ৰতিশ্ৰুতিৰে এইখিনি কথাৰেই ঢকুৱাখনাৰ ফাটবিহুৰ প্ৰসংগত লিখা যৎকিঞ্চিত লেখাটি বিজ্ঞজনৰ পৰা শুদ্ধৰণীৰ হাতৰ পৰশ আশা কৰি অনিচ্ছাকৃত ভুলৰ ক্ষমা বিচাৰি সামৰণি মাৰিলোঁ।

♦ *ঢকুৱাখনা ফাটবিহুৰ 'বিহুৱান' শীৰ্ষক আলোচনীসমূহৰ কেইটিমান সংখ্যাৰ পৰা কিছু তথ্য সন্নিৱিষ্ট কৰা হৈছে।*

# সুদক্ষ অভিনেতা ত্ৰিলোক বৰা



অসমৰ শিক্ষা আৰু অভিনয় জগতত এটি পৰিচিত নাম ত্ৰিলোক বৰা। যোৰহাট জিলাৰ পটীয়া গাঁৱত ১৯৬৫ চনত জন্মগ্ৰহণ কৰা ত্ৰিলোক বৰাৰ পিতৃৰ নাম স্বৰ্গীয় নগেন্দ্ৰ নাথ বৰা আৰু মাতৃৰ নাম ভদ্ৰাৱলী বৰা। ৮২ নং পটীয়া গাঁও নিম্ন বুনিয়াদী বিদ্যালয়ত শিক্ষা জীৱন আৰম্ভ কৰা শ্ৰী বৰাই ক্ৰমে বাহনা উচ্চ ইংৰাজী বিদ্যালয়, যোৰহাট চৰকাৰী উচ্চতৰ বহুমুখী বিদ্যালয়, বাহনা মহাবিদ্যালয়ৰ শিক্ষাৰ দেওনা পাৰ হৈ ১৯৮৯ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৯০ চনতে বাহনা মহ্যাবিদ্যালয়ত অংশকালীন শিক্ষকৰ সেৱা আগবঢ়োৱা শ্ৰীবৰা বৰ্তমান উত্তৰ যোৰহাটত অৱস্থিত মহাত্মা গান্ধী মহাবিদ্যালয়ৰ অধ্যক্ষৰূপে কাৰ্যনিৰ্বাহ কৰি আছে।

শৈশৱৰ পৰা সাংস্কৃতিক ক্ষেত্ৰখনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত ত্ৰিলোক বৰাই বিদ্যালয়, মহাবিদ্যালয় তথা বিশ্ববিদ্যালয় পৰ্যায়তো নিজৰ অভিনয় প্ৰতিভা প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসা লাভ কৰি আহিছে। বৰ্তমান যোৰহাটতে নহয় সমগ্ৰ অসমতে সামাজিক নাটকৰ অভিনয় আৰু ভাওনা নাটৰ অভিনয়ৰ দিশত জনপ্ৰিয়তাৰ শীৰ্ষত বুলিব পাৰি। নিজে অভিনয় প্ৰদৰ্শন কৰাৰ উপৰিও নৱ প্ৰজন্মৰ যুৱক-যুৱতীসকলক অভিনয় শিক্ষা প্ৰদান কৰি আহিছে। শ্ৰীবৰাই অসম ভিত্তিত অনুষ্ঠিত ভাওনা প্ৰতিযোগিতাত যোৰহাটৰ বহু ঠাইৰ উপৰিও দুলীয়াজান, শিৱসাগৰ, গোলাঘাট আদি ঠাইত শ্ৰেষ্ঠ ভাৱৰীয়াৰ আৰু শ্ৰেষ্ঠ পৰিচালকৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। ২০০০ চনৰ পৰা তেখেতে বিভিন্ন দলৰ প্ৰশিক্ষক আৰু পৰিচালকৰূপে দায়িত্ব পালন কৰি আছে। বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়তো কেইবাবাৰো একাংকিকা নাটৰ শ্ৰেষ্ঠ দল তথা শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। তেখেতে ভ্ৰাম্যমান নাট্যদলতো অভিনয় কৰিছিল। উদ্দীপনা থিয়েটাৰ (১৯৮৪) প্ৰতিধ্বনি থিয়েটাৰৰ উপৰিও ১৯৯৫ চনত কহিনুৰ থিয়েটাৰত অভিনয় কৰিছিল। পাৰিবাৰিক আৰু সামাজিক দায়িত্বৰ বাবে ভ্ৰাম্যমানৰ অভিনয় ক্ষেত্ৰৰ পৰা আঁতৰি আহিব লগাত পৰে। ১৯৯০ চনত 'সপ্তশিখা' অসম নামৰ সাংস্কৃতিক গোষ্ঠীৰ সভাপতিৰ দায়িত্ব লৈ সপ্তশিখা নামৰ এখন শ্ৰব্য কেছেট উলিয়ায়। ভাওনাত শ্ৰীবৰাই বিভিন্ন চৰিত্ৰৰ অভিনয় কৰে যদিও দুৰ্যোধন, দক্ষ, হিৰণাক্ষ্য, ভীষ্মক, যমদগ্নি, ধৃতৰাষ্ট্ৰ আদি চৰিত্ৰৰ অভিনয় দৰ্শকৰ মনৰ পৰা মচ খাই নাযায়। সেইদৰে মঞ্চনাটৰ ভিতৰত নয়ন মোহন (পৃথিৱীৰ মৃত্যু), পিয়লি (পিয়লি ফুকন), বাঞ্চাৰাম (বাঞ্চাৰামৰ বাগান), ডাঃ থমাচ (চক্ৰবেহু) আদি চৰিত্ৰৰ অভিনয় যি এবাৰ চাইছে তেওঁ কেতিয়াও পাহৰিব নোৱাৰে। ৰাসৰ নাটৰ কংস, উগ্ৰসেন আদি চৰিত্ৰ অভিনয়ৰ উপৰিও নাট পৰিচালনাৰ ক্ষেত্ৰতো বিশেষ দক্ষতা আছে। 'সপ্তশিখা' (আলেখ্য), 'শকুনিৰ প্ৰতিশোধ', 'ৰুক্মিণী হৰণ', 'মিলন মঙ্গল' আদি শ্ৰব্য কেছেটত অভিনয়ৰ বাচিক কলা সুন্দৰকৈ উপস্থাপন কৰিছে।

শ্ৰীবৰাই নিজে অভিনয় কৰাৰ উপৰিও বিভিন্ন কাকত, আলোচনীত অভিনয় সম্পৰ্কে প্ৰবন্ধ পাতিও লিখিছে। সম্প্ৰতি তেখেত কল্যাণী নাট্য বিদ্যালয়, ৰাসমঞ্চ, থিয়েটাৰ, ডেকাগিৰি সাংস্কৃতিক গোষ্ঠী, উত্তৰ-পূব যোৰহাট সাংস্কৃতিক বিকাশ কেন্দ্ৰ আদিৰ লগত জড়িত হৈ নৱ প্ৰজন্মক সাংস্কৃতিক শিক্ষা প্ৰদান কৰি আছে। পাৰিবাৰিক, সামাজিক, শিক্ষা, সাংস্কৃতিক সকলো দিশতে দায়িত্বশীল শ্ৰীবৰাৰ দৰেই ব্যক্তিৰ পৰা সমাজে বহু আশা কৰে। চৰকাৰী ভাৱেও তেখেতক উপযুক্ত কৰ্মত নিয়োজিত কৰিলে (বিশেষকৈ সাংস্কৃতিক ক্ষেত্ৰত) অসমৰ সাংস্কৃতিক জগতত নতুন নতুন দিশৰ উন্মোচন ঘটিব বুলি আশা কৰিব পাৰি। ❑

# সুদক্ষ অভিনেতা দীপ কুমাৰ শৰ্মা



অভিনয় পৰিক্ৰমা ঃ মৰিয়নিৰ অভিনেতা দীপ কুমাৰ শৰ্মাই মৰিয়নি মহাদেৱ আগৰৱালা হাইস্কুলৰ দশম শ্ৰেণীৰ পৰাই বিদ্যালয় সপ্তাহত প্ৰথম নাট অভিনয় আৰম্ভ কৰি বৰ্তমান সৌ সিদিনা সোণাৰীত সদৌ অসম ভিত্তিত নাট প্ৰতিযোগিতাত অভিনয় কৰি দলগত শিতানত শ্ৰেষ্ঠ নাট্য দলৰ অভিনেতা হিচাপে পুৰস্কাৰ লাভ কৰে। যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা শৰ্মাই ১৯৮৪ চনত তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয় সপ্তাহত দ্বিতীয় শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰিছিল। ইয়াৰ পিছত অসমৰ বিভিন্ন স্থানত অনুষ্ঠিত সদৌ অসম একাঙ্ক নাট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰে। উল্লেখযোগ্য ভাৱে ২০০৮ চনত গুৱাহাটীৰ জ্যোতিৰূপা উত্তৰ পূব নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰে। ২০০৮ চনত সদৌ ভাৰত থিয়েটাৰ মুভমেণ্ট উৰিষ্যাৰ কটকত অনুষ্ঠিত নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠ অভিনেতাৰ পুৰস্কাৰ লাভ কৰে। ইয়াৰ উপৰিও ডুমডুমা ১৯৯২ চন, সোণাৰী ১৯৯২ চন, কুঠৰী ২০০১ চন, নাজিৰা ২০০২ চন, যোৰহাট ২০০৩ চন, লামডিং ২০০৪ চন, কৰঙা, যোৰহাট ২০০৫ চন আদিত অনুষ্ঠিত একাংক নাট প্ৰতিযোগিতাত ভূয়সী প্ৰশংসা আৰু সন্মান (বঁটা) লাভ কৰিবলৈ সক্ষম হয়। এইদৰে North East Zone Cultural Center ৰ দ্বাৰা লামডিংত আয়োজিত নাট মহোৎসৱত বিশেষ প্ৰশংসা লাভ কৰে।

একাঙ্ক নাটৰ উপৰিও অসমৰ নাট্য সন্মিলনৰ দ্বাৰা আয়োজিত সদৌ অসম পূৰ্ণাঙ্গ নাট প্ৰতিযোগিতাত মৰিয়নি অধিৱেশনত শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰে। অসম নাট্য সন্মিলনৰ পূৰ্ণাঙ্গ নাট প্ৰতিযোগিতা দুধনৈ অধিৱেশনত তৃতীয় শ্ৰেষ্ঠ অভিনেতা সন্মান লাভ কৰে। ইয়াৰ উপৰিও ৪০ খন একাঙ্ক আৰু ৩২ খন পূৰ্ণাঙ্গ নাটত অভিনয় কৰি বৰ্তমানেও মৰিয়নি, যোৰহাট, নকছাৰীৰ বিভিন্ন নাট্যগোষ্ঠীৰ লগত অভিনয় কৰি আছে। প্ৰতিভাসম্পন্ন এইজন অভিনেতাই অভিনয় দক্ষতাৰে জনপ্ৰিয়তা লাভ কৰিছে যদিও চৰকাৰীভাৱে অভিনয়ৰ যথাযোগ্য সন্মান পোৱাটো গুণমুগ্ধ সকলে বিচাৰি। ❑

# কণ্ঠশিল্পী, অভিনেতা, শাস্ত্ৰজ্ঞ গজেন নাথ



সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ, বিশ্বৰ বৃহত্তম নদীদ্বীপ মাজুলী গড়মূৰ সদৰৰ পুৰণিবাৰী গাঁৱৰ নিবাসী পিতৃ প্ৰয়াত ভেকুৰাম নাথ আৰু মাতৃ শ্ৰীমতী লেৰেলী নাথৰ পুত্ৰ শ্ৰীগজেন নাথ মাজুলীৰে নহয় শদিয়াৰ পৰা ধুবুৰীলৈকে এটি পৰিচিত নাম। গীতা, ভাগৱত, কীৰ্তন, দশমৰ পৰা আৰম্ভ কৰি অভিনয়লৈকে শ্ৰীগজেন নাথে যি বিৰল ব্যক্তিত্বৰ পৰিচয় দি আহিছে সেয়া কেৱল মাজুলীৰে নহয় অসম মাতৃৰো ই এক গৌৰৱৰ স্থল। এই গৰাকী সংস্কৃতিবানৰ আমি সুস্বাস্থ্য আৰু সুন্দৰতৰ ভৱিষ্যত কামনা কৰিছো।

১৯৪৮ চনত পুৰণিবাৰী গাঁৱত জন্ম গ্ৰহণকৰা শ্ৰীনাথে ৮ বছৰ বয়সৰ পৰা গীতা, ভাগৱত, অভিনয় আদিত মনোনিৱেশ কৰে। এই বিষয়ত শ্ৰীনাথক অনুপ্ৰেৰণা যোগোৱা ব্যক্তি সকল হ'ল প্ৰয়াত ভেকুৰা নাথ, প্ৰয়াত বিনন্দ নাথ, প্ৰয়াত নাহৰ চন্দ্ৰ গাঁওবুঢ়া, প্ৰয়াত আইতী নাথ, প্ৰয়াত ভাৱলী নাথ আৰু শ্ৰীমতী লেৰেলী নাথৰ নাম বিশেষভাৱে স্মৰণীয়। অখণ্ড ভাগৱত পাঠ কৰে পোনপ্ৰথমে যোৰহাটৰ গৰখীয়া দ'লত। ইয়াৰ পিছত ক্ৰমে চাৰিগাঁও, চোলাধৰা, চেঙেলিগাঁও, বাঘমৰা পতিয়া, মাজুলীৰ সোণাৰীআটি, বৰবাৰী, ৰাৱনাপাৰ, লক্ষীমপুৰ আজাদ, নাৰায়ণপুৰ, ধেমাজি, গহপুৰ, গুৱাহাটী বশিষ্ঠাশ্ৰম, দিছপুৰ, তিনিচুকীয়া, দুলিয়াজান, নামৰূপ, শিৱসাগৰ, ধুবুৰী, কাৰ্বি আংলং, নাহৰ লগুণ, শোণিতপুৰ, ডিব্ৰুগড়, গোলাঘাট, ফৰকাটিং ইত্যাদি স্থানত ভাগৱত, গীতা আদি পাঠ কৰি অগনন ভক্ত বৈষ্ণৱক, অঘৰীৰে মন্ত্ৰেৰে সৰ্পক মুগ্ধ কৰাৰ দৰে মুগ্ধ কৰি ৰাখিছে। ১৯৯৩ চনত ডিব্ৰুগড় অনাঁতাৰ কেন্দ্ৰ যোগে শ্ৰীনাথৰ গীতা পাঠ 'ভক্তিগীতি' অনুষ্ঠান যোগে প্ৰচাৰ হয়। বৰ্তমানো শ্ৰীনাথৰ গীতা পাঠ এই কেন্দ্ৰৰ যোগে প্ৰচাৰ হৈ আহিছে। ইয়াৰ উপৰিও শ্ৰীনাথে কণ্ঠদান কৰা 'বৈকুণ্ঠৰ কল্পতৰু' ভাগৱত পাঠৰ কেচেটটিয়ে ভগৱৎ ভক্তিৰ প্ৰচাৰত অগ্ৰণী ভূমিকা লৈ আহিছে। শ্ৰীগজেন নাথে মাজুলীৰ বিভিন্ন স্থানত, লক্ষীমপুৰৰ ফুলবাৰী আজাদ, শ'লমাৰি, কুঁহিয়াৰবাৰী, নাৰায়ণপুৰা, লেতেকুগুৰি থান, টেঙাপথাৰ, ফুলনিবান, গহপুৰ, যোৰহাটৰ টোকোলাই, গড়মূৰ, দুলিয়াজানৰ বগৰীবাম, নামৰূপ পেট্ৰোকেমিকেল আদি স্থানত অগনন ভক্তক গীতাপাঠ ও ভাগৱত পাঠৰ শিক্ষা দি বৰ্তমান নাস্তিকতাৰ যুগটো আধ্যাত্মিকতাৰ সেঁতু নিৰ্মাণ কৰে। গীতাপাঠ, ভাগৱত পাঠৰ উপৰিও লোকগীত, বিহুগীত, দিহানাম, টোকাৰীগীত, বৰগীত, বনগীত, নাম প্ৰসঙ্গ আদি পৰিৱেশন কৰি কেৱল আমালোক পুৰণিবাৰী গাঁৱৰ ৰাইজকে নহয় মাজুলীৰ বিভিন্ন স্থানত শ্ৰীনাথৰ নাম স্মৰণীয় হৈ আছে। অভিনয় জগততো শ্ৰীনাথৰ আসন চিৰস্মৰণীয়। ভীষ্ম, নাৰদ আদি অভিনয়ৰ পৰা আৰম্ভ কৰি পৰিক্ষিত, পৰশুৰাম আদি অভিনয়লৈকে নাটকৰ মূল অভিনয় প্ৰদৰ্শন কৰি আমাক আপ্লুত কৰি ৰাখিছে। ঢোল, খোল, তাল, নেগেৰা আদি বাদ্যযন্ত্ৰ পৰিৱেশনতো শ্ৰীগজেন নাথৰ পাৰদৰ্শিতাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। আৰ্থিকভাৱে দুৰ্বল হৈয়ো, এশ একুৰি সমস্যাৰ মাজত থাকিও সাহিত্য সংস্কৃতিৰ জগতখনত শ্ৰীগজেন নাথে যেনেদৰে সগৌৰৱে বুকু ফিন্দাই খোজ কাঢ়িছে, তেনেদৰে বুকু ফিন্দাই কেইজন অসমীয়াই খোজ কাঢ়িছে। এনে এজন শিল্পীয়ে চৰকাৰৰ পৰা কোনোধৰণৰ সুবিধা নোপোৱাটো আমাৰেই নহয় সকলো সংস্কৃতিবান, সমাজকৰ্মীৰেই পৰিতাপৰ বিষয়।❑

# সাংস্কৃতিক কৰ্মী প্ৰদীপ কাটনী



সাংস্কৃতিক মন সকলোৰে থাকে, কিন্তু তাক সজীৱতা প্ৰদান কৰাৰ পৰিৱেশ ৰচনা কৰা আৰু তেনে পৰিৱেশত লালিত-পালিত হোৱাৰ সৌভাগ্য সকলোৰে নাথাকে বা কেতিয়াবা পৰিৱেশ অনুকূল হৈ নুঠেগৈ। জীৱন জিজ্ঞাসাৰ পট সৃষ্টি কৰিব পৰাটোও এক কলা, য'ত নিহিত থাকে সাধনা আৰু সুস্থ মননশীলতা। নিৰলস একাগ্ৰতাৰে সাংস্কৃতিক জগতখনত খোজ পেলাবলৈ সক্ষম হোৱা খুউব কমেইহে ব্যক্তি থাকে যাৰ পৰশত প্ৰাণ পাই উঠে একোটা অঞ্চলৰ সাংস্কৃতিক পৰিৱেশ, জীপাল হয় সামাজিক বাতাবৰণ, প্ৰেৰণালব্ধ হয় ন-শিকাৰু। তেনে এজন নিৰলস সাংস্কৃতিক কৰ্মী হ'ল লক্ষীমপুৰ জিলাৰ নাওবৈছা ৰহালী গাঁওৰ উদীয়মান সাংস্কৃতিক কৰ্মী প্ৰদীপ কাটনী। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক চেনীৰাম কাটনী আৰু কুসুম কাটনীৰ কণিষ্ঠ পুত্ৰ প্ৰদীপ কাটনী ১৯৯৫ চনতে প্ৰতিষ্ঠা হোৱা সপ্তসুৰ সঙ্গীত বিদ্যালয়ৰ অধ্যক্ষ। অসমীয়া বিষয়ত স্নাতকোত্তৰ, একেধাৰে গীতিকাৰ, সুৰকাৰ, তবলা আৰু শাস্ত্ৰীয় সঙ্গীতৰ বিশাৰদ (B.Muse) আৰু B.Fine Art ডিগ্ৰীৰ অধিকাৰী। ১৯৯৭ চনতে লক্ষীমপুৰৰ পৰা প্ৰকাশিত 'গণবাৰুদ' আৰু 'সাদিনীয়া নতুন বাতৰি' নামৰ বাতৰি কাকত দুখনৰ যোগেদি সাংবাদিকতাৰ জীৱন আৰম্ভ কৰা কাটনীয়ে বৰ্তমানেও অসমীয়া খবৰ কাকতৰ সাংবাদিক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। তেখেত সঙ্গীতৰ জগতলৈ অৱদানসমূহ হ'ল - প্ৰয়াগ সঙ্গীত সমিতিৰ (এলাহাবাদ) অনুমেমাদিত পাঠ্যক্ৰমৰ গায়ন বিভাগৰ (Vocal) প্ৰথমৰ পৰা যষ্ঠ বৰ্ষলৈকে ৰাগৰ তিনিটা খণ্ডত (3 voll.), মধুৰ স্বৰলিপি সংগ্ৰহ নামকৰণেৰে হিন্দীৰ পৰা অসমীয়ালৈ অনুবাদ কৰি গায়ন (Vocal) ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ সুবিধা প্ৰদান কৰি দিছে। তদুপৰি তেখেতৰ দ্বাৰা প্ৰণিত স্বৰলিপি কেইখন হ'ল - বিষ্ণুৰাভাৰ গীতৰ স্বৰলিপি, পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীতৰ স্বৰলিপি, জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতৰ স্বৰলিপি প্ৰকাশ কৰি উলিয়াইছে। অসম চৰকাৰৰ শিক্ষা সংসদৰ দ্বাৰা অনুমোদিত পাঠ্যক্ৰমৰ নৱম আৰু দশম শ্ৰেণীৰ সঙ্গীত বিষয়ৰ পাঠ্যপুথি 'সঙ্গীত সাৰথি' প্ৰণয়ন কৰিছে। হিন্দী (ৰঃভাঃপ্ৰঃসঃ)ৰো বিযাৰদ ডিগ্ৰী লোৱা কাটনী বিহুৰ নাচ আৰু গীতৰ সকলো বিষয় সামৰি ৰঙালী বিহু এক সমীক্ষাত্মক আলোচনা শীৰ্ষক এখনি গ্ৰন্থৰো প্ৰণেতা। প্ৰদীপ কাটনী অঞ্চলটোৰে নহয় সমগ্ৰ লক্ষীমপুৰ জিলাৰে এজন পৰিচিত সঙ্গীত শিল্পী। ২০০৫ চনত লক্ষীমপুৰ জিলা নেহেৰু যুৱ কেন্দ্ৰৰ দ্বাৰা 'Best North' সন্মান পোৱা প্ৰদীপ কাটনী বৰ্তমানেও কেউটা বিষয়তে তেখেতৰ চৰ্চা অব্যাহত ৰাখিছে। তেখেত প্ৰয়াগ সঙ্গীত সমিতি এলাহাবাদৰ ব্যৱহাৰিক পৰীক্ষাৰ নিয়মিত বিশেষ তত্বাৱধায়ক হিচাপে দায়িত্ব প্ৰাপ্ত ব্যক্তি। চৰকাৰী সাহাৰ্য অবিহনেই গাঁও অঞ্চলত সঙ্গীত শিক্ষণৰ আহোপুৰুষাৰ্থ কৰি অহা এনেধৰণৰ প্ৰতিভাৱান তথা উদ্যোগী সাংস্কৃতিক কৰ্মীক চৰকাৰী ভাৱে উৎসাহিত কৰিলে তেখেতৰ সৃষ্টি কৰ্মইযে এক দুৰন্ত গতি ল'ব সেয়া নিশ্চিত। ❑

# মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়

❑ মনোজ কুমাৰ শৰ্মা

'তমসো মা জ্যোতিৰ্গময় - এন্ধাৰলৈ নহয়, পোহৰলৈ নিয়া' - এই মহত্তম বাক্যশাৰী বাস্তৱত সাৰ্থকভাৱে ৰূপ দিবলৈ আজিৰ পৰা প্ৰায় ৮৪ বছৰ আগতে মৰিয়নিত এখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰা হৈছিল। পৰৱৰ্তী সময়ত এইখন বিদ্যালয়ৰ বুকুতে প্ৰাণ পাই জিলিকি উঠিল এখন পূৰ্ণাঙ্গ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়। অৱশ্যেই বিদ্যালয়খনৰ প্ৰগতিৰ এই যাত্ৰাপথত মৰিয়নিৰ বহুজন বৰেণ্য ব্যক্তিৰ অৱদান জড়িত আছে। লগতে আছে বহুজন সাধাৰণ লোকৰ অসাধাৰণ শ্ৰম আৰু ত্যাগ।

**বিদ্যালয়খন প্ৰতিষ্ঠাৰ আদি কথা ঃ-** বৰ্তমানৰ সমৃদ্ধ নগৰ মৰিয়নি ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লোকৰ বসতিৰে মুখৰ হৈ পৰিল। ৰেলৰে মানচিত্ৰত মৰিয়নিয়ে স্থান লাভ কৰাৰ সময়ৰে পৰা (১৮৮৪-৮৫ চন) ইয়াত স্থাপন কৰা ৰেল ষ্টেচন সহ অন্যান্য ৰেলৰে শাখা কাৰ্যালয়ত কাম কৰিবলৈ অহা লোকৰ সোঁত বয়। এইসকলৰ বহুতেই ইয়াত নিগাজীকৈ বাস কৰিবলৈ লয়। তাৰো পূৰ্বৰে পৰা ইয়াৰ চৌপাশৰ চাহ-বাগিচাসমূহত কৰ্মৰত কৰ্মচাৰীসকলৰ সন্তানৰ শিক্ষা লাভৰ স্বাৰ্থত বিদ্যালয় এখনৰ প্ৰয়োজন তীব্ৰ হৈ উঠিছিল। এই সকলৰ মাজৰে একাংশ বিদ্বোৎসাহীয়ে অঞ্চলটোত এখন বিদ্যালয় স্থাপনৰ তাগিদা অনুভৱ কৰিছিল আৰু ইয়াৰেই ফচল আছিল প্ৰাথমিক বিদ্যালয়খন (সেইখনেই বৰ্তমানৰ মৰিয়নি নগৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়)। পৰৱৰ্তী সময়ত এখন এম.ই, স্কুল স্থাপন কৰা হয় আৰু এইখন স্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল নৰেন্দ্ৰ নাথ বৰুৱা। এইখন স্কুলকেই ১৯৪৫ চনত হাইস্কুল ৰূপে প্ৰতিষ্ঠা কৰা হয় আৰু নাম ৰখা হয় মৰিয়নি হাইস্কুল। হাইস্কুলখনে ১৯৪৭ চনত চৰকাৰী স্বীকৃতি লাভ কৰে যদিও ১৯৭৭ চনতহে প্ৰাদেশীকৰণৰ সুবিধা পায়। এই সময়চোৱাত বিদ্যালয়খনে বহু প্ৰত্যাহ্বানকো নেওচি শিক্ষা, ক্ৰীড়া, সাহিত্য, সংস্কৃতি আদি সৰ্বদিশতে মূৰ তুলি উঠিবলৈ সক্ষম হয়। এই ক্ষেত্ৰত সেই সময়ত বিদ্যালয়খনত কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু পৰিচালনা সমিতিৰ সৈতে জড়িত কেইবাজনো লোকৰ অৱদান অনস্বীকাৰ্য। ১৯৫৬ চনত বিশিষ্ট ব্যৱসায়ী আচকৰণ জালানে তেওঁৰ পিতৃ মহাদেৱ আগৰৱালাৰ স্মৃতিত বিদ্যালয়ৰ নিৰ্মাণ কাৰ্যত দান-বৰঙণিৰে যথেষ্ট সহযোগিতা আগবঢ়ায় আৰু তেতিয়াৰেপৰা বিদ্যালয়খনৰ নাম মৰিয়নি হাইস্কুলৰ ঠাইত মহাদেৱ আগৰৱালা হাইস্কুল হয়। ১৯৯৩ চনত বাণিজ্য বিভাগেৰে উচ্চতৰ মাধ্যমিক শাখা আৰম্ভ হয় আৰু তেতিয়াৰে পৰাই মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰূপে পৰিচিত হয়।




১৯৪৫ চনত হাইস্কুলখন স্থাপনৰ বাবে গঠিত সমিতিখনৰ সভাপতি আছিল নৱাব নজমূল হুছেইন আৰু সম্পাদক আছিল তুৱাৰাম দত্ত। এম.ই. স্কুলখনৰ প্ৰধান শিক্ষক নৰেন্দ্ৰ নাথ বৰুৱাৰ ছাত্ৰ আছিল তুৱাৰাম দত্ত। হাইস্কুলখন আৰম্ভ কৰোঁতে এই দুই গুৰু-শিষ্যই নজমূল হুছেইন, দামোদৰ বুঢ়াগোহাঁই, কমলেশ্বৰ বুঢ়াগোহাঁই, ভূবন মোহন বুঢ়াগোহাঁই আদি ব্যক্তিৰ সহযোগিতা পূৰ্ণোদ্যমে পাইছিল। বৰ্তমানৰ বাপুজী ষ্টেডিয়ামৰ কাষতে ব্ৰিটিছ আমোলৰ প্ৰতিৰক্ষা প্ৰতিষ্ঠানৰ অব্যৱহৃত চাং বাংলা এটা আছিল। বৰ্তমানৰ মৰিয়নি নগৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ কাষতে থকা প্ৰফুল্ল স্মৃতি মন্দিৰত হাইস্কুলখন আৰম্ভ হৈছিল। ইয়াৰ পাছতে দামোদৰ বুঢ়াগোহাঁইৰ মৰিয়নিস্থ গৃহলৈ হাইস্কুলখন স্থানান্তৰ কৰা হৈছিল। ১৯৪৭ চনত অসমৰ মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ অনুমতি সাপেক্ষে হাইস্কুলখন চাং বাংলালৈ স্থানান্তৰিত কৰা হয়। কিছুদিনৰ পিছতে সোণোৱাল চাহ বাগিচাৰ কৰ্তৃপক্ষৰ পৰা বিদ্যালয়খনে কিছু ভূমি আৱণ্টন পায় আৰু বৰ্তমানৰ স্থানলৈ স্থায়ীৰূপে স্থানান্তৰিত কৰা হয়। ১৯৪৭ চনৰ পৰা ১৯৫৮ চনলৈকে স্কুল পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব পালন কৰিছিল জননায়ক দেৱেশ্বৰ শৰ্মাই। হাইস্কুলখন প্ৰতিষ্ঠাৰ পৰা প্ৰায় ১২ বছৰ ধৰি সঘনাই প্ৰধান শিক্ষক সলনি হৈছিল। সেই সময় চোৱাত ক্ৰমে মফজুল হুছেইন, আজিজুৰ ৰহমান, ভোগেশ্বৰ লাহন বৰুৱা, গুণ পূজাৰী, বিভূতি মোহন দাস আৰু লক্ষী দত্তই প্ৰধান শিক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯৫৭ চনত প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰি ১৯৮২ চনত অৱসৰ গ্ৰহণ কৰা তুৱাৰাম দত্তই বিদ্যালয়খনক এটা উচ্চ পৰ্যায়ত প্ৰতিষ্ঠিত কৰে। দত্তই যথাৰ্থভাৱে ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা লাভ কৰাৰ লগতে মৰিয়নিৰ সমাজ জীৱনৰ চিৰ নমস্য শিক্ষাগুৰু ৰূপে পৰিচিত হৈ ৰ'ল। পৰৱৰ্তী কালৰ বিদ্যালয়খনৰ প্ৰধান শিক্ষক/অধ্যক্ষসকল হ'ল - প্ৰফুল্ল বৰুৱা, কৰ্ণধ্বজ দেৱান, মৃণালী বৰা, অতুল চন্দ্ৰ শৰ্মা, তোলন চন্দ্ৰ বৰা, অঞ্জনা দেৱী আৰু বৰ্তমানৰ কৰ্মৰত অধ্যক্ষা স্মৃতি ৰেখা ফুকন।

**চকুৰ পচাৰতে বিদ্যালয়খন ঃ** যোৰহাট জিলাৰ অন্তৰ্গত মৰিয়নি নগৰৰ ধোদৰ আলিৰ দাঁতিত দুই নং ৱাৰ্ডত হোনোৱাল চাহ বাগিচাৰ দ্বাৰা আবণ্টিত ভূমিত জিলিকি ৰোৱা মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়খনত সহঃ শিক্ষাৰ ব্যৱস্থা আছে। শিক্ষাৰ মাধ্যম অসমীয়া। ১৯৩৩ চনত স্থাপন কৰা বিদ্যালয়খনে ১৯৪৭ চনৰ চৰকাৰী স্বীকৃতি লাভ কৰে আৰু প্ৰাদেশীকৰণ হয় ১৯৭৭ চনত। উচ্চতৰ মাধ্যমিক শাখাটো বাণিজ্য শাখাৰে চলি আছে আৰু কলা শাখা খোলাৰ বাবে প্ৰচেষ্টা চলাই থকা হৈছে। বিদ্যালয়খনৰ মুখপত্ৰ 'পৰাগ' বৰ্তমান প্ৰতি দুবছৰৰ মূৰে মূৰে প্ৰকাশ পাই আহিছে। প্ৰাচীৰ পত্ৰিকা 'গজালি' বছৰত দুবাৰকৈ (সৰস্বতী পূজা আৰু শঙ্কৰদেৱৰ তিথিত) প্ৰকাশ পাই আহিছে। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে আৰম্ভ কৰাৰে পৰা প্ৰতিবছৰে ৯ খনকৈ হাতেলিখা আলোচনী 'অংকুৰণ' প্ৰকাশ কৰা হয়। বিদ্যালয়ৰ শিক্ষক- শিক্ষয়িত্ৰীৰ সংখ্যা ৩০ গৰাকী, কাৰ্যালয় সহায়ক তিনি গৰাকী আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী দুই গৰাকী। চলিত শিক্ষাবৰ্ষত বিদ্যালয়খনৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ'ল প্ৰায় ৮০০ গৰাকী। বিদ্যালয়ৰ ছাত্ৰসকলে বগা চাৰ্ট আৰু আকাশী নীলা পেণ্ট আৰু ছাত্ৰীসকলে বগা চাৰ্ট আৰু আকাশী নীলা স্কাৰ্ট, বগা মোজা, ক'লা জোতা নেভিব্লু চুৱেটাৰ (শীত কালত) পিন্ধে। একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰৰ সাজ আন ছাত্ৰৰ দৰেই আৰু ছাত্ৰীৰ বাবে আকাশী নীলা কুৰ্টা আৰু বগা পাইজামা নিৰ্দ্ধাৰণ কৰা হৈছে। লগতে আছে বেল্ট আৰু টাইৰ ব্যৱস্থা।

**বিদ্যালয়খনৰ উপলব্ধ সা- সুবিধাসমুহ ঃ** বিদ্যালয়ৰ নৱম-দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলে হিন্দী, বুৰঞ্জী, ভূগোল, উচ্চ গণিত, সংস্কৃত, আৰবী, কম্পিউটাৰ চাইন্স আদি আৰু একাদশ-দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলে বাণিজ্যিক গণিত, বেংকিং, বিক্ৰয়বিদ্যা আদি বিষয় হিচাপে অধ্যয়ন কৰিব পাৰে। বিদ্যালয়ত ষষ্ঠ শ্ৰেণীৰ পৰা বিনামূলীয়া কম্পিউটাৰ শিক্ষা প্ৰদানৰ সুবিধা আছে আৰু কম্পিউটাৰৰ অভিজ্ঞ শিক্ষয়িত্ৰীও নিয়োজিত হৈ আছে। একেদৰে বিদ্যালয়খনত আছে ইন্টাৰনেট যোগে পাঠ্যপুথি অধ্যয়নৰ সুবিধাসহ কক্ষ। ন -পুৰণি যথেষ্ট সংখ্যক পুথিৰ সংগ্ৰহেৰে এটা পুথিভঁৰাল আছে। শিক্ষক-শিক্ষয়িত্ৰী কৰ্মচাৰীসকলৰ বৰঙণিৰে এটা বিজ্ঞান পৰীক্ষাগাৰ স্থাপন কৰা হৈছে। ছাত্ৰাবাসৰ সুবিধা, মেধাবী ছাত্ৰ-ছাত্ৰীৰ বাবে বটাঁ, দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে পুঁজি আদিৰ ব্যৱস্থাও আছে। প্ৰতিবছৰে বাৰ্ষিক খেল-ধেমালী, বিভিন্ন তিথি, উৎসৱ, দিৱস আদি পালন, তৰ্ক-কুইজ-আবৃত্তি-সংগীত-অংকন-নৃত্য গীত আদিৰ প্ৰতিযোগিতা নিয়মীয়াকৈ আয়োজন কৰা হয়। শিক্ষান্ত পৰীক্ষাৰ্থীৰ বাবে আছে বিনামূলীয়া টিউটৰিয়েল ক্লাছৰ সুবিধা। বিদ্যালয়খনত ইতিমধ্যে আৰম্ভ কৰা হৈছে ডিজিটেল ক্লাছৰ ব্যৱস্থা।

**বিদ্যালয়ৰ কৃতিত্ব ঃ** বিদ্যালয়খনে বিভিন্ন সময়ত বিভিন্ন ক্ষেত্ৰত কৃতিত্ব অৰ্জন কৰি আহিছে। সেইবোৰৰ ভিতৰত শেহতীয়াকৈ অৰ্জন কৰা কেইটামান উল্লেখযোগ্য কৃতিত্ব হ'ল - তিতাবৰ মহকুমা আন্তঃবিদ্যালয় ক্ৰীড়া সমাৰোহত শ্ৰেষ্ঠত্ব অৰ্জন, মৰিয়নি ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজতি ক্ৰীড়া সমাৰোহত শ্ৰেষ্ঠ দলৰ কৃতিত্ব অৰ্জন, তিতাবৰ মহকুমা প্ৰশাসনৰ দ্বাৰা শ্ৰেষ্ঠ বিদ্যালয় বঁটাৰে সন্মানীত, হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতী ছাত্ৰী চিন্কাৰাণী বৰাই সাধাৰণ গণিতত সৰ্বোচ্চ নম্বৰ লাভ, ৰাষ্ট্ৰীয় থ্ৰ' বল প্ৰতিযোগিতাত বিদ্যালয়ৰ তিনিজন ছাত্ৰৰ স্থান লাভ, ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ (SAI) প্ৰশিক্ষণৰ বাবে পাঁচ গৰাকী ছাত্ৰ-ছাত্ৰী নিৰ্বাচিত, জিৎকান্দো এণ্ড মাইথাইৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত দুই ছাত্ৰ-ছাত্ৰীৰ স্থান লাভ, বিদ্যালয় ফুটবল দলটোৱে বিগত সময়চোৱাত দুবাৰকৈ জিলাৰ বিজয়ী দল ৰূপে দেওকন ফুটবল টুৰ্ণামেণ্টত অংশ গ্ৰহণৰ কৃতিত্ব অৰ্জন ইত্যাদি। তিনিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ নৃত্য প্ৰতিযোগিতাত কৃতিত্ব অৰ্জন কৰাৰ উপৰিও বিভিন্ন সময়ত আয়োজিত বিন্নি প্ৰতিযোগিতাত এই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে কৃতিত্ব দেখুৱাই আহিছে। বিদ্যালয়খনৰ বহু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী ৰাজ্য, দেশ তথা বিদেশত বিভিন্ন গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হৈ আহিছে। এয়াও বিদ্যালয়খনৰে অন্যতম কৃতিত্ব।

**ফলাফল ঃ** বিদ্যালয়খনৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰতিবছৰে ফলাফল যথেষ্ট উন্নত হৈ আহিছে। দুই এবছৰ বাবে প্ৰায়েই উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ হৈ অহাৰ লগতে ডিষ্টিংচন, ষ্টাৰ, লেটাৰ নম্বৰ আদি লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িছে। বিদ্যালয়খনৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ প্ৰায় ৬০ শতাংশ চাহ বাগিচা অঞ্চলৰ, প্ৰায় ৩০ শতাংশ গাঁও অঞ্চলৰ আৰু প্ৰায় ১০ শতাংশ নগৰ অঞ্চলৰ। গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই অনগ্ৰসৰ পৰিয়ালৰ। এনে ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰাই বিদ্যালয়খনে উন্নত ফলাফল প্ৰদৰ্শনৰ বাবে যথেষ্ট কষ্ট স্বীকাৰ কৰি আহিছে।

**অহা পাঁচ বছৰৰ পৰিকল্পনা ঃ** অহা শিক্ষা বৰ্ষসমূহত বিদ্যালয়খনৰ কেইটামান পৰিকল্পনা হ'ল - উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ অক্ষুন্ন ৰখা, উচ্চতৰ মাধ্যমিকত কলা আৰু বিজ্ঞান শাখা আৰম্ভ কৰা, এটা সংগ্ৰহালয় স্থাপন কৰা, ডিজিটেল শ্ৰেণী কোঠাৰ সংখ্যা বৃদ্ধি কৰা, এটা কলা বিথীকা স্থাপন কৰা, প্ৰেক্ষাগৃহ, পঠনকক্ষ সহ অত্যাধুনিক পুথিভঁৰাল এটা স্থাপন কৰা, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ (NCC) শাখা মুকলি কৰা ইত্যাদি।

বিদ্যালয়খনৰ মুঠ ৮ শতাধিক ছাত্ৰ-ছাত্ৰীক পাঠদানৰ বাবে কুৰিটাৰো অধিক শ্ৰেণী কোঠা, দুটা প্ৰেক্ষাগৃহ, কাৰ্যালয় সমন্বিতে কেইবাটাও কক্ষ, খোৱাপানী, বিজুলী যোগান আদিৰ সুবিধা আছে। সন্মুখত আছে সুবিধাজনক বৃহদাকাৰ এখন খেলপথাৰ। প্ৰায় সকলোখিনি সা-সুবিধাৰে 'আগৰৱালা স্কুল' নামেৰে পৰিচিত বিদ্যালয়খন শিক্ষা, সাহিত্য, সংস্কৃতি তথা প্ৰজ্ঞাৰ সাধনাত ব্ৰতী হৈ আছে। বিদ্যালয়খনৰ প্ৰতি চৌপাশৰ গাঁও, বাগিচাৰ শিক্ষাব্ৰতী ৰাইজৰ আছে অফুৰন্ত ভালপোৱা, হেঁপাহ, উচ্চাকাংক্ষা। এই সম্পৰ্কে বিদ্যালয়ৰ কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকল সজাগ। সমানেই সচেতন ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকাসকল। সেই বাবেই মৰিয়নিৰ শৈক্ষিক জগতত মূৰ তুলি উজ্জ্বলি আছে 'আগৰৱালা স্কুল'। জয়তু মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়। ❑

## কুইজ

*❑ আগা ছাইদ ইছলাম*

❖ হিন্দু শাস্ত্ৰ মতে ঢোলৰ সৃষ্টিকৰ্তা কোন?
❖ 'এৰি গ'লে এৰাপাত নালাগে লাহৰি বেলি গ'লে নালাগে ভাত। যৌৱন ভাতি দিলে তোমাকে নালাগে বহনা নাথাকে গাত' -'বহনা' মানে কি?
❖ গাভৰু নাচনীয়ে ব্যৱহাৰ কৰা হাঁচতিৰ দীঘ আৰু প্ৰস্থ কিমান?
❖ খোপা কেইবিধ? প্ৰচলিত বিহুৰ পৰম্পৰা অনুসৰি কি কি?
❖ সুতুলি কোন শ্ৰেণীৰ বাদ্য?
❖ অসমৰ জাতীয় উৎসৱ বিহু। অসমৰ জাতীয় ফুল কি?
❖ অসমৰ জাতীয় গছ কি?
❖ স্বাধীনতাৰ পাচত অসমৰ প্ৰথমগৰাকী গভৰ্ণৰ কোন আছিল?
❖ ব'হাগ বিহু বা ৰঙালী বিহু সাত দিন উদ্‌যাপন কৰা হয় বাবে ইয়াক সাত বিহু বোলা হয়। এই সাত বিহু হ'ল - চ'ত বিহু, গৰু বিহু, মানুহ বিহু আৰু বাকী কেইটা কি?
❖ বিহু গীত আৰু নৃত্যত ব্যৱহাৰ কৰা যিকোনো এবিধ সামগ্ৰীৰ নাম কি?

**উত্তৰ ঃ** ❖শিৱ, ❖ মৰম, স্নেহ আৰু তৃপ্তি, ❖এহাত, ❖৪ বিধ - লাহতি, কলডিলিয়া, ঘিলা আৰু নেঘেৰি, ❖সুষিৰ বাদ্য, ❖কপৌ ফুল, ❖হোলোং (ই মৰাণ সকলৰ এবিধ পবিত্ৰ গছ), ❖ চাৰ মহম্মদ চালেহ আকবৰ হাইদৰি, ❖ কুটুম বিহু, চেনেহী বিহু, মেলা বিহু আৰু চেৰা বিহু, ❖গগণা।

*বিঃদ্ৰঃ বিহু সম্পৰ্কীয় প্ৰশ্ন/উত্তৰসমূহ যুগুতাওতে অধ্যাপক পৰেশ চন্দ্ৰ বৰাই কৰা সহায়ৰ বাবে তেখেতক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে বৰবৰুৱা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ড° প্ৰশান্ত বৰুৱা দেৱকো শলাগিলো যোৱা বাৰৰ কুইজৰ প্ৰশ্নৰ উত্তৰ এটা শুদ্ধৰাই দিয়াৰ বাবে শুদ্ধ উত্তৰটো হৈছে - Measles and Small Pox মানে সৰু আই আৰু বৰ আই।*

চাৰি পৃষ্ঠাৰ পৰা

## সাম্প্ৰতিক বিহু ঃ এক

হোৱা নাই আৰু বৰ্তমান সময়লৈকে ইয়াৰ প্ৰাচুৰ্য, জনপ্ৰিয়তা আৰু বিস্তাৰ অৱধাৰিতভাৱে অব্যাহত আছে। অৱশ্যে মাজতে কেইবছৰমান সামাজিক পট-পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষত এই মঞ্চবিহু উদ্‌যাপন কিছু পৰিমাণে স্তিমিত হ'লেও ক্ৰমান্বয়ে ই প্ৰচুৰ বিস্তৃতি লাভ কৰিবলৈ সমৰ্থ হয়। শেহতীয়া বেচৰকাৰী পৰিসংখ্যা অনুসৰি যোৱা বছৰো অসমৰ বিভিন্ন প্ৰান্তত দুহেজাৰতকৈ অধিক মঞ্চবিহু উদ্‌যাপিত হৈছে আৰু এইটো নিতান্তই অসমীয়া লোক-সংস্কৃতিৰ উত্তৰণত এক সদৰ্থক দিশ।

এইটো স্বীকাৰ্য যে সাম্প্ৰতিক সময়ত বিহুক ৰাষ্ট্ৰীয় অথবা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উপস্থাপন কৰাৰ স্বাৰ্থত ৰাজ্যখনত এটা আশাপ্ৰদ দিশ পৰিলক্ষিত হৈছে। জনদিয়েক চিন্তাশীল আৰু দূৰদৰ্শী ব্যক্তিৰ উদ্যোগত ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিহুৰ সাংস্কৃতিক কৰ্মশালা, প্ৰশিক্ষণ আদি অহৰহ অনুষ্ঠিত হ'বলৈ ধৰিছে আৰু ইবোৰত নগৰ-চহৰ, গাঁও-ভূঁইৰ উঠি অহা প্ৰজন্মটোৰ শিশু আৰু যুৱক-যুৱতীৰ ব্যাপ্ত অংশগ্ৰহণে এক আলোকসন্ধানী মাত্ৰা প্ৰদান কৰিছে। লোক-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল যুৱচামটোৰ নেতৃত্বত অসমৰ চুকে-কোণে বিভিন্ন বিহু সন্মিলন, বহাগী বিদায় ইত্যাদি উদ্‌যাপনৰ মাধ্যমেদি বিহুৰ লোক-সাংস্কৃতিক স্বৰূপটো অধিক মহিমামণ্ডিত কৰাৰ এটা নিৰলস প্ৰয়াস পৰিস্ফুট হৈছে। ভাৰতৰ বিভিন্ন ৰাজ্যত আনকি বিদেশতো বিহু-নৃত্য, বিহু-গীত, বিহু-বাদ্য প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসা বোটলাৰ সমান্তৰালভাৱে বিহুৰ সাংস্কৃতিক দিশটোৰ কিছু প্ৰসাৰ বাস্তৱায়িত কৰাত একাংশ নিষ্ঠাবান সংস্কৃতি-প্ৰেমীৰ নিৰলস প্ৰচেষ্টাও লক্ষণীয়ভাৱে অব্যাহত আছে। এইবোৰ নিশ্চিতভাৱে প্ৰশংসনীয় তথা আশাব্যঞ্জক পদক্ষেপ আৰু ইয়াৰ গতিশীল ধাৰাবাহিকতা ৰাজ্যৰ সকলো সংস্কৃতিপ্ৰেমীয়েই বিনাদ্বিধাই কামনা কৰে। অৱশ্যে এইলৈ আমি অধিক আত্ম-প্ৰত্যয় লভিলে আমাৰ সাংস্কৃতিক আত্মহননেই অৱশ্যম্ভাৱী। সেয়েহে বিহুৰ লোক-সাংস্কৃতিক দিশটো সঠিক ৰূপত উপস্থাপন কৰা আৰু নতুন প্ৰজন্মটোক সেই পথেৰে বাট বোলোৱাৰ তাগিদাতেই ৰাজ্যত এটা উমৈহতীয়া সাংস্কৃতিক মঞ্চৰ অতীব প্ৰয়োজন সেই পথেৰে বাট বোলোৱাৰ তাগিদাতেই ৰাজ্যত এটা উমৈহতীয়া সাংস্কৃতিক মঞ্চৰ অতীব প্ৰয়োজন অনুভূত হৈছে। প্ৰণিধানযোগ্যভাৱে আজি অসমত বহুকেইজন বিহু বিশেষজ্ঞ, বিহু নৃত্য-গীত-বাদ্যৰ বিচাৰক, বিহু প্ৰশিক্ষকৰ আত্মপ্ৰকাশ ঘটিছে। এইটো নিঃসংকোচে এটা ধনাত্মক প্ৰবাহ হ'লেও তেওঁলোকৰ একাংশৰ ভিন্নসুৰী তথা ছিন্নমূল ভাষ্য বা বিশ্লেষণে উঠি অহা চামটোৰ আগ্ৰহী প্ৰশিক্ষাৰ্থী আৰু প্ৰতিযোগীসকলক বিভ্ৰান্ত কৰাটোও পৰিলক্ষিত হৈছে। এইটো সকলোৰে জ্ঞাত যে বিহু অসমৰ লোক-সংস্কৃতি যুগ যুগ ধৰি পৰম্পৰাগতভাৱে চলি অহা গীত-নৃত্য-বাদ্যৰ সোণসেৰীয়া সমাহাৰ। সেয়েহে এই বৰ্ণিল লোক-সংস্কৃতিক মাত্ৰাধিক আধুনিক বা ধ্ৰুপদী অৱয়ব দিবলৈ যোৱাটো বাতুলতাৰ নামান্তৰ। সংস্কৃতি পৰিৱৰ্তনশীল আৰু আধুনিক বিজ্ঞান প্ৰযুক্তি তথা বিশ্বায়নৰ পৰিকাঠামোত বিহু সংস্কৃতিটো কিছু পৰিৱৰ্তন প্ৰত্যক্ষ হোৱাটো স্বাভাৱিক। কিন্তু ইয়াৰ গইনা লৈ বিহুৰ লোক-সংস্কৃতিক চৰিত্ৰ কক্ষচ্যুত কৰাটোত কোনো সংস্কৃতিপ্ৰেমীয়েই মান্যতা প্ৰদান নকৰে। তদুপৰি আধুনিক সঙ্গীতৰ প্ৰবাহ অনুকৰণ কৰি বাদ্যশৈলীক অধিক গুৰুত্ব প্ৰদান কৰাৰ হেতু প্ৰায়েই বাদ্যযন্ত্ৰৰ অত্যাচাৰত সাবলীল বিহুগীত বা বিহু নামবোৰ পৰিৱেশনত ব্যাঘাতপ্ৰাপ্ত হোৱাটো প্ৰত্যক্ষ হয় আৰু কেতিয়াবা সেইবোৰৰ সুৰ বা কথাংশ বুজিবলৈও অসুবিধা হোৱা পৰিলক্ষিত হয়। ইয়াৰ সমান্তৰালভাৱে সংশ্লিষ্টসকলে অনুধাৱন কৰাটো সমীচীন হ'ব যে বিহুৱা-বিহুৱতীসকলৰ ব্যয়বহুল সাজ-পোছাক, আ-অলংকাৰ আদিত মাত্ৰাধিক গুৰুত্ব দিয়াৰ হেতু বিহুৰ মূল উৎস গ্ৰামাঞ্চলৰ চৰম দৰিদ্ৰতাই কোঙা কৰা, খাটিখোৱা আৰু কৃষিজীৱী সমাজখনৰ যুৱক-যুৱতীসকল বিহুৰ নৃত্য-গীত পৰিৱেশনৰ পৰা বিৰত থাকিবলৈ বাধ্য হৈছে। সামগ্ৰিকভাৱে বিহুৰ বিভিন্ন অনুষ্ঠান উদ্‌যাপন, কৰ্মশালা আৰু প্ৰশিক্ষণৰ আয়োজন ইত্যাদি বস্তুতঃ নগৰ আৰু চহৰকেন্দ্ৰিক হোৱ বাবেও সাম্প্ৰতিক বিহু আৰু কৃষিজীৱী সমাজখনৰ মাজত এক বৃহৎ ব্যৱধান গঢ় লৈ উঠিছে। লোক-সংস্কৃতিৰ উত্তৰণৰ ধ্বজাবহনকাৰীৰ অন্যতম দাবীদাৰ হ'ল গৱেষকসকল। বিহু সংস্কৃতিৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ ক্ষেত্ৰত অসমৰ লোক-সংস্কৃতিৰ গৱেষকসকলৰ নিৰৱচ্ছিন্ন প্ৰচেষ্টা অৱশ্যেই প্ৰশংসনীয়। তৎস্বত্বেও অসমৰ বিভিন্ন প্ৰান্তত বিশেষকৈ উজনি অসমৰ গাঁৱে-ভূঁএে সিঁচৰিত হৈ থকা কেঁচা মাটিৰ গোন্ধ সম্পৃক্ত অপূৰ্ব মালিতাবোৰ আৰু ইয়াৰ স্বৰলিপিৰ উদ্ধাৰ আৰু সংৰক্ষণৰ দিশত গৱেষকসকলৰ কৰণীয় বহুতো আছে। ইয়াৰ অন্যথাই সাম্প্ৰতিক কেছেটলব্ধ আৰু ভিচিডিলব্ধ বিজতৰীয়া বিহুসুৰীয়া গীতবোৰকে আমি বিহুগীত বা বিহুনামৰ মান্যতা দিবলৈ প্ৰস্তুত থাকিব লাগিব আৰু বাস্তৱ ক্ষেত্ৰত নতুন প্ৰজন্মৰ গৰিষ্ঠ সংখ্যকেই এই আচহুৱা গীতবোৰকেই বিহুগীত বা বিহুনাম বুলি মানিবলৈ প্ৰকাৰন্তেৰে বাধ্য হৈছে। সেয়েহে প্ৰয়োজন সাপেক্ষে সংশ্লিষ্ট চৰকাৰী কৰ্তৃপক্ষ অথবা ৰাজ্যৰ সাংস্কৃতিক সংগঠনবোৰৰ উমৈহতীয়া প্ৰচেষ্টাত এই নেতিবাচক প্ৰবাহ নিয়ন্ত্ৰণ কৰাটো লোক-সংস্কৃতিৰ উত্তৰণৰ তাগিদাতেই নিশ্চয়কৈ এক উল্লেখনীয়া পদক্ষেপ বুলি কলামোদী সমাজত বিবেচিত হ'ব। বিহুৰ সাংস্কৃতিক বিকাশ তৰান্বিত কৰাত ক্ৰমাগতভাৱে গুৰুদায়িত্ব বহন কৰি আহিছে বিহুৰ অনুষ্ঠান উদ্‌যাপনৰ উদ্যোক্তাসকলে। এই ক্ষেত্ৰত যুৱচামৰ গৰিষ্ঠ সংখ্যকৰ নিষ্ঠা, সততা আৰু কৰ্মস্পৃহা প্ৰণিধানযোগ্যভাৱে উল্লেখনীয়। কিন্তু ইয়াৰ মাজতো কিছুমান অক্ষমণীয় ক্ৰিয়া-কাণ্ডই বিহু উদ্‌যাপনৰ নামত কালিমা সানিছে। স্মৰ্তব্য যে বিহু আমাৰ জাতীয় সংস্কৃতি - অসমীয়া জাতিৰ জাতীয় পৰিচয়ৰ অন্যতম ধাৰক আৰু বাহক। সেয়েহে উৎসৱটিৰ সৈতে চিৰাচৰিতভাৱে সংলিপ্ত হৈ থকা লোক-সাংস্কৃতিক প্ৰমূল্যবোধ অক্ষুন্ন ৰাখি সকলো বিহু অনুষ্ঠান সম্পূৰ্ণ বিহুকেন্দ্ৰিক আৰু স্বকীয় সাংস্কৃতিক বৈভৱেৰে গৰিমামণ্ডিত হোৱাটো একান্তই কাংক্ষিত। কিন্তু ইয়াৰ বিপৰীতে বিহুৰ এই লোক-সাংস্কৃতিক চৰিত্ৰৰ উৰ্দ্ধত গৈ একাংশ উদ্যোক্তাই মঞ্চত যিদৰে এচাম অদ্ভুত বেশ-ভূষা পৰিহিত আৰু সৌজন্যতাবৰ্জিত তথাকথিত শিল্পীৰ মাধ্যমেদি নিতান্ত বিহু বৰ্হিভূত বেসুৰা গীত-মাত, উদ্দাম নৃত্য আৰু কাণ তাল মাৰি যোৱা বাদ্যৰ পোহাৰ মেলিছে, সেইটোৱে নিশ্চয়কৈ আমাৰ এই বৰ্ণাঢ্য জাতীয় সংস্কৃতিকে তাচ্ছিল্য কৰা নাই, ৰাজ্যখনত বসবাস কৰা অনা অসমীয়া সুধীসমাজৰ লগতে বহিঃৰাজ্যৰ লোকমানসতো জাতিটোক লজ্জানত কৰিছে। সেইদৰে একাংশ বিষয়ববীয়া বা সদস্যৰ বলপূৰ্বক চান্দা সংগ্ৰহ, অনুষ্ঠানথলীত দুই-এক বিষয়ববীয়াৰ মদ্যপান, একাংশ সুৰাসক্ত দৰ্শকৰ অশালীন আৰু অভব্য আচৰণ, মঞ্চ শিল্পীক দুব্যৱহাৰ আৰু প্ৰাপ্য মাননি নিদিয়াৰ অভিযোগ, উদ্‌যাপন পুঁজিৰ ধন আত্মসাৎ আদি অনভিপ্ৰেত আৰু অনাকাংক্ষিত কৰ্মকাণ্ডই বিহু উদ্‌যাপনৰ সৌষ্ঠৱ ম্লান কৰিছে। অনা-অসমীয়া সমাজখনৰ সন্মুখত অসমীয়া জাতিটোক হেয় প্ৰতিপন্ন কৰাইছে আৰু অসমীয়া সমাজখনৰ এক বুজন সংখ্যক ৰুচিবোধসম্পন্ন বয়োজ্যেষ্ঠ লোকক বিহু অনুষ্ঠানৰ প্ৰতি বীতৰাগ আৰু বীতশ্ৰদ্ধ হ'বলৈ বাধ্য কৰাইছে। আয়োজকবৃন্দ আৰু দৰ্শক ৰাইজে আত্মবিশ্লেষণ আৰু আত্মশুদ্ধিৰ পথ লোৱাৰ সময় সমাগত - নতুন প্ৰজন্মক প্ৰত্যয়পূৰ্ণভাৱে অনুপ্ৰাণিত কৰা আৰু জনমানসত বিহুক সঠিক ৰূপত উপস্থাপন কৰা স্বাৰ্থতেই এইটো সময়ৰ আহ্বান। ইয়াৰ সমান্তৰালকৈ একাংশ আয়োজকে অনুধাৱন কৰা উচিত যে কৃষিভিত্তিক বিহুৰ প্ৰকৃতি আৰু ঋতুৰ সৈতে এক ঘনিষ্ঠ সংযোগ পৰিদৃশ্যমান। সেয়েহে তেখেতসকলে ব'হাগৰ বিহু জেঠ-আহাৰ পৰ্যন্ত উদ্‌যাপন কৰা অবিবেচক মানসিকতা পৰিহাৰ কৰি ব'হাগতে অনুষ্ঠিত কৰিবলৈ বদ্ধপৰিকৰ হওঁক। আন একাংশই প্ৰতিযোগিতাৰ যুঁজত অৱতীৰ্ণ হৈ ব্যয়বহুল বাজেটেৰে বিহু সন্মিলন অনুষ্ঠিত কৰাৰ তাগিদাত লোক-সংস্কৃতিৰ পৃষ্ঠপোষকতা ভিক্ষা কৰি বহুজাতিক কোম্পানীৰ শৰণাপন্ন হোৱাটোৱেও সচেতন সুধী সমাজক চৰম অস্বস্তিত পেলাইছে। অপ্ৰিয় হ'লেও সত্য যে আজিৰ যুৱ প্ৰজন্মৰ এক বুজন সংখ্যকে পশ্চিমীয়া সংস্কৃতিৰ প্ৰতি অনুৰক্ত হৈ বিহুৰ গীত-মাত, নৃত্য-বাদ্যৰ প্ৰতি অভাৱনীয় অনিহা প্ৰদৰ্শন কৰিছে, অভিজাত শ্ৰেণীটোৰ গৰিষ্ঠ সংখ্যকেই থলুৱা সংস্কৃতিৰ উদ্ধাৰৰ ঠিকাটো গাঁৱৰ দৰিদ্ৰ কৃষিজীৱী তথা শ্ৰমজীৱি লোকখিনিৰ ওপৰতে ন্যস্ত কৰি আত্মসন্তুষ্টি লভিছে আৰু বৰ্ণবাদী সংকীৰ্ণতাত ভোগা আন এচামে বিহুৰ গীত-মাত-নৃত্য-বাদ্য সকলো কেঁকোৰা নাঙলত হাত বোলোৱা খাতিখোৱা শ্ৰেণীটোৰহে একচেতীয়া সংস্কৃতি বুলি ধৰি সামগ্ৰিকভাৱে বিহুৰ নৃত্য-গীত উপভোগৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হোৱাটো পৰিলক্ষিত হৈছে। এনে ঋণাত্মক মানসিকতা পৰিত্যাগ কৰি আমি সকলোৱে একত্ৰে বিহুক আঁকোৱালি লৈ ইয়াৰ মৌলিক লোক-সাংস্কৃতিক চৰিত্ৰ অটুট ৰাখি পৰিকল্পিত আঁচনিৰ মাধ্যমেদি সংযোগী গীত-মাত-নৃত্য-বাদ্যৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ দূৰদৰ্শী ব্যৱস্থা ল'ব লাগিব। ইয়াৰ অন্যথা আমাৰ জাতীয় পৰিচয় যে অচিৰেই সংকটাপন্ন হ'ব সেইটো নিশ্চিত।

## যোৰহাট জিলা ছাত্ৰ সন্থাৰ নেতৃত্বত চিনামৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ৰেল অৱৰোধ

দক্ষিণ যোৰহাটৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান চিনামৰা মহাবিদ্যালয়ে ইতিমধ্যে ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলে। ৰাইজৰ দান-বৰঙণিৰে গঢ় লোৱা শিক্ষানুষ্ঠানটোৱে বৰ্তমান সময়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নিয়মীয়া পাঠদানৰ উপৰিও ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দূৰ শিক্ষা আৰু কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অধ্যয়ন কেন্দ্ৰত বছৰি প্ৰায় তিনি হাজাৰ ছাত্ৰ-ছাত্ৰী শিক্ষাদান কৰি আছে। মহাবিদ্যালয়খন যোৰহাট মৰিয়নি পথৰ পৰা প্ৰায় আধা কিলোমিটাৰ ভিতৰত অৱস্থিত। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল মহাবিদ্যালয়ৰ একমাত্ৰ প্ৰৱেশ পথটো ২৫ বছৰে ব্যৱহাৰ কৰি থকাৰ পাছত মহাবিদ্যালয় কৰ্তৃপক্ষক আগতীয়াকৈ জাননী নিদিয়াকৈ ৰেল বিভাগে হঠাৎ বন্ধ কৰি দিয়াত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ৰাইজ অসুবিধাত পৰিছে আৰু আশ্বৰ্য প্ৰকাশ কৰিছে। দুবছৰ মানৰ পৰা ৰেল বিভাগে লোৱা এনে কাৰ্যক ৰাইজে সহজ ভাৱে ল'ব পৰা নাই। পূৰ্বতো এবাৰ পথ বন্ধ কৰিবলৈ আহোঁতে ছাত্ৰ-ছাত্ৰীয়ে আন্দোলনৰ কাৰ্যসূচী ল'ব ধৰাত বিষয়টো তেনেদৰেই ৰাখি থৈ হঠাৎ বন্ধ কৰি দিয়াত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ লগতে যোৰহাট জিলা ছাত্ৰ সন্থাই ২৪ মাৰ্চ তাৰিখে জনশতাব্দী ৰেল অৱৰোধ কৰে। জিলা প্ৰশাসনৰ তৰফৰ পৰা আলোচনাৰ জৰিয়তে বিষয়টো সমাধা কৰা হ'ব বুলি আশ্বাস দিছিল যদিও বৰ্তমানেও ৰেল বিভাগে পুতি ৰখা খুটা উঠাই দিয়া নাই। যোৰহাট জিলা ছাত্ৰ সন্থা, চিনামৰা মহাবিদ্যালয় ছাত্ৰ একতা সভা তথা স্থানীয় ৰাইজৰ দাবী - ৰেল বিভাগে তৎকালীন ভাৱে এই পথত এখন গেটৰ ব্যৱস্থা কৰক। চিনামৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক অচিন্ত্য ছেত্ৰীয়ে জনোৱা মতে, এই পথত চিনামৰা মহাবিদ্যালয় (চৰকাৰী), চিনামৰা কণিষ্ঠ মহাবিদ্যালয় (চৰকাৰী স্বীকৃতি প্ৰাপ্ত), ছেণ্ট জোছেফ হাইস্কুল, পোহৰবাৰী প্ৰাথমিক বিদ্যালয় (চৰকাৰী) কে ধৰি মুঠ চাৰিটা শিক্ষানুষ্ঠানৰ উপৰিও প্ৰায় দুহেজাৰৰ অধিক লোকে এই অঞ্চলত বসবাস কৰি আছে। তদুপৰি ৰাইজে গাঁঠিৰ ধন খৰচ কৰি পতা শিক্ষানুষ্ঠানসমূহ থকাৰ পিছতো ৰেল বিভাগে এখন গেটৰ ব্যৱস্থা নকৰি হঠাৎ পথ বন্ধ কৰি দিয়াতো আশ্বৰ্যকৰ কথা। ৰেল বিভাগে পথ বন্ধৰ কাৰ্যসূচী নলৈ এখন গেটৰ ব্যৱস্থা কৰক অন্যথা তীব্ৰ আন্দোলন গঢ়ি তোলা হ'ব।

## চিনামৰা মহাবিদ্যালয়ত লোহিত চন্দ্ৰ বৰা সোঁৱৰণী ছাত্ৰাবাসৰ শিলান্যাস

**যুগবাৰ্তা সেৱা ঃ** যোৱা ১৮ ফেব্ৰুৱাৰী, ২০১৭ তাৰিখে স্থানীয় কৃতিমান ব্যক্তি প্ৰয়াত লোহিত চন্দ্ৰ বৰাৰ স্মৃতিত তেখেতৰ পৰিয়ালে দান কৰা ভূমিত চিনামৰা মহাবিদ্যালয়খনৰ এটি ছাত্ৰাবাসৰ শিলান্যাস কৰা হয়। লোহিত চন্দ্ৰ বৰা সোঁৱৰণী ছাত্ৰাবাসৰ ফলক উন্মোচন কৰে কৰঙা কাথবাপু সত্ৰৰ সত্ৰাধিকাৰ অধ্যাপক প্ৰভাত চন্দ্ৰ মহন্তই। বন্তি প্ৰজ্বলন কৰে স্থানীয় সমাজকৰ্মী ইন্দ্ৰেশ্বৰ নাথে। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ইন্দ্ৰজিৎ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আনন্দ শইকীয়াই লোহিত চন্দ্ৰ বৰাৰ সম্পৰ্কত আলোকপাত কৰি মহাবিদ্যালয়ত ছাত্ৰাবাসৰ প্ৰয়োজনীয়তাৰ ওপৰত বক্তব্য আগবঢ়ায়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন শইকীয়াই দাতা পৰিয়াললৈ এই মহান কাৰ্যৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰি বক্তৃতা আগবঢ়ায়। দাতা পৰিয়ালৰ হৈ কনক বৰা, প্ৰভা বৰা আৰু প্ৰশান্ত বৰাই বক্তব্য প্ৰদান কৰে। প্ৰাৰ্থনা ঘোষাৰে আৰম্ভ কৰা এই গৃহনিৰ্মাণৰ শুভাৰম্ভণি অনুষ্ঠানৰ আঁত ধৰে মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক পদ্মেশ্বৰ কাটনীয়ে আৰু শলাগ জ্ঞাপন কৰে কৰ্মচাৰী মৃদুল শইকীয়াই।

## চিনামৰা মহাবিদ্যালয়ত ইউ জি চিৰ ৰাষ্ট্ৰীয় আলোচনাচক্ৰ

**যুগবাৰ্তা সেৱা ঃ** চিনামৰা মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগে বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যৰে অনুষ্ঠিত কৰা "আৰ্থ-সামাজিক প্ৰেক্ষাপট আৰু নাৰী সৱলীকৰণ" শীৰ্ষক আলোচনাচক্ৰখনৰ যোৱা ৩ আৰু ৪ ফেব্ৰুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে সফল সমাপ্তি ঘটে। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ইন্দ্ৰজিৎ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানৰ প্ৰাকমুহূৰ্তত আলোচনাচক্ৰখনৰ বন্তি প্ৰজ্বলন কৰে দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গিৰীশ বৰুৱাই। যোৰহাট জিলাৰ অতিৰিক্ত উপায়ুক্ত ড° জয়ন্ত কুমাৰ গোস্বামীয়ে উদ্বোধন কৰা এই আলোচনা চক্ৰখনত আদৰণী ভাষণ আগবঢ়ায় মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° অঞ্জন শইকীয়াই। পশ্চিমবঙ্গৰ বিশ্বভাৰতী বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক ড° মাভালী ৰাজনে বীজভাষণ প্ৰদান কৰে। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ তথা আলোচনাচক্ৰখনৰ অন্য এগৰাকী বিশেষ অতিথি হিচাপে উপস্থিত থকা অধ্যাপক আনন্দ শইকীয়াই তেখেতৰ ভাষণ প্ৰসঙ্গত কয় যে " সাম্প্ৰতিক কালত অসমৰ কলেজবিলাকত যিবিলাক গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনাচক্ৰ অনুষ্ঠিত হৈছে, কিম্বা ভৱিষ্যতেও হ'ব সেইবিলাক যদি ফলপ্ৰসূ হয় তেন্তে অসমৰ সাহিত্য জগতত গৱেষণা সাহিত্য সম্পৰ্কীয় ক্ষেত্ৰত এক নতুন দিশৰ সূচনা হ'ব।" দুদিনীয়া এই আলোচনাচক্ৰখনত ক্ৰমে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক ড. দেৱ কুমাৰ চক্ৰৱৰ্তী, কাকজান মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড. অনিল কুমাৰ শইকীয়া আৰু টীয়ক চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড. বিনয়ব্ৰত ৰাজখোৱাই সমল ব্যক্তি হিচাপে উপস্থিত থাকি আলোচনাচক্ৰখন মনোগ্ৰাহী কৰিবলৈ সক্ষম হয়। যোৰহাট পৰিসংখ্যা সংস্থাৰ সহযোগত অনুষ্ঠিত কৰা এই আলোচনা চক্ৰখনত অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কেইবাখনো বিশ্ববিদ্যালৰ শতাধিক গৱেষকে অংশ গ্ৰহণ কৰে। এই আলোচনাখনৰ আঁত ধৰে সমন্বয়ক অধ্যাপক ৰঞ্জু কুমাৰ ভৰালীয়ে আৰু অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপক দেৱজিত কোঁৱৰে।

*এক পৃষ্ঠাৰ পৰা*

## সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান

পিছত নবৈ দশকৰ মাজৰ সময়ছোৱাৰ অনুষ্ঠান প্ৰতিষ্ঠানৰ কথাহে উল্লেখ কৰিম। সেই বিষয়লৈ যোৱাৰ আগতে গছ তলৰ ডেকা-গাভৰুৰ মুকলি বিহুৰ পৰা হুঁচৰি লৈ কেনেকৈ উত্তৰণ হ'ল - সেই বিষয়ে চমু আলোকপাত কৰা যাওঁক।

নৱ বৈষ্ণৱ আন্দোলনে অসমৰ কৃষিজীৱী সমাজখনক বিভিন্ন দিশত উত্তৰন ঘটালে - সেই কথা কোৱা বাহুল্য মাথোন। মুঠৰ ওপৰত গ্ৰাম্য সমাজখনক ভাষা সংস্কৃতিৰে এখন সংস্কৃতিবান সমাজ হিচাপে গঢ় দিলে। ব'হাগ বিহুৰ ক্ষেত্ৰত যদি চোৱা যায়, এসময়ত চ'ত মাহত গছৰ তলত চলি থকা ডেকা-গাভৰুৰ মুকলি বিহুক পৰিশিলিত ৰূপত গাঁৱৰ গৃহস্থৰ চোতাললৈ অনা হ'ল। গছৰ তলত গোৱা বনগীত, বিহুগীত যি বিলাকৰ যৌনগন্ধী বুলিও কোনোলোকে অভিহিত কৰে। তেনেবিলাক পৰিশিলিত ৰূপত সমাজে গ্ৰহণ কৰি হুঁচৰিৰ ৰূপ দিলে। গছ তলৰ বিহুত গাভৰুক বাদ দিয়া হ'ল। নববৈষ্ণৱ আন্দোলনে সৃষ্টি কৰাৰ হৰি নামৰ ধ্বনি ইয়াত সোমায় পৰিল। একাংশৰ লোকে ইয়াক ধৰ্মীয়কৰণ কৰা হ'ল বুলিও ক'ব খোজে। হুঁচৰি আৰম্ভ হয় গাঁওখনৰ পবিত্ৰ নামঘৰত আৰু ইয়াৰ সামৰণিও নামঘৰত। এক ধৰ্মীয় শৃংখলাবদ্ধতাৰ মাজত হুঁচৰি সোমায় পৰিল। হুঁচৰি সামৰা পিছত গাঁৱত নৱবৰ্ষত গাঁওখনৰ অপায় অমঙ্গল দূৰ কৰিব কাৰণে নামঘৰত সবাহ-ভাওনা পাতি কৃষক ৰাইজে কৃষিত মনোযোগ দিয়ে। প্ৰকৃতাৰ্থত ব'হাগী উৎসৱ গাঁৱত তেনেধৰণে হয়। আজিকালি নগৰ-চহৰত আনকি নগৰৰ সমীপৰ গাঁওবিলাকতো আহাৰ শাওনলৈকে বিজতৰীয়া ব'হাগী বিদায় উৎসৱ হয়। যি কি নহওক মহাপুৰুষীয়া ৰীতি-নীতিৰে গৃহস্থৰ চোতালত অতি সত্বিক ভাবে শাস্ত্ৰীয় কীৰ্তনেৰে আৰম্ভ হয় আৰু ঢোলৰ চেও, পেঁপাৰ মাত, বিহু নাম আদি প্ৰদৰ্শনৰ পিছত ধৰ্মীয় পদ্ধতিৰে গৃহস্থৰ মঙ্গল কামনা কৰি হুঁচৰি সামৰা হয়। এনে ধৰণেই হুঁচৰি শঙ্কৰী কলাকৃষ্টিৰ অন্যতম অঙ্গ হৈ পৰিল। আহোমৰ যুগৰ পৰা বৃটিছৰ শাসনলৈকে হুঁচৰিৰ শ্ৰীবৃদ্ধি হৈ স্বাধীনতা আন্দোলনটো ই পৰোক্ষভাবে সহায়ক হৈ পৰিল। অসমৰ গাঁওবিলাকত খাজনা বৃদ্ধিৰোধ কৰিবৰ বাবে কৃষকৰ বিভিন্ন সমস্যা সমাধানৰ বাবে ৪২ ৰ ভাৰত ত্যাগ আন্দোলনৰ আগত ৰায়ত সভা গঠন হৈছিল। প্ৰায়বিলাক গাঁৱত ৰায়ত সভা গঠন হৈছিল। ভাৰত ত্যাগ আন্দোলনত ৰায়ত সভাৰ বিশেষ ভূমিকাৰ কথা সৰ্বজন বিদিত। সেই সময়ত হুঁচৰিত বৃটিছ বিৰোধী বিহুনাম বিলাকে গঞা ৰাইজক স্বাধীনতা আন্দোলনৰ প্ৰতি উদ্দজীৱিত কৰিছিল। কোৱা বাহুল্য, ৰায়ত সভা বিলাকেই সেই সময়ৰ গাঁৱৰ হুঁচৰি দল বিলাকক নেতৃত্ব দিছিল আৰু বহু ডেকা-গাভৰু স্বাধীনতা আন্দোলনত জপিয়াই পৰিছিল।

১৯৪৭ চনত আমাৰ দেশ স্বাধীন হোৱাত গাঁৱৰ সৰ্বসাধাৰণ ৰাইজৰ মাজত উৎসাহ উদ্দীপনাই দেখা দিলে। স্বাধীনতা সংগ্ৰামৰ তৃণমূল সম্প্ৰদায়ৰ নিস্বাৰ্থ কমীসকলে নিজৰ নিজৰ অঞ্চলত শিক্ষা-সংস্কৃতি কেনেধৰণে আগবঢ়াই নিব পাৰি তেনে বিলাক সামাজিক কামত মনোনিৱেশ কৰিলে। গাঁৱৰ ৰাস্তা-পদুলি উন্নয়ন, নামঘৰ, পুথিভঁৰাল, ক্লাব, ৰঙ্গমঞ্চ আদি নিৰ্মাণ, প্ৰতিখন গাঁৱত প্ৰাথমিক বিদ্যালয় স্থাপন, কেইবাখনো গাঁৱৰ মাজত একোখন মধ্য ইংৰাজী বিদ্যালয়, বৃহৎ অঞ্চল এটাত একোখন হাইস্কুল, দুই/তিনিটা মৌজাৰ মধ্য স্থানত একোখন কলেজ আদি স্থাপন কৰাটোৱেই আছিল স্বাধীনোত্তৰ কালৰ ৰাইজৰ আশা-আকাংক্ষা। সেইসময়ত অসমৰ বহু গাঁৱত পুথিভঁৰাল স্থাপন কৰাটো আছিল এক উল্লেখযোগ্য বিষয়। ৫০/৬০ দশকত ই এক বৌদ্ধিক আন্দোলনত পৰিণত হৈছিল বুলি ক'লেও বঢ়াই কোৱা নহয়।

উল্লেখিত অনুষ্ঠানবিলাক স্থাপন কৰোতে সেইসময়ত চৰকাৰৰ আৰ্থিক সাহাৰ্য আছিল একেবাৰে নগণ্য। বিদ্যালয় স্থাপনৰ ক্ষেত্ৰত ৰাইজে বিদ্যালয়খন পূৰ্ণাঙ্গ ৰূপ দিয়াৰ পাছতহে চৰকাৰে আৰ্থিক সাহাৰ্যৰ আওতালৈ আনিছিল। গতিকে অনুষ্ঠানৰ উদ্যোক্তাসকলে ৰাইজৰ পৰা দান-বৰঙণি সংগ্ৰহ কৰাত বিভিন্ন কৌশল অবলম্বন কৰিছিল। গতিকে উদ্যোক্তাসকলে গাঁৱত কিম্বা একোটা বৃহৎ অঞ্চলত হুঁচৰি দল গঠন কৰি অনুষ্ঠান স্থাপনৰ বাবে পুঁজি সংগ্ৰহৰ লগতে জাতীয় জীৱনৰ লোক কৃষ্টি অৱদানত অৰিহণা যোগাইছিল। কিন্তু পৰিতাপৰ কথা কুৰি শতিকাৰ শেষৰ ফালে বিহু দ্ৰুত গতিত মঞ্চলৈ ধাবিত কৰাত গাঁৱৰ হুঁচৰি আজি মৃতপ্ৰায়। গাঁৱৰ হুঁচৰিবিলাকে পুঁজি সংগ্ৰহৰ জৰিয়তে অনুষ্ঠান স্থাপনৰ কেৱল দায়বদ্ধতাই পালন কৰা নাছিল, গাঁৱৰ ডেকাচামৰ মনবিলাক জীপাল কৰি ৰাখিছিল। হুঁচৰিয়ে গাঁৱৰ ৰাইজৰ মনবিলাক উদ্বেলিত কৰিছিল। এতিয়াৰ বিহু কুলি, কেতেকী, বৰদৈ চিলাৰ সৈতে সম্পৰ্ক নাই। কৃষিৰ লগতো নাই। আছে মাত্ৰ টি.ভি. চেনেলত দেখা যায়। বিহু বৰ্তমান ব্যক্তিগতভাৱে উপাৰ্জন কৰা পথত পৰিণত হৈছে। আজিকালি যুৱ সমাজে কিবা অনুষ্ঠানৰ বাবে হুঁচৰিৰ জৰিয়তে পুঁজি সংগ্ৰহ কৰাটো 'আউত দেতেদ' ব্যৱস্থা বুলি গণ্য কৰে। তেওঁলোকে অনুষ্ঠান স্থাপনৰ ক্ষেত্ৰত ভ্ৰাম্যমান থিয়েটাৰ, উপহাৰ কুপন বিশেষকৈ ধনবান লোকৰ ওচৰত দান-বৰঙণি সংগ্ৰহৰ ওপৰত অধিক গুৰুত্ব দিয়ে। কোৱা বাহুল্য হুঁচৰি পুঁজি সংগ্ৰহৰ ক্ষেত্ৰত ধনী-দুকীয়া সকলোৰে সামৰ্থ্য অনুসৰি দান আগবঢ়ায়।

এই লেখাৰ আৰম্ভণিতে এটা কথা উল্লেখ কৰিছিলো - দক্ষিণ যোৰহাট হুঁচৰিৰ জৰিয়তে কেনে ধৰণে অনুষ্ঠানবিলাক গঢ় লৈছিল সেই বিষয়ত এটা ডাঙৰ আভাস দিয়া। দক্ষিণ যোৰহাট বুলি কওঁতে চিনামৰা আৰু কৰঙাৰ কথাহে কোৱা হৈছে। প্ৰৱন্ধটো বাহুল্য হোৱাৰ আশংকাত গোটেই বিষয়টো বিহঙ্গম দৃষ্টিৰে চোৱা হৈছে। প্ৰথমে আহোঁ, চিনামৰাৰ বিষয়ে। ১৮৮৫ চনত চিনামৰাত স্থাপিত হোৱা মিলাৰ এম.ই. স্কুলখন দক্ষিণ যোৰহাট উচ্চ মাধ্যমিক শিক্ষাৰ বাটকটীয়া বিশিষ্ট শিক্ষাবিদ প্ৰয়াত হেম বৰদলৈ চাৰে ১৯৪৬ চনত এম.ই. স্কুলখন হুঁচৰিৰ সংগৃহিত পুঁজিৰে বিদ্যালয়খনৰ আন্তঃগাঁঠনি শক্তিশালী হোৱাত সহায়ক হৈছিল বুলি তেখেতৰ প্ৰাক্তন ছাত্ৰই এই লেখকক জানিবলৈ দিছিল। চাৰে কৈছিল যে অঞ্চলটোৰ বিভিন্ন সম্প্ৰদায় একত্ৰিত হৈ গোৱা এই বিহু দলটো অতিকে আকৰ্ষণীয় আছিল। এনে ধৰণৰ সমন্বয়ে নৱ প্ৰতিষ্ঠিত বিদ্যালয়খন গঢ়াত যে সহায়ক হৈছিল সেই কথা কোৱা বাহুল্য মাথোন। সেইদৰে দক্ষিণ যোৰহাটৰ উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান চিনামৰা মহ্যাবিদ্যালয় ১৯৯১ চনত স্থাপন কৰোঁতে ১৯৯৩ আৰু ৯৪ চনত দুবাৰ হুঁচৰি গাই সৰ্বমুঠ পঞ্চাচ হাজাৰ টকা সংগ্ৰহ কৰা হৈছিল। সেই সময়ত জনমভূমি কাকতত এই বিষয়টোৱে শিৰোনাম দখল কৰিছিল। সেইদৰে কৰঙা অঞ্চলৰ ৰাইডাং কমাৰ গাঁৱৰ কুশল কোঁৱৰ প্ৰাথমিক বিদ্যালয়, পুবেৰুণ এম.ই. স্কুল, গজপুৰীয়া স্কুল, ভকত চেউনী যুৱ মঞ্চ আদি ভালেকেইখন বিদ্যালয়, পুথিভঁৰাল আৰু ৰঙ্গমঞ্চ স্থাপিত হৈছিল। প্ৰায়বিলাক বিদ্যালয়ৰ কথা উল্লেখ কৰিলে প্ৰৱন্ধৰ আকাৰ বাঢ়িব। এই সকলোবিলাক বিদ্যালয় স্থাপনত হুঁচৰিৰ সংগৃহিত পুঁজিয়ে বিশেষ সহায় কৰিছিল। স্থানীয় ইতিহাস অন্বেষণকাৰী প্ৰৱন্ধকাৰ লব কুমাৰ দত্তৰ পৰা জনা মতে কৰঙাৰ ডাকঘৰটো প্ৰথম অৱস্থাত হুঁচৰিৰ সংগৃহিত পুঁজিৰে স্থাপন কৰা হৈছিল। এই কাৰ্যত স্বাধীনতা আন্দোলনত অংশগ্ৰহণকাৰী সংগ্ৰামীসকলে আগভাগ লৈছিল। ৫০/৬০ দশকত কৰঙাৰ কেইবাখনো গাঁৱত পুথিভঁৰাল স্থাপিত হৈছিল। কৰঙা কাটনি গাঁৱৰ শ্ৰীমন্ত শঙ্কৰদেৱ পুথিভঁৰাল, ৰাইডাং কমাৰ গাঁৱৰ ৰূপজ্যোতি পুথিভঁৰাল, হেজাৰী গাঁৱৰ বন্তি পুথিভঁৰাল, কৰঙা ভকত চেউনী যুৱমঞ্চ, কৰঙা কমাৰ হাজৰিকা গাঁও যুৱক সংঘ তথা পুথিভঁৰাল আদি। গাঁওবিলাকত হুঁচৰি সংগৃহীত পুঁজিৰে যে নামঘৰৰ উন্নতি সাধন কৰা হৈছিল ইয়াৰ বহল ব্যাখ্যাৰ প্ৰয়োজন নাই। কেৱল মাত্ৰ এটা উদাহৰণ দিয়াৰ প্ৰয়োজনবোধ কৰিছোঁ। আমাৰ অঞ্চলৰ অন্য এগৰাকী লেখক ইতিহাস অনুৰাগী বিপিন বৰাৰ পৰা জনা মতে ইতিহাস সমৃদ্ধ ৰবৈয়া জানৰ উৎপত্তি স্থানত স্থাপিত পাঁচখন গাঁৱৰ পাঁচখেলীয়া নামঘৰৰ কথা উল্লেখ কৰিব পাৰি। প্ৰতি বছৰে হুঁচৰি গাই এক আকৰ্ষণীয় ৰূপত নামঘৰ ভাগ সজোৱা হৈছে। আজিৰ পৰা তিনি বছৰৰ আগতে এই নামঘৰক কেন্দ্ৰ কৰি সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিহু সংস্কৃতিৰ গৱেষক তথা সাহিত্যিক বৰ্তমান ডিগবৈ নিবাসী জয়কান্ত গন্ধীয়াৰ ঘৰ কৰঙাত আছিল। তেওঁ এই লেখকৰ সহপাঠী। কৰঙাত থাকোতে তেওঁ নিজেই আগভাগ লৈ কৰঙা গন্ধীয়া গাঁৱৰ নামঘৰ হুঁচৰি গাই পুঁজি সংগ্ৰহ কৰি পকী নামঘৰলৈ ৰূপান্তৰিত কৰিছিল। এইবিলাকৰ উপৰিও কৰঙাৰ কেইবাখনো গাঁৱৰ হুঁচৰিৰ সংগৃহীত পুঁজিৰে ৰঙ্গমঞ্চ, ক্লাব আদি স্থাপন কৰাৰ উদাহৰণ আছে। দক্ষিণ যোৰহাটৰ দৰে মাত্ৰ এটা অঞ্চলৰ দৃষ্টান্ত লৈয়েই ক'ব পাৰি আমাৰ উজনী অসমত হুঁচৰিৰ সংগৃহীত পুঁজিৰে বিভিন্ন ধৰণৰ সামাজিক কাম সম্পন্ন হৈছিল।

সামৰণিত উল্লেখ কৰিব বিচাৰিছো - যুগে যুগে সংস্কৃতিৰ ৰূপান্তৰ ঘটিছে ভৱিষ্যতেও ঘটিব ই অৱধাৰিত। অসমৰ বিহু লোক সংস্কৃতিও ইয়াৰ পৰা ব্যতিক্ৰম নহয়। কিন্তু সংস্কৃতি যদি মূল শিপাডালৰ পৰা আঁতৰি যায়, শিপাডাল যদি চিঙি যায় তেনেহ'লে সেই সংস্কৃতি অপ-সংস্কৃতিত পৰিণত হ'ব। অসমীয়া জাতিৰ বিহু কৃষি আৰু কৃষকৰ সৈতে সম্পৰ্ক। ইয়াৰ গাঁওবিলাকৰ কৃষক সমাজৰ সৈতে সংপৃক্ত হৈ আছে। গাঁৱৰ পৰা সাতাম পুৰুষীয়া হুঁচৰি হেৰাই যোৱাৰ অৰ্থ হ'ল বিহু মূল শিপাডালৰ পৰাই বিচ্ছিন্ন হৈছে। আজিকালি কৃষি ভূমিত স্থাপিত হোৱা বিভিন্ন কৰপৰেট গোষ্ঠীবিলাকে নগৰ-চহৰ কিম্বা চহৰ উপকণ্ঠ অঞ্চলত বিহু সন্মিলন sponsar কৰে। আজিকালি ব'হাগৰ পৰা শাওনলৈকে ৰিলায়েন্স, ভোদাফোন, ক'কাকোলা, বিভিন্ন চিমেণ্ট কোম্পানীৰ অনুগ্ৰহত বিহু প্ৰতিযোগিতা হয়। টি.ভি. চেনেলত বাৰ মাহে হোৱা বিহু প্ৰতিযোগিতাৰ কথা নকলোৱেই বা ভৱিষ্যতে বিহু অৰ্থাৎ আমি আলোচনা কৰা হুঁচৰি যোৱা ভৱিষ্যতে অসমীয়া জাতিৰ সম্পদ হৈ থাকিবনে? ই আমাৰ বাবে ডাঙৰ প্ৰশ্ন। ইয়াৰ উত্তৰ অসমৰ কৃষিজীৱি সমাজখনে দিব। চিন্তাশীল অসমীয়া সমাজখনে দিব।

*(যিসকল মহান ব্যক্তিয়ে অসমৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান বিহুৰ দ্বাৰাই প্ৰথম অৱস্থাত প্ৰতিষ্ঠা কৰি যাউতিযুগীয়া কৰি ৰাখিলে সেইসকল প্ৰয়াত মহৎ ব্যক্তিৰ পবিত্ৰ স্মৃতিত এই লেখাটো উৎসৰ্গা কৰা হ'ল।)*

## নিকিনি খোৱাৰ সাঁথৰ

**❑ ৰুমী শইকীয়া**

আজি এই বিশ্বায়নৰ যুগত, সাধাৰণ বেজীটোৰ পৰা কচু-ঢেকীয়ালৈকে সকলোবোৰ বস্তু আমি বজাৰৰ পৰা কিনি খাব লগাৰ সময়ত 'নিকিনি খোৱা' শব্দটো একেবাৰে শ্ৰুতিকটূ শব্দ। এই নিকিনি খোৱা নামটোৰ তাৎপৰ্য ব্যাখ্যা কৰিবলৈ যাওঁতে আমি অতীতলৈ ঘূৰি চাব লাগিব। কিন্তু, এই আধুনিক যুগৰ মানুহৰ বাবে ই এক সাঁথৰ হৈ ৰ'ব। এসময়ত শস্যে-মস্যে ভৰপূৰ, নদন-বদন অৱস্থাৰে কোনো বস্তুৰ অভাৱ নথকা মাজুলীখন আছিল লক্ষ্মীৰ ভঁৰাল স্বৰূপ। এই মাজুলীতেই আছিল চুটিয়া ৰজা ৰত্নপালৰ ৰাজধানী ৰত্নপুৰ বা ৰতনপুৰ। হয়তু কোনোবা কাহানিতে এই ৰাজধানীৰ ভগ্নাৱশেষ জাহ গৈছিল ব্ৰহ্মপুত্ৰৰ গভীৰ বুকুত। মাজুলীৰ পূব দিশত এই ঠাইখন অৱস্থিত। ঢোল বায় ক'ত, ৰতনপুৰত, খোল বায় ক'ত ৰতনপুৰত' প্ৰৱাদ বাক্যশাৰীয়ে মাজুলীৰ ঢোল-সংস্কৃতিৰ ঐতিহ্যক জীপাল কৰি ৰাখিছে। এই ৰতনপুৰ নামটোৱে আদিতে সমগ্ৰ মাজুলীকেই বুজাইছিল। বৰ্তমানৰ ৰতনপুৰ নামৰ ঠাইখন য'ত অৱস্থিত, তাৰ পৰা পশ্চিমলৈ কেইকিলোমিটাৰ মান দূৰত্বতে এখন গাঁও আছিল। যাৰ নাম নিকিনি খোৱা। এই গাঁৱৰ মানুহবোৰ ইমানেই কৰ্মী আছিল যে তেওঁলোকে সেই সময়ত একো বস্তু কিনাৰ প্ৰয়োজন বোধ নকৰিছিল। ব্ৰহ্মপুত্ৰৰ পাৰতে অৱস্থিত বাবে গাঁওখন সাৰুৱা আছিল। দৈনন্দিন প্ৰয়োজনীয় বস্তুবোৰ যেনে, সৰিয়হৰ পৰা মিঠাতেল, কুঁহিয়াৰ খেতি কৰি গুৰ, কলগছ আৰু মাটিমাহৰ গছ পুৰি খাৰ নিৰ্মাণ কৰি, নিমখ, কঁপাহ খেতি কৰি তাৰ সূতা টাকুৰীত কাটি তাঁতশালত বৈ শিপিনীয়ে বস্ত্ৰ তৈয়াৰ কৰা তদুপৰি এড়ী পলু পুহি এড়ী কাপোৰ, পাটপলু পুহি পাটসূতা, পাট কাপোৰ তৈয়াৰ কৰি নিজৰ অভাৱ পূৰণ কৰিছিল। বিভিন্ন ধৰণৰ আলু, কচু, শাক-পাচলি, মাহ আদি শস্য উৎপাদন কৰি নিজৰ অভাৱ পূৰণ কৰাত তেওঁলোক আছিল সিদ্ধহস্ত। বাৰীত তামোল-পাণ, কল, নাৰিকল, আদা, হালধী আৰু অন্যান্য ফলমূল সকলোবোৰ ৰুই লৈছিল। আনকি মৰাপাট, ধঁপাত আদিৰো খেতি কৰিছিল। গৰু, ছাগলী, হাঁহ-পাৰ আদি জীৱ-জন্তু পুহি নিজৰ প্ৰয়োজনবোৰ পূৰণ কৰিছিল। নদী-বিল, খালত মাছ-পুঠিৰ মহা প্ৰয়োভৰ আছিল। যাৰ বাবে গাঁওখনে নাম পালে নিকিনি খোৱা।

সেয়া আছিল তাহানিৰ নিকিনি খোৱা আৰু আজিৰ নিকিনি খোৱা গাঁৱৰ মানুহে সকলো বস্তু কিনিহে খাব লগা হৈছে কিয়? একে মাটি, একে জলবায়ু তাত আজিও বিৰাজমান, অভাৱ মাথো কৰ্মোদ্যমী আৰু কষ্টসহিষ্ণু লোকৰ। এই একে অৱস্থাই আজি সমগ্ৰ অসমত বিৰাজ কৰিছে। আমি পাহৰি গৈছো পুৰণি অসমৰ ঐতিহ্যক লৰ্ড উইলিয়াম বেণ্টিকে অসমৰ পাইকসকলৰ কৰ্মদক্ষতাক প্ৰশংসা কৰি গৈছে। সেই পাইকসকলৰ উত্তৰপুৰুষ হৈ আজি আমি পৰনিৰ্ভৰশীল আৰু আৰামপ্ৰিয় জাতিলৈ পৰ্য্যায়বাসিত। বৰ্তমান অসমীয়া জাতি আৰু ভাষাৰ সংকটে ভয়াবহ ৰূপ লৈছে। এনে এক সন্ধিক্ষণত, আমি বাৰু পুনৰ অন্য এখন নিকিনি খোৱা গাঁৱৰ উদাহৰণ ৰাখিবলৈ যত্ন কৰিব নোৱাৰোনে? ❑

# মৌ-কুঁৱৰীৰ বিহুনাম আৰু বৰ্তমানৰ বিহু কথা

❑ দেৱেন্দ্ৰ চৰণ বৰবৰুৱা

আজিকালি বিহু সন্মিলন, বিহু বিষয়ৰ প্ৰতিযোগিতা আদিত মৌ-কুঁৱৰী শব্দটো সঘনাই ব্যৱহাৰ হোৱা দেখা গৈছে। মৌ-কুঁৱৰীৰ আভিধানিক অৰ্থ হ'ল মৌ বাঁহৰ ডাঙৰ মৌ- মাখি (The Queen Bee)। কুঁৱৰী শব্দই ৰাণী অৰ্থ বুজায়। সেয়ে যদি হয় বিহু নামবোৰৰ মৌ- কুঁৱৰীৰ বাবে হয়তো প্ৰযোজ্য নহ'ব। বিহু নামবোৰ ঘাইকৈ প্ৰাপ্তবয়স্ক ডেকা-ডেকেৰীৰ প্ৰেম সূচক পীৰিতি বুলীয়া (সুবীয়া)। অৱশ্যে মৌ-কুঁৱৰী শব্দটোৰ অৰ্থ যদি কণমানিহঁতৰ কথাকে সূচনা কৰে, তেন্তে তাত বিহু নামৰ ভিতৰত থকা প্ৰকৃতিমূলক বা আখ্যানমূলক বিহুনামবোৰ গাব পাৰে। বিহু নাম বুলিলে বিহু নাচৰ কথাও আহিব। এতেকে বিহু নাচবোৰো প্ৰাপ্তবয়স্ক ডেকা-ডেকেৰীয়ে নচাৰ দৰে কণমাণি বিহুৱতী সকলে নাচিবৰ নিয়ম একোপধ্যে হ'ব নোৱাৰিব। বৰ বিহুৱতী সকলে নচাৰ দৰে সৰু বিহুৱতী সকলেও নাচিবৰ নিয়ম নহয়েই নে, মৌ-কুঁৱৰী সকলেও নাচিবৰ নিয়ম হ'ব নোৱাৰিব। মৌ বিহুৱতী বা মৌ- কুঁৱৰী বুলি সৰু সৰু শিশুসকলক যদি ধৰে তেন্তে তাত বৰ বিহুৱতী সকলে নচা নাচৰ ভঙ্গিমা আৰু নাম আদি পৰিৱেশন কৰিব নোৱাৰিব। কৰাটো উচিত নহয়। অন্যহাতে তেনেই এধানি এজনী ছোৱালীক কিছু অভিভাৱকে মুগাৰ ৰিহা-মেখেলা পিন্ধাই ডাংকোলাকৈ নি প্ৰতিযোগিতাৰ মঞ্চত তুলি নাচিবলৈ দিয়া বৃত্তিটোও পৰিশুদ্ধ নহয়। বিহু কি, বিহুনাম-নাচ কি তাক অনুভৱ কৰিব নোৱাৰা এজনী কণমানি ছোৱালীক বিহু মঞ্চৰ প্ৰতিযোগিতাত নচুৱাৰ মানসিকতা আমাৰ সমাজে এৰি চলা ভাল। কণ কণ শিশুহঁতক ভাৰ বৰ নোৱাৰাকৈ মুগাৰ কাপোৰ এসোপা পিন্ধাই প্ৰতিযোগিতা মঞ্চত পিতৃ-মাতৃয়ে নচুৱায় আনন্দ পোৱাৰ হাবিয়াস তেনেই অপ্ৰাসঙ্গিকে নহয় বুলি কোনে ক'ব।



বিহু নাম বিহু নামেই। বিহু নামবোৰ গীত (সঙ্গীত) পৰ্যায়ৰ নহয়। বিহু নাচবোৰো সেইদৰে আধুনিক নৃত্য নহয়। বিহু নাচত আজিকালি আধুনিকতাৰ নামত সৃষ্টি হোৱা 'কৰিয়গ্ৰাফ' সোমাব নোৱাৰিব। বিহু নাচৰ মূল পৰম্পৰা-ঐতিহ্য-বৈশিষ্ট্য-বিচিত্ৰতা আৰু মৌলিকতাখিনি এনে প্ৰকাৰৰ কৰিয়গ্ৰাফ হোৱাৰ বাবেই হেৰাই গৈছে। বিহু নাচ গুচি আধুনিক নৃত্য-নাটিকা স্বৰূপ হৈছে। বিহু নাম-নাচত বন-মন-মতলীয়া গ্ৰামীনতা বৰ্তিব লাগিব। মঞ্চত নাচিব লগীয়া হ'ল বুলিয়েই হিন্দী চিনেমা বা অসমীয়া চিনেমা, চিৰিয়েল বা নাটক-নাটিকা বা ভ্ৰাম্যমান থিয়েটাৰৰ নৃত্য-নাটিকা আদিৰ ৰূপ বিহু নাচত সোমাব নোৱাৰিব। গ্ৰামীন তাত্বিক ৰস ঘনত্ব বিহু নাম-নাচত প্ৰকাশ পালেহে বিহু-নাম-নাচৰ ঐতিহ্য অটুট ৰ'ব। বিহু নাচ শাস্ত্ৰীয়-মাৰ্গীয় নৃত্য নহয়। বিহু নাচত মুদ্ৰা নাথাকে, থাকে ভঙ্গীমা। কিন্তু আজিকালি ভঙ্গীমাবোৰতো মুদ্ৰাপ্ৰধান নৃত্যৰ পৰ্যায়লৈ লৈ যোৱাৰ বাবে বিহু নাচৰ বৈশিষ্ট্য লোপ পাইছে। বিহু নাচ অভিনয়ী নাচ নহয়। ইয়াত অভিনয়ী বাৰ্তা নাই। বিহু গণ জীৱনৰ সাহ বুলি সঙ্গীতজ্ঞ ড° ভূপেন হাজৰিকাই কৈছিল। গণ জীৱন মানে মাটিৰ সৰল শ্ৰমশীল শ্ৰমজীৱী মানুহ চাম। খেতিয়কৰ নাঙলৰ মুঠিৰ টিপাটোত বৰ্তি আছিছে গাঁৱৰ বিহুৰ ৰূপ-ৰহস্য। বিহু মাটিৰ মানুহ চামৰ খেতি উৎসৱ যেতিয়া ইয়াত মাটিৰ মানুহ নিহিত হৈ আছে। ইয়াত আছে গণ জীৱনৰ গণ সমাজৰ গণ বাৰ্তা, গণ যুগবাৰ্তা, গণ ৰূপ-লাৱণ্য, গণ সুৰক্ষা, গণ গৰিমা, গণ সৌন্দৰ্য। খেতি পথাৰৰ বোকা-পানী-মাটিৰ লগত ঘাঁহনি-বননিৰ লগত, গাঁৱৰ লোকসম্পদ লোকমূলক গণ জীৱনৰ-সমাজৰ গণ সম্পদ ৰাজিৰ নাঙল-যুৱলি-মৈ-মৈতকা-টোম-এচাৰি-কোৰ-জবকা-জাপি-বিৰিয়া-মুখৰা-ওখোন-শলমাৰি--জোটজৰি-ডিলামাৰি-জাকৈ-জুলুকি-ঠোহা-গালকলা-চেপা-ঢেঁকী-বাঢ়নী-মাৰি-চালনি-পাচি-খৰাহি-দোন-ডুলি-পল-যঁতৰ-চেৰেকি-চিৰি-গৰকামাৰি-নাচনীজৰি- উঘা-দোৰপতি-মাকো-মহুৰা-বাঁচ আদি বিবিধ- বিচিত্ৰ লোকসম্পদৰ মাজত বিহুৰ ৰস ঘনত্ব মাটিৰ গোন্ধেৰে নিমজ্জিত হৈ থকা নাই নে? প্ৰসিদ্ধ সাহিত্যিক জননেতা হেম বৰুৱাই বিহু উৎসৱক গৰ্ভ ধাৰণৰ উৎসৱ বুলিছিল। প্ৰথিতযশা সাহিত্যিক ড° মহেশ্বৰ নেওগে বিহু উৎসৱক উৎপাদনৰ উৎসৱ বুলি নকৈছিল নে? সেইবাবেই অমৰ গণ শিল্পী হেমাংগ বিশ্বাসে বিহু উৎসৱক আনন্দৰ উৎসৱ বুলি অভিহিত কৰি এই উৎসৱত আধুনিক নগৰীয়া যান্ত্ৰিক ৰূপ নাই বুলি কৈছিল। বিহু খেতিমুখী মাটিৰ মানুহ চামৰ আনন্দৰ আৰু উৎপাদনৰ প্ৰতীক। বিহুৰ ঢোল বসন্তৰ গোজৰণি, ব'হাগৰ প্ৰতীক।



এই প্ৰতীকৰ তিৰবিৰণিত বিহু নাম-নাচৰ পিৰপিৰণিৰে অসমীয়াৰ প্ৰাণ জিকাৰ খাই উঠে। এই জিকাৰণিতে সৃষ্টি হ'ল বিহু নাম, বিহু নাচ, হুঁচৰি, মুকলি বিহু, জেং বিহু আদি অনুষ্ঠানবোৰৰ। বিহুৱা-বিহুৱতী, বিহু সন্মিলনৰ উদ্যোক্তা, বিহু মতলীয়া শ্ৰোতা-দৰ্শক তথা অসমীয়া ৰাইজ (জনগণ) নিজ জাতীয়বোধ শক্তিৰ সচেতনাত্মক প্ৰবৃত্তিৰে বিহুৰ বিহুত্ব ৰক্ষা কৰিব লাগিব। বিহু সন্মিলনৰ উদ্যোক্তাসকলে 'হুঁচৰি-বিহু' প্ৰতিযোগিতা নাপাতি পুৰুষ প্ৰধান বিহু নাচ হুঁচৰিৰ বুঢ়াচেৰৰ প্ৰতিযোগিতা পাতক। হুঁচৰিত গাভৰু ছোৱালীৰ স্থান নাথাকে। হুঁচৰি বুলি পদ ঘোষা গাই পিচত বিহু বুলি গাভৰু ছোৱালী নচুৱাই কাঁহী জাপি লৈ নাচ নচা সাৰ্থক সুন্দৰ বিহু নাচ নহয়। সি বিকৃত ৰূপ। জীয়ৰী-বোৱাৰী, ল'ৰা-ডেকা-বুঢ়া লগ লাগি ঘৰে ঘৰে আগতীয়াকৈ চিঠি দি মৰা বিহুও বিকৃত ৰূপ। সাহিত্যিক ড° নিৰ্মল প্ৰভা বৰদলৈয়ে ক'বৰ দৰে বিহু নাইট ক্লাবৰ বস্তু নহয়। বিহুক পণ্য বস্তুলৈ ৰূপান্তৰ নকৰি বিহুৰ বিহুটো অটুট ৰাখিবলৈ অসমীয়াই (আমি) প্ৰস্তুত হোৱা ভাল। নহ'লে ড° ভূপেন হাজৰিকাই ক'বৰ দৰে 'ৰাইজ আৰু প্ৰচাৰ মাধ্যমৰ সজাগতা নহ'লে বিহু আৰু অবাটে যাব।' ❑

## ভাৰতীয় পৰম্পৰাত যোগ শিক্ষা

*যোৱা সংখ্যাৰ পিছৰ পৰা*

❑ প্ৰবীণ কুমাৰ গোস্বামী

ভগৱান শ্ৰীকৃষ্ণই ভাগৱত গীতাত অৰ্জুনৰ আগত যোগৰ অৰ্থ ব্যাখ্যা কৰিছিল। যোগৰ দ্বাৰা চঞ্চল মনক নিয়ন্ত্ৰণত ৰাখিব পাৰিলে মন, বুদ্ধি স্থিৰ আৰু শান্ত হয়। যুগ যুগ ধৰি কঠোৰ সাধনা আৰু তপস্যাৰ ফলত ভাৰতীয় ঋষি-মুণিসকলে এক প্ৰমাণসিদ্ধ বিজ্ঞান হিচাপে যোগক স্বীকৃতি দিব পাৰিছে।

আজি পৃথিৱীৰ চুকে কোণে যোগচৰ্চাৰ প্ৰসাৰতা আৰু জনপ্ৰিয়তা লাভ কৰিছে। ১৮৯৩ চনত আমেৰিকাৰ চিকাগোচহৰত বিশ্ব ধৰ্ম সভাত স্বামী বিবেকানন্দই দিয়া অমূল্য বক্তৃতাৰপৰা আমেৰিকাত যোগচৰ্চাই সমাদৰ লাভ কৰে। পাশ্চাত্যত স্বামীজীয়ে যোগৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটাই আধুনিক যুগৰ সূচনা কৰে আৰু লগে লগে যোগক মানৱ সমাজৰ উপযোগী কৰি তুলিবৰ বাবে বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাৰ কাম আৰম্ভ হয়। প্ৰাচীন বৈদিক সভ্যতাৰ যি উচ্চ সংস্কৃতি উচ্চ চিন্তাধাৰা তাৰ প্ৰতি ইছলাম ধৰ্মৰ লোকসকলো আকৃষ্ট হৈছিল আৰু ধৰ্মৰ মাধ্যমেৰে সমগ্ৰ ইউৰোপ মহাদেশতো বৈদিক শিক্ষাৰ প্ৰসাৰ ঘটিছিল।

ভাৰতীয় যোগদৰ্শনৰ গভীৰ অধ্যয়ন পাশ্চাত্য দেশত বিশেষকৈ আমেৰিকা, ইংলেণ্ড জনপ্ৰিয়তা লভাৰ লগতে বৈজ্ঞানিক বিশ্লেষণৰো চৰ্চা চলিল। পশ্চিমীয়া দেশৰ জনগণে ভালকৈ উপলব্ধি কৰিছে যে শাৰীৰিক মানসিক স্বাস্থ্য ৰক্ষাত যোগ ব্যায়াম এক উত্তম পদ্ধতি। ফলস্বৰূপে সেইবোৰ দেশত যোগচৰ্চা কৰিবলৈ যোগ প্ৰশিক্ষণাৰ্থে বহু প্ৰতিষ্ঠান গঢ় লৈ উঠিছে। যোগ বিষয়ক গৱেষণাৰ ফলত প্ৰাচীন কালৰ যোগ আৰু মনস্তাত্বিক বিশ্লেষণৰ মাজত সাদৃশ্য দেখা পোৱা গৈছে। এনে গৱেষণাৰ ফলত ক্ৰীড়াজগতত ইয়াৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰিছে। ক্লান্তি হৰণকাৰী চিত্ত বিনোদনৰ উপায় হিচাপে স্বীকৃত হৈছে। শ্ৰীশ্ৰী ৰবিশংকৰ স্বামীয়েও যোগৰ এটা নতুন দিশ 'আৰ্ট লিভিং'ৰ যোগেদি বিশ্বৰ বিভিন্ন প্ৰান্তত ইয়াৰ প্ৰসাৰ ঘটায় উচ্চ প্ৰশংসিত হৈছে। একেদৰে স্বামী ৰামদেৱেও যোগবিদ্যাৰ প্ৰচাৰ আৰু প্ৰসাৰ ব্যাপক ৰূপত এক আলোড়নৰ সৃষ্টি কৰিছে। পাশ্চাত্যত মনৰ কুচিন্তা দূৰীকৰণত মানসিক ৰোগৰ চিকিৎসা আৰু শৰীৰ কৰ্মক্ষমতা ৰক্ষাৰ ক্ষেত্ৰত হঠযোগ প্ৰাণায়ামৰ উপকাৰিতা ব্যাপকভাৱে স্বীকাৰ কৰিছে। বিশ্লেষণাত্মক চিকিৎসা বিদ্যা আৰু সাধাৰণ বিশ্ববিদ্যালয়ত যোগ শিক্ষা পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত বিষয়। ইউৰোপত অটোজেনিক ট্ৰেইনিং' চিত্ত বিনোদনৰ উপায় হিচাপে জনপ্ৰিয়। স্বামী বিবেকানন্দই পাশ্চাত্যত যোগ আৰু গীতাৰ বিষয়ে বৈজ্ঞানিক ব্যাখ্যাৰে যোগক জনপ্ৰিয় কৰি তোলাৰ অগ্ৰণী ব্যক্তি আছিল। স্বামী অৰবিন্দও এইক্ষেত্ৰত অন্যতম ভূমিকা নুই কৰিব নোৱাৰি। আমেৰিকা, অষ্ট্ৰেলিয়া, ৰাছিয়া, চীন আৰু ইউৰোপ মহাদেশৰ গুৰুত্বপূৰ্ণ অঞ্চলবোৰত মহেশযোগীৰ নেতৃত্বত আৰু বিভিন্ন সংগঠনৰ তৎপৰতাত যোগব্যায়ান আৰু ধ্যানৰ কেন্দ্ৰ গঢ়ি উঠিছে। বৰ্তমান পাশ্চাত্যৰ ভোগবাদী সমাজেও শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ ওপৰত অধিক গুৰুত্ব দিয়া দেখা গৈছে। সেই হেতু ভাৰতীয় এনে পৰম্পৰাক সাদৰেৰে গ্ৰহণ কৰি নতুনত্ব উপলব্ধি কৰিবলৈ শিকিছে। আৰু দেখা গৈছে যি শিকে তাৰ নিৰ্ভুলৰূপত হৃদয়ংগম কৰি অধিক জনাৰ হেঁপাহ পুহি ৰাখে। কানাডাৰ লোকসকল যোগ-ধ্যানৰ প্ৰতি অতি আগ্ৰহী আৰু বিশ্বাসী। আধুনিক চিকিৎসা পদ্ধতিৰ বিশ্বৰ সীমাবদ্ধতাৰ পৰিণতি স্বৰূপেই সূত্ৰপাত হয় যোগচৰ্চাৰ ওপৰত বৈজ্ঞানিক গৱেষণা। আন্তৰ্জাতিক পৰ্য্যায়ত যোগচৰ্চাৰ ওপৰত চলোৱা বৈজ্ঞানিক গৱেষণা আৰু বিভিন্ন প্ৰতিযোগিতাই যোগৰ মৰ্যাদা আৰু এখোপ ওফৰলৈ তুলিলে। সামগ্ৰিক স্বাস্থ্য উন্নয়নৰ ক্ষেত্ৰত যোগ পদ্ধতিৰ প্ৰয়োগ আন পদ্ধতিৰ তুলনাত অধিক ফলপ্ৰসূ বুলি প্ৰমাণিত হৈছে। সেয়েহে পাশ্চাত্যৰ গতিশীল আৰু যান্ত্ৰিক সভ্যতাও যোগচৰ্চাৰ গুৰুত্ব অপৰিসীম। ২০১৪ চনৰ ২৭ ছেপ্টেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ অধিৱেশনত ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই বিশ্ববাসীক যোগৰ যাদুকৰী প্ৰভাৱৰ কথা সোঁৱৰাই আন্তৰ্জাতিক যোগ দিৱস উদ্‌যাপন কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ায়। অৱশেষত ২০১৪ চনৰ ১১ ডিচেম্বৰত ১৯৩ খন দেশৰ সদস্যৰে ভৰা ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ১৭৭ খন দেশৰ ২১ জুন তাৰিখতো আন্তৰ্জাতিক যোগ দিৱস হিচাপে উদ্‌যাপন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। ৰাষ্ট্ৰসংঘই যোগক বিশ্বৰ জনগণৰ বাবে শাৰীৰিক মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনৰ এক উৎকৃষ্ট পথ হিচাপে স্বীকৃতি দিয়াৰ লগতে বিশ্বশান্তিৰ এক নতুন দিশ উন্মোচন হোৱাৰ কথা দোহাৰে। ভাৰত চৰকাৰৰ নৱগঠিত 'আয়ুস' নামৰ বিভাগটোৱে 'আন্তৰ্জাতিক যোগ দিৱস' অনুষ্ঠিত কৰি আহিছে। দেশ-বিদেশত ব্যাপক সঁহাৰি লাভ কৰা প্ৰাচীনতম এই কলাই নতুনত্ব বহন কৰাৰ লগতে ৰোগমুক্ত জীৱন আৰু সুস্থ সমাজ গঢ়াৰ দিশত প্ৰভূত বৰঙণি আগবঢ়াইছে। এখন সুস্থ শান্তিপূৰ্ণ সমাজ গঢ়াত যোগৰ গুৰুত্ব অপৰিসীম। সুস্থ শৰীৰতেই সুস্থ মনে বাস কৰে। সুস্থ মনৰ সুস্থ চিন্তা থাকিব আৰু তেনে সুস্থ চিন্তাশীল ব্যক্তিয়েহে সুস্থ সমাজ গঢ়িব পাৰি। ❑

# ড° হৰেন্দ্ৰ নাথ গগৈৰ লগত হোৱা এক সাক্ষাৎকাৰ

**প্ৰশ্ন ঃ জীৱনৰ পৰা আপুনি কি পালে, কি শিকিলে ?**

উত্তৰ ঃ মানুহৰ জীৱনটো পোৱা নোপোৱাৰ এক সমাহাৰ। সকলো মানুহে জীৱনত বিচৰা মতে নাপায়। মোৰ ক্ষেত্ৰত জীৱনত পোৱা নোপোৱা সংজ্ঞাটো অলপ বেলেগ। মোৰ জীৱনত কোনো উচ্চাকাংক্ষা বা লক্ষ্য নাছিল। মই মাত্ৰ শিক্ষা-বিদ্যা অৰ্জন কৰি জ্ঞান আহৰণৰ জৰিয়তে ডাঙৰ মানুহ হোৱাটোকে বুজিছিলো আৰু তাকে হ'বলৈ পঢ়া-শুনাত মনোনিৱেশ কৰিছিলো। মই সমাজৰ যিটো স্তৰৰ পৰা আহিছো সেই স্তৰৰ মোৰ সমসাময়িক সকলৰ তুলনাত যি পালো তাতে মই সন্তুষ্ট। মানুহৰ স্বভাৱগত প্ৰকৃতিৰ বাবে জীৱনত আৰু কিছু পাবলৈ আশা আছিল যদিও হাবিয়াস নাছিল। নোপোৱাখিনিৰ বাবে মোৰ কোনো আক্ষেপ নাই। মই সদায় এটা সৰল জীৱন যাপন কৰি ভালপাওঁ।

জীৱনৰ পৰা কি শিকিলে বুলি সুধিলে মোৰ এটাই সৰল আৰু পোনপটীয়া উত্তৰ - পৰিশ্ৰম, অধ্যৱসায়, ধৈৰ্য, মনোবল আৰু আত্মবিশ্বাস অবিহনে জীৱনত সফলতা লাভ কৰাটো দুৰূহ। মোৰ জীৱনটোৱেই এক সংগ্ৰাম। মই যথেষ্ট সংগ্ৰাম কৰি বহুতো ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি বৰ্তমান এই অৱস্থাত উপনীত হৈছো। জীৱন যাত্ৰাৰ এই প্ৰতিবন্ধকতাবিলাক প্ৰত্যাহ্বান হিচাপে লৈ মই জীৱন যুঁজত অৱতীৰ্ণ হৈছিলো। মোৰ জীৱন পৰিক্ৰমাৰ এই পৰিঘটনাবিলাক মোৰ 'পথাৰৰ পৰা বিশ্ববিদ্যালয়লৈ' গ্ৰন্থখনত সন্নিৱিষ্ট কৰিছোঁ।

**প্ৰশ্ন ঃ জীৱনটো যদি আপোনাক পুনৰ আৰম্ভ কৰিবলৈ দিয়া হয়, তেন্তে আপুনি প্ৰস্তাৱিত জীৱনটোত কি কৰিব ? কেনেকৈ যাপন কৰিব সেই জীৱন ?**

উত্তৰ ঃ নতুন জীৱনটো মই শৃংখলিত তথা পৰিশীলিতভাৱে যাপন কৰিম। কাৰণ মোৰ বৰ্তমান জীৱনটো বিশৃংখল আৰু বিসংগতিপূৰ্ণ। অৱশ্যে মোৰ ঘৰুৱা আৰ্থিক তথা সামাজিক দুৰৱস্থাৰ বাবেই জীৱনৰ প্ৰথমছোৱা অৰ্থাৎ কলেজীয়া শিক্ষা গ্ৰহণ কৰা সময়লৈকে মই জীৱনটো পৰিকল্পিতভাৱে পৰিচালিত কৰিব পৰা নাছিলো। গতিকে নতুন জীৱনটো মই উচ্চমান বিশিষ্ট এটা আদৰ্শ জীৱন যাপন কৰিম। অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে মই জীৱনটো নিজৰ হকে উপভোগ কৰিম। মানৱ জীৱনৰ প্ৰকৃত উদ্দেশ্য প্ৰকাশ আৰু বিকাশৰ বাবে জীৱনটো অৰ্থপূৰ্ণভাৱে উদ্‌যাপন কৰিম। নতুন জীৱনটো এক সুসঙ্গত পৰিকল্পনাৰে গঢ়ি তুলিম যাতে এজন আদৰ্শবান নাগৰিক হিচাপে বৰ্তমান বিধ্বস্তপ্ৰায় সমাজখন পুনৰুদ্ধাৰৰ বাবে কিবা এটা কৰিব পাৰো। অৱশ্যে মই মহাত্মা গান্ধী, মাদাৰ টেৰেচা অথবা শ্ৰীমন্ত শংকৰদেৱৰ নিচিনা মহাপুৰুষ হ'ব নোৱাৰো। নহ'লেও অন্য বহুজনৰ দৰে সামান্যতম হ'লেও কিবা এটা কৰিব পাৰিম নিশ্চয়।

**প্ৰশ্ন ঃ জীৱনৰ আটাইতকৈ স্মৰণীয় ঘটনাটো কি ? সেই ঘটনা কিয় মনত থাকি গ'ল ?**

উত্তৰ ঃ স্মৰণীয় ঘটনা মোৰ জীৱনত কেইবাটাও ঘটিছে। সেইবিলাকৰ ভিতৰত আটাইতকৈ স্মৰণীয় ঘটনা বুলিলে এটা বিশেষ ঘটনা উল্লেখ কৰিছো। পাঞ্জাৱ কৃষি বিশ্ববিদ্যালয়ত ডক্টৰেটৰ বাবে অধ্যয়ন কৰি থকাৰ সময়ত এদিন লাইব্ৰেৰীৰ তৃতীয় মহলাত থকা ৰিডিং ৰুমত পঢ়ি থাকোতে ৰাতি দহ বজাত লাইব্ৰেৰী বন্ধ কৰিবৰ সময় হোৱাত লাইব্ৰেৰীৰ এলাৰ্ম বাজি উঠিল। অলপ পাছতে লাইটবিলাক অফ্ কৰি দিলে। মই কাৰেণ্ট গ'ল বুলি ভাৱি পুনৰ অহালৈ বাট চাই থাকিলো। কিন্তু লাইট নহাত মই আন্ধাৰত খেপিয়াই খেপিয়াই লাহে লাহে ওপৰৰ পৰা তললৈ নামি আহোতে পুনৰ দ্বিতীয় বাৰ এলাৰ্ম বজাই সহকাৰী লাইব্ৰেৰীয়ান জনে দুৱাৰৰ শ্বাটাৰ নমাই তলা মাৰি যাবলৈ ওলাইছিল। মই ওপৰৰ পৰা চটপ্ চটপ্‌কৈ চিঞৰিয়েদি নামি অহা গম পাই তেওঁ ৰৈ গ'ল। নহ'লে মই গোটেই ৰাতি ঠাণ্ডাত জঠৰ হৈ মৰিলোহেঁতেন।

সেই ঘটনাটো এই কাৰণেই মনত থাকি গ'ল সেই সময়ত বিদেশৰ কোনো এজন গৱেষক বিজ্ঞানীয়ে এটা গৱেষণাগাৰাত ব্যস্ত হৈ থাকোতে গৱেষণাগাৰত বাহিৰৰ দুৱাৰ বন্ধ কৰি দিয়াত গোটেই ৰাতি ক'ল্ড চেম্বাৰত ঠেৰেঙা লাগি মৃত্যু মুখত পৰিছিল।

**প্ৰশ্ন ঃ জীৱনৰ আটাইতকৈ তিক্ত অভিজ্ঞতা কি ?**

উত্তৰ ঃ জীৱনৰ আটাইতকৈ তিক্ত অভিজ্ঞতাটো হ'ল মোৰ চাকৰিৰ অৱসৰৰ সময়ত কাৰ্যালয়ৰ পাৰ্চনেল শাখাত মোৰ ব্যক্তিগত ফাইলত চাৰ্ভিচ বুক আদি সকলোবিলাক নথি-পত্ৰ সঠিকভাৱে নথকাত প্ৰশাসনিক বিষয়াজনে পেঞ্চনৰ কামবিলাক সমাধা কৰাত অযথা পলম কৰিছিল। মোৰ লগত থকা তথ্যপাতিবিলাক জমা দিয়া স্বত্বেও তেওঁ সামান্য একোটা অজুহাত দেখুৱাই ইচ্ছাকৃতভাৱে পেঞ্চন প্ৰাপ্তিত বিলম্ব কৰি মোক ইমানেই শাৰীৰিক আৰু মানসিক নিৰ্যাতন দিছিল যে অৱশেষত পেঞ্চন নোলোৱাটোকে সিদ্ধান্ত কৰিছিলো। উপায়ান্তৰ হৈ পেঞ্চন নালাগে বুলিয়ে এদিন তেওঁৰ লগত বাক্-বিতণ্ডা হোৱাত প্ৰায় ছমাহ মানৰ মূৰত মোৰ পেঞ্চন মঞ্জুৰ হ'ল। এই ঘটনাটো মোৰ জীৱনৰ আটাইতকৈ তিক্ত অভিজ্ঞতা।

**প্ৰশ্ন ঃ কোনোবা এখন ঠাইলৈ আপোনাৰ যোৱাৰ ইচ্ছা আছে কিন্তু যাব পৰা নাই, সেই ঠাইখনে আপোনাক কিয় আকৰ্ষণ কৰে ?**

উত্তৰ ঃ মোৰ এনেকুৱা এখন ঠাইলৈ যাবৰ মন যায়, যিখন ঠাই দুৰ্নীতিমুক্ত, হত্যা-হিংসা-বিদ্বেষহীন, ভ্ৰষ্টাচাৰ, ঠগ, প্ৰৱঞ্চক, সন্ত্ৰাসবাদ আদিৰ পৰা মুক্ত, প্ৰাকৃতিক সম্পদৰ ওপৰত সীমিত অত্যাচাৰ, য'ত মানুহে সদ্ভাৱ-সম্প্ৰীতিৰে এটা শান্তিৰ পৰিৱেশত জীৱন নিৰ্বাহ কৰি সমাজ তথা দেশখন সকলো দিশতে আগুৱাই গৈছে, তেনে এখন ঠাইৰ সন্ধানত আছো। কিন্তু এই সকলোবিলাকৰ পৰা মুক্ত তেনে এখন ঠাই এতিয়া বিচাৰি পোৱা নাই। সেই কাৰণে মোৰ যোৱাও হোৱা নাই।

**প্ৰশ্ন ঃ পৃথিৱীত বৰ্তমান জীৱিত যিকোনো এজন ব্যক্তিক যদি আপোনাক লগ পোৱাৰ সুযোগ দিয়া হয়, তেন্তে আপুনি কাক লগ পাব ? কিয় লগ পাব ? তেওঁক কি সুধিব ?**

উত্তৰ ঃ পৃথিৱীত বৰ্তমান জীৱিত যিকোনো এজন ব্যক্তিক লগ পোৱাৰ সুযোগ পালে এই বছৰৰ (২০১৬ চন) সাহিত্যৰ নোবেল বঁটা বিজয়ী আমেৰিকাৰ কিম্বদন্তি গায়ক বব ডিলানক লগ পোৱাৰ ইচ্ছা আছে। তেওঁ সঙ্গীত সাধনাত থাকি সঙ্গীত সৃষ্টিৰ জৰিয়তে বিশ্বৰ গীতি সাহিত্যত আলোড়নৰ সৃষ্টি কৰি নোবেল বঁটা লাভ কৰাটো ইতিহাসত বিৰল।



ডিলানক এই কাৰণেই লগ পোৱাৰ ইচ্ছা আছে যে তেওঁ প্ৰথম অৱস্থাত অতি সাধাৰণভাৱে হাৰমনিয়াম, গীতাৰ আৰু পিয়ানো বজাই সঙ্গীত জীৱন আৰম্ভ কৰি কেনেকৈ সমগ্ৰ বিশ্বৰ এজন জনপ্ৰিয় গীতিকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰি নোবেল বঁটাৰ নিচিনা বিশ্বৰ এনে এটা সন্মান অৰ্জন কৰিবলৈ সক্ষম হ'ল, সেই কথাটোকে সুধিম।

**প্ৰশ্ন ঃ অসমীয়া সমাজখনৰ আটাইতকৈ দুৰ্বল আৰু আটাইতকৈ সবল দিশ দুটা কি ?**

উত্তৰ ঃ অসমীয়া সমাজখনৰ আটাইতকৈ দুৰ্বল দিশটো হ'ল - কৰ্মবিমুখতা আৰু উৎসৱ প্ৰৱণতা। অসমীয়া মানুহে শাৰীৰিক পৰিশ্ৰম নকৰাকৈ, বিশেষকৈ যুৱ প্ৰজন্মই অসৎ উপায়েৰে সহজতে ধন আহৰণ কৰি লাহ বিলাহেৰে জীৱনটো উপভোগ কৰাৰ মানসিকতা দেখা যায়। তেওঁলোকে সৰু-সুৰা কাম কৰিবলৈ লজ্জাবোধ কৰে, ডাঙৰ কামো নকৰি নিৱনুৱা বুলি চিনাকী দিবলৈ লজ্জাবোধ নকৰে।

দ্বিতীয়টো হ'ল - অসমীয়া মানুহে গোটেই বছৰটো ৰং ৰহইচেৰে বিহু মাৰি থাকিবলৈ ভাল পায়। বছৰটোত এটা খেতি কৰি বাকী সময়ছোৱা বিহু মাৰিয়ে কটায়। মাঘ বিহু, কাতি বিহুকে আদি কৰি আজিকালি ন-খোৱা, ন-ধান দোৱা, লখিমী চপোৱা, ৩১ ডিচেম্বৰ আদিতো নাচ-গান কৰি বিহু মাৰিবলৈ লৈছে, যিটোৱে আমাৰ সমাজ জীৱনৰ উপৰি কৃষি অৰ্থনীতিটো বিৰূপ প্ৰভাৱ পেলাইছে।

আনহাতে আটাইতকৈ সবল দিশটো হৈছে, অসমীয়া সমাজখন বিভিন্ন জাতি-উপজাতি, জনগোষ্ঠী, নৃগোষ্ঠী আদিৰে গঠিত এখন সংমিশ্ৰিত সমাজ। এই সমাজখনৰ প্ৰতিটো জনগোষ্ঠীৰ নিজ নিজ ভাষা, কলা-কৃষ্টি, সংস্কৃতিৰে নিজ নিজ পৰিচয় বহন কৰি থকা স্বত্বেও সকলোটি মিলি এক বৃহত্তৰ অসমীয়া সমাজ হিচাপে পৰিচয় দাঙি ধৰিছে যাক কোৱা হয় 'Unity in Diversity'। এইটো সম্ভৱ হৈছে অসমীয়া মানুহৰ সহিষ্ণুতা, উদাৰতা আৰু সৰলতা গুণৰ বাবে, যাৰ ফলত অসমীয়া সমাজখন এতিয়াও একত্ৰিত হৈ আছে। মোৰ দৃষ্টিত অসমীয়া সমাজখনৰ এইটোৱেই আটাইতকৈ সবল দিশ।

*(সাক্ষাৎ গ্ৰহণ কৰিলে যুগবাৰ্তাৰ কাৰ্যবাহী সম্পাদক মৃদুল শইকীয়া আৰু সহকাৰী সম্পাদক বিপিন বৰাই।)* ❑

# অসমৰ অভিনয় জগতৰ বলিষ্ঠ অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ

যোৰহাট জিলাৰ মালৌআলি পঞ্চৱটী অঞ্চসৰ নিৱাসী যোৰহাট জে.বি কলেজৰ প্ৰাক্তন অধ্যক্ষ ড° বিজয় শৰ্মা আৰু সু-অভিনেত্ৰী বিজয়া শৰ্মাৰ তিনিটা সন্তানৰ প্ৰথম কন্যা সন্তানটিয়েই হৈছে অসমৰ ভ্ৰাম্যমান, বোলছবি জগতৰ বলিষ্ঠ মোহময়ী অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ। প্ৰস্তুতি সৰুৰে পৰা সকলো দিশতে আগৰণুৱা আছিল। প্ৰস্তুতি নাট্য জগতত প্ৰথম পদাৰ্পণ কৰিছিল 'জয়ন্ত ৰাজগুৰুৰ শিশু পূৰ্ণাঙ্গ নাটক 'অৰণ্যৰ সাধু'ৰ জৰিয়তে। এই নাটকখনিৰ মুখ্য চৰিত্ৰ 'শহা চৰিত্ৰ'টিত অভিনয় কৰি শিশু কালতে দৰ্শকক আকৰ্ষিত কৰিবলৈ সক্ষম হৈছিল। সেই সময়তে তেওঁ মইনা পাৰিজাতৰ হৈ বিভিন্ন নৃত্য, গীত, নাটক আদি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছিল। মইনা মেলসমূহে যে এটি শিশুৰ বৌদ্ধিক, শাৰীৰিক আৰু মানসিক বিকাশৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহণা যোগায় তাৰেই নিদৰ্শন প্ৰস্তুতি পৰাশৰ।

প্ৰস্তুতিয়ে জন্ম লাভ কৰিছিল এটি সাংস্কৃতিবান পৰিয়ালত। পিতৃ-মাতৃ দুয়ো অভিনয় জগতৰ লগত জড়িত। দুয়োৱে যোৰহাটৰ বিভিন্ন মঞ্চত নাটক কৰি দৰ্শকক মোহিত কৰিবলৈ সক্ষম হৈছিল। অন্যহাতে প্ৰস্তুতিৰ একমাত্ৰ ভগ্নী প্ৰয়াসী পৰাশৰে অসমৰ অভিনয়, নৃত্য জগত তথা বোলছবি জগতত এক সুকীয়া আসন লাভ কৰিবলৈ সক্ষম হৈছে। গতিকে প্ৰস্তুতিয়ে অভিনয়ৰ ক্ষেত্ৰত পৰিয়ালৰ পৰা সম্পূৰ্ণ প্ৰেৰণা পাইছিল আৰু এতিয়াও পাই আছে। প্ৰস্তুতিয়ে যোৰহাট তথা অসমৰ বিশিষ্ট নাট্যকাৰ, পৰিচালক ক্ৰমে ড° অৰূপ বৰঠাকুৰ, মানবেন্দ্ৰ শৰ্মা, ৰফিকুল হুছেইন, জয়ন্ত ৰাজগুৰু, নৱ দাস, যাদৱ পাচনি, দিগন্ত বৰুৱা, মুনিন বৰুৱা, জয়ন্ত নাথ, বিদ্যুৎ চক্ৰৱৰ্তী, বাণী দাস, হেমেন দাস আদিৰ সান্নিধ্যলৈ আহি সাংস্কৃতিক পথাৰখনত বলিষ্ঠ অভিনয় কৰি যোৰহাটৰ তথা অসমৰ নাট্যজগতৰ প্ৰতিজন দৰ্শককে আকৰ্ষিত কৰিবলৈ সক্ষম হৈছিল। উদাহৰণ স্বৰূপে, নিমাতী কইনা, সপোনৰ বৃন্দাবন, ৰূপালীম, অন্তৰাগ আদি। বিশিষ্ট চিকিৎসক, সাহিত্যিক, সমালোচক ড° বিকাশ বৰুৱাৰ ৰূপালীম নাটকত প্ৰস্তুতিয়ে কৰা অভিনয়ৰ বাবে বাতৰি কাকতৰ এটি লেখনিত যোৰহাটবাসীয়ে নতুন এগৰাকী মিনা কুমাৰী আৱিষ্কাৰ কৰিলে বুলি লিখিছিল। প্ৰস্তুতি সৰুৰে পৰা তীক্ষ্ম বুদ্ধি সম্পন্ন এগৰাকী সৰ্বগুণী তথা প্ৰতিভাবান যুৱতী আছিল। একাধাৰে নৃত্যশিল্পী, অভিনেত্ৰী,



বাকপটু, সৃজনীশীল মনৰ অধিকাৰী, ৰসাল কথাৰ ভঁৰাল, ডিজাইনাৰ, ভাল ৰান্ধনী। মই জনাত প্ৰস্তুতিয়ে খুব ধুনীয়া মাংস ৰান্ধিব জানে। যোৰহাট বাল্য ভৱনৰ পৰা প্ৰথম বিভাগত শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ। জে.বি কলেজৰ পৰা বাণিজ্য শাখাত প্ৰথম শ্ৰেণী স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বাণিজ্য বিভাগত স্নাতকোত্তৰ (এম.কম) সুখ্যাতিকে উত্তীৰ্ণ হৈ অভিনয়ৰ লগতে সমান্তৰালভাৱে শিক্ষাৰ দিশটো ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছিল।

প্ৰস্তুতিয়ে বাণী দাসৰ 'মহাৰথী' কথাছবিৰ জৰিয়তে চলচিত্ৰ অভিনয় জগতত প্ৰৱেশ কৰি বিদ্যুৎ চক্ৰৱৰ্তীৰ গুণ গুণ গানে গানে, জয়ন্ত নাথৰ হৃদয় কঁপোৱা গান, চন্দ্ৰ মুদৈৰ চুৰেন চোৰৰ পুতেক, মুনিন বৰুৱাৰ ৰামধেনু, হেমেন দাসৰ মৃগনাভিকে ধৰি বহুকেইখন অসমীয়া কথাছবিত অভিনয় কৰিছে। তদুপৰি প্ৰস্তুতি দূৰদৰ্শনৰ তথা অসমীয়া ছেটেলাইট টি.ভি চেনেলৰ কেইবাখনো ধাৰাবাহিকত অভিনয় কৰি দৰ্শকৰ মন মুহিবলৈ সক্ষম হৈছিল। প্ৰস্তুতিয়ে বোলছবি আৰু অপেছাদাৰী মঞ্চ নাটকত অভিনয় কৰাৰ উপৰিও কেইবাখনো অসমৰ ভ্ৰাম্যমান থিয়েটাৰ নাটকত অভিনয় কৰি দৰ্শকৰ মন মুহিবলৈ সক্ষম হৈছিল। প্ৰস্তুতিয়ে অভিনয় কৰা ভ্ৰাম্যমান নাটক মহাৰাণী মহাকালী, শান্ত-শিষ্ট দুষ্ট ছোৱালী, গিৰিপ-গাৰাপ আহিছে কইনা আদিত কৰা অভিনয় অসমৰ দৰ্শকৰ মনত সদায় থাকিব।

❑ **চেতনা বৰগোহাঁই বৰা**

# ঐতিহ্যমণ্ডিত কৰঙা কমাৰ হাজৰিকা গাঁও

❑ লৱ কুমাৰ দত্ত

আহোম ৰাজত্বৰ শেষ ৰাজধানী যোৰহাট নগৰৰ পৰা প্ৰায় ১০ কিলোমিটাৰ দূৰত্বত অৱস্থিত ঐতিহাসিক কৰঙা কমাৰ হাজৰিকা গাঁও। গাঁওখনৰ নামটোৱে বিশেষ ঐতিহ্য বহন কৰিছে। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত আহোম ৰজাই যোৰহাটৰ পৰা ৰজাবাহাৰলৈকে এটি গড় বান্ধিছিল। বিপক্ষ সৈনিকক বিবুদ্ধিত পেলাবৰ অৰ্থে নিৰ্মাণ কৰা বাবে গড়টিৰ নাম আছিল বিবুদ্ধি গড়। কালক্ৰমত এই "বিবুদ্ধি গড়"টি গড়আলি নামে প্ৰসিদ্ধ হ'ল। আহোম স্বৰ্গদেৱে সৈন্যসকলৰ বাবে অস্ত্ৰ-শস্ত্ৰ তথা ঘৰুৱা প্ৰয়োজনীয় দা-কুঠাৰ, কাচি, কোৰ, নাঙলৰ ফাল, ডাব কটাৰী, টেমী কটাৰী, ৰুকনি, মৈদা, হাতোৰা, খন্তি আদি বিবিধ লোৰ সামগ্ৰী বনাবৰ নিমিত্তে গড়গাঁৱৰ বনমালী হাজৰিকাৰ পৰিনাতি সৰ্বানন্দ হাজৰিকাক হাজাৰজন পাইক দি এই ঠাইত বহুতো মাটি-বাৰী দি সংস্থাপিত কৰিছিল। বনমালীদেৱ কমাৰ কামৰ এজন পাৰ্গত ওজা আছিল। বিশেষকৈ হিলৈ-বৰটোপ বনোৱাত নিপুণ আছিল। তেনে এটা বৰটোপ এতিয়াও শিৱসাগৰত আছে। য'ত লিখা আছে "নশ নকুৰি পালি; ওজা বনমালী।" সৰ্বানন্দ হাজৰিকা ও অতি সাহসী তথা পাৰ্গত ওজা কমাৰ শিল্পী আছিল। কালক্ৰমত তেখেতৰ বংশধৰ তথা তেখেতে সংস্থাপিত কৰা ইষ্ট-কুটুম্বৰে গাঁওখন ভৰি পৰিল আৰু গাঁওবাসী লোকসকলৰো কমাৰৰ কামেই পেছা আৰু নিচা দুয়োবিধ হোৱাত গাঁওখনৰ নাম হ'লহি কৰঙা কমাৰ হাজৰিকা গাঁও। এই গাঁওখন বৃহত্তৰ কৰঙা অঞ্চলৰ মধ্যস্থানত অৱস্থিত। অৱশ্যে পৰ্যায়ক্ৰমে এই গাঁৱৰ বহুলোক গোলাঘাট, বৰপথাৰ, সৰুপথাৰ, মৰঙী আৰু নানা নগৰ অঞ্চলৰ নিবাসী হৈছেগৈ। বৰ্তমান গাঁওখনৰ প্ৰায় ৮০ ঘৰত ৫০০ ৰো অধিক জনসংখ্যা আছে। দুটা ৰাজহুৱা পুখুৰী আছে। গাঁৱৰ প্ৰায়ভাগ লোকেই কৃষিজীৱিৰ লগতে ব্যৱসায়-বাণিজ্য, চাকৰি আদিৰে স্ব-নিৰ্ভৰশীল। গাঁওখনৰ মহিলাসকলেও আত্মসহায়ক গোট খুলি স্ব-নিয়োজনৰ নিদৰ্শন দেখুৱাইছে।

**ঐতিহাসিক কমাৰ শিল্প ঃ** সৰ্বানন্দ ককাৰ দিনৰে পৰা একোখন ঘৰত সৰু এটি ঘৰতে কমাৰশাল পাতি লোকসকলে এই কৰ্ম সম্পাদন কৰিছিল। গাঁওখনৰ প্ৰতিঘৰৰ মানুহেই এই কামত সিদ্ধহস্ত আছিল। লোহাত শিল্পৰূপ দি নানা সামগ্ৰী বনোৱা এইসকল লোকৰ ডাব কটাৰী আজিও অসম বিখ্যাত। লাহে লাহে ব্ৰিটিছৰ শাসন কালত দুই এখন স্কুল প্ৰতিষ্ঠা হ'ল। গাঁৱৰ লোকসকলে নিজ সন্তানক কমাৰ শিল্পৰ কামৰ লগতে উচ্চ শিক্ষা দিবৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিলে। এনেদৰে ক্ৰমান্বয়ে গাঁৱৰ একাংশ লোক প্ৰাচ্য-পাশ্চাত্যৰ শিক্ষাৰে শিক্ষিত হৈ চৰকাৰী অথবা বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান, চাহবাগান আদি কোম্পানীৰ চাকৰিত সোমাল। ফলস্বৰূপে কমাৰশালৰ সংখ্যা কমি আহিল। তথাপিও ইয়াৰ চাহিদা আৰু গুৰুত্ব উপলব্ধি কৰি ১৯৫৪ চনত শ্ৰীশ্ৰীতেলপানী সত্ৰৰ সত্ৰাধিকাৰ মোহন চন্দ্ৰ মহন্তদেৱৰ যত্নত ঐতিহাসিক এটি ক্ষুদ্ৰ উদ্যোগ "অসমৰ চেফিল্ড" খ্যাত কমাৰ শিল্পটো গঢ় লৈ উঠিছিল। বেছ কিছুবছৰ ভালদৰে চলাৰ পাছত চৰকাৰে এখন সমবায় সমিতি কৰি চলাই থকা সম্ভাৱনাপূৰ্ণ উদ্যোগটো ক্ৰমান্বয়ে বেয়াৰ ফালে ঢাল খালে আৰু এটা সময়ত ইয়াৰ উৎপাদন কাৰ্য বন্ধ হৈ পৰিল। সেই যে বন্ধ হ'ল সেই দিন ধৰি আজিকোপতি ইয়াৰ পুনৰ নিৰ্মাণ চৰকাৰী ৰঙা ফিটাৰ মেৰপেঁচত সম্ভৱ হোৱা নাই। ঘৰুৱা কমাৰ শাল কেৱল সৰ্বশ্ৰী শোভন কলিতা, ৰবিন কলিতা, ফুলেন দত্ত, অজিত দত্ত, নগেন দত্ত, লুলু দত্ত, দেৱজিৎ দত্ত মিণ্টু দত্ত, দেৱজিৎ দত্ত (তুতুকন) ৰ ঘৰতহে আছে।

**শ্ৰীশ্ৰীকমলানাথদেৱ থানক্ষেত্ৰ ঃ** আনুমানিক ১৬৯০ শকৰ পৰা ১৭১৫ শকৰ ভিতৰত নাজিৰাৰ হুদুপাৰাত থকা শ্ৰীশ্ৰীতেলপানী সত্ৰৰ পঞ্চমজনা সত্ৰাধিকাৰ কমলানাথ দেৱ শিষ্যবৰ্গ সহিতে এই ঠাইলৈ আহে। বহুদিন ধৰি গাঁওখনত এক ধৰ্মীয় উৎসৱমুখৰ পৰিবেশত থাকি তেখেত পুনৰ নিজা সত্ৰলৈ যাবলৈ ওলাল। কিন্তু তেখেতক কোনেও এৰিব নিবিচাৰে। সৰ্বানন্দ হাজৰিকাৰ অনুনয়-বিনয় তথা ভকতবৃন্দৰ কাতৰ প্ৰাৰ্থনাত গুৰুজনাই ভৱিষ্যত বংশধৰসকলৰ তাৰণৰ নিমিত্তে নিজা পাদুকাযোৰকে বৰ্তমান থকা নামঘৰৰ বিশেষ স্থানত প্ৰতিষ্ঠা কৰি ক'লে ইয়াতে আমাক পাবা। পুৱা স্নান কৰি ভকতসৱে ইয়াতে গুৰু সেৱা কৰিব। যি সেৱকীয়ে মনৰ যি অভিলাসেৰে ইয়ালৈ তেল-চাকি, ধূপ-দীপ, শৰাই আগবঢ়াব সেই সেৱকীয়ে তাৰ বাঞ্ছিত ফল লাভ কৰিব। সেইদিন ধৰি যি অক্ষয় বন্তি গুৰুজনাই প্ৰজ্বলন কৰি গ'ল আজিকোপতি সেই বন্তি গছি প্ৰজ্বলিত হৈ আছে। সেয়ে গাঁৱৰ ৰাইজে এই উপাস্য ধৰ্মীয় স্থলীখনক "থানক্ষেত্ৰ" অথবা থান নামঘৰ বুলিহে কয়। থানক্ষেত্ৰ থকাৰ বাবেই গাঁৱৰ ৰাইজে মহাপুৰুষ জনাৰ অপূৰ্ব সৃষ্টি ভাওনা নাট ইয়াত অনুষ্ঠিত নকৰে। ইয়াৰো যথেষ্ট গূঢ়াৰ্থ তাৎপৰ্য আছে। বিশেষকৈ পবিত্ৰতা আৰু থানৰ মৰ্যাদা অটুট ৰখাৰ খাতিৰতে এই নিয়ম বাহাল ৰখা হৈছে। থানক্ষেত্ৰৰ গৰাকীয়ে প্ৰতিটো বিপদ-আপদতে চৰায়ে নিজ পোৱালিক পাখিৰে ৰক্ষা কৰি থকাৰ দৰে সকলোকে ৰক্ষা কৰি আহিছে বুলি গাঁৱৰ সকলোৱে দৃঢ়ভাৱে বিশ্বাস কৰে।

**কৃষ্টি-সংস্কৃতি ঃ** কলা-কৃষ্টিত গাঁওখনে অঞ্চলটোৰ ভিতৰতে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। সৰ্বানন্দ হাজৰিকা ককাৰ দিৱসৰ পৰাই বছৰেকীয়া ভাওনা-সবাহ নিয়মীয়াকৈ অনুষ্ঠিত হৈ আহিছে। সমগ্ৰ কৰঙা অঞ্চলৰ ভিতৰতে প্ৰথম অস্থায়ী মঞ্চ সাজি ১৯২৭ চনত এই গাঁৱতে "অম্বাহৰণ" নামৰ ঐতিহাসিক ধৰ্মমূলক নাটক মঞ্চস্থ হৈছিল। ইয়াৰ পাছত সণ্ঢালনিকৈ মেঘনাদ বধ, সাধনী, কুৰুক্ষেত্ৰ, শ্ৰীৰামচন্দ্ৰ, বিসৰ্জন, চম্পাৱতী, নীলাম্বৰ, শকুনিৰ প্ৰতিশোধ, চাণক্য, সেই বাটেদি, চিত্ৰাঙ্গদা, চিৰাজ, পিয়লি ফুকন, কুমৰ হৰণ, মহাবীৰ আলেকজেণ্ডাৰ, কাল ইয়াগুাবু আদি বহুবোৰ নাটক মঞ্চস্থ হৈছে। কেৱল মহিলাসকলৰ দ্বাৰাও এবাৰ এখন পূৰ্ণাংগ নাটক মঞ্চস্থ কৰি খ্যাতি অৰ্জন কৰিছে। প্ৰায় ১৭ বছৰ ধৰি শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা মঞ্চস্থ কৰি আহিছে। কেইবা বছৰো সদৌ অসম ভিত্তিত একাংক নাটক প্ৰতিযোগিতা সফলভাৱে ৰূপায়ণ কৰিছে। ১৯৪২ চনত ৰাস্তাৰ একেবাৰে কাষতে এটি স্থায়ী মঞ্চ সজা হয়। গঠন হয় গাঁৱৰ যুৱক সংঘ। পাছলৈ এই যুৱক সংঘৰ নামকৰণ কৰা হয় কৰঙা বনমালী কলা-কৃষ্টি সংঘ নামেৰে। বৰ্তমান চৰকাৰী অৰ্থ সাহাৰ্য্য তথা গাঁৱৰ ৰাইজৰ দান-বৰঙণিৰে এটি স্থায়ী মঞ্চ আৰু প্ৰেক্ষাগৃহ প্ৰায় ৬০০ দৰ্শক বহিব পৰাকৈ সজোৱা হৈছে। কলা-কৃষ্টি সংঘৰ অধীনতে গাঁৱৰ কণ কণ মইনাহঁতৰ বাবে বনমালী মইনা পাৰিজাত আৰু মহিলাসকলৰ বাবে গৃহলক্ষ্মী মহিলা সমিতি গঠন কৰা হৈছে। বনমালী কলা-কৃষ্টি সংঘৰ এটি নিজা পুথিভঁৰাল আছিল যদিও বৰ্তমান ইয়াৰ ব্যৱহাৰিক দিশটো অতি দুখলগা। গাঁওখনত এক আপুৰুগীয়া কৃষ্টি সম্পদ আছিল মৃদংগীয়া গায়নযোৰা। বৰযদুমণিদেৱৰ পৰিনাতি তেলপানী সত্ৰৰ ত্ৰয়োদশ সত্ৰাধিকাৰ মোহন চন্দ্ৰ মহন্ত আতাই অতি দক্ষতাৰে গাঁওখনত এই সম্পদভাগ সংৰক্ষণত আগভাগ লৈছিল যদিও প্ৰয়াত বিপিন হাজৰিকা আৰু প্ৰয়াত হৰেণ দত্তৰ বিয়োগত লুপ্ত প্ৰায় হৈ পৰিল।



ভগ্ন ঐতিহাসিক কমাৰ শিল্পটো

**নাটক, অভিনয় ঃ** গাঁৱৰ প্ৰায় ভাগ পুৰুষ-মহিলাই কিবা প্ৰকাৰে নহয় কিবা প্ৰকাৰে অভিনয় শিল্পৰ লগত জড়িত। ইয়াৰে ভিতৰত প্ৰয়াত গঙ্গাধৰ দত্তই "চামেলি মেম চাহাব" নামৰ ভূপেন হাজৰিকাদেৱৰ বিখ্যাত অসমীয়া চলচ্চিত্ৰ খনত খন্তেকৰ বাবে ভুমুকি মাৰিছিল। প্ৰয়াত ডাঃ নগেন দত্তদেৱে ধৰ্মকাই, সোণ পখিলী, সেউজী ধৰণী ধুনীয়া নামৰ বোলছবিত গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰিছিল। বৰ্তমান সঞ্জীৱ দত্তই এখন টি.ভি. ধাৰাবাহিকত গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰি আছে। ৰাজিৱ দত্তই এগৰাকী নাট্যকাৰ হিচাপে নাট্য জগতত খোজ পেলাইছে। স্বৰ্গীয় কমল হাজৰিকাই বহু বছৰ ধৰি কৰঙা ৰাসোৎসৱত কংসৰ ভাৱত ভাও দি যোৰহাট জিলাত বিখ্যাত হৈ পৰিছিল। দিদিন হাজৰিকা, মুনীন দত্ত, ৰুবুল কলিতা, অমৃত বিৰাজ দত্ত আদি ভাল অভিনয় শিল্পী তথা নাট্যকৰ্মী। পুলিন হাজৰিকা আৰু নলীন দত্ত একোজন দক্ষ আলোক সজ্জাৰ শিল্পী।

**বিদ্যালয় ঃ** গাঁওখনত প্ৰাথমিক শিক্ষাৰ বাবে ১৯৩৫ চনতে স্থাপন হয় ২২৫ নং ভালিৰাম হাজৰিকা প্ৰাথমিক বিদ্যালয়। সৰ্বানন্দ হাজৰিকাৰ পৰিনাতি ভালিৰাম হাজৰিকাৰ নামত তেওঁৰ পুত্ৰ হৰি প্ৰসাদ হাজৰিকাই উক্ত স্থানৰ মাটি দান কৰি বিদ্যালয়খন প্ৰতিষ্ঠা কৰাত সহায় কৰিছিল। এইখন বিদ্যালয়তে সুখ্যাতিৰে শিক্ষা গ্ৰহণ কৰি বহুকেইজন প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰী চৰকাৰী উচ্চ আসনত অধিষ্ঠিত হৈছিলগৈ আৰু বৰ্তমানো কেইবাজনেও চৰকাৰী উচ্চ পদবীত চাকৰি কৰি আছে। বিদ্যালয়খনত শিক্ষাদান কৰা দুগৰাকীমান শিক্ষক-শিক্ষয়িত্ৰীৰ কথা বহুতো ছাত্ৰ-ছাত্ৰীয়ে আজিও অতি কৃতজ্ঞতাৰে সোঁৱৰণ কৰে। এগৰাকী প্ৰয়াত নন্দেশ্বৰ শৰ্মা, শ্ৰীযুতা বৰদা পোদ্দাৰ, ভানু দত্ত আৰু এগৰাকী প্ৰয়াত তপন শইকীয়া। এই কেইগৰাকী শিক্ষকে একেৰাহে বহুবছৰ ধৰি বিদ্যালয়খনত শিক্ষাদানত ব্ৰতী হৈছিল।

**স্বাধীনতা আন্দোলনত অৱদান ঃ** ভাৰতৰ স্বাধীনতা আন্দোলনত বৰ বিশেষ নামজ্বলা ভূমিকা নাছিল যদিও প্ৰয়াত কুন্তেশ্বৰী দত্ত আৰু তেখেতৰ পুত্ৰ প্ৰয়াত গঙ্গাধৰ দত্তই স্বাধীনতা আন্দোলনত আগভাগ লৈছিল। জনামতে তেখেতসকলৰ ঘৰখন স্বাধীনতা আন্দোলনৰ সেনানিসকলৰ বিশেষ স্থলী আছিল। এইখন গাঁৱৰ মাজেৰেই এবাৰ বিপ্লৱী বীৰ শঙ্কৰ বৰুৱাক আন্দোলনকাৰীসকলে পুলিচৰ চকুত ধূলি দি মৃৰত মথুৰা পাগুৰি মাৰি গোসাঁই সজাই গায়ন-বায়নেৰে শোভাযাত্ৰা কৰাই নিৰাপদ স্থানত থৈ আহিছিল। এই গাঁৱৰ সমীপৰ পথাৰখনতে কৰঙাৰ এখন ঐতিহাসিক ৰায়ত সভা অনুষ্ঠিত হৈছিল। তদুপৰি ১৯৩৫ চনত এখন ঐতিহাসিক ছাত্ৰ সন্মিলন অনুষ্ঠিত হৈছিল।

**সমাজ, সাহিত্য-কলালৈ অৱদান ঃ** প্ৰয়াত কুন্তেশ্বৰী দত্ত আইতাই কৰঙাত স্ত্ৰী শিক্ষাৰ বাবে বহুতো কষ্ট কৰি বৰ্তমানৰ কৰঙা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয় প্ৰতিষ্ঠাত আগভাগ লৈছিল। এইখন বিদ্যালয়ৰ শিক্ষাদান প্ৰথম অৱস্থাত এই গাঁৱৰ যুৱক সংঘৰ প্ৰেক্ষাগৃহতে চলিছিল। কৰঙা ডাকঘৰতোও বহু বছৰ এই গাঁৱতে চলিছিল। এনেকি ঠাইৰ অভাৱত আনলৈ তুলি নিব বিচৰাত ডাকঘৰটো বহু বছৰ প্ৰয়াত গঙ্গাধৰ দত্তদেৱৰ ঘৰতে চলিছিল আৰু বহুবছৰ চলিছিল প্ৰয়াত নালিৰাম হাজৰিকাদেৱৰ গৃহত।

সাহিত্য সৃষ্টি ক্ষেত্ৰত প্ৰথমেই নাম ল'ব লাগিব প্ৰয়াত ডাক্তৰ নগেন দত্তদেৱৰ (এণ্ডিখুড়া) নাম; অসমৰ সাহিত্য জগতত নামেই যাৰ পৰিচয়। তেখেতে কেইবাখনো উল্লেখযোগ্য গ্ৰন্থ ৰচনাৰে অসমীয়া সাহিত্যৰ ভৰাল চহকী কৰি গৈছে। তেখেতৰ মা-সোণ বতৰা নামৰ গ্ৰন্থৰ বাবে ৰাষ্ট্ৰীয় শিশু সাহিত্য বঁটা আৰু বিভিন্ন সামাজিক কামৰ বাবে সৰ্বজ্ঞশ্ৰী ৰাষ্ট্ৰীয় বঁটা তথা উপাধি লাভ কৰিছিল। তদুপৰি প্ৰয়াত কমল হাজৰিকা, জগত দত্ত, শ্ৰীযুতা নীলিমা দত্ত, সৰ্বশ্ৰী গোপাল হাজৰিকা, ৰাজেন হাজৰিকা মুনীন্দ্ৰ নাথ দত্ত, দিদিন হাজৰিকা, কনকলতা দত্ত, ৰাজিৱ দত্ত, নীনা দত্ত, লৱ কুমাৰ দত্ত আদিয়ে বিভিন্ন সাহিত্যৰাজি সৃষ্টিত অৰিহণা যোগাইছে। ত্ৰিদীপ দত্ত আৰু তেওঁৰ পৰিবাৰ জুলি চলিহা দত্তই বৰ্তমান অসমৰ ভিতৰতে চিত্ৰ আৰু ভাস্কৰ্য শিল্পীৰূপে পৰিচয় দিবলৈ সক্ষম হৈছে।

প্ৰয়াত শৈলেন্দ্ৰ প্ৰসাদ হাজৰিকা হ'ল এই গাঁৱৰ প্ৰথমগৰাকী স্নাতকোত্তৰ ডিগ্ৰীধাৰী। তেখেতে অসম চৰকাৰৰ ৰাজহ বিভাগৰ সচিব পদ পৰ্যন্ত কাৰ্যনিৰ্বাহ কৰি অৱসৰ লয়। তেওঁ চৰকাৰৰ দ্বাৰা ভাৰতীয় অসামৰিক সেৱাৰ পদলৈ মনোনীত হোৱা গাঁওখনৰ একমাত্ৰ আৰু অঞ্চলটোৰ প্ৰথমগৰাকী ব্যক্তি। তেওঁৰ কনিষ্ঠ ভাতৃ নৃপেন হাজৰিকাই অসম চৰকাৰৰ সমবায় বিভাগৰ উপ-পঞ্জীয়ক পদ প্ৰয়াত থিৰেশ্বৰ হাজৰিকাই ৰাজহ বিভাগৰ চিৰস্তাদাৰ পদ প্ৰয়াত কমল হাজৰিকাই জিলা প্ৰাথমিক শিক্ষা বিভাগৰ উপ-পৰিদৰ্শক পদ প্ৰয়াত জগত দত্তই ভাৰত চৰকাৰৰ আবকাৰী বিভাগৰ অধীক্ষক পদ প্ৰয়াত দেউৰাম দত্তই অৰুণাচল প্ৰদেশ চৰকাৰৰ ডি এছ টি বিভাগৰ গানণিকৰ পদ প্ৰয়াত পদ্ম দত্ত আৰু চিবেন হাজৰিকাই পৰিবহন বিষয়া পদৰ পৰা সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰি অৱসৰ লয়। প্ৰয়াত ডাক্তৰ নগেন দত্ত এই গাঁৱৰ প্ৰথম অঞ্চলটোৰ দ্বিতীয়জন এম.বি.বি.এচ ডাক্তৰ। তেখেতে জিলা উপ-মূখ্য স্বাস্থ্য বিষয়াৰূপে অৱসৰ গ্ৰহণ কৰে। শ্ৰীমণ্টু দত্তই অসম চৰকাৰৰ জিলা কৃষি বিপনন পৰিষদৰ সচিব শ্ৰীৰাজেন হাজৰিকাই জিলা উদ্যোগ কেন্দ্ৰৰ সহঃ পৰিচালক শ্ৰীদুলাল হাজৰিকা আৰু অলীক দত্তই ভাৰতীয় খাদ্য নিগমৰ উচ্চ পৰ্যায়ৰ বিষয়া শ্ৰীযুতা নীলিমা দত্তই কৰঙা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অধ্যক্ষাৰূপে দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে। বৰ্তমান সৰ্বশ্ৰী অৰুণ কলিতা, সত্যব্ৰত হাজৰিকা আৰু অসীম দত্তই অসম চৰকাৰৰ বিভিন্ন বিভাগত ৰাজপত্ৰিত বিষয়াৰূপে কৰ্ম সম্পাদন কৰি আছে। শ্ৰীগোপাল হাজৰিকাই বাহনা মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক হিচাপে সেৱা আগবঢ়াই আছে। তদুপৰি গাঁৱৰ প্ৰায়ভাগ যুৱক-যুৱতী, বোৱাৰী চৰকাৰী-বেচৰকাৰী, ৰাজহুৱা খণ্ডৰ অনুষ্ঠান-প্ৰতিষ্ঠানত চাকৰি তথা স্বতন্ত্ৰ ব্যৱসায়-বাণিজ্য কৰি দেশৰ প্ৰগতিত অৰিহণা যোগাই আছে। মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল— গাঁৱৰ বুৰঞ্জীৰ পৰাই জাতিৰ বুৰঞ্জী আৰু জাতিৰ বুৰঞ্জীৰ পৰাই দেশীয় বুৰঞ্জীৰ সৃষ্টি হয়। এই বিশাল পৃথিৱীৰ এটা ক্ষুদ্ৰ অংশ হিচাপে এই গাঁৱৰ এখন সম্যক চিত্ৰ দাঙি ধৰা হৈছে যদিও দেশভক্ত তৰুণৰাম ফুকনৰ এষাৰ কথা চিন্তা কৰিবলগীয়া। তেখেতে কৈছিল— আমাৰ বহুতো সম্পদ আছিল সেইটো গৌৰৱৰ কথা। যি আছিল তাক বঢ়াব পৰা নাই সেইটো দুখৰ কথা। কিন্তু যি আছিল তাক লোপ পাব দিয়াতো বিশেষ শোক আৰু লাজৰ কথা। বৰ্তমান গাঁওবোৰৰ ক্ষেত্ৰত বিষয়াটো যথেষ্ট ভাবিবলগীয়া। ❑

# বিৱৰ্তনৰ বোকোচাত ৰঙালী বিহু

❑ মৌচুমী গগৈ

প্ৰাচুৰ্যৰ বৰ্ণময় শোভাযাত্ৰাত অসমৰ সাংস্কৃতিক জীৱন বৰ্ণিল হৈ পৰিছিল যাৰ স্বতঃস্ফূৰ্ত প্ৰকাশ অসমৰ লোক সংস্কৃতিত দেখিবলৈ পোৱা যায়। সভ্যতা সংস্কৃতিৰ ঐতিহ্যৰ বৰঘৰ অসম যেন লোক সংস্কৃতিৰ এখন বিস্তীৰ্ণ পথাৰ। য'ত অংকুৰিত হয় প্ৰতি পলে পলে জীৱনৰ ছন্দ।

এই বৰ্ণময় অসমৰ লোক সংস্কৃতিৰ এক প্ৰধান অংগ হৈছে অসমৰ জাতীয় উৎসৱ বিহু। এই বিহু মূলতঃ কৃষি ভিত্তিক উৎসৱ আৰু অনাৰ্য কৃষকসকলেই হৈছে বিহুৰ স্ৰষ্টা।

কৃষিয়েই হৈছে অসমৰ কৃষিজীৱি ৰাইজৰ প্ৰাণৰ সঞ্জীৱনী সুধা। কৃষিতেই ঝংকাৰিত হয় কৃষিপ্ৰাণ ৰাইজৰ প্ৰাণৰ সংগীত, অংকুৰিত হৈছে সৃষ্টি বীজ। কৰ্ষণ আৰু সৃষ্টিৰ মিলন সুৰত কৃষিয়েই দিয়ে কৃষকৰ শুকান কলিজাত প্ৰাপ্তিৰ বৰষুণ যাৰ স্বতঃস্ফূৰ্ত প্ৰকাশিত ৰূপ হৈছে অসমৰ ৰঙালী বিহু।

**অতীজৰ বিহু সম্পৰ্কে এক চমু অৱলোকন ঃ**

তাহানিৰ বিহু আছিল স্বতঃস্ফূৰ্ত। এই বিহুৰ ৰং ৰইচ আৰম্ভ হয় ঢেকীৰ শালত, তাঁতৰ পাতত, জুইশালত, খেতিপথাৰত, গছৰ তলত। ঢেকীৰ চাবে চাবে, তাঁতৰ মাকো, গৰকা, দোৰপতিৰ শুৱলা মাতত, যঁতৰৰ সূতা কতা শব্দত বসন্তই যেন প্ৰাণাদিত হৈ পৰিছিল। মনৰ মানুহজনক নিজৰ অন্তৰৰ অব্যক্ত কথাবোৰ ক'বলৈ পূৰ্ণ যৌৱনা মহিলাসকলে সৃষ্টি কৰিছিল অলেখ বিহুনাম। চেনেহীহঁতৰ এই সুৰীয়া বিহুনামৰ সুৰত যৌৱনক শাত পেলাবলৈ চেনেহীহঁতে গিৰিপ গিৰিপকৈ নাচি পেলায় তাঁতৰ শালত, ঢেকীশালত এনেকৈয়ে সৃষ্টি হয় চ'তৰ বিহু। চেৰেকী আনোগৈ বুলি মাহীৰ ঘৰলৈ, পেহীৰ ঘৰলৈ যাঁও বুলি চ'তৰ ৰাতিৰ বিহুত দেহা মন শাত কৰিছিলগৈ পূৰ্ণ যৌৱনা গাভৰুহঁতে। মনৰ অব্যক্ত কথাবোৰ বিহুনাম হৈ বিকশিত ৰূপ পাই প্ৰকাশি উঠিছিল বিহুৰ তলীত। এই বিহুনামবোৰৰ মূলত আছিল প্ৰেম, অকৃত্ৰিম ভালপোৱা। সময় পৰিবৰ্ত্তন হ'ল, লাহে লাহে ডেকা সকলো এই বিহু চাবলৈ আহিল, আৰম্ভ হ'ল বিহুৰ ৰং ৰইচ। দিন বাগৰাত ডেকা সকলেও কান্ধত ঢোল লৈ, হাতত পেঁপা লৈ চ'তৰ ৰাতি বিহুত যোগদান দিলে, আৰম্ভ হ'ল চ'তৰ ৰাতি বিহু বা মুকলি বিহু। গৃহস্থৰ চোতাল নগৰকাকৈ পদূলিয়েদি আৰ্শীবাদ দি যোৱা হুচৰি এদিন ৰংঘৰৰ বাকৰি হৈ সময়ৰ আহ্বানত গৃহস্থৰ চোতাল পালেহি। ল'ৰা, বুঢ়া-ডেকা মিলি হুচৰি গাই গৃহস্থক আৰ্শীবাদ দি ৰং ধেমালি কৰা এই হুচৰি ব'হাগৰ পহিলা পৰা সাতদিন গোৱা নিয়ম বা পৰম্পৰা আছে যদিও জনগোষ্ঠীভেদে ইয়াৰ ব্যতিক্ৰমো হয়। আহোম স্বৰ্গদেউ সকলৰ পৃষ্ঠপোষকতাতেই এটা সময়ত বিহুয়ে জাতীয় উৎসৱৰ মৰ্যদা লাভ কৰিলে কিন্তু ইয়াৰ সমান্তৰালকৈ এচাম মধ্যবিত্ত তথাকথিত সম্ভ্ৰান্ত লোকৰ ৰোষত পৰি চ'তৰ বিহু নোহোৱা হ'ল।

পদূলিয়ে পদূলিয়ে গাই যোৱা ব'হাগৰ হুচৰি ৰজাঘৰৰ পৰা ডা-ডাঙৰীয়াসকলৰ চোতালেদি সাধাৰণ ৰাইজৰ চোতাললৈ আহিল। মহিলাই অংশ নোলোৱা গাম্ভীৰ্যৰে ভৰা মৌলিকতাপূৰ্ণ এই হুঁচৰিখনত ল'ৰাৰ পৰা বুঢ়ালৈকে সকলোৱে অংশ লৈছিল। সময়ৰ অৱধাৰিত গতিত চোতালৰ হুচৰি ক্ৰমে আধুনিক পচেনিয়াম মঞ্চলৈ আহিল। গছ তলৰ চ'তৰ বিহুৰ একাংশও মঞ্চলৈ আহিল, নতুন ৰঙেৰে লগে লগে আৰম্ভ হ'ল বিৱৰ্তন ৰূপান্তৰৰ এক সুকীয়া সুকীয়া প্ৰতিচ্ছৱি।

**বিৱৰ্তনৰ বোকোচাত ৰঙালী বিহু ঃ**

সাম্প্ৰতিক কালত অসমৰ লোক সংস্কৃতিৰ যি স্বকীয় প্ৰৱাহিত ধাৰা কৰবাত যেন স্থবিৰ হৈ পৰিছে। বিৱৰ্তনৰ বোকোচাত যেন অসমৰ বিহুৱে নিজৰ সুকীয়া পৰিচয় তথা মৰ্যদা হেৰুৱাইছে। চোতালৰ বিহু নিজৰ স্বকীয়তা প্ৰদৰ্শনৰ বাবে মঞ্চলৈ আহিল ঠিকেই কিন্তু ইয়াত যেন আনন্দৰ বন্যা নাই, আছে মাথো প্ৰতিযোগিতাৰ পিছত দৌৰা, নিৰ্ধাৰিত সময়ত নিজকে উপস্থাপন কৰা এক আধৰুৱা বিহু। এটা কথা ঠিক যে, মঞ্চই কৃষ্টি সংস্কৃতিৰ জৰিয়তে এটা জাতিক বিশ্ব দৰবাৰলৈ লৈ যায়। ইয়াতেই জাতিটোৱে জীয়াই থকাৰ নৱপ্ৰাণ পায়। কিন্তু বিহু সংস্কৃতি মঞ্চলৈ আহি জাতিটোক বিপথে পৰিচালিত কৰা লগতে আমাৰ কৃষ্টি সংস্কৃতিকো সংকটত পেলাইছে। তাৰোপৰি বৰ্ত্তমান সময়ত যাৰ হাতত ধন আছে, তেওঁলোকৰ চোতালতহে ঢোলৰ চাপৰ, নাচনিৰ গিৰিপনি, কিন্তু বিহুস্ৰষ্টা দুখীয়াসকল এইবোৰৰ পৰা বঞ্চিত। প্ৰকৃতাৰ্থত এক অপ্ৰিয় হ'লেও সত্য কথা যে, বৰ্তমান বিহু পণ্য সামগ্ৰীলৈ পৰিণত হৈছে; কেৱল টকা পইচাৰ মূল্যত যেন বিক্ৰী হ'ব ধৰিছে এই পণ্য।

অসমত সকলো জাতি জনগোষ্ঠীৰ আছে কৃষ্টি প্ৰদৰ্শনৰ সাজ, নাই কেৱল অসমীয়াৰ। বিহুৱতী সকলেও পৰিধান কৰে টচৰ ভমকাফুলীয়া দামী মুগা মেখেলা চাদৰ কিন্তু অসমত হাতে কটা মুগাৰ ৰিহা মেখেলা পৰিধান নকৰে, যাৰ বাবে মুগা শিল্পৰ দৰে অসমৰ বাপতি সাহোন কুটীৰ শিল্প নিশ্চয় ধ্বংসৰ পথত অগ্ৰগামী। বৰ্তমান সময়ত অসমৰ এক মূল্যবান সম্পদ গামোচাখনো বিদেশৰ পৰা আমদানি কৰিব লগা হৈছে, ইয়াতকৈ আৰু লাজৰ বিষয় হয়তো নাই। বৰ্তমান সময়ত বিহুৱতীৰ নাচৰ ভংগিমাৰ ক্ষেত্ৰত বিহু নাচক শাস্ত্ৰীয় নৃত্যৰ দৰে ভৰি পতা, হাতৰ তলুৱা কেই ইঞ্চি, কেই ফুট জোখত ক'ত থাকিব ইত্যাদি ইত্যাদি কাকতে পত্ৰে লিখি এচাম লোক নিজে বিহুৰ পণ্ডিত হ'ব খুজি বিহু নাচৰ যি স্বতঃস্ফূৰ্ত ভংগিমা তাক বিলুপ্ত কৰিছে।



সময়ৰ পৰিবৰ্তন - বিহু নামক বিহুগীত বুলি কোৱা হ'ল। কিন্তু বিহুনাম কেতিয়াও বিহুগীত হ'ব নোৱাৰে কাৰণ গীত আৰু নামৰ সংজ্ঞা একে নহয়। তাৰ লগে লগে বিহুনামত সোমাই পৰিল অশ্লীলতা, নাইকীয়া হ'ল পূৰ্বৰ ৰূপ যৌৱন। অতীজৰ কম শিক্ষিত চহা গীতিকাৰে শালীনতা ৰক্ষা কৰি ৰচিছিল। বিহুগীত কিন্তু এতিয়া উচ্চ শিক্ষিত তথাকথিত এচাম শালীনতাহীন শিল্পীয়ে ৰচা বিহুৰ গীত শুনিলে শালীনতাশীল সকলে কাণ বন্ধ কৰিব লগা পৰিস্থিতিৰ সৃষ্টি হয়। বিহু সন্মিলন আয়োজকসকলৰ বহুতৰে বিহুৰ চান্দা সংগ্ৰহক লৈ সৃষ্টি হয় কন্দলৰ, ৰাতি বেছি হৈ অহাৰ লগে লগে সুৰাপায়ী একাংশ গায়ক আৰু দৰ্শকৰ অসভ্য আচৰণৰ বাবে বিহু উপলক্ষে অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান, সাংঘাতিক অনুষ্ঠানলৈ পৰিৱৰ্তিত হয়। যাৰ বাবে এতিয়া ৰাতি বাৰ বজাৰ ভিতৰত তেনে অনুষ্ঠান শেষ কৰিবৰ বাবে সকলোৱে চিন্তা চৰ্চা কৰিব লগীয়া হৈছে। এইদৰে ক্ৰমাগতভাৱে বিহু বিজতৰীয়া হ'বলৈ গৈ অসমৰ জাতীয় উৎসৱ বিহুক নিষিদ্ধ কৰে, তাত হয়তো বেছি আচৰিত হ'ব লগা একো নাথাকিব। এইদৰে ৰঙালী বিহুৰ স্বকীয়তা পৰিৱৰ্তনৰ নামত বিনষ্ট হোৱাৰ দৰেই মাঘ বিহু বা ভোগালী বিহু আৰু কাতি বিহু বা কঙালী বিহুৰ স্বকীয়তাও যে এক আধুনিক সংস্কৃতিয়ে গ্ৰাস কৰিছে। ব্যক্তিগত খণ্ডৰ বৈদ্যুতিক মাধ্যমসমূহে সততে বিহু সম্পৰ্কে কৰা প্ৰচাৰ সমূহ ৰঙালী বিহুৰ পৰিৱেশ্য কলাসমূহ উপৰোক্ত বিহু দুটাত কৰি দেখুওৱা পৰিলক্ষিত হয় যিবোৰে সাম্প্ৰতিক কালত নৱপ্ৰজন্মৰ মনত বিহু ধাৰণা সম্পৰ্কে বিভ্ৰান্তৰ সৃষ্টি কৰিছে আৰু এই সম্পৰ্কে সকলো সচেতন হোৱা প্ৰয়োজন। নহ'লে হয়তু বিহুৰ সংস্কৃতিসমূহ আমাৰ মাজৰ পৰা হেৰাই যাব। এটা কথা মনত ৰখা উচিত যে, সংস্কৃতি থাকিলেহে এটা জাতি থাকিব ; কিন্তু আমি এইটো ক'বলৈ যোৱা নাই যে, কেৱল আমি পুৰণিবোৰকে খামোচ মাৰি ধৰি থাকিম। জ্যোতিপ্ৰসাদৰ ভাষাত - "ৰূপান্তৰেহে জগত ধুনীয়া কৰে"। সংস্কৃতি বোৱতী নৈ হয়, গতিকে নৈ সময়ৰ লগে লগে গতি সলোৱাৰ দৰে সংস্কৃতিয়েও গতি সলাবই। ই স্বাভাৱিক। কিন্তু আমি যেন শিপা উভালি পৰিব খুজিছো, পিছে মূল অবিহনে জীয়াই থকাটো জানো সম্ভৱ? নৱ প্ৰজন্ম এই ক্ষেত্ৰত সজাগ হোৱা উচিত। ❑

*বিঃদ্ৰ ঃ সহায়ক গ্ৰন্থ - "বিহু আমি মাৰিমেই", চাও পবিত্ৰ মহন ফুকন।*

---

ব্যংগ লেখা

# চোৰৰ দোকান

❑ উদয় শঙ্কৰ বৰা

যেনেদৰে কাহিনী বিলাকৰ আৰম্ভ হয় - এখন দেশত এজন ৰজা আছিল..., ঠিক তেনেদৰে আমাৰ কাহিনী আৰম্ভ হৈছে এখন দেশত এজন চোৰ আছিল বুলি। চোৰৰ ক্ষেত্ৰত এজন শব্দটো ব্যৱহাৰ কৰাতো কাৰোবাৰ যথাযথ যেন বোধ নহ'লেও আমাৰ কাহিনীৰ নায়ক এই চোৰজন নিজ চাতুৰ্যৰ বলত এনে আসন দখল কৰিবলৈ সক্ষম হৈছিল যে, 'এটা' বুলিবলৈ ইতস্বতঃ কৰিব লগা হৈছে। বহু ঘাট-প্ৰতিঘাটৰ মাজেৰে আহি চোৰজন নিজ আকাংখ্যাতকৈও উচ্চত প্ৰতিষ্ঠিত হ'ল।

প্ৰথম অৱস্থান সৰু-সুৰা চাপ্ৰাছীৰে জীৱন আৰম্ভ কৰা চোৰজনৰ এদিন প্ৰখ্যাত হ'বলৈ মন গ'ল। বাতৰি কাকতত প্ৰকাশিত ডাঙৰ ডাঙৰ চোৰৰ কাৰ্যাৱলী আৰু কৃতিত্বই তেওঁক অনুপ্ৰাণিত কৰিলে। জীৱনৰ অভিজ্ঞতাৰ পৰা এটা কথা উপলব্ধি কৰিলে - nothing is impossible। নিজৰ বন্ধু-বান্ধৱবোৰ শিক্ষা-দীক্ষাৰে আগুৱাই যোৱা দেখি নিজৰ চৌয্য অভিজ্ঞতা এদিন শিক্ষাৰ জগতখনত প্ৰয়োগ কৰিবলৈ মন মেলিলে। নিজকে আচৰিত কৰি বহুতৰ চকুত ধুলি মাৰি সঁচাকৈ সফল হ'ল। এখোজ দুখোজকৈ শিক্ষাৰ দেওনাবোৰ হেলাৰঙে অতিক্ৰম কৰিলে।

শিক্ষা লাভৰ অন্তত আমাৰ চোৰজনৰ এনে অনুভৱ হ'ল যেন জীৱনত তেওঁ এটা মাৰাত্মক ভুল কৰি পেলালে। শিক্ষা লাভৰ পাছত সন্মানৰ প্ৰশ্ন জড়িত হৈ পৰিল। আগৰ পুৰণা বৃত্তিটো আগুৱাই নিবলৈ সংকটত পৰিল। তেওঁ অনুভৱ হ'ল শিক্ষাৰ প্ৰমাণ-পত্ৰই যেন তেওঁৰ কাল হৈ ৰ'ল।

মনলৈ নানা চিন্তা আছিল। জীৱিকাৰ সন্ধানত এখন দোকান খোলাৰ কথাও মনলৈ আহিল। কিন্তু সুবিধাজনক নেদেখিলে। আমাৰ চোৰে বহু ভাৱনা চিন্তাৰ মূৰত এটা উপায় উলিয়ালে। তেওঁ ভাৱিলে যাতে এনে এক দোকান খোলা যাওক য'ত চৌয্য বৃত্তিৰ প্ৰসাৰ ঘটাব পাৰি আৰু পেটৰ ভাত মুঠিও মুকলি কৰিব পাৰি। ভবা মতেই কাম। কেইজনমান উদ্যমী লোকৰ সহায়ত অলপ চেষ্টাৰ মূৰত এটা অনুষ্ঠান গঢ়িলে, এক শিক্ষাৰ অনুষ্ঠান। য'ত ছাত্ৰ-ছাত্ৰীক মুকলি মূৰীয়াকৈ চৌয্য ক্ৰিয়া চলাই যাবলৈ সুবিধা প্ৰদান কৰা হ'ব আৰু বিভিন্ন বিশ্ববিদ্যালয়ৰ শিক্ষিতৰ প্ৰমাণ পত্ৰ বিতৰণ কেন্দ্ৰলৈ পৰিণত হ'ব।

কথা বুলিলেই বতাহ। অশিক্ষিত, অৰ্ধশিক্ষিত বহু লোকৰ শিক্ষাৰ প্ৰমাণ পত্ৰ লাভৰ আশাত আমাৰ চোৰৰ অনুষ্ঠানলৈ আগমন ঘটিল আৰু শিক্ষিতৰ প্ৰমাণ পত্ৰ সহজলভ্য হৈ পৰিল। এনে এটা শিক্ষাৰ অনুষ্ঠান কেৱল এজন ব্যক্তিৰ কান্ধত নচলে। তেওঁৰ বোজাৰ ভাৰ কান্ধ পাতি লোৱা বহু ব্যক্তিৰ কেইজনমানৰ অনুষ্ঠানৰ আভ্যন্তৰীণ কাম-কাজ দেখি চকু কঁপালত উঠিল। জীৱনত এক দুই নম্বৰ পাবলৈ সংগ্ৰাম কৰা ব্যক্তি কেইজনে এনে মুকলি মূৰীয়া চৌয্য কাৰ্যৰ গৰিহণা দিলে আৰু বিৰোধিতা কৰিলে। When you are at Rome, do as the Roman boys. সৎ, সাহসী ব্যক্তিকেইজনে এই প্ৰবচনটো পাহৰি গৈছিল। তেওঁলোক আমাৰ চোৰৰ চকুৰ শূল দাঁতৰ কুটা হৈ পৰিল। এইসকলক চোৰৰ দোকানৰ পৰা বহিষ্কাৰ কৰিবলৈ বেছি পৰ নালাগিল। চোৰজনে নিজৰ ঘনিষ্ঠ-আত্মীয়, বিশ্বাসী কেইজনমান ব্যক্তিৰ সহযোগত এখন সভা পাতিলে। অকথ্য যুক্তিৰে থকা সৰকা কৰাৰ পাছত এই বিৰোধী ব্যক্তিকেইজনক দোষী সাব্যস্ত কৰি অনুষ্ঠানৰ পৰা বহিষ্কাৰ কৰিলে। অনুষ্ঠানত চোৰৰ কাৰ্য সমৰ্থন নকৰা বাকী কেইজনমানে নিজৰ ভৱিষ্যতৰ কথা চিন্তা কৰি চকু মুদা কুলিৰ ভাও জুৰিলে।

সকলো বাটৰ কণ্টক আঁতৰ হোৱাত চোৰৰ মনোৱল আগতকৈও দুগুণ বৃদ্ধি হ'ল। চৌয্য বৃত্তিৰ সহায়ত সম্পাদন কৰিব পৰা ন ন পৰিকল্পনা হাতত তুলি ল'বলৈ মন মেলিলে। চোৰৰ দোকানৰ ফলাফল দেখি ৰজা সন্তুষ্ট হ'ল। ৰাজ্যত শিক্ষিতৰ হাৰ বৃদ্ধি কৰাত চোৰৰ ভূমিকাৰ শলাগ লৈ ৰাজ সন্মানেৰে সন্মানিত কৰিলে। ৰাজ সন্মান প্ৰদানত সন্তুষ্ট নাথাকি ৰাষ্ট্ৰীয় সন্মানৰ বাবে আমাৰ চোৰৰ নাম ৰাজ্যৰ ৰজাই মনোনীত কৰাৰ কথাও গুণাগঁথা কৰিলে। ❑

# হুঁচৰি বিহু কেনেকুৱা হ'ব লাগে

❑ দণ্ডেশ্বৰ বৰুৱা

বিহু অসমৰ জাতীয় উৎসৱ আৰু অসমীয়াৰ বাপতি সাহোন। কাতি বিহু বা কঙালী বিহু আৰু মাঘ বিহু বা ভোগালী বিহু লোক পৰম্পৰা ভাৱে পালন কৰাৰ পিছত ব'হাগ বিহু অথবা ৰঙালী বিহু মহানন্দেৰে সমগ্ৰ অসমত উদ্‌যাপন কৰা হয়। হুঁচৰি বিহু কেনেকুৱা হ'ব লাগে প্ৰশ্ন বোধক এই বিষয়টিৰ ওপৰত এটি চমু আলোচনা আগবঢ়োৱা হৈছে।

ঐতিহাসিক দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰিলে দেখা যায় যে জাতীয় উৎসৱ কৃষিজীৱি, খাটি খোৱা মেহনতি অসমীয়া জাতিৰ বাপতি সাহোন। কৃষি, মাটি, বায়ু, পানীৰ লগত নাঙলৰ কৰ্ষণৰ মাজেদি সৃষ্টি হোৱা লোক কৃষ্টিয়েই মূলতঃ বিহুৰ উৎস।

ব'হাগ মাহত পালন কৰা ৰঙালী বিহুৰ পৰিৱেশ্য কলা হুঁচৰি, ডেকা-গাভৰুৱে পৃথকে পৃথকে মুক্ত মনেৰে গোৱা চ'তৰ মুকলি বিহু আৰু গাভৰু সকলে গোৱা জেং বিহুৱে প্ৰাচীন কালৰে পৰা অতিবাহিত কৰি অহা ৰঙালী বিহুৰ ঐতিহ্য।

লোক আশীৰ্বাদৰ উদ্দেশ্যে গৃহস্থৰ চোতালত ল'ৰা-ডেকা-বুঢ়াই গোৱা হুঁচৰি শব্দটিৰ লগত আধুনিক সংযোজন 'হুঁচৰি বিহু', 'মঞ্চ হুঁচৰি' এই নামবোৰে ঐতিহ্যক বিভ্ৰান্ত কৰা পৰিলক্ষিত হৈছে। প্ৰাচীন পৰম্পৰা আৰু ঐতিহ্য বাহাল ৰাখিবলৈ হ'লে হুঁচৰি শব্দটোৰ আগত বা পাছত 'বিহু' শব্দটো নিৰৰ্থক কৃত্ৰিম সংযোজন। নামঘৰকেন্দ্ৰীয় গাঁওসমূহত ৰাইজে গৰু বিহুৰ দিনা বা মানুহৰ বিহুৰ দিনা ৰাতি একত্ৰিত হৈ নামঘৰত হুঁচৰি গোৱাৰ বাবে সভা অনুষ্ঠিত কৰি সিদ্ধান্ত গ্ৰহণ কৰাৰ পৰম্পৰা আছে। প্ৰথমতে গাঁৱৰ গাঁওবুঢ়া অথবা তদ্ স্থানীয় মুখিয়ালজনৰ ঘৰত হুঁচৰি আৰম্ভ কৰে। এক ব'হাগৰ পৰা সপ্তম দিন পৰ্যন্ত হুঁচৰি গাই গৃহস্থক বছৰটোৰ মঙ্গল কামনাৰে দিয়া লোক আশীৰ্বাদ পৰম্পৰাই সৰ্বসাধাৰণ ৰাইজৰ মাজত ঐক্য-সংহতি সম্প্ৰীতি এনাজৰীৰে অসমীয়া কৃষিজীৱি সংস্কৃতি ধৰি ৰাখিছে। গৃহস্থৰ পদূলি মুখত হুঁচৰি দলটোৱে ঢোলৰ নাচনি চেও, পেঁপাৰ উৰুলিৰে হুঁচৰি আগমনৰ সংকেত ধ্বনি দিয়াৰ পাছত গৃহস্থই হাতত তামোল-পাণৰ শৰাই আগবঢ়ায় আদৰণি কৰি সেৱা ধৰাৰ পিছত হুঁচৰি দলৰ দলপতিয়ে (পদকীয়াই) জয়ধ্বনি দিয়ে। লগে লগে গৃহস্থৰ চোতালত গৃহস্থৰ কুশলৰ অৰ্থে 'বোলা জয় হৰি' ধ্বনিৰে 'গোহালিত গৰু-ম'হ', 'বাৰীত তামোল-পাণ', 'পুখুৰীত মাছ', 'আগে-পিছে যুৰীয়া ভঁৰাল', 'কৃষি-বাণিজ্যই নতুন বছৰটো উভয় নদী হওক' ইত্যাদি মাঙ্গলিক পৰিৱেশ সৃষ্টি কৰে। বৃত্তাকাৰে হুঁচৰি দলটোৱে চোতালত অৱস্থান কৰাৰ লগে লগে ঢুলীয়া, তালোৱা, বাদ্যসঙ্গতকাৰীয়ে বৃত্তৰ বাহিৰত থাকি চেও চাপৰেৰে হুঁচৰি ঘোষা পদৰ তাল ৰক্ষা কৰে। কোনো কোনো হুঁচৰি দলত বাদ্য সঙ্গতকাৰী বৃত্তৰ ভিতৰত থাকে যদিও ইয়াত ধৰা বন্ধা নিয়ম নাই। এইয়া আঞ্চলিক বৈশিষ্ট্যও হ'ব পাৰে। হুঁচৰি অংশত শাস্ত্ৰীয় ঘোষা-পদৰ স্বকীয় বৈশিষ্ট্য ৰাখিব লাগে। বাৰমাহী গীত, ফুল কোঁৱৰ, মণি কোঁৱৰৰ গীত, নাহৰৰ গীত, বদন বৰফুকন, মণিৰাম দেৱান, পিয়লি ফুকনৰ গীত, চিকন সৰিয়হৰ গীত, কুশল কোঁৱৰৰ গীত আদিকো হুঁচৰি অংশত অঞ্চল ভেদে গোৱা হয়। অসমৰ লোক সংস্কৃতিৰ এইসমূহ লোক সম্পদ হুঁচৰি অংশতে কীৰ্তন কৰি সংৰক্ষণ কৰা কাৰ্য জাতিটোৰ বাবে মঙ্গলজনক। হুঁচৰি দলৰ বিহুৱা সকলৰ সাজপাৰ, চুৰিয়া, গামোচা, ৰুমাল, ৰঙালী, টঙালী, পাঞ্জাবী কুৰুটা হ'লেও জৰীবন্ধা মূগা চোলা, হালোৱা চোলা (এঙাচোলা জৰীবন্ধা), আগফালে মূগা পাছফালে ক'লা ৰঙৰ কাপোৰৰ বিহু চোলা, খৰা চাপকণ, ক'লা ৰঙৰ কুৰুটা আদিহে প্ৰাচীন বিহু সাজ আছিল। হুঁচৰি সামৰি গৃহস্থৰ অনুমতি সাপেক্ষে পদকীয়াই যোজনাৰে বিহুখন আৰম্ভ কৰি নিজে নাচ-ভঙ্গী প্ৰদৰ্শন কৰি বৃত্তৰ পৰা ওলাই বিহুৱা ডেকা সকলক সমূহীয়াকৈ নচুৱাই বিহুৰ মাৰ্জিত উন্মাদনা সৃষ্টি কৰা হয়। লোক নাচ বৃত্তৰ ভিতৰত হ'ব লাগে। বিহু নাচ ভঙ্গীমা প্ৰধানহে। ই নৃত্য নহয়। অনুৰূপ বিহু নাম। হাত চাপৰি, জাউৰি জাউৰি ফুৰুলিৰে মাৰ্জিত পৰিৱেশ সৃষ্টি কৰি দলটোৱে লগত অনা সকলো বাদ্য বজাই, নচুৱাই বিহুখন পকাব লাগে। মনত ৰাখিব লাগিব যে মুকলি বিহুৰ উৎকট যৌনগন্ধী বিহু নামবোৰ চোতালৰ হুঁচৰিত গোৱা নহয়। দীঘলীয়া চেও, খৰা চেও, ধেমেলীয়া চেও, বুঢ়াচেও বা কছাৰী চেও, হুৱালী চেও, নাচ ভঙ্গীৰে বিহুখন শ্ৰুতিনন্দন কৰাত বিহুৱা সকলে গুৰুত্ব দিব লাগে। পৰম্পৰাৰ আধাৰত কাহিনীমূলক, প্ৰশংসাসূচক, শৰাই দক্ষিণা উলিওৱা, হাঁচতি, ৰুমাল, গামোচা, চেলেঙ উলিওৱা, চুপতি, বিদ্ৰূপমূলক, হাস্যৰসিক, আশীৰ্বাদসূচক বিহুনামবোৰত কৃষিজীৱী সমাজ জীৱনৰ কেঁচা মাটিৰ গোন্ধ নিহিত হৈ আছে। হুঁচৰি আশীৰ্বাদ গৃহস্থৰ সকলোৱে গ্ৰহণ কৰাৰ পাছত দলটোৱে গৃহস্থজনকো এখন ফুলাম গামোচাৰে হুঁচৰি দলপতিয়ে প্ৰীতি সম্ভাষণ জনাই প্ৰস্থান কৰাটো হুঁচৰি পৰম্পৰা। কৃষি ভিত্তিক অসমীয়া জাতিৰ বাপতি সাহোন ৰঙালী বিহুৰ পৰিৱেশ্য কলাৰ ওপৰত জাতীয় সাহিত্যিক ৰসৰাজ বেজবৰুৱাই সৰ্তক কৰি যোৱা এযাৰি বাণীৰেই লেখাটি সামৰিছো 'আমাৰ বিহুবোৰ যেনেদৰে আছিল তেনে হৈয়ে থাকিবলৈ দিয়ক। মামৰে ধৰিলে ধুই পখালি ল'লেই হ'ব। আমাক বিলাতী নাচ নালাগে, আমি অসমৰ মাটিত ঠিয় হৈছো খোজ কাঢ়িছো, আমাক বিলাতী সুৰ, নাত নালাগে।' এই মহান সাৰগৰ্ভ বাণীক সাৰোগত কৰি আজি অসমৰ কৃষিজীৱী সমাজখনে বিহুক সংৰক্ষণ আৰু সংবৰ্দ্ধন কৰিবলৈ 'বিহু সুৰক্ষা সমিতি অসম' নামৰ জাতীয় সংগঠন কৰি অতি বাণিজ্যিককৰণেৰে ঐতিহ্য পৰম্পৰা বিনষ্ট কৰাৰ পৰা ৰক্ষা কৰিবলৈ সৰ্বাত্মক শৈক্ষিক-বৌদ্ধিক আন্দোলনত ব্ৰতী হ'বলৈ সকলোকে আহ্বান জনাইছে। নৱ প্ৰজন্ম এই দিশৰ প্ৰতি গুৰুত্ব সহকাৰে মনোনিৱেশ কৰিবলৈ আহ্বান জনাই বিহু সন্মিলনৰ প্ৰতিযোগিতা মঞ্চলৈকো হুঁচৰি দল আহোতে গৃহস্থৰ চোতালত গোৱা হুঁচৰি দলটোকে যথা ভাৱে উপস্থাপন কৰিব লাগে এই মন্তব্যৰে সামৰিলোঁ। ❑



# আপোন বিহুটিৰ কথা

❑ অমিয়া গন্ধীয়া

বিহু মূলতঃ কৃষি উৎসৱ। যৌৱনৰো উৎসৱ। ইয়াতেই সোমাই আছে জাতিটোৰ আশা-আকাংক্ষা, আনন্দ-উল্লাস, মৰম-স্নেহ, আবেগ-অনুভূতি। বিহু পাতিছিল কৃষকসকলে। প্ৰকৃতিক তুষ্ট কৰিবলৈ কৃষিৰ আৰম্ভণীতে খেতিয়কসকলে নিজ নিজ গোষ্ঠীগত পৰম্পৰাৰে পূজা-পাতল, উৎসৱ-পাৰ্বন পাতি দেহ আৰু মনলৈ বল আৰু সাহস গোটাই লয়। প্ৰকৃতি মানেই বিহু, বিহু মানেই প্ৰকৃতি। প্ৰকৃতিৰ মনোমোহা পৰিৱেশৰ মাজত থাকি কৃষকসকলৰ মনলৈ আনন্দত স্বতঃস্ফুটভাৱে ওলাই আহিছিল নাম-নাচ ইত্যাদি।

ব'হাগ বিহু অসমৰ মানুহৰ সবাতোকৈ ডাঙৰ উৎসৱ। ব'হাগ বিহু ৰঙৰ উৎসৱ। এই বিহু সোমাল চ'তৰ পৰা আৰম্ভ হয়। গৰখীয়া ল'ৰাই চ'ত মাহ সোমালেই গৰুৰ ডিঙিত পিন্ধাবৰ বাবে তৰাজৰী গোটাই আনে, ডেকাসকলে কড়ি খেলে। ঠায়ে ঠায়ে বিহুৰ আখৰা পতা দেখা যায়। শিপিনীসকলৰ কথাটো ক'বই নালাগে, মাকোৰ খিতখিতনিৰ লগতে মনৰো ভাৱ প্ৰকাশ কৰিছিল বিহু নামৰ যোগেদি।

*ৰাতি দুপৰলৈ চেনাই ঐ কাটি সূতলাহি*
*চেনাই ঐ ধনলৈ বিহুৱান ব'লো।*
*ৰঙাকৈ আঁচুৰে চেনাই ঐ বাছি পাণে কটা*
*চেনাই ঐ টিপতে লুকুৱাই থ'লো।*
*ল'বৰ মনে গ'লে চেনাই ঐ চিটিকি চেলেংখন*
*চেনাই ঐ হাতেৰে নহ'লো কাজী*
*খাবৰ মনে গ'লে চেনাই ঐ বগী হাঁহ এজনী*
*চেনাই ঐ ভাইগত নাহিলো সাধি।*

প্ৰকৃতিৰ পৰশ পাই গছে কুঁহিপাত মেলাৰ সময়তে আমাৰ গাভৰুকেইগৰাকীও মনৰ আনন্দত মনখুলি, প্ৰাণখুলি বিহুনামৰ যোগেদি নিজৰ আপোনজনক মনৰ কথা ক'বলৈ যত্ন কৰিছিল, সেয়ে গুজৰি-গুমৰি থকা মনৰ ভাৱবোৰ এনেদৰেই প্ৰকাশ কৰিবলৈ যত্ন কৰিছিল। এই বিহুগীতবিলাক কাব্যিক গুণসম্পন্ন আৰু ব্যঞ্জনাধৰ্মী। গীতবিলাকত প্ৰেম-প্ৰীতি থাকিলেও, মিলনৰ আকাংক্ষা থাকিলেও আজিকালি লিখি লোৱা গীতবিলাকৰ দৰে মুকলি নাছিল। তাত এখন ঢাকোন আছিল, আঁৰ-বেৰ আছিল। সংস্কৃতি বা লোক-সাহিত্য বোৰতী লৈ, গতিকে নতুন নতুন সমল অহাতো স্বাভাৱিক। আমি নতুনক আদৰি পুৰণাখিনিক মোহাৰি নেপেলাই পুনৰ গোটাই-পিটাই চৰ্চ্চা কৰাটোহে সময়োচিত বুলি ভাৱো। সময়ৰ চকৰী যিমানেই ঘূৰে সমাজৰ পৰিৱেশো সিমানেই সলনি হয়। তাকে চাই আমি সময়ৰ লগত খোজ মিলাই নিজৰ জাতিটোক, নিজৰ দেশখনক, নিজৰ সংস্কৃতিক জীয়াই ৰাখিবলৈ যত্নপৰ হ'ব লাগিব।

ব'হাগ বিহুৰ আটাইতকৈ আকৰ্ষণীয় অনুষ্ঠান হ'ল হুঁচৰি। হুঁচৰি চ'তৰ সংক্ৰান্তি দিনাৰ পৰা আৰম্ভ হয়। হুঁচৰি মাঙ্গলিক অনুষ্ঠান। গৃহস্থক আশীৰ্বাদ দিয়াটোৱেই হুঁচৰিৰ মূল উদ্দেশ্য। সেয়ে গৃহস্থৰ ঘৰত ভৰি দিয়ে গৃহস্থৰ কুশলাৰ্থে 'জয় হৰি বোলা' বুলি ধ্বনি দি হুঁচৰি আৰম্ভ কৰে। পণ্ডিতসকলৰ লিখনিৰ তথ্যমতে ব্ৰহ্মদেশৰ শ্যামসকলৰ মাজত হুঁচৰিৰ অনুৰূপ এটা অনুষ্ঠান দেখিবলৈ পোৱা যায়। শ্যামসকলৰ এদল মানুহে ঢোল, পেঁপা, কাঁহ বজাই গৃহস্থৰ পদূলিয়ে পদূলিয়ে বিহু মাৰিছিল। অপায় অমঙ্গল দূৰ কৰি শস্য উৎপাদনৰ শক্তি বাঢ়িবৰ কাৰণে ভগৱানক প্ৰাৰ্থনা জনায়। সেই আৰ্হিতে সম্ভৱতঃ আহোম ৰাজত্বৰ প্ৰাৰম্ভিক কালত গঞাই বাটে বাটে গৈ হুঁচৰি গোৱা প্ৰথা প্ৰচলিত হৈছিল। গৃহস্থই নিজৰ নিজৰ পদূলিত সমূহীয়াভাৱে সেৱা জনাইছিল। সেই হুঁচৰিয়েই আজি ক্ৰমবিকাশৰ পৰিণতিত পদূলিৰ পৰা গৃহস্থৰ চোতাল পালিহে আৰু নিছিগা ধাৰেৰে সেই প্ৰথা আজিও চলি আছে। পিছে কালৰ গতিত গৃহস্থৰ চোতালৰ হুঁচৰি যোৱা এতিয়া বিহুতলীৰ মঞ্চত। আজিকালি সংগঠিতভাৱে ৰঙালী বিহু উৎসৱ উদ্‌যাপন কৰা উদ্যোক্তাসকলে হুঁচৰি প্ৰতিযোগিতা পাতি পৰম্পৰাত নথকা স্বত্বেও হুঁচৰিত গাভৰু প্ৰৱেশ কৰোৱাই 'বিহু হুঁচৰি' বা 'হুঁচৰি বিহু' প্ৰদৰ্শন কৰে। এই ব্যৱস্থাটো সত্তৰ দশকৰ পৰাহে উদ্ভাৱন হোৱা যেন লাগে। গতিকে পূৰ্বপুৰুষসকলে দি যোৱা আগৰ হুঁচৰিৰ পৰম্পৰাহে ৰক্ষা কৰিব লাগে। হুঁচৰিত পুৰুষ প্ৰধানৰ ঠাইত নাৰী প্ৰধান হোৱা হেতুকে পুৰুষৰ পুৰুষ সুলভ নাচোন ভঙ্গী হয়তো চিৰদিনৰ বাবে হেৰাই যাব। হুঁচৰিৰ এই বৈশিষ্ট্য অসমবাসী ৰাইজে জীয়াই ৰাখিব পাৰিবনে? নে হেৰাই যাবলৈ দিব? ঢোলৰ দীঘলীয়া চেওঁ চাপৰবোৰৰ বহুতো বাদেই পৰিল। বিহু নামবিলাকৰো কোনটো হাবিনাম, কোনটো বিহুনাম চেদ-ভেদ নৰখা হ'ল। অনাখৰী কবিসকলে দি যোৱা সুন্দৰ সুন্দৰ বিহুনামবোৰ আমি যেন পাহৰিবলৈ যতন কৰিছো।

*দেউতাৰ বৰঘৰ দেখোতে ভয়ঙ্কৰ*
*শৰণ খেৰে মেলি চায়,*
*নশ গাঁথনি মূগাৰে মহুৰা*
*সৰিয়হ পিচলি যায়।*

এই দৰেই অনাখৰি চহা কবিসকলে মনৰ মাজত গুজৰি-গুমৰি থকা আৱেগ-অনুভূতিবোৰ বিহুনামৰ যোগেদি প্ৰকাশ কৰিছিল। অনাখৰি কবিসকলৰ ওঠেদি বাগৰি অহা বিহুনামবোৰ যেন আমি পাহৰি গৈছো। এই বিহু নামবোৰৰ কোনো লেখক নাছিল। পৰম্পৰাগতভাৱে মুখে মুখে বাগৰি আহিছিল। হুঁচৰিত গোৱা বিহুনামবিলাকত কোনো অশ্লীলতা বা যৌনগোন্ধ শুনিবলৈ পোৱা নগৈছিল। বিহুনামবিলাকত বিহুৰ প্ৰতি থকা মৰম আৰু হেঁপাহ, আনন্দ প্ৰকাশৰ উদগ্ৰীৱতা, গৃহস্থক ঠেলানাম বা জোলোঙা নামেৰে কৰ্তব্যৰ সকিয়নি দিয়া ভাৱৰ প্ৰকাশহে। কোনো এঘৰ মানুহৰ চোতালত থিয় হৈয়ে হুঁচৰি দলে 'গৃহস্থৰ কুশলাৰ্থে' বুলি এযাৰি আশীৰ্বাদ দি ঢোলৰ চাপৰ মাৰে। তাৰ পাছত হুঁচৰিৰ ঘোষা-পদ লগাই হুঁচৰি আৰম্ভ কৰে। হুঁচৰিত ঘোষা-পদৰো আঞ্চলিক বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। উজনি অসমৰ কোনো কোনো অঞ্চলত কীৰ্তনীয়া ঘোষা-পদেৰে হুঁচৰি আৰম্ভ কৰে।

কোনো অঞ্চলত পগলা পাৰ্বতীৰ গীতেৰেও বিহু আৰম্ভ কৰা দেখা যায়।

ঘোষা ঃ *ন ঘৰ ঐ পুৰণি কামী*
*হুঁচৰি গাঁৱলৈ আহিছো আমি।*
পদ ঃ *তেতেলিৰ তলতে*
*কৰোঁ তাঁতে বাটি*
*পাহৰি আহিলো কুচি।*
*কুচিৰে লগতে পগলাই কিলাব*
*যামে আইৰ ঘৰলৈ গুচি...।*

হুঁচৰিত কীৰ্তনীয়া ঘোষা-পদৰ বাহিৰেও পগলা-পাৰ্বতীৰ গীত, নাহৰৰ গীত, ফুল কোঁৱৰৰ গীত, মণি কোঁৱৰৰ গীত ১৬ পৃষ্ঠাত চাওক

# পুৰণি বিহুনাম

❑ ৰোহিণী শইকীয়া

চিনামৰা মহাবিদ্যালয়ৰ অদূৰ ভৱিষ্যতে প্ৰকাশ পাব লগা মাহেকীয়া বাৰ্তালোচনী 'যুগবাৰ্তা'ৰ মাননীয় মুখ্য সম্পাদক গৰাকীৰ পৰা 'পুৰণি বিহুনাম' শীৰ্ষক লেখা এটি দিবলৈ কোৱাত অনুৰোধ ৰক্ষা কৰিবলৈ গৈ কিছু অসুবিধাত পৰিলো। কাৰণটো হ'ল, আমাৰ বোধেৰে বিহু নামৰ নতুন বা পুৰণি ৰূপ নাই। অৱশ্যে বিষয়টি উত্থাপন কৰাত ভাল পাইছো, কাৰণ বিষয়টিৰ প্ৰাসংগিকতা আছে। আজিকালি বহু গায়কে (সকলোৱে নহয়) বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান বা প্ৰচাৰ মাধ্যমত পুৰণি বিহু, ৰ-বিহু, খাচ বিহু ইত্যাদি বিশেষণমুক্ত নামেৰে কি বুজাবলৈ যত্ন কৰে, তাক আমি ভাৱি নাপাওঁ। তাতোকৈও আৰু এঢাপ আগবাঢ়ি কয় - পুৰণি বিহু, ৰ-বিহু নাইবা খাচ বিহু এটা গাওঁ, এই বুলি কৈ বিহুগীত, বিহু সুৰীয়া গীত এটা বা কাচিৎ বিহুনাম এফাঁকি গায়। কিন্তু কথাটো হ'ল - বিহু জানো গাব পাৰি? বিহু মাৰিবহে পাৰি। বিহু নেগায়, বিহু মাৰেহে। বিহু নাম গায়।

বিহু অসম তথা অসমীয়াৰ বাপতি সাহোন, জাতীয় উৎসৱ। অসমীয়া কৃষ্টি-সংস্কৃতিৰ পৰিসৰ বিস্তৃত, তথাপিও বিহুতেই অসমীয়া কৃষ্টি-সংস্কৃতিৰ পূৰ্ণ প্ৰতিফলন ঘটে। বিহু অসমীয়া জাতিৰ প্ৰাণ, ই গণ জীৱনৰ সাহ। যেতিয়ালৈকে বিহু থাকিব তেতিয়ালৈকে অসমীয়া জাতিও জীয়াই থাকিব।

বিহুৰ অন্যতম মূল উপাদান বিহুনাম। বিহু নাম হ'ল মনৰ ভাৱ প্ৰকাশৰ মাধ্যম। ভাষাও মনৰ ভাৱ প্ৰকাশৰ মাধ্যম। অসমৰ লোক গীত সমূহৰ ভিতৰত বিহুনামে এক স্বকীয় বৈশিষ্টতাপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। বিহু নাম সৰ্বাত্মক, ইয়াত সকলো পোৱা যায়। বিহু নামত অসমৰ নাই কি? ইয়াত সমাজৰ ৰীতি-নীতি, লোক-বিশ্বাস, ধৰ্ম-বিশ্বাস, অৰ্থনীতি, ৰাজনীতি, সমাজনীতি, বুৰঞ্জী, জীৱন ধাৰণৰ পদ্ধতি আদি সকলোৰে প্ৰতিফলন ঘটিছে। ইয়াৰ উপৰিও বিহু নামত অসমৰ প্ৰাকৃতিক বৰ্ণনা, মনৰ বিভিন্ন ভাৱ, জীৱনৰ সমস্যাৰ কথা, কৃষিৰ বৰ্ণনা, গাঁৱৰ চহা জীৱনৰ জীয়াই থাকিবলৈ কৰা সংগ্ৰামৰ কথা, প্ৰেম-পিৰীতি বা যৌৱনৰ তাড়নাৰ কথা সহজ সৰল ভাষাত, ছন্দবদ্ধ ৰূপত বিভিন্ন সুৰত প্ৰকাশ কৰা হয়।

কিছুলোকে ভবা বা কোৱাৰ দৰে বিহু নাম বিহু গীত নহয়। যিদৰে গান আৰু নাম একে নহয়। গানক গীত বুলি কোৱা হয়। কিন্তু নাম নামেই, ইয়াৰ সুকীয়া বৈশিষ্ট্য আছে। যেনে - বিহু নাম, হৰি নাম, আইনাম, বিয়া নাম, ধাই নাম ইত্যাদিৰ সুৰ কেতিয়াও গান বা গীতৰ সুৰৰ লগত একে নহয়। বিহু নাম প্ৰকৃতিৰ লগত বেছি জড়িত। প্ৰকৃতিয়ে শীত কালৰ শুকান ঠৰঙা ৰূপৰ পিছত ফাগুন-চ'ত মাহত গছৰ ডালৰ কুঁহি পাতেৰে সৈতে ন-ৰূপত উঠলি উঠে, পথাৰত বাটে পোৱালি মেলে আৰু সেই পৰিৱেশত বহল, উদং পথাৰখনত গৰু-ম'হ চৰাই থকা চহা গাঁৱলীয়া ডেকাজনৰ মুখেদি স্বাভাৱিক ভাৱেই বিভিন্ন ভাৱ প্ৰকাশক সুৰীয়া বিহু নাম ওলাই আহে। তাহানিৰ বহল মুকলি পথাৰখনত হাল বাওঁতে, নাও চলাওতে, নাৱেৰে দলনিত দল ঘাঁহ কাটোতে, বিলত মাছ মাৰোতে, হাবিত খৰি লুৰুতে অসমীয়া ডেকাজনে প্ৰেয়সীলৈ মনত পেলাই নানা ভাৱৰ বিহু নামবোৰ সাজি সাজি গাইছিল। আগৰ দিনৰ নিৰক্ষৰ মানুহে মুখে মুখে থিতাতে বিহু নাম সৃষ্টি কৰিছিল আৰু সুৰীয়াকৈ গাইছিল। বহু যুগৰ পিছত যোৱা শতিকাৰ দ্বিতীয় দশক মানৰ পৰাহে বিহু নামে লিখিত ৰূপ পাইছে।

বিহু নাম সুৰীয়া কিন্তু ই পঞ্চস্বৰৰ অন্তৰ্গত। বিহু নামত শাস্ত্ৰীয় সঙ্গীতৰ সুৰ আৰু আধুনিক সুৰ বৰ্জনীয়। বিহুনামসমূহ দলীয়ভাৱে গোৱা হয়। জাত নামসমূহ এজনে লগাই দিয়ে আৰু সমূহীয়াভাৱে গায়। চুটি নাম, যোৰা নাম ইত্যাদি একক কণ্ঠত গায়। যোজনা-জোঙাল ইত্যাদি এককভাৱে বা দলীয়ভাৱে গাব পাৰি। বিহু নাম সমূহ ঘাইকৈ চতুস্পদী। দ্বিতীয় শাৰীৰ ছন্দ চতুৰ্থ শাৰীৰ লগত মিলা হ'ব লাগিব। জাত নাম সমূহৰ ক্ষেত্ৰত অৱশ্যে এই প্ৰযোজ্য নহয়।

বিহু নাম বিভিন্ন প্ৰকাৰৰ আছে অৰ্থাৎ বিহু নামৰ ভাগ আছে। মূল বিহুৰ বিভিন্ন ভাগ বা অংশৰ লগত সঙ্গতি ৰাখি বিহু নামৰো বেলেগ বেলেগ ভাগ আছে। এই সকলোবিলাকক সামগ্ৰিকভাৱে বিহু নাম বুলি কোৱা হয় যদিও ইয়াৰ ভাগসমূহ স্পষ্ট আৰু বেলেগ বৈশিষ্ট্যপূৰ্ণ। হুঁচৰিৰ লগত আৰম্ভণিতে হৰিধ্বনি দিয়ে, ঠাই বিশেষে বিভিন্ন মাঙ্গলিক ধ্বনি, জয়ধ্বনি, প্ৰবচন আদিও গোৱা হয়, যেনে -

১) গোহালিত গৰু...হৈছে...পুখুৰীত মাছ - হৈছে...
বাৰীত তামোল-পাণ এ.... হৰি বোল।
২) পূবে ভঁৰাল... হৈছে...পশ্চিমে গড়াল... হৈছে...
উত্তৰে চৰু - হৈছে... দক্ষিণে গৰু - হৈছে...
গৃহস্থৰ কুশলৰ অৰ্থে... হৰি বোল।

ইয়াৰ পিচত দলপতিজনে ঘোষা লগাই দিয়ে আৰু সমূহীয়াভাৱে সেই ঘোষা দোহাৰে। ঘোষাৰ লগত পদ থাকে। আজিকালি বহুত হুঁচৰিত ঘোষা আৰু পদ দুয়োটা নাগায়, কেৱল ঘোষা দুই তিনিটা মান গায় সামৰণি মাৰে। এনে হ'ব নালাগে। হৰি নাম আৰু দিহা নামৰ দৰেই হুঁচৰিতো ঘোষা আৰু পদ অভিন্ন।

জন বিশ্বাস মতে বিহুৰ দেৱতা আৰু দেৱী হ'ল ধন কলীয়া আৰু কলিমতী। তেওঁলোক প্ৰথমে আলসৰ পৰা আহি কলিয়াবৰত আছিল আৰু পিচত উজনি অসমৰ চৰাইদেউ অঞ্চললৈ আহিল। সেয়েহে হুঁচৰিৰ ঘোষাত গায় -

মোৰ ধন কলীয়া আলসৰ দেৱতা
নিলগত আছিলা বৈ।
কলিমতীক লগ পায় ৰঙালীৰ লগে হৈ
কলিয়াবৰতে ৰলিনা ঐ।।

পদত মণি কোঁৱৰৰ গীত গোৱা হয়। বহুতে বিশ্বাস কৰে যে এই ধনকলীয়া আৰু কলিমতী হ'ল অনাৰ্যৰ দেৱতা শিৱ আৰু পাৰ্বতী। অসমৰ কিছু কিছু অঞ্চলত হুঁচৰিত লহৰী খেলাৰো পৰম্পৰা আছে।

হুঁচৰিৰ আৰম্ভণীৰ পিচত বিহুৱাই জোঙাল বা যোজনা গায়। যেনে -

আই সৰস্বতী দেৱী পাৰ্বতী
তোমালৈ জনাইছো সেৱা,
পাহৰা নামকে সোঁৱৰাই দিবা
আমালৈ নেৰিবা দয়া।
প্ৰথমে ঈশ্বৰে সৃষ্টি স্ৰজিলে
তাৰ পিচত স্ৰজিলে জীৱ.
সেইজন ঈশ্বৰে ধেমালি কৰিলে
আমিনো নকৰিম কিয়?? ইত্যাদি

হুঁচৰিত জোঙাল-যোজনাৰ উপৰিও জাত, নাম, ঠেলা নাম, যোৰা নাম, খৰা নাম বা চুটি নাম, ধন-টকা-পইচা, হাঁচতি, চেলেং চাদৰ আদি উলিওৱা নাম, গৃহস্থক নচুৱা নাম, ভূল-ক্ৰটিৰ বাবে ক্ষমা প্ৰাৰ্থনাৰ নাম আৰু সামৰণি নাম ইত্যাদি গোৱা হয়। শেষত গৃহস্থক বছৰটোৰ বাবে আশীৰ্বাদ দিয়া হয়।

মুকলি বিহুতো জোঙাল-যোজনা, জাত নাম, যোৰা নাম, ঠেলা নাম, চুটি নাম বা খৰা নাম, গৃহস্থক নচুৱা নাম, সামৰণি নাম ইত্যাদি থাকে। থোৰতে ক'বলৈ গ'লে হুঁচৰি আৰু মুকলি বিহুত গোৱা নামবোৰ কিন্তু একে নহয়। চ'তৰ মুকলি বিহুৰ নামবোৰ ব'হাগৰ হুঁচৰিত নেগায়। এই প্ৰত্যেক বিলাকৰেই বেলেগ বেলেগ বৈশিষ্ট্য আছে। ঠিক তেনেদৰেই অসমীয়া সামজত প্ৰচলিত বনঘোষা বা হাৱিনাম সমূহৰো পাৰ্থক্য আছে। আকৌ জেং বিহু বা গাভৰু বিহুৰ নামবোৰো বেলেগ। বনঘোষা বা হাৱিনামবোৰ সাধাৰণতে ডেকা-গাভৰুৰ প্ৰেম-পিৰীতি, ভালপোৱা, যৌৱনৰ নাম। ইয়াত যৌনতাৰ গোন্ধ থাকে। অন্যহাতে বিহু নামত যৌনতা থাকিলেও তাক শালীনতা আৰু ভাষাৰ মাধুৰ্যৰ প্ৰলেপ এটা দি ঢাকি ৰখা হয়, যেনে -

কিনো দুপৰীয়া ভোকে ঐ লাহৰী
কিনো দুপৰীয়াৰ ভোক।
তিয়ঁহো নহ'লি চিৰালো নহ'লি

*১৭ পৃষ্ঠাত চাওক*

*১৫ পৃষ্ঠাত চাওক*

## *আপোন বিহুটিৰ কথা*

আদি ব্যৱহাৰ কৰা দেখা যায়। কোনো কোনো অঞ্চলত কঁকালত ধৰা ধৰিকৈ লহৰী নাচো নচা দেখিবলৈ পোৱা যায়। শিৱসাগৰ অঞ্চলৰ বকতাত লহৰী নাচ বেছি প্ৰচলিত আছিল।

*'হাতৰে চাপৰি আহক টানে কৰি*
*ভৰিৰ গিৰিপনি লহ ঐ লহৰীয়া।'*

লহৰীত হাতৰ চাপৰ আৰু ভৰিৰ ছন্দ মিলি যোৱাটো বৈশিষ্ট্যপূৰ্ণ। হুঁচৰি বা লহৰী খেলা শেষ হোৱাৰ পাছত বিহু গাবলৈ অনুমতি বিচাৰে। হুঁচৰিত ঢোলৰ দীঘলীয়া চেও-চাপৰ আৰু দীঘলীয়া জাতনাম গালে সোণত সুৱগা চৰে। হুঁচৰি গাবলৈ যোৱা বিহুৱাই গৃহস্থৰ চোতালত গোৱা নিভাঁজ বিহুনামৰ লগত একোটা দীঘল জাতনাম গোৱাও শুনা যায়।

বিহুনামৰ জাতবিলাক গাওঁতে তিনিটা ভাগত গোৱা দেখিবলৈ পোৱা যায়। কোনোবাটো বিহুনামৰ জাতটো নামষাৰৰ আগত, কোনোবাটো বিহুনামৰ জাত নামষাৰৰ পাছত, কোনোবাটো আকৌ নামষাৰৰ মাজতো শুনিবলৈ পোৱা যায়।

*মোৰ মইনা - উজায়ে অ' আহিলে*
*মোৰ মইনা - মাছে কি অ' মগৰে*
*মোৰ মইনা দেহি ঐ উজায়ে অ' আহিলে শিহু*
*মোৰ মইনা - কান্ধতে অ' ঢোলটি*
*মোৰ মইনা - মুখতে অ' পেঁপাটি*
*মোৰ মইনা দেহি ঐ পালেহি অ' ব'হাগৰ বিহু।।*

ওপৰত আগত গোৱা জাতনামৰ এটি উদাহৰণ দিয়া হৈছে। ইয়াত 'মোৰ মইনা' জাত নাম। তলত 'মাজত' গোৱা জাত নামৰ আন এটি উদাহৰণ দিয়া হৈছে। ইয়াত 'হেৰেপ ঔ জেৰেপ ঔ' জাতনাম।

*চান্দ বিতলীয়া হেৰেপ ঔ জেৰেপ ঔ*
*সূৰুযনো বিতলীয়া,*
*হেৰেপ ঔ জেৰেপ ঔ আৰু নো বিতলীয়া*
*আৰু নো বিতলীয়া চকু।*
*চকুৰে ভিতৰত হেৰেপ ঔ জেৰেপ ঔ*
*মনিনো বিতলীয়া*
*হেৰেপ ঔ জেৰেপ ঔ*
*মনিব ঐ নোৱাৰো মনিব ঐ নোৱাৰো একো।*

আজিকালি বিহুৱাই এনেধৰণৰ জাতনাম গাবলৈ পাহৰি গৈছে। সকলোৱেই কিছুমান পাতল ধৰণৰ কথাৰে কেৱল প্ৰেম প্ৰকাশক তথাকথিত জাত একোটা ৰচনা কৰি দীঘবাণী নোহোৱাকৈ গোৱা দেখা যায়। কিন্তু বিহু নামৰ সকলো জাততে প্ৰেম প্ৰকাশ নহয়। উদাহৰণ স্বৰূপে এই জাতটোৰ কথা ক'ব পাৰি।

*অ' ৰাধা হাৰলী*
*যমুনালৈ নাযাবি*
*বলোভদ্ৰ গোসাঁয়ে, ঘিলানো খেল পাতিছে*
*যমুনা ঐ নকৰে যমুনা ঐ নকৰে পাৰ।*

'ৰিব ৰিব বতাহ বলেনে, গাৰ চাদৰ লৰেনে, কেতিয়াবা মইনাজান মোলৈ মনত পৰেনে।' এই বিহু নামৰ জাতনাম ফাঁকি আমি সৰুৰে পৰা শুনি আহিছো। এই নাম ফাঁকি পৰম্পৰাগত এফাঁকি জাতনাম। কেইদিনমানৰ আগতে শিল্পীসকলৰ মাজত এক বিতৰ্কৰ সৃষ্টি হৈছিল। এই জাতটোৰ সুৰৰ ভিত্তিত 'গগৈ দা বুলি মাতিছা' গীত ৰচনা কৰি গোৱা গীতটোক বহুতে বিহুগীত বুলি ক'বলৈ গৈছে। কিন্তু এইটো এটা সাধাৰণ অসমীয়া গীতহে। ই কোনো মতে খাচ বিহুগীত নহয়। 'গগৈদা বুলি মাতিছা' গীতৰ কথাংশৰ প্ৰথম স্ৰষ্টা জনেই ইয়াৰ স্বত্বাধিকাৰী। নতুন চামৰ বিহুনামৰ জাতনাম বিলাকৰ সম্পৰ্কে কোনো ধাৰণা নথকা হেতুকেই বিতৰ্ক সৃষ্টি হৈছে। 'ৰিব ৰিব বতাহ'ৰ কথা কাৰ আছিল সেইটো ডাঙৰ কথা নহয়, কিন্তু সুৰটো পৰম্পৰাগত। আজিকালি শিল্পীসকলে বিহুনামক বিহুগান কৰি বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। বিহুনাম, জাতনাম বিহুসুৰীয়া গীতবিলাকৰ কোনো ধাৰণা নথকা হেতুকে বিতৰ্ক হোৱা দেখিবলৈ পোৱা যায়। টি.ভিৰ টক শ্ব'ত 'ৰিব ৰিব বতাহ' আৰু 'গগৈদা'ৰ বিতৰ্কত বৰ বৰ কথা কোৱা সকলৰো লোককবিৰ জাতনাম সম্পৰ্কে কোনো ধাৰণা থকা যেন নালাগিল। জনপ্ৰিয় শিল্পী খগেন মহন্ত দেৱে গোৱা "অ' পকা বিলাহী বাটি ভৰাই দিয়াহি, গোটে গোটে গিলিবৰ মন"। আকৌ হুঁচৰিত গোৱা "অ' পকা বিলাহী শৰাই দিলে দিয়াহি, শৰাই যদি নিদিয়া আমাক বিদায় দিয়াহি।" এই নামবিলাকৰ কথা অংশৰ লগত 'বুকুত পকা বিলাহী' বুলি লিখা তুলুঙা গীতৰ তুলনা কৰিবলৈ যোৱা অৰ্থহীন। কাৰণ ইয়াৰ ভাৱাৰ্থৰ পাৰ্থক্য আছে। আৰু যিসকল গাভৰুৱে এনে ধৰণৰ গীতত অভিনয় কৰে তেওঁলোকে গীতি সাহিত্য অধ্যয়ন কৰা ভাল।

চাওঁতে চাওঁতে বিভিন্ন স্তৰত বিহুক লৈ বিতৰ্কৰ সৃষ্টি হৈছে। বিতৰ্ক আৰম্ভ হয়, মাঘ বিহুৰ ভেলাঘৰটিক বেলেগ বেলেগ ৰূপ দিবলৈ লোৱাৰ পৰা, মাঘ বিহুক ব'হাগ বিহুৰ ৰূপ দিবলৈ লোৱাৰ পৰা, মাঘ বিহুক ব'হাগৰ বিহু নাচৰ মুকলি প্ৰতিযোগিতা পাতিবলৈ লোৱাৰ পৰা। ব'হাগ বিহুও এতিয়া বিতৰ্কৰ মাজত। পিছে পৃথিৱীৰ কোনো জাতিয়েই বোধ কৰো নিজৰ জাতীয় উৎসৱক লৈ এনেদৰে বিতৰ্ক কৰি থকা নাই। এয়া আমাৰ চিন্তাৰ দেৱলীয়া অৱস্থা। ❑

যোল্ল পৃষ্ঠাৰ পৰা

## পুৰণি বিহুনাম

কেঁচাই খালোহেঁতেন তোক।।
হাতীয়ে পানী খালে ঐয়াঙে-দৈয়াঙে
ম'হে পানী খালে বৈ।
তুমি পানী খালা পিৰীতি ঘাটতে
ঠিয় গৰাত খোপনি লৈ।। ইত্যাদি।

বাহুল্য পৰিহাৰ কৰি পঞ্চাছৰ দশক, ষাঠিৰ দশক আৰু সত্তৰ দশকৰ চোতাল বিহুত গোৱা জাত নাম আৰু যোৰানাম বা চুটি নাম কেইটিমানৰ উদাহৰণ দিওঁ - জাত নাম

১) নৈ চিলচিলিয়া মিটিং ভনীটি
পোৱালী কাছৰে চলং
দিখৌৰ কপি লগা দলং
দিখৌৰ কপি লগা দলং।

২) এইজনী কাৰ ঘৰৰ ছোৱালী
ভাত খায় কছালি কছালি
নেখাবনো কেলেই, গাভৰু ছোৱালী
হাতত আছে খাৰু, দেখিবলৈ বাৰু
ডিঙিত আছে মণি, দেখিবলৈ লণী
কঁপালত ঐ সেন্দুৰৰ ফোঁট।

৩) এ দেহি...এ দেহি ( এই বুলি বিহু নামেৰে পদ সংযোজন কৰি শেষত) নো হালি জাপি ঐ
ডাঙোনো শলি কাঠি ঐ...
নিয়ঁৰতে তিয়াই যাওঁ ভৰি নো হালি জাপি
ঐ...। এই বিখ্যাত, বৈশিষ্ট্যপূৰ্ণ বিহু নামটিও এটি জাত নামেই।

**চুটি নাম বা যোৰা নাম ঃ**

ধানে দায়ে গলা পিচলৈ নেচালা
এৰিলা চেনেহৰ ঠোক।
বামে পায় লাখুটি যিদৰে এৰিলা
সেইদৰে এৰিলা মোক।।
বোকাৰে গৰৈ মাছ বোকাতে ঘূৰিলে
মলয়াত ঘূৰিলে বগ।
মনৰ কথা শাৰী মনতে ঘূৰিলে
ক'বলৈ নেপালো লগ।।
দেউতাৰ চ'ৰা ঘৰ দেখোতে ভয়ঙ্কৰ
শৰণ খেৰে মেলি চোৰা।
যোলশ ৰুৱাৰে নশ গাঁঠনি
সৰিয়হ পিচলি যোৰা।।
আগবাৰী শুৱনি কাকিণী তামোলে
পিছ বাৰী শুৱনি পাণ।
বৰঘৰ শুৱনি গাভৰু ছোৱালী
উলিয়াই দিবলৈ টান।।

বিহু অসমৰ জাতীয় উৎসৱ, জাতীয় সম্পদ। ইয়াক বিজতৰীয়া হ'বলৈ নিদি আঞ্চলিক বৈশিষ্ট সহ শুদ্ধ ৰূপত পৰিৱেশন কৰিবলৈ যত্ন কৰা উচিত। বিহুৰ লগতে বিহুনামো বিজতৰীয়া হ'ল। কথা, সুৰ, তাল, লয় সকলোতে বিহুনামে স্বকীয়তা আৰু মৌলিকতা হেৰুৱাই পেলাইছে। বিহু যেনে আছিল সেই ৰূপতেই থাকিবলৈ দিয়ক। ইয়াক আধুনিকতাৰ সাজ পিন্ধাবৰ আৱশ্যক নাই। ইয়াক সুৰক্ষা দিয়াৰ দায়িত্ব প্ৰতিজন সচেতন অসমীয়াৰ। জাতিৰ বাপতি সাহোন, হিয়াৰ আমঠু বিহুক আধুনিকতা আৰু বাণিজ্যিকীকৰণৰ প্ৰভাৱত পৰি বিজতৰীয়া হোৱাৰ পৰা ৰক্ষা কৰিবলৈ 'বিহু সুৰক্ষা সমিতি,অসম' এ ২০১০ চনৰ পৰাই সংগঠিতভাৱে ব্যৱস্থা হাতত লৈছে আৰু কিছু চিন্তা-চৰ্চা, কাম-কাজ আদি আগুৱাই নিছে। আশা ৰাখিছো অসমীয়া জাতিটো জীয়াই থকাৰ স্বাৰ্থত সদাশয় ৰাইজে 'বিহু সুৰক্ষা সমিতি, অসম'ক সহায় সহযোগিতা আগবঢ়াব।

শেষত 'সামৰণি নাম' এফাঁকিৰে--

" আলি ঢাকি পৰিলে চুতীয়া শালিকা
পথাৰ ঢাকি পৰিলে কাম।
আমাৰে বিহুৰে সামৰণি মাৰিলোঁ
ডাকি বোলা ৰাম ৰাম।" ❑

# আঢ়ৈ কুৰি পুৰণি বিহুনাম

**যোজনা ঃ**

আদিতে আছিলে আদি নিৰঞ্জন অনন্ত সজাতে শুই
এনো মহা পুৰুষ ৰবকে নোৱাৰে এনুৱা প্ৰেমৰে জুই

**বিহু নাম ঃ**

১) সৰু হৈ আছিলা মাৰ লগত শুইছিলা দিছিলা দুৱাৰৰ দাং
ডাঙৰ হৈ আহিলা মাৰ লগ এৰিলা কাটিলা দুৱাৰৰ দাং।

২) আগেৰে ককাইদেউ দেখিলেও নামাতা লেৰেলা চেপেতা বুলি
এতিয়া ককাইদেউ ঘনাই মাত লগোৱা বুকুত যৌৱন জুই দেখি।

৩) হাতে লেছাই মই দাবলৈ গৈছিলো পথাৰৰ মাগুৰী ধান
হাঁচতি ভৰাই মই দিবলৈ নাপালো ৰাঙলী মদাৰৰ পাণ।

৪) কিমান চহকীলৈ যাবা মোৰ ভনীটি / কিমান চহকীলৈ যাবা
হাতত বুৰা কাচি মূৰত ভগা জাপি / লোকৰ ধান দাবলৈ যাবা।

৫) মোকে নিন্দা কৰি খাবা কতকালে / যুৰিয়া ভঁৰালে ভাত
কেতিয়াবা ককাইদেউ এনে দিন আহিব / খুজিও নাপাবা মাত।

৬) ৰংপুৰৰ কটাৰী দাবে নোকৈ শুৱনি
নাকাটিলেও কাটে যেন কৰে,
আমাৰে ঐ ভনীটি মাতে নোকৈ শুৱনি
নামাতিলেও মাতে যেন কৰে।

৭) নৈ পানী খাবলৈ এৰিলো অ' ককাইদেউ
নৈ গৰা খহিব বুলি,
তোমালোকৰ ঘৰলৈ যাবলৈ এৰিলো
বহুত কথা শুনিবৰ বুলি।

৮) ব্ৰহ্মপুত্ৰৰ পাৰতে ব্ৰহ্মমথুৰি এজুপি
নাচনি জিৰুৱা ঠাই,
ব্ৰহ্মপুত্ৰ দেৱতা উটুৱাই নিনিবা
তামোল দি মাতোতা নাই।

৯) উজাই নাৱৰীয়া বালিত ভাতে খালে
খচকি পুতিলে টৌ,
আই নাকান্দিবা বোপাই নাকান্দিবা
আমি জুৰণিয়া মৌ।

১০) হাতী হেৰুৱালো লিহিৰি বনতে ঐ
ঘোঁৰা হেৰুৱালো ফান্দত,
পাই হেৰুৱালো গাভৰু ছোৱালী
চোতালৰ দুৱৰি বনত।

১১) গধূলি গধূলি মই ফুৰো পদূলিত
বাঘে খাই ঘোঙে খাই খক,
মাটি মাহৰ গছলৈ উঠো লাফে মাৰি
দেহা যায় যদি যক।

১২) ক'লৈ যাম কি কৰিম ক'তে সোমাই মৰিম
ক'লৈ গ'লে পাহৰিম তোক,
মিচিমি আহিব বৰে বিহ আনিব
তাকে খাই পাহৰিম তোক।

১৩) ঔৰে তলে তলে বৌৰে লৰে মাৰে
মই বোলো ভতৰা গৰু।
হাতত পঘা লৈ যাওঁ খেদা মাৰি
বৌৰে বোলে হৰিণা পহু।

১৪) মাইকী মতা ম'হৰ বেজাৰত মাইকী ম'হ বেচিলো
কড়িয়া তুলিলো চাঙত,
তোমাৰেনো বেজাৰত ঘৰ-বাৰী এৰিলো
সোমামগৈ কোম্পানীৰ কামত।

১৫) কোম্পানীৰ কামলৈ নালাগে যাবলৈ।
নালাগে কোম্পানীৰ ধন,
ঘৰতে থাকিবা ৰামায়ণ পঢ়িবা
শুনি থাকিবৰে মন।

১৬) হাতী বুৰা হ'লে মাউতৰ বেজাৰত
গৰু বুঢ়া হ'লে হালত,
তুমি যে ভনীটি ঘৰত বুঢ়া হ'লা
ফুতুকি পৰিলে গালত।

১৭) সৰু সৰু ফুলেৰে ৰুমাল চিলাই দিবানে
হাতত মাৰি বিহুলৈ যাম,
মিহি মিহি মাতেৰে মাতিবা নে ভনীটি
তেহে তোমাৰ ঘৰলৈ যাম।

১৮) চোতালৰ দুৱৰি কোনকালে গুচিব
বুটি কোৰে নাচাচে মানে,
তোমাৰে আমাৰে মৰম কোনকালে গুচিব
যমে মাৰি নিয়ে মানে।

১৯) বাঁহৰে আগতে বাঁহী বজাই আছিলো
শহুৰে শুনকহি বুলি,
শহুৰে শুনিলে মিচিকিয়াই হাঁহিব
জোঁৱাই ধেমেলিয়া বুলি।

২০) জাতী বাঁহৰ জুৰুলা পাত
তুমি যে ভনীটি যাবলৈ ওলালা,
আমাকে গতালা কাক।

২১) আগে হিলি হিলি বৰশী ডায়িতি
বগাকৈ বৰলৰ টোপ,
যেই দিব পাৰিব সোণৰ মিনা কৰাই
সেয়ে নিব পাৰিব মোক।

২২) দলনি পথাৰতে পল বায়ে গ'লো
চাবতে পৰিলে কাঁচ,
তুমি বগা হ'লা মইয়ো ক'লা হ'লো
কেলৈ বগা ক'লা বাচ।

২৩) চোমনিৰ আগতে মূগা মেলি থ'লে
বিছাই খাই বিছাই খাই দেখো,
এজনী অনালৈ ছোৱালী নিদিবা
কেঁচাই খাই কেঁচাই খাই দেখো।

২৪) তুমিহে ভাবিছা মই বৰ ধুনীয়া
মোতকৈ ধুনীয়া নাই
ভিতৰলৈ যোৱাগৈ দাপোনখন চোৱাগৈ
তোমাতকৈ এলাগি নাই।

২৫) প্ৰথমে প্ৰণামো আইনো সৰস্বতী
দ্বিতীয় প্ৰণামো হৰি,
তৃতীয় প্ৰণামো সমজুৱা ৰাইজসকল
ধৰি যাওঁ নামৰে গুৰি।

২৬) এবেলি ঐ গুণি ধান পানীয়ে ঐ মাৰিলে
ওপৰত গজিলে মামি,
চৰাই-চিৰিকটি জাইনো জুৰি পাতি
তাৰো সমান নহ'লো আমি।

২৭) ৰোৱা ৰুই গ'লো শাৰীয়ে শাৰীয়ে
কোনে ভাঙি গ'লে পাৰি,
খোজত চিনি পালো মাতত বুজি পালো
কি বুলি পাৰি যাওঁ গালি।

২৮) তিনি আলি মূৰতে শিমলু তলতে
ঋষিয়ে কৰিছে তপ,
তুমি বগা হ'লা মই ক'লা হ'লো
সেই কাৰণে কৰিছা গপ।

২৯) যাওঁ মই জাঁজী লৈ নাহো মই আজিলৈ

১৯ পৃষ্ঠাত চাওক

# টেষ্ট ক্রিকেটত ত্রিশতকৰ কথা

❑ তাপস কুমাৰ বৰুৱা

ভাৰতৰ কৰুণ নায়াৰ, বিগত বৰ্ষৰ ডিচেম্বৰত আলহী দল ইংলেণ্ডৰ বিৰুদ্ধে চেন্নাই টেষ্টত ৩৮১ টা বলৰ সন্মুখীন হৈ ৩২টা 'চাৰি' আৰু ৪টা 'ছয়' খচিত ইনিংচটোত ৰাণ সংগ্ৰহ কৰে অবিজিত ৩০৩। টেষ্ট ক্রিকেট ইতিহাসত ভাৰতৰ তৃতীয় আৰু বিশ্বৰ ত্ৰিংশতিতম এই ত্রিশতকটো। আনহাতে, কৰুণ ভাৰতৰ দ্বিতীয় আৰু বিশ্বৰ ষষ্ঠবিংশতিতম ত্রিশতক অৰ্জ্জনকাৰীৰূপে পৰিগনিত হয়। ইয়াৰ পূৰ্ব্বে, বীৰেন্দৰ সেহৱাগে ভাৰতৰ হৈ দুটাকৈ ত্রিশতক অৰ্জ্জন কৰিছিল- ৩০৯ (৩৭৫ বল, ৩৯টা 'চাৰি', ৬টা 'ছয়'), পাকিস্তানৰ বিৰুদ্ধে, মুলতান, ২০০৪ আৰু ৩১৯ (৩০৪ বল, ৪২টা 'চাৰি', ৫টা 'ছয়'), দক্ষিণ আফ্রিকাৰ বিৰুদ্ধে, চেন্নাই, ২০০৮। উল্লেখ্য যে, সেহৱাগৰ ৩১৯ ৰাণৰ ইনিংচটো টেষ্ট ক্রিকেটৰ দ্রুততম আৰু একমাত্র ১০০.০০+ ষ্ট্ৰাইক ৰেটৰ ত্রিশতক। তেওঁ ২৭৮ বল খেলি ত্রিশতক সম্পূর্ণ কৰিছিল। প্ৰাসঙ্গিকতাৰ দাবীত উল্লেখ কৰিলো যে, তৃতীয় দ্রুততম ত্রিশতক (৩৬৪ বল) অৰ্জ্জন কৰাৰ কৃতিত্বও এইজন বেটচমেনৰ নামতে আছে আৰু দ্বিতীয় স্থানত আছে অষ্ট্ৰেলিয়াৰ মেথিউ হেডেন (৩৬২ বল)। সেহৱাগ টেষ্ট ক্রিকেটত ২টাকৈ ত্রিশতক অৰ্জ্জন কৰা বিশ্বৰ চতুৰ্থজন বেটচমেন। এনে কৃতিত্ব অৰ্জ্জন কৰা আনকেইজন বেটচমেন হৈছে- ৱেষ্ট ইণ্ডিজৰ ব্রিয়ান লাৰাঃ ৩৭৫ (৫৩৮ বল, ৪৫টা 'চাৰি'), ইংলেণ্ডৰ বিৰুদ্ধে, ছেইণ্ট জোনচ্, ১৯৯৪ আৰু টেষ্ট ক্রিকেটৰ সৰ্ব্বোচ্চ ব্যক্তিগত স্ক'ৰ আৰু একমাত্র চৰ্তুশতক অবিজিত ৩৭৫ (৫৩৮ বল, ৪৫টা 'চাৰি'), ইংলেণ্ডৰ বিৰুদ্ধে, ছেইণ্ট জোনচ্, ১৯৯৪, ৱেষ্ট ইণ্ডিজৰ খ্রিষ্ট'ফাৰ গেইলঃ ৩১৭ (৪৮৩ বল, ৩৭টা 'চাৰি', ৩টা 'ছয়'), দক্ষিণ আফ্রিকাৰ বিৰুদ্ধে, ছেইণ্ট জোনচ্, ২০০৫ আৰু ৩৩৩ (৪৩৭ বল, ৩৪টা 'চাৰি', ৯টা 'ছয়'), শ্ৰীলঙ্কাৰ বিৰুদ্ধে, গালে, ২০১০ আৰু এই কৃতিত্ব অৰ্জ্জন কৰা প্ৰথমজন বেটচমেন অষ্ট্ৰেলিয়াৰ ডোনাল্ড ব্ৰেডমেনঃ ৩৩৪ (৪৪৮ বল, ৪৬টা 'চাৰি'), ইংলেণ্ডৰ বিৰুদ্ধে, লীডচ্, ১৯৩০ আৰু ৩০৪ (৪৭৩ বল, ৪৩টা 'চাৰি', ২টা 'ছয়'), ইংলেণ্ডৰ বিৰুদ্ধে, লীডচ্, ১৯৩৪। উল্লেখ্য যে, ব্ৰেডমেনে ১৯৩২ চনত দক্ষিণ আফ্রিকাৰ বিৰুদ্ধে এডিলেইডত অবিজিত ২৯৯ ৰাণ কৰিছিল। নুন্যতম ৰাণৰ বাবে তৃতীয় ত্রিশতক অৰ্জ্জন কৰাত ব্যৰ্থ হোৱা আনজন বেটচমেন হৈছে বীৰেন্দৰ সেহৱাগ, ২৯৩, শ্ৰীলঙ্কাৰ বিৰুদ্ধে, মুম্বাই, ২০০৯। এক ইনিংচত ২৯০ বা ততোধিক ৰাণ কৰা আন কেইজন বেটচমেন হৈছে- ২৯৯, নিউ জিলেণ্ডৰ মাৰ্টিন ক্ৰ', শ্ৰীলঙ্কাৰ বিৰুদ্ধে, ৱেলিংটন, ১৯৯১, ২৯৪, ইংলেণ্ডৰ এলষ্টায়াৰ কুক, ভাৰতৰ বিৰুদ্ধে, বিৰ্মিংহাম, ২০১১, ২৯১কৈ ৱেষ্ট ইণ্ডিজৰ ভিভিয়ান ৰিচাৰ্ডচ, ইংলেণ্ডৰ বিৰুদ্ধে, অ'ভেল, ১৯৭৬ আৰু ৱেষ্ট ইণ্ডিজৰ ৰামনৰেশ ছাৰৱান, ইংলেণ্ডৰ বিৰুদ্ধে, ব্রিজটাউটন, ২০০৯ আৰু ২৯০, নিউ জিলেণ্ডৰ ৰছ টেইলৰ, অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে, পাৰ্থ, ২০১৫।



উল্লেখিত ত্রিশটা ত্রিশতক আঠটা টেষ্ট খেলা দলৰ ২৬ জন বেটচমেনে অৰ্জ্জন কৰিছে। অষ্ট্ৰেলিয়াৰ হৈ ৭টা ত্রিশতক ৬ জন বেটচমেনে অৰ্জ্জন কৰি তালিকাৰ শীৰ্ষ স্থান দখল কৰিছে। বাকী দল কেইটা হৈছে- ৱেষ্ট ইণ্ডিজ ৬ (৪), ইংলেণ্ড ৫ (৫), পাকিস্তান ৪ (৪), শ্ৰীলঙ্কা ৩ (৩), ভাৰত ৩ (২), দক্ষিণ আফ্রিকা আৰু নিউ জিলেণ্ড ১ (১)কৈ। বাকী দুটা টেষ্ট খেলা দল জিম্বাবুৱে আৰপ বাংলাদেশৰ কোনো বেটচমেনে এই কৃতিত্ব অৰ্জ্জন কৰিবলৈ সক্ষম হোৱা নাই। আনহাতে, ইংলেণ্ডৰ বিৰুদ্ধে সৰ্ব্বাধিক ৯টা ত্রিশতক ৭ জন বেটচমেনে অৰ্জ্জন কৰিছে। এই তালিকাত ক্ৰমানুসাৰে স্থান দখলকাৰী দল কেইটা হৈছে- ভাৰত ৪ (৪), দক্ষিণ আফ্রিকা, পাকিস্তান, ৱেষ্ট ইণ্ডিজ, নিউ জিলেণ্ড ৩ (৩)কৈ, শ্ৰীলঙ্কা ২ (২), জিম্বাবুৱে, আষ্ট্ৰেলিয়া আৰু বাংলাদেশ ১ (১)কৈ।




টেষ্ট ক্রিকেটত ত্রিশতক অৰ্জ্জন কৰা বেটচমেনসকলৰ বাটকটীয়া আছিল ইংলেণ্ডৰ এণ্ডাৰচন চেন্দহাম। তেওঁ ১৯৩০ চনত কিংষ্ট'নত অনুস্থিত টেষ্ট ক্রিকেট ইতিহাসৰ ১৯৩তম মেছখনত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ৬৪০টা বলৰ সন্মুখীন হৈ ২৮টা 'চাৰি'ৰে ৩২৫ ৰাণ কৰি স্বদেশৰে ৰেজিনাল্ড ফ'ষ্টাৰৰ টেষ্ট ক্রিকেটৰ সৰ্ব্বোচ্চ ব্যক্তিগত স্ক'ৰৰ অভিলেখ ভঙ্গ কৰে। ফ'ষ্টাৰে তেওঁৰ অভিষেক মেছত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে চিডনীত ২৮৭ ৰাণেৰে এই অভিলেখ স্থাপন কৰিছিল। ১৯০৩ চনত অনুস্থিত ইতিহাসৰ ৭৮তম টেষ্টত তেওঁ অভিষেক মেছত কৰা সৰ্ব্বোচ্চ ব্যক্তিগত ইনিংচৰ অভিলেখ আজিকোপতি অক্ষুন্ন আছে।

শেষত ওপৰত উল্লেখ নকৰা বাকী কেইজন ত্রিশতক অৰ্জ্জনকাৰীৰ নাম আগবঢ়ালো-

অষ্ট্ৰেলিয়াৰ মেথিউ হেডেন (৩৮০), মাৰ্ক টেইলৰ (অবিজিত ৩৩৪), মাইকেল ক্লাৰ্ক (অবিজিত ৩২৯), ৰবাৰ্ট চিম্পচন (৩১১), ৰবাৰ্ট কাউপাৰ (৩০৭), ইংলেণ্ডৰ লিঅ'নাৰ্ড হাটন (৩৬৪), ৱাল্টাৰ হেমণ্ড (অবিজিত ৩৩৬), গ্ৰাহাম গুচ্ছ (৩৩৩), জন ইদ্রিছ (অবিজিত ৩১০), পাকিস্তানৰ হানিফ মহম্মদ (৩৩৭), ইনজামাম উল হক (৩২৯), ইউনিছ খাঁ (৩১৩), আজাৰ আলি (অবিজিত ৩০২), শ্ৰীলঙ্কাৰ মাহেলা জয়বৰ্দ্ধনে (৩৭৪), সনৎ জয়সূৰ্য্য (৩৪০), কুমাৰ ছাঙ্গাকাৰা (৩১৯), ৱেষ্ট ইণ্ডিজৰ গেৰী ছ'বাৰ্ছ (অবিজিত ৩৬৫), লৰেন্স ৰ' (৩০২), দক্ষিণ আফ্রিকাৰ হাছিম আমলা (অবিজিত ৩১১) আৰু নিউ জিলেণ্ডৰ ব্ৰেণ্ডন মেককালাম (৩০২)। ❑

# যোৰহাটৰ গৌৰৱ শক্তি উত্তোলক মৌচুমী বৰা

❑ সীমান্ত বৰা

যোৰহাট জিলাৰ উত্তৰ-পশ্চিম দিশৰ এলেংমৰা গাঁৱৰ এক ক্ৰীড়া প্ৰতিভা মৌচুমী বৰাই সংবাদ জগতৰ চকুত নপৰাকৈয়ে ইতিমধ্যে শক্তি উত্তোলনত যোৰহাটৰ নাম আন্তৰাষ্ট্ৰীয় পৰ্যায়লৈকে উজ্জ্বলাবলৈ সক্ষম হৈছে। মৌচুমী বৰাৰ পিতৃ শ্ৰীদেৱকান্ত বৰা আৰু মাতৃ শ্ৰীতুতুমনি বৰা সাধাৰণ কৃষিজীৱি গাঁৱলীয়া লোক। **২০১০** চনত পোন্ধৰ বছৰ বয়সৰ পৰা যোৰহাটৰ 'এবিটা হেল্‌থ ক্লাৱ'ত প্ৰশিক্ষণ আৰম্ভ কৰা মৌচুমীয়ে এবছৰৰ পিছতে যোৰহাট জিলা ভিত্তিত আয়োজিত প্ৰতিযোগিতাত চেম্পিয়নশ্বিপেৰে 'ষ্ট্ৰং ৱ'মেন অৱ যোৰহাট' খিতাপ লাভ কৰে। এই খিতাপৰ পাছত মৌচুমীয়ে পিছলৈ ঘূৰি চাব লগা হোৱা নাই। **২০১১** চনত শুৱালকুছিত অনুষ্ঠিত হোৱা সদৌ অসম শক্তি উত্তোলন প্ৰতিযোগিতাৰ **৬২** কেজি শাখাত মৌচুমীয়ে সোণৰ পদক লাভ কৰে। তাৰ পাছত মৌচুমীয়ে লাভ কৰা সফলতাসমূহৰ ভিতৰত - **২০১৩** চনত বাক্সা জিলাত আয়োজিত সদৌ অসম শক্তি উত্তোলন প্ৰতিযোগিতাত দুটা সোণৰ পদক, **২০১৩** চনত জম্মুত অনুষ্ঠিত সৰ্বভাৰতীয় প্ৰতিযোগিতাত সোণৰ পদক, **২০১৩** চনত তামিলনাডুৰ কাটাগিৰিত সোণৰ পদক, **২০১৪** চনত কইম্বটৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত সোণৰ পদক, **২০১৫** চনত ইম্ফলত অনুষ্ঠিত প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰে। **২০১৫** চনত হংকঙত অনুষ্ঠিত এছিয়ান চেম্পিয়নশ্বিপত মৌচুমীয়ে **৮৪** কেজিৰ উৰ্ধৰ শাখাত এটা সোণৰ পদক আৰু তিনিটা ৰূপৰ পদক লাভ কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনে। অতি দৰিদ্ৰ পৰিয়ালৰ মৌচুমীয়ে অৰ্থৰ অভাৱত **২০১৪** চনত স্কটলেণ্ডৰ গ্লাছগ'ত আয়োজিত কমনৱেল্‌থ গেমছত অংশগ্ৰহণ কৰিব নোৱাৰিলে। উল্লেখ্য যে ভাৰতীয় শক্তি উত্তোলন সংস্থাই খেলুৱৈ নিৰ্বাচন কৰাৰ পাছত ৰাজ্য চৰকাৰে খেলুৱৈসকলক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ খৰছ বহন কৰিব লাগে যদিও মৌচুমীয়ে এইক্ষেত্ৰত অসম চৰকাৰৰ পৰা কোনো সঁহাৰি লাভ কৰা নাই বুলি আমাক জনায়। বৰ্তমান আগন্তুক টকিঅ' অলিম্পিক আৰু কুইনচলেণ্ড কমনৱেল্‌থ গেমছৰ বাবে অনুশীলনত ব্যস্ত মৌচুমীয়ে অসম চৰকাৰক এটি ব্যায়ামাগাৰৰ লগতে এক সংস্থাপনৰ বাবেও আবেদন জনাইছে। মৌচুমীয়ে বৰ্তমান খেলৰ ব্যস্ততাৰ মাজতে চিনামৰা মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ বি.পি.পি. শাখাত অধ্যয়ন কৰি আছে।❑



# ফাটবিহু ঃ ঐতিহ্য আৰু পৰম্পৰা

❑ জিনু কোঁৱৰ গগৈ

লখিমপুৰ জিলাৰ ঢকুৱাখনা এখনি পুৰণি প্ৰসিদ্ধ ঠাই। লুইত আৰু সোৱণশিৰিৰ মাজৰ এই ভূখণ্ডৰ পুৰণি নাম হাবুং। চাৰ এডৱাৰ্ড গেইচ চাহাবৰ আসাম বুৰঞ্জীৰ মতে আহোম স্বৰ্গদেউ চাওলুঙ চ্যুকাফাই অভয়পুৰ (মুঙ্ ক্লাঙ চেখু)ত পানী উঠাত ১২৪০ খৃঃত হাবুঙলৈ গৈ তাত দুবছৰ থাকিল। গৱেষক সূৰ্য কুমাৰ ভূঞা সম্পাদিত অসম বুৰঞ্জীত উল্লেখ যে তিপামত ৫ বছৰ থাকি হাবি মাটি দেখি নাথাকি লুইতে ভটিয়াই আহি হাবুঙত ৩ বছৰ কাল থাকি পানী তল যোৱা দেখি......। অৰ্থাৎ চ্যুকাফাই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত হাবুঙত তিনি বছৰ থাকি 'তিনি শালি খেতি' কৰি মাটি পৰীক্ষা কৰি খেতি পথাৰৰ উপযোগী নেদেখি অস্থায়ী ৰাজধানী উঠাই নিলে শিমলুগুৰিলৈ। পুৰণি হাবুং ৰাজ্যখনৰ অৱস্থিতি লুইত আৰু সোৱণশিৰিৰ মাজৰ বৰ্তমান ধেমাজী, ঢকুৱাখনা আৰু ঘিলামৰা অঞ্চল বুলি বুৰঞ্জীবিদসকলে ঠাৱৰ কৰিছে। বহুতে আকৌ চিচি নদীৰ উপকণ্ঠ অঞ্চলৰ পৰা ঢকুৱাখনা আৰু ৰতনপুৰলৈকে হাবুং ৰাজ্য আছিল বুলি কয়। এইবোৰ যিয়েই নহওক ঢকুৱাখনা ইতিহাস প্ৰসিদ্ধ হাবুং ৰাজ্যৰ অন্তৰ্গত এইটো সত্য। এই হাবুং ৰাজ্যৰ আহোম স্বৰ্গদেউ চুহুংমুং দিহিঙ্গীয়া ৰজাই ১৫২৩ খৃঃত চুতীয়া ৰাজ্যক দখল কৰি নিজৰ অধীনলৈ নিয়ে।

চাৰিকড়ীয়া ঢকুৱাখনাৰ এখনি প্ৰধান নৈ। আহোমৰ ৰাজত্ব কালত লুইত-সোৱণশিৰিৰ মাজৰ ভূখণ্ডত থকা এই নদীখন পাৰাপাৰ হওতে চাৰিটা কৰি দিব লগা হৈছিল আৰু এই নদীৰ পাৰত (বালিগাঁৱত) এটি পানীফাট থাপিছিল। আহোম স্বৰ্গদেউসকলে অসমৰ বিভিন্ন ঠাইত সলা ফাট, বৰহাট ফাট, নগা ফাট, চুতীয়া ফাট আদি স্থাপন কৰাৰ দৰে ঢকুৱাখনা চাৰিকড়ীয়া নদীৰ পাৰত ফাটৰ ব্যৱস্থা কৰিছিল। ঢকুৱাখনাৰ এই ফাটত আহোম দা-ডাঙৰীয়া বিষয়াসকলে নৌকা যাত্ৰা কৰি আহি বেহা-বেপাৰৰ কৰ-কাটল তুলিবলৈ ব'হাগ বিহুৰ সময়ত আহিছিল। স্বৰ্গদেউ প্ৰতাপসিংহৰ ৰাজত্বকাল (১৬০৪-১৬৬১)ত বেহা-বেপাৰ আদিত কৰ লগোৱা প্ৰথা সৃষ্টি হৈছিল। সেই কৰ উঠাবলৈকে বিষয়াসকল বছৰি পানীফাটলৈ আহিছিল। ফাটোৱালবিলাক বছৰি ব'হাগ বিহুৰ সময়তে আহে আৰু দিনচেৰেক থানিকা পাতি কৰ সংগ্ৰহ কৰে। এই বিষয়াসকলক কৰ-কাটল দিবলৈ অহা কৃষিজীৱি লোকসকলে পানীফাটত সমবেত হৈ বিহুৰ বতৰত আপোনজনক লগ পোৱাৰ আনন্দত বিহু মাৰি মনৰ দুখ পাতলাইছিল। বিষয়াসকল সাত দিনলৈকে এই ঠাইত বাহৰ পাতিছিল আৰু ৰাইজে সাতদিন সাত ৰাতি বিহু মাৰি নিজেও আনন্দ লভিছিল আৰু তেওঁলোককো মনোৰঞ্জন দিছিল। পানী ফাটত কৃষিজীৱি ৰাইজে জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে মৰা এই বিহুৰ পৰাই কালক্ৰমত ফাটবিহুৰ উৎপত্তি হৈছিল। কালক্ৰমত ৰজাদিনীয়া ফাট উঠি গ'ল, কিন্তু ঢকুৱাখনীয়াৰ ৰঙৰ উৎসৱ হিয়াৰ আমঠু ফাটবিহু থাকি গ'ল।

ফাটবিহু ঢকুৱাখনা ৰাইজৰ একক আৰু অনন্য লোকউৎসৱ। ব'হাগৰ ন-পানীয়ে চাৰিকড়ীয়াৰ উদং বুকুত হেন্দোলন তোলে। দুপাৰৰ লঠঙা বন-বিৰিখক সেউজ অভিনন্দন জনায় প্ৰকৃতিয়ে। বিহগ-বিহগীৰ কল-কাকলিয়ে মুখৰ হয় প্ৰকৃতি। কোন তাৰিখৰ পৰা ফাটবিহু উদ্‌যাপিত হৈ আহিছে তাক সঠিককৈ কৈ দিব পৰা নাযায় যদিও আহোম স্বৰ্গদেউসকলৰ ৰাজত্বকাল যষ্ঠদশ-সপ্তদশ শতিকা মানৰ পৰা আৰম্ভ হৈছিল বুলি ক'ব পৰা যায়। 'ফাট' টাই ভাষাৰ শব্দ। ইয়াৰ অভিধানিক শব্দৰ অৰ্থ- বেহা-বেপাৰ কৰিবলৈ গোট খোৱা আৰু কৰ দিয়া ঠাই। এই ৰজাদিনীয়া ফাটৰ আশে-পাশে থকা আজাৰ, সউৰা, শিমলু, জৰী, বোৱাল আদি গছৰ তলত কৃষিজীৱি লোকসকলে ব'হাগ বিহুৰ ৰং-ৰহইচ কৰিছিল। বসন্তৰ আগমনত প্ৰকৃতিৰ ৰূপ-ৰস-গন্ধ-শব্দ-স্পৰ্শই কৃষিজীৱি গঞাৰ দেহ-মনত পাৰ বাগৰি যোৱা আনন্দৰ সঞ্চাৰিত হৈছিল। আহোম, চুতীয়া, কোঁচ, কলিতা আদি লোকসকলে সাতদিন ধৰি গছৰ তলে তলে বিহু মাৰি নাচি-বাগি, গাই-বাই অপাৰ আনন্দ লভিছিল। চেৰা বিহুৰ দিনা সকলো সম্প্ৰদায় মিলিত হৈ বিহু উৰুৱাইছিল। এই মিলন আছিল অভূতপূৰ্ব। জাত-পাতৰ ওখ প্ৰাচীৰ পৰিহাৰ কৰি ঐক্য-সম্প্ৰীতি-সমন্বয়ৰ মহামিলনৰ থলী হৈ পৰিছিল ফাটৰ বিহু। এই ফাটৰ বিহু কালক্ৰমত গঞাৰ মুখত পৰি ফাটবিহু হ'ল। কোনো কোনোৱে মহামিলনৰ ৰঙালী উৎসৱ ফাটবিহুত নাচনী-ঢুলীয়াৰ উদ্দাম নৃত্যত গাৰ কাপোৰ ফাটে, ঢোল ফাটে, ভৰিৰ গিৰিপনিত মাটি ফাটে বাবে ব'হাগৰ এই বিহু উৎসৱক ফাটবিহু বুলি ক'ব খোজে যদিও বাস্তৱিকতে সি নঞৰ্থক। ঢকুৱাখনীয়াসকলৰ সাতামপুৰুষীয়া বৰ্ণাঢ্য লোক উৎসৱ ফাটবিহুত অতীজতে কৃষিজীৱি ৰাইজ স্বতঃস্ফূৰ্তভাৱে মিলিত হৈছিল। কাকো আমন্ত্ৰণ কৰি আনিবলগা নহৈছিল। সম্পূৰ্ণ অসমীয়া সাজ কপাহী বা মূগা কাপোৰ পৰিধান কৰি বিহু মাৰিছিল। তাত বঁটা-বাহন প্ৰতিযোগিতাৰ কথা নাছিল, আছিল কোনখন গাঁৱৰ ডেকাই কোনখন গাঁৱৰ নাচনীক নচুৱাই ভাগৰুৱাই পেলাব পৰা আনন্দৰ এক অঘোষিত প্ৰতিযোগিতা।

১৯১৭ চনৰ অক্টোবৰ বিপ্লৱৰ প্ৰভাৱ সমগ্ৰ বিশ্বৰ লগতে ঢকুৱাখনাতো পৰে। সেইয়ে ঢকুৱাখনাত এক ঐতিহাসিক পৰিঘটনা সংঘটিত হয় যাক 'লুটপাট' আখ্যা দিয়া হয়। লুট পাটৰ ঘটনা ঘটিছিল ব'হাগ বিহুৰ আগে আগে। সেয়ে ১৯১৮ চনত ঐতিহাসিক ফাটবিহু স্তব্ধ হৈ গৈছিল। ঢকুৱাখনাৰ সু-সন্তান প্ৰথিতযশা সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঞিঙ দেৱৰ 'গৰখীয়া' গল্পত উল্লেখ আছে- '১৯১৮ চনত ফাটবিহু বিলুপ্ত হয়। নিজ চকুৰেৰ ফাটবিহু দেখা মানুহবোৰৰ বেছিভাগৰে মৃত্যু হ'ল। ঢকুৱাখনাৰ চাৰিওফালে থকা বিহুবলীয়া মিচিং ডেকা-গাভৰুবোৰে দল বান্ধি ঢকুৱাখনা চাৰিকড়ীয়া নৈৰ পাৰলে আহি বিহু মাৰিছিল। সেই বিহু চাবলৈ গাঁওবোৰৰ পৰা হাজাৰ হাজাৰ মানুহ আহিছিল। ঠাইখন লোকে লোকাৰণ্য হয়। কেৱল মিচিংসকলেই এই সাৰ্বজনীন বিহু উৎসৱত অংশ লয় এনে নহয়। আহোম, চুতীয়া, কৈৱৰ্ত, কোঁচ, কলিতা আদি সকলো সম্প্ৰদায়ৰ মানুহেই আনন্দৰ এই বলিয়া বানত নিজকে উটুৱাই দিয়ে। সেই সাতদিনৰ বাবে মুকলি আকাশ হয় ঘৰৰ চাল আৰু চাৰিকড়ীয়া নৈৰ পাৰৰ বগা বগা বালিয়েই হয় বিছনা। উজ্জ্বল নীল আকাশৰ তলত চাৰিকড়ীয়া পাৰৰ ঘন সেউজীয়া অৰণ্যৰ মাজত সাতদিন সাত ৰাতি ধৰি চলে এই উদ্দাম বসন্ত উৎসৱ।"

উপৰিউক্ত কথাখিনিয়ে প্ৰমাণ কৰে যে ফাটবিহুৱে জনজাতি-অজনজাতি বিভিন্ন সম্প্ৰদায়ৰ মানুহৰ মাজত যি ঐক্য-সম্প্ৰীতি স্থাপন কৰিছিল আজিও সি অক্ষত অৱস্থাত আছে। ঢকুৱাখনাৰ প্ৰবীণ সাংবাদিক, বিশিষ্ট লেখক জগদীশ গগৈদেৱৰ মতে পুৰন্দৰ সিংহৰ ৰাজত্বকালত মণিৰাম দেৱান বৰভাণ্ডাৰ বৰুৱাই ৰংপুৰৰ পৰা হাতীত উঠি ফাটবিহু চাবলৈ আহিছিল। ঢকুৱাখনাৰ কপৌহুৱা গাঁৱৰ ঁমন্থিৰাম দাসৰ পত্নীৰ বিহু নাচত মুগ্ধ হৈ দেৱানে তেওঁক পুৰস্কাৰ প্ৰদান কৰিছিল। বৃটিছৰ শাসনকালত বা আহোম শাসনৰ শেষাৰ্দ্ধত ৰংপুৰৰ বিহুৰ দৰেই ঢকুৱাখনাৰ ফাটবিহুৱে জনপ্ৰিয়তা অৰ্জন কৰিছিল।

১৯২৪ চনৰ পৰা পুনৰ ফাটবিহু আৰম্ভ কৰা হয় যদিও পূৰ্বৰ লুট পাটৰ দিনত নিৰ্যাতন ভোগা কিছুমান মানুহে পুনৰ লুটপাট আৰম্ভ কৰে বাবে পিচৰ বছৰ পুনৰ ফাটবিহু বন্ধ হয়।

ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত ঢকুৱাখনাৰ সমাজকৰ্মী, উদ্যোগী পুৰুষ প্ৰয়াত মহেন্দ্ৰ গগৈ, জয়চন্দ্ৰ গগৈ, ডম্বৰুধৰ চেতিয়া, লীলাকান্ত দাস, কবীন্দ্ৰ নাথ গগৈ, খগেশ্বৰ হাজৰিকা, পৰমানন্দ বৰা, কনকেশ্বৰ গগৈ, জয়পুৰ দত্ত, মালভোগ গগৈ আদি লোকসকলৰ সবল নেতৃত্বত ফাটবিহু পুনৰ প্ৰাণ পাই উঠে। ১৯৪৮ খৃঃত ফাটবিহু পুনৰ প্ৰাণ পাই উঠে। প্ৰথমবাৰৰ বাবে ফাটবিহুৰ স্থান

সলনি হয় চাৰিকড়ীয়া নদীৰ পাৰৰ প্ৰাকৃতিক পৰিৱেশৰ পৰিৱৰ্তে চৰকাৰী মজলীয়া বিদ্যালয়ৰ খেলপথাৰত কৃত্ৰিম পৰিৱেশত ফাটবিহু অনুষ্ঠিত হৈছিল। ডাঙৰ-ডাঙৰ গছৰ ডাল ২০ পৃষ্ঠাত চাওক

## আঢ়ৈ কুৰি পুৰণি বিহুনাম

সোতৰ পৃষ্ঠাৰ পৰা

থাকিবা অকলে শুই,
মই অহা গম পাই সাউতকে উঠিবা
ফু মাৰিবা জ্বলাবা জুই।
৩০) আছে যদি কঁপালত পঢ়িমগৈ ঐ কলেজত
জেপত ফাউণ্টেন পেন লৈ,
নাই যদি কঁপালত হালে বামে পথাৰত
মূৰত ভগা জাপি লৈ।
৩১) নৈৰ কাণৰ শিমলু আহা ভনী ওমলো
নৈৰ কাষত থাকিলে নাখাই নবৈ নমৰো।
৩২) অ' ৰূণু জুনু পেঁপাৰ মাত নুশুনো
ঢোলৰ মাত শুনিলে ৰ'ব মই নোৱাৰো।
৩৩) পৰ্বতত চৰিলে লুতুঙা গাহৰি ভৈয়ামত চৰিলে গঁড়
আমাকে পাবলৈ গংগাত স্নান কৰাগৈ ব্ৰহ্মাকো খোজাগৈ বৰ।
৩৪) কিনো দুপৰীয়া ভোক
তিয়ঁহো নহ'লি চিৰালো নহ'লি
চোবাই খালোহেঁতেন তোক।
৩৫) নাচনী ভনী ঐ ইমান ধুনীয়া ইমান ধুনীয়া
খোপাত কপৌ ফুল কোনে দিয়া,
ঢুলীয়া দাদা ঐ ইমান ধুনীয়া ইমান ধুনীয়া
খোপাৰ কপৌ ফুল তুমি দিয়া।
৩৬) চাউল চালিবলৈ সুৱৰ্ণৰ চালনী
বহি জাৰিবলৈ কুলা,
আমাৰ জীৱনলৈ আশা নকৰিবা
যেন শিমলুৰে তুলা।
৩৭) আহোঁ বৰে তলে যাওঁ বৰে তলে
বৰৰে ঢেপেলা পাত,
বৰৰে তলতে আমাক নোজোকাবা
ওলাব মইনা মাত।
৩৮) জকাই ঘূলি ঘূলি বাবা মোৰ ভনীটি
জকাই ঘূলি ঘূলি বাবা,
বিৰিণা জোপাতে তামোল থৈ আহিছো
হেৰাই পালো বুলি খাবা।
৩৯) বোকাৰে গৰৈ মাছ বোকাতে ঘূৰিলে
পথাৰত ঘূৰিলে বগ,
মনৰে কথাটো মনতে ঘূৰিলে
ক'বলৈ নাপালো লগ।
৪০) চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি
ফুলিলে ভেবেলি লতা,
কৈ থাকো মানে ওৰকে নপৰে
আমাৰে বিহুটিৰ কথা।
৪১) ধাননি মাজৰে ফৰিং কুমলীয়া
সাপৰ কুমলীয়া জিভা,
ঘৰত মনে পেলাহ থাকিব নোৱাৰো
কোনোবাই কৰিলে কিবা।
৪২) আমি তিনি ভনী তিনিটি যঁতৰে
আয়ে সৰু সূতা কাটে,
আমি তিনি ভনী যামে ঘৰা-ঘৰি
আয়ে হিয়া ধুনি কান্দে।
৪৩) ম'হৰ পিঠিত উঠি লৈ অময়া গুণনি
কোনে ৰান্ধি দিব ভাত,
তিতাকৈ তিয়নি কোনে চেপি দিব
কোনে লগাই যাব মাত।
৪৪) হাউলি তুলিলো নাদৰ পানী টুপি
জোকাৰি তুলি ল'লো লাও,
তেওঁ যদি শহুৰে ছোৱালী নিদিয়ে
বৰলা ভাতকে খাম।
৪৫) চৰায়ে তুলিলে ছকুৰি পোৱালি
গছৰ ডাল শুৱনি কৰি,
আমাকে তুলিলে নানা দুখেৰে
লোকৰ ঘৰ শুৱনি কৰি।
৪৬) চাইকেলত নুঠিবা পিচলি পৰিবা
তলৰ খাপত নিদিবা ভৰি,
তুমি নমৰিবা মোকো নামাৰিবা
থাকিবা ধৈৰ্য ধৰি।
৪৭) হাত ঘড়ী নহ'লা হাতত পিন্ধি ল'বলৈ
সময় চায় চাবিটো দিওঁ,
ৰসগোল্লা নহ'লা চাহৰ লগত খাবলৈ
নগদ চাৰি অনা দি।
৪৮) ম'হৰ শিঙৰ পেঁপাটি নবজাবা ককাইটি
টিহিলৌ টিহিলৌ কৰে,
ধনী ঘৰৰ ছোৱালী নানিবি অ' ককাইটি
গুচি যাওঁ গুচি যাওঁ কৰে।
৪৯) ঔৰে গছতে মৌৱে বাহে ল'লে
ককাই পাৰি দিয়া খাওঁ,
এটোলা সোণেৰে বিৰি গহাই দিয়া
বিহু মাৰিবলৈ যাওঁ।
৫০) এৰি গ'লে এৰাপাত নালাগে ককাইদেউ
ভোক গ'লে নালাগে ভাত,
যৌৱন ভাতি গ'লে তোমাকো নালাগে
মৰম-চেনেহ নাথাকে গাত। ❑

*(যোৰহাট কৰঙা কাটনি গাঁৱৰ প্ৰায় ৭০ বছৰীয়া বৃদ্ধা সৰুকণ নাথৰ পৰা সংগ্ৰহ কৰে মনিষা নাথে।)*

উনৈশ পৃষ্ঠাৰ পৰা

## ফাটবিহু ঃ ঐতিহ্য

কাটি আনি খেলপথাৰৰ মাজত পুতি কৃত্ৰিম হাবিয়লী পৰিৱেশ সৃষ্টি কৰি ফাটবিহু অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ পাছত ১৯৫০ চনৰ বৰ-ভুঁইকঁপ, বাৰে চহৰীয়া সবাহ, ৰায়ত সবাহ, চীনাৰ ভাৰত আক্ৰমণ আদি বিভিন্ন কাৰণত ফাটবিহুৰ ধাৰাবাহিকতা ৰক্ষা হোৱা নাছিল। অৱশেষত বৰ্তমানৰ ম'হঘূলি চাপৰিৰ বাকৰিত ১৯৭৬ চনৰ পৰা ধাৰাবাহিকভাৱে প্ৰাচীন ঐতিহ্য ৰক্ষা কৰি ফাটবিহু উদ্‌যাপন কৰা হৈছে। ফাটবিহুৰ লগত সংগতি ৰাখি আয়োজক মণ্ডলীয়ে এখনি মুখপত্ৰ 'বিহুৱান' প্ৰকাশ কৰি আহিছে।

**১৯৭৬** চনত উদ্‌যাপিত ফাটবিহুৰ সভাপতি আছিল নৰকুমাৰ বৰগোহাঞি আৰু সম্পাদক দূৰ্গা সূত দেৱ আছিল। মুখপত্ৰ বিহুৱানৰ প্ৰথম সম্পাদক ছবিলাল জৈনদেৱ আছিল। প্ৰথম বাৰটা সংখ্যা উদ্‌যাপন সমিতিয়ে প্ৰকাশৰ দায়িত্ব বহন কৰিছিল যদিও ২০০২ চনৰ পৰা বিহুৱান প্ৰকাশকৰ দায়িত্ব লবৰ বাবে স্ব-ইচ্ছাৰে সংস্কৃতি প্ৰেমী, সামৰ্থৱান ব্যক্তি তথা পৰিয়াল আগবাঢ়ি আহিছিল। ইয়ে প্ৰমাণ কৰে ফাটবিহুৰ প্ৰতি মানুহৰ সদিচ্ছা আৰু আনুগত্য কিমান। সুদীৰ্ঘ কাল চৰকাৰী মজলীয়া বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হৈ অহাৰ পাছত ১৯৯৪-৯৫ বৰ্ষ দুটিত ঢকুৱাখনাৰ মুগা ফাৰ্মলৈ স্থানান্তৰিত কৰা হয়। ১৯৯৬ চনৰ পাছত ফাটবিহু তিনিদিনীয়াকৈ ম'হঘূলি চাপৰিৰ বাকৰিত উদ্‌যাপন কৰি অহা হৈছে। ২০০২ চনত ম'হঘূলি চাপৰিত মোহনীয় শিশু গছৰ তলত সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশত, স্থায়ী মঞ্চ লখিমপুৰ জিলাৰ গ্ৰাম্য অভিকৰণৰ অৰ্থ সাহাৰ্যত নিৰ্মাণ কৰা হয়। ২০০৫ চনত ফাটবিহুৰ কৃষ্টিভৱন নিৰ্ম্মাণ হয় আৰু ২০০৭ চনত মঞ্চৰ লগত সংলগ্ন কৰি স্থায়ী ৰভাঘৰ নিৰ্মাণ কৰা হয়।

২০১০ চনত দূৰ-দূৰণিৰ পৰা অহা অতিথিসকলৰ থকা-খোৱাৰ সুবিধাৰ্থে স্থায়ী অতিথি গৃহও নিৰ্মাণ কৰা হয়। চতিয়াৰ 'আঁহতগুৰিৰ বিহু', শিৱসাগৰ বেতবাৰীৰ 'মেলামৰা বিহু', ধেমাজি মাছখোৱাৰ 'ৰাতি বিহু'ৰ যিদৰে স্বকীয় বৈশিষ্ট আছে ঠিক তেনেকৈ ঢকুৱাখনাৰ ফাটবিহুৰ স্বকীয় বৈশিষ্ট্য ঐতিহ্য পৰম্পৰা আছে। অসমৰ লোক সংস্কৃতিত নজহা-নপমা সংযোজন ঢকুৱাখনাৰ 'ফাটবিহু'। ঢকুৱাখনাত বসবাস কৰা সমৰ্থবান মানুহে শাৰীৰিক-মানসিক-আৰ্থিকভাৱে সহায়-সহযোগিতা আগবঢ়াই ফাটবিহুক মহীয়ান কৰি আহিছে। পৰম্পৰাগতভাৱে উদ্‌যাপন কৰি অহা ফাটবিহুৰ মাজত অসমীয়া মানুহৰ প্ৰাচীন ঐতিহ্য-সংস্কৃতি ৰক্ষিত হৈ আহিছে। জাতীয় সাজ-পাৰ পৰিধান কৰি আহি ফাটবিহুৰ নান্দনিকতাৰ স্বাদ লোৱাটো অন্য এক বৈশিষ্ট্য। ফাটবিহুলৈ আমন্ত্ৰিত ব্যক্তিসকলেও জাতীয় সাজ পৰিধান কৰি বিহু মঞ্চত উঠাটো বাধ্যতামূলক। ঢকুৱাখনা মুগা খেতিৰ বাবে বিখ্যাত। অতীতৰে পৰা মুগা পালন কৰি স্বাৱলম্বী হৈ আহিছে। ঘৰতে মুগা পুহি সূতা কাটি বৈ উলিওৱা মুগাৰ ৰিহা-মেখেলা-চাদৰ আৰু পাঞ্জাৰী-গামোচা-ধূতি পৰিধান কৰি বিহু মাৰিবলৈ বা চাবলৈ অহা দৃশ্য বৰ চমকপ্ৰদ। বিশ্বায়নৰ ফলত মানুহৰ মন পৰিৱৰ্তনমুখী হৈছে সেয়ে আয়োজক সমিতিয়ে জাতীয় সাজ-পাৰ পৰিধান কৰাটো বাধ্যতামূলক কৰিছে। ইয়াৰ অৰ্থ এইটো নহয় যে কাৰোবাৰ ওপৰত সংস্কৃতি জোৰ-জুলুম কৰি জাপি দিয়া হৈছে। সংস্কৃতি জীয়াই ৰখাটো প্ৰতিজন অসমীয়াৰ কৰ্তব্য। ইয়ে সংস্কৃতিৱান হোৱাত বা সংস্কৃতিৰ প্ৰতি সচেতন হোৱাতো সহায়হে কৰিছে। ফাটবিহু পৰিয়ালৰ সকলোৱে একেলগে উপভোগ কৰিব পৰা বিহু উৎসৱ। বিহুনামবোৰত ৰূপক থাকিলেও তাত তীব্ৰ যৌনগন্ধী ৰূপ নাই। ফাটবিহু দিনতে আৰম্ভ কৰি দিনতে সামৰণি মৰাৰ পৰম্পৰা আছে। ফাটবিহুৰ বিহুনাম-নাচৰ মাজত অসমৰ পুৰণি বিহুৰ নাম-সুৰ-নাচৰ ভঙ্গিমা ৰক্ষিত হৈ আছে বুলি বিহু গৱেষকসকলে মত পোষণ কৰিছে। ই ফাটবিহুৰ স্বকীয় বৈশিষ্ট্য। আজিকালি চেমনীয়া হুঁচৰি বিহু, মহিলা টকা বিহু, হুঁচৰি, পূৰ্ণবয়স্ক হুঁচৰি, মিচিং বিহু, দেউৰী বিহু, মুকলি বিহু আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰি শ্ৰেষ্ঠ তিনিটা দলক বঁটা-বাহন দিয়াৰ উপৰিও বিহুৱা, বিহুৱতী, ঢুলীয়া, পেপাবাদক আদি বাচনি কৰি পুৰস্কৃত কৰা হয়। ইয়াৰোপৰি অসমীয়া শিপিনীসকলক উৎসাহ তথা দক্ষতাক স্বীকৃতি দিবৰ বাবে গামোচা প্ৰতিযোগিতা অনুষ্ঠিত কৰি শিপিনীক পুৰস্কৃত কৰা হয়। পূৰ্বতে ইংৰাজৰ আমোলত হাতী বা বিলাতী ঘোঁৰাৰ ওপৰত উঠি বিহু উপভোগ কৰা বিলাতী চাহাব-মেম সকলে উচ্চমানৰ বিহু দললৈ সিকিটো, আধলিটো দলিমাৰি দিয়াৰ উদাহৰণ আছে। আজিকালি আয়োজক সমিতিয়ে সেই পৰম্পৰাক সংস্কৃত কৰি পুৰস্কাৰৰ ব্যৱস্থা কৰিছে। তথাপি অসমৰ আন ঠাইত অনুষ্ঠিত বিহু মঞ্চৰ দৰে লাখ টকীয়া বঁটা-বাহন, গাড়ী-মটৰৰ ব্যৱস্থা ফাটবিহুত কৰা নাই। যি সাধাৰণ মাননিৰ ব্যৱস্থা ৰাখিছে ইয়ে নিশ্চয় সংস্কৃতিত আঘাত নকৰে। ফাটবিহুত কিমান সংখ্যক বিহুদলে যোগদান কৰিব পাৰিব তাৰ ধৰা-বন্ধা নিয়ম নাই। ফাটবিহু আয়োজক সমিতিয়ে সকলো বিহু দলক বিহু প্ৰদৰ্শন কৰি আনন্দৰ উৎসৱত ভাগ লোৱাৰ অধিকাৰ প্ৰদান কৰি আহিছে। এইয়াই হৈছে ফাচবিহুৰ সাৰ্বজনীন ৰূপ।

ব'হাগৰ শেষৰ ফালে এই বিহু অনুষ্ঠিত কৰি চেনেহৰ বিহুটিক বছেৰেকলৈ বিদায় দিয়া হয়। ফাটবিহুৰ শেষৰ দিনা সাংস্কৃতিক শোভাযাত্ৰা চহৰৰ মাজেদি উলিওৱা হয়। এইয়া পৰিৱৰ্তনকামী চিন্তাধাৰাৰ ফচল যদিও ইয়াৰ গ্ৰহণযোগ্যতা পূৰামাত্ৰেই আছে। ঢকুৱাখনাত বসবাস কৰা তাই আহোম, চুতীয়া, কছাৰী, নেপালী, সোণোৱাল কছাৰী, কোঁচ, কলিতা, কৈৱৰ্ত, মিচিং, চাহ জনগোষ্ঠী আদি সকলো জনগোষ্ঠীৰ বাবে ৰহণীয়া সংস্কৃতি প্ৰদৰ্শনৰ যোগেদি মহামিলনৰ চানেকি দাঙি ধৰা হয় ফাটবিহুত। ঢকুৱাখনাৰ ফাটবিহুৱে আজি অসমৰ বিভিন্ন প্ৰান্তৰ মানুহক আকৰ্ষণ কৰাৰ উপৰিও বিদেশী পৰ্যটক সকলকো আকৰ্ষণ কৰিছে। পূৰ্বৰ তুলনাত বিহুপ্ৰেমী ৰাইজৰ সমাগম বাঢ়ি লাখৰ ঘৰ অতিক্ৰম কৰিছে। এইয়া ঢকুৱাখনাৰ বাবে গৌৰৱৰ কথা। ❑

## টাইফাকে জনগোষ্ঠীৰ বয়ন শিল্প কৌশল আৰু প্ৰয়োগ

❑ ঙি পেথৌন গোহাঁই
❑ মনোজ কুমাৰ গগৈ

অসমকে ধৰি উত্তৰ-পূৰ্ব্বাঞ্চলৰ মঙ্গোলীয় জনগোষ্ঠী লোকৰ বাৰে-ৰহনীয়া কলা-সংস্কৃতিৰ ভিতৰত টাইফাকেসকলৰ উমৈহতীয়া পৰম্পৰাই অংশীদাৰ বহন কৰি আহিছে। অন্যান্য সকলো পৰম্পৰাও দৈনন্দিন জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ ৰূপে বিবেচিত হৈ আহিছে আৰু ই বৰ্ত্তমান অব্যাহত আছে। টাইফাকেসকলৰ হস্ত-শিল্প এক পৰম্পৰাগত দৈনন্দিন জীৱন শৈলী। স্বকীয় নীতিত ককাঁলত তাঁতশালখন বান্ধি নিজা সাজ-পোছাকসমূহ বৈ লয়। তাঁতশাল কঁকালৰ সমজোখৰ হোৱা বাবে কাপোৰৰ প্ৰস্থ বৰ বেছিনহয়। সেয়েহে, এখন লুঙী সম্পূৰ্ণ কৰিবলৈ এযোৰ কাপোৰৰ মাজত জোৰা দিয়া হয়। পুৰুষৰ বাবে বোৱা কাপোৰসমূহ যেনে, 'ফানুং' (লুঙী), 'ফা-চেইট' (গামোচা), 'ফা-মাই' আৰু মহিলাৰ বাবে 'ছিন' (মে্খলা), 'নাং-ৱাত' (ৰিহা), 'ফা-ফৌক' (চাদৰ), 'মৌ' (মোনা) আদি চৰুত লগা ৰঙৰ সমষ্টিৰে প্ৰয়োগ কৰি ভিন্নতা ব্যৱধানত কাপোৰ তৈয়াৰ কৰে। হাতে-বোৱা ৰঙা, নীলা, গুলপীয়া, ক'লা, জেউজীয়া, হালধীয়া বিবিধ ৰঙীন সূতাৰ সমষ্টাকে ভিত্তিত হয় যদিও পুৰুষক 'ফা-তা-তপ', 'ফা-তা-নাই', 'ফা-তা-মৌ' আদি কৰি মহিলাৰ বাবে 'নাংৱাত', 'চিন', 'হুন-চিন', 'ফা-হৌ' আদি ভিন্ন প্ৰকাৰেৰে বোৱাৰ সুকীয়া বৈশিষ্ট্য আছে।

তাঁতশালঃ অতীততে তাঁতশালখন বাঁহৰ চাংঘৰৰ তলত মাটিত খুটি পুতি লোৱা হৈছিল যদিও সময়ৰ সৈতে শালখন সম্পূৰ্ণ কাঠেৰে সাজি অনায়সে এঠাইৰ পৰা আন ঠাইলৈ স্থানান্তৰ কৰিবলৈ পৰাকৈ সাজি উলিওৱা হৈছে। টাইফাকে ভাষাত তাঁতশালখনক 'কি-হুক' বুলি কয়। 'কি' মানে শাল, 'হুক' মানে তাঁত। কি-হুকখন আন জনগোষ্ঠীৰ তাঁতশালখনতকৈ কিছু পৃথক। চাৰিটা খুটাৰে সংযোগ তাঁতশালখন দেখাত এখন বৃহদাকাৰ চকীৰ দৰে। শালখনৰ সন্মুখৰ খুটা দুটা প্ৰায় ১৫০ ছেণ্টি মিটাৰ ওখকৈ আৰু পিছৰ খুটা দুটা ৭৫ ছেণ্টি মিটাৰ কৰি সজোৱা হয়। টাইফাকেসকলৰ তাঁতশালৰ টোলোঠা দুটা দেখাত একে নহয় আৰু দুয়োটাৰে নামেনা সুকীয়া। কাপোৰ মেৰ খোৱা টোলোঠাটোৰ নাম হৈছে 'মাই-কিপ-মু'। 'মাই' মানে কাঠ, 'কিপ' মানে খুৰা আৰু 'মু' মানে গাহৰি। অৰ্থাৎ, টোলোঠাটোৰ দুয়োটা মূৰ গাহৰিৰ খুৰাৰ আকৃতিৰ বাবে 'মাই-কিপ-মু' নামকৰণ কৰা হৈছে।

তাঁতশালৰ এটা বিশেষ সজুলি হ'ল 'ছাই-টাই-নাং'। জন্তুৰ ছাল দুই মূৰে বন্ধা ফুটায়েদি ৰছীৰে সংযোগী 'ছাই-টাই-নাং' ককাঁলত মেৰিয়াই 'মাই-কিপ-মু' নামৰ টোলোঠাৰে সৈতে বান্ধি লোৱা হয়। 'ছাই-টাই-নাং'ৰে তাঁতখলৰ ভাৰসাম্যতা ৰক্ষা কৰা হয়। তাঁতখন বওঁতে শালখনৰ পিছৰফালে এখন তক্তাত বহা হয়। সেই তক্তাখনক 'পেন-কি' বোলা হয়। 'পেন' মানে তক্তা আৰু 'কি' মানে শাল। তাঁতশালখনৰ সূতা মেৰ খাই থকা টোলোঠাটোৰ নাম হ'ল 'চানাক'। এই 'চানাক'টো শালখনত থিয় কৰি থ'ব পৰা ব্যৱস্থা আছে। তেওঁলোকে চিৰিডালক 'চিটেপ' বুলি কয়। 'চিটেপ'বোৰ 'চানাক'ৰ সূতাৰ প্ৰতিটো মেৰত এডাল-এডালকৈ ভৰাই দিয়া হয়। তাঁতশালৰ দোৰপতি যোৰক 'খপফোম' বোলে। 'ফোম' মানে ৰাঁছ। ৰাঁছখন দীঘলে প্ৰায় ৭৫ ছেণ্টি মিটাৰ। তাঁতৰ কাপোৰৰ পুতলৰ ভাৰসাম্য ৰক্ষা কৰা মীৰিডালৰ নাম হ'ল 'কুংকাই'। 'কুং' মানে ধনু আৰু 'কাই' মানে কুকুৰা। তাহানিতে পুতলৰ সমান জোখৰ বাঁহৰ মাৰিডালৰ দুইমূৰে পুতলৰ সুবিধাৰ্থে কুকুৰাৰ নখ লগাই লোৱা হৈছিল। তাঁতশালৰ কাপোৰখনত পুতলডাল লগোৱাৰ পাছত দেখিবলৈ ধনুৰ দৰে হোৱাৰ বাবে 'কুং' শব্দৰে নামকৰণ কৰিছে। আজিকালি, পুতলৰ দুইমূৰে লো, পিতল নতুবা একোটা জোঙা আগ লগাই ব্যৱহাৰ কৰে। কাপোৰখনৰ তলৰফালে পুতল লগোৱাটো তাঁতশালৰ আন এটা বৈশিষ্ট্য বুলি ক'ব পাৰি। তাঁতশালৰ মাকোটোক 'টাও' বুলি কয়। নাহৰ কাঠেৰে সজোৱা 'টাও'টোৰ দীঘ প্ৰায় ৮৬ ছেণ্টি মিটাৰ। 'টাও'টোৰে তেওঁলোকে বাণি বোৱা সূতাডাল তিনিবাৰমান তৰি দিয়ে বাবে তাঁতশালৰ কাপোৰখন ডাঠ হয়। মহুৰাটোক 'লটমাই' আৰু মহুৰা ভৰোৱা মাকোৰ ফুটাটোৰ নাম 'মুং'। মাকোৰ গেৰেলি মাৰিডালৰ নাম 'মাই-ছে-মু'। তেওঁলোকে তাঁতশালত দুটা নাচনী ব্যৱহাৰ কৰে। নাচনীটোক 'অত্-এত্' বুলি কয়। নাচনী দুটাক ওলোমাই ৰাখিবৰ বাবে সন্মুখৰ খুটা দুটাৰ ওপৰত দুটা ফুটা কৰি কাঠ বা বাহঁৰ মাৰিত বান্ধি ৰখা হয়। তেওঁলোকে এবাতিহে 'ব' তোলে। 'ব'ক 'খাও' বুলি কোৱা হয়। গৰকাটোক 'মাই-য়েইপ-হুক' বোলে। 'মাই' মানে কাঠ বা বাঁহ, 'য়েইপ' মানে গৰকা আৰু 'হুক' মানে তাঁত। গৰকাটো নাচনীৰে সৈতে বান্ধি থোৱা হয়। তেওঁলোকৰ তাঁতশালত গৰকা এটাই থাকে। জাল ওলাবলৈ গৰকাটো এবাৰ গচকি পিছৰ বাৰ নগচকিলেও হয়। কাৰণ, আনটো জাল ওলাবৰ বাবে 'মৌন' নামৰ চেৰেকীৰ দৰে সঁজুলি আছে যিটো 'খাও'(ব)ৰ পিছতে থাকে। গৰকাটো গচকি থাকোঁতে প্ৰয়োগ কৰিবলৈ 'মাই-য়ন-কি' নামৰ এডাল বাঁহ বা কাঠ থাকে। 'মাই' মানে কাঠ বা বাঁহ, 'য়ান' মানে হেঁচা প্ৰয়োগ কৰা আৰু 'কি' মানে শাল।

তাঁতখন বওঁতে সূতাবোৰ 'ফোম' (ৰাঁছ)ত লাগি নধৰিবলৈ 'মাই-খি-ফৌং' ব্যৱহাৰ কৰে। 'মাই' মানে কাঠ বা বাঁহ, 'খি' মানে মল আৰু 'ফৌ' মানে মৌ-মাখি। মৌ-মাখিৰ মল সিজাই মম তৈয়াৰ কৰি এডাল সৰু গোটা বেত বা কাঠৰ মাৰিত মমখিনি লগাই সূতাত ঘঁহি দিয়ে।

টাইফাকেসকলে তাঁত-বাতি কৰা পদ্ধতিটো আন জনগোষ্ঠীৰ লোকৰ সৈতে প্ৰায় একে। এই তাঁত-বাতি কৰা পদ্ধতিটোক 'ৱৌনহুক' বুলি কোৱা হয়। 'ৱৌন' মানে বাতি কৰা আৰু 'হুক' মানে তাঁত।চেৰেকীটোক 'ৱন-ৱেন' বুলি কোৱা হয়। চেৰেকীটো মূগা সূতাৰ বাহিৰে আন সূতাত ব্যৱহাৰ কৰে। মূগা সূতাৰ বাবে ব্যৱহাৰ হোৱা সঁজুলিটোক নাম 'কৌংখ্যা'। তাঁতশালৰ আন সঁজুলি হ'ল যতঁৰ (কৌং-পান-লট)। এইদৰে টাইফাকে জনগোষ্ঠীৰ সাজ-পোছাক তৈয়াৰৰ বাবে বিবিধ প্ৰয়োজনৰ চালিকাযন্ত্ৰ ৫৪টা সজুঁলিৰ তাঁতশালত গুৰুত্বপূৰ্ণ ভূমিকা আছে।

ফা-নুংঃ টাইফাকে জনগোষ্ঠীৰ পুৰুষসকলে 'ফা-নুং' (লুঙী) পৰিধান কৰে। 'ফা-নুং'খন উমৈহতীয়া বৈশিষ্ট্যৰে বৈ উলিওৱা হয়। 'ফা-নুং' কেইবা প্ৰকাৰৰ আছে। তাৰ ভিতৰত'ফা-তা-তপ', 'ফা-তা-মৌ', 'ফা-তা-মাই', 'ফা-চেইত' ইত্যাদি। সাধাৰণতে, 'ফা-নুং' বেঙুনীয়া, সেউজীয়া, হালধীয়া, বগা, ক'লা, গুলপীয়া ৰঙৰ সূতাৰে প্ৰস্তুত কৰা হয়। অৱশ্যে, কেতিয়াবা দুবিধ ৰঙৰ সূতাৰেও বোৱা হয়। সাজ-পাৰৰ বাবে বগা আৰু হালধীয়া সূতাৰে বোৱা হয়। 'ফা-নুং'ৰ মাজে-মাজে সৰু-সৰু একোটা 'লু' অৰ্থাৎ বুটা বছা হয়। টাইফাকেসকলৰ বিবিধ ৰঙীন সূতাৰ 'ফা-নুং'ৰ দীঘ দিওঁতে যথাক্ৰমে বেঙুনীয়া সূতাৰ ২ ছেণ্টি মিটাৰ বহল জোখৰ ৰাঁছৰ কাঠিৰ ওপৰত গননা কৰি সূতাৰ দীঘ বাতে। ঠিক তেনেদৰে, ৰাঁছৰ কাঠিৰ ওপৰত নিৰ্ভৰ কৰি স্বকীয় আৰ্হিত তৈয়াৰ কৰিব খোজা বেঙুনীয়া ৰঙৰ সূতাৰ পাছত হালধীয়া দুডাল, বেঙুনীয়া আধা ছেণ্টি মিটাৰ, সেউজীয়া এক ছেণ্টি মিটাৰ, ক'লা আধা ছেণ্টি মিটাৰ, হালধীয়া চাৰিডাল, বেঙুনীয়া আৰু সেউজীয়া এক ছেণ্টি মিটাৰ, ক'লা আধা ছেণ্টি মিটাৰ, বগা চাৰিডাল সূতাৰে দীঘ দি পুনৰ একেই নমুনাৰে বেঙুনীয়া ২ ছেণ্টি মিটাৰ কৰি ক্ৰমান্‌হয়ে বাকী ৰঙৰ সূতাৰে একেদৰেই তাঁতখনৰ দীঘ দিয়া হয়। তাঁতখনৰ পুতল পৰেয়োজন অনুসাৰে কম বেছি দীঘ দিয়ে যদিও প্ৰস্তুত কৰা 'ফা-তাই-মাই' লুঙীৰ বাবে আনুমানিক ৫৬ ছেণ্টি মিটাৰ বহল দীঘ বয়।

উল্লেখিত নিৰ্দ্দিষ্ট 'ফা-নুং'ৰ বাণি বওঁতে যথাক্ৰমে প্ৰথমে বেঙুনীয়া তিনি ছেণ্টি মিটাৰ, বগা চাৰি মাকো, ক'লা তিনি মাকো, বগা দুই মাকো, ক'লা ছয় মাকো, সেউজীয়া আধা ছেণ্টি মিটাৰ, গুলপীয়া আঠ মাকো, হালধীয়া দুই মাকো, বেঙুনীয়া এক ছেণ্টি মিটাৰ, ক'লা দুই মাকো, বগা দুই মাকো, ক'লা এক ছেণ্টি মিটাৰ, গুলপীয়া দহ মাকো, ক'লা ছয় মাকো, ক'লা এডাল এৰি হালধীয়া তিনি মাকোৰে বাণি দি ক্ৰমান্বয়ে ক'লা, সেউজীয়া ৰঙৰ ১০, ৪, ২, ৪ মাকো বাণি দিয়ে। কাপোৰৰ ভিন্ন ৰঙৰ সূতা বাণিৰ আৰ্হিত শেষ নকৰি বেঙুনীয়া এক ছেণ্টি মিটাৰ, গুলপীয়া, ক'লা, হালধীয়া, বেঙুনীয়া, ক'লা ক্ৰমান্বয়ে ছয়, দহ, আধা, দুই, আধা আৰু ছয় মাকোৰে বাণি দি বয়। ক'লাৰ লগত এমাকো এৰি বগা তিনি মাকো, ক'লা আঠ মাকো, সেউজীয়া আধা ছেণ্টি মিটাৰ, গুলপীয়া ছয় মাকো, হালধীয়া চাৰি মাকো বৈ কাপোৰৰ এটা নিৰ্দ্দিষ্ট অংশৰ নমুনা বাণি বৈ উলিওৱা হয়। এই অনুক্ৰমেই পুনৰ বেঙুলীয়া তিনি ছেণ্টি মিটাৰ, বগা চাৰি মাকো, ক'লা তিনি মাকো আৰু বাকী সূতাৰে একে নমুনাৰ বাণি বৈ কাপোৰখন প্ৰস্তুত কৰে। তাঁতশালত প্ৰস্তুত হোৱাৰ পাছত কাপোৰ দীঘলে-দীঘলে যোৰা লগাই অৰ্থাৎ, চিলাই কৰে আৰু পথালিকৈ চিলোৱা কাপোৰখনেই টাইফাকেসকলৰ স্বকীয় সংস্কৃতিৰ পুৰুষৰ 'ফা-নুং'ৰ পৰিচয়।

ফা-চিনঃ টাইফাকে মহিলাসকলে পৰিধান কৰা মেখেলাখনক 'ফা-চিন' বুলি কোৱা হয়। এই 'ফা-চিন'খন 'ফা-নুং'ৰ দৰে এক নিৰ্দ্দিষ্ট স্বকীয় শৈলীত বোৱা হয়। 'চিন'খন কেৱল ক'লা সূতাৰে দীঘ দিয়াটো স্বকীয় হস্তশিল্পৰ এক উল্লেখযোগ্য পৰম্পৰা। কাপোৰখনক বাণি বওঁতে প্ৰথমে 'চিন'খনৰ একেবাৰে তলত অৰ্থাৎ পানী গাঁঠিত পৰা অংশটো (টিন-চিন) দুই ছেণ্টি মিটাৰ বহল জোখেৰে বোৱা হয়। এই 'টিন-চিন'ৰ পাছৰ অংশটো প্ৰথমে সেউজীয়া, গুলপীয়া, হালধীয়া, বেঙুনীয়া, সেউজীয়া, ক'লা, বগা আৰু গুলপীয়াৰে শেষ কৰে। 'টিন-চিন'ৰ পাছৰ এংশটো আহল-বগল জোখৰ হালধীয়া ২১ ছেণ্টি মিটাৰ আৰু ১৮ ছেণ্টি মিটাৰ ৰঙৰ সূতাৰে বাণি দি বয়। 'চিন'খনৰ এই অংশটোক 'টিন' (ভৰি) বুলি কোৱা হয়।

পাছৰ অংশত স্বকীয় নীতিত ক'লা আৰু বগাৰে আধা ছেণ্টি মিটাৰ, ক'লা আৰু সেউজীয়া এক ছেণ্টি মিটাৰ, বেঙুনীয়া এক ছেণ্টি মিটাৰ, হালধীয়া দুই মাকো, ক'লা আৰু গুলপীয়া এক ছেণ্টি মিটাৰ, সেউজীয়া আৰু ক'লা এক ছেণ্টি মিটাৰ, বগা দুই মাকো, বেঙুনীয়া আধা ছেণ্টি মিটাৰ, হালধীয়া দুই মাকো আৰু ক'লা এমাকোৰে এটা 'হয়' দিয়ে। ইয়াৰ পাছতে ক'লা দুই ছেণ্টি মিটাৰেৰে 'চিন'খনৰ পাছৰ অংশটো সামৰা হয়। ৰঙা-নীলা, হালধীয়া বিবিধ ৰঙীন সূতাৰে সজোৱা এই অংশটোক 'খ' বোলা হয়। অৰ্থাৎ, মেখেলাখনৰ ডিঙি অংশ ৰূপে ৰিজোৱা হৈছে। এই অংশটোক প্ৰায় ১০ ছেণ্টি মিটাৰ জোখৰ হয়।

'চিন'খনৰ 'খ' অংশৰ পাছত 'খ-মা' অংশটো বোৱা হয়। 'খ-মা' বাণিৰ নমুনা হ'ল প্ৰথমে বগা চাৰি মাকো, গুলপীয়া ডেৰ ছেণ্টি মিটাৰ, সেউজীয়া আৰু ক'লা আধা ছেণ্টি মিটাৰ বা তাতোতকৈ কিছু বেছিও হয়। পাছত, তিনি মাকো হালধীয়া আৰু এক মাকো ক'লাৰে 'হয়' দিয়ে। বেঙুনীয়া আধা ছেণ্টি মিটাৰ, বগা চাৰি মাকো, ক'লা আঠ মাকো, গুলপীয়া আধা ছেণ্টি মিটাৰ, ক'লা আৰু সেউজীয়া আধা ছেণ্টি মিটাৰ, হালধীয়া দুই মাকো, বেঙুনীয়া আধা ছেণ্টি মিটাৰ আৰু দুই মাকো বগাৰে এটা 'হয়' দিয়ে। ক'লা আধা ছেণ্টি মিটাৰতকৈ কম, গুলপীয়া আধা ছেণ্টি মিটাৰতকৈ বেছি, ক'লা আৰু সেউজীয়া আধা ছেণ্টি মিটাৰ আৰু হালধীয়া আঢ়ৈ ছেণ্টি মিটাৰ। এই অনুক্ৰমে আৰু দুটা 'খা-মা' বৈ উলিওৱা হয়।

'চিন'খনৰ একেবাৰে ওপৰৰ অংশটোক 'হো-চিন' বুলি কোৱা হয়। 'হো' শব্দৰ অৰ্থ মূৰা অৰ্থাৎ মেখেলাৰ মূৰৰ অংশ বুজোৱা হৈছে। 'হো-চিন' বওঁতে ক'লা দীঘটোৰ ওপৰত সেউজীয়া, বেঙুনীয়া, গুলপীয়া, বগা, হালধীয়া আদিৰে বাণি বোৱা হয়। 'চিন'খন তাঁতশালত বৈ উলিওৱাৰ পাছত দুখন কাপোৰ দীঘলে-দীঘলে চিলাই কৰি একেবাৰে ওপৰত 'হো-চিন' চিলাই কৰা হয়। এইদৰে তিনি ডোখৰ চিলাই কৰি যোৰা লগা 'চিন'খনেই টাইফাকেসকলৰ মহিলাৰ মেখেলা।

পৰম্পৰাগতভাৱে টাইফাকেসকলে ব্যৱহাৰ কৰা সাজ-পাৰ আজিও পৰিধান কৰি স্বকীয়তাৰ পৰিচয় দি আহিছে। যান্ত্ৰিকতাৰ যুগত ফাকেসকলে নিজা পৰম্পৰা বজাই ৰাখিব পৰাটো অতি সুখৰ বিষয়। অনাগত সময়ে এই দিশত কেনে প্ৰভাৱ পেলাব সি লক্ষণীয় হ'ব। ❖

এক পৃষ্ঠাৰ পৰা

# ৰঙালী বিহুৰ বাস্তৱ দিশ

ৰাখি ডেকা-গাভৰুৰ মুকলি বিহুৰ (পূৰ্বৰ চ'তৰ বিহুৰ) প্ৰতিযোগিতাহে অনুষ্ঠিত কৰিবলৈ লোৱা ভাল নেকি? কাৰণ বৰ্তমানৰ হুঁচৰি প্ৰতিযোগিতাই বিহু-হুঁচৰি ৰূপ লৈ পূৰ্বৰ পৰম্পৰা ভাঙিছে। হুঁচৰি আৰু মুকলি বিহু উভয়কে বিকৃত কৰি পেলাইছে।

(গ) ওপৰৰ কথাখিনি প্ৰতিযোগিতালৈ নিমন্ত্ৰণ পোৱা বিহুৰ বিচাৰকসকলে নিজৰ ভিতৰতে আলোচনা কৰি পিছত বিহুতলীৰ উদ্যোক্তা আৰু প্ৰতিযোগীক মুকলি কৈ জনাই দিব লাগে। ওপৰত উল্লেখ কৰা 'হুঁচৰি' আৰু 'ডেকা-গাভৰুৰ মুকলি বিহু' এই দুয়োটা বিষয় সম্পৰ্কে বিহুৰ বিচাৰক, প্ৰতিযোগী আৰু বিহুতলীৰ উদ্যোক্তাসকলে কিছু অধ্যয়ন কৰি লোৱাৰ প্ৰয়োজন। বিহু উৎসৱ পাতিব লাগে কাৰণেই পাতি থাকিলে জাতীয় কৃষ্টিৰ গাত চেকা লগোৱাৰ দায়ে চুব। সকলো জাতীয় সম্পদ ৰক্ষা কৰিবলৈহে ওলাই অহা উচিত; বিনষ্ট কৰিবলৈ নহয়। ভেটি ৰক্ষা নকৰিলে কাললৈ ঘৰ ক'ত বান্ধিব? (ৰঙালী বিহুৰ ব্যৱহাৰিক দিশৰ বিস্তাৰিত আলোচনা এই লেখকৰ সদ্যপ্ৰকাশিত 'বিহু ঃ বিধি আৰু ব্যাধি' আৰু 'বিহু ঃ সংৰক্ষণ আৰু প্ৰত্যাহ্বান' নামৰ গ্ৰন্থ দুখনত পোৱা যাব।)

(ঙ) ৰঙালী বিহুৰ ব্যৱহাৰিক দিশৰ পৰম্পৰা অক্ষুন্ন ৰাখিবলৈ হ'লে বিহুৱা-বিহুৱতীৰ সাজ-পোচাকৰ দিশটোলৈয়ো বিহুৰ বিচাৰক, প্ৰতিযোগী, বিহুতলীৰ উদ্যোক্তা আৰু সাধাৰণ ৰাইজ সকলোৱে মন দিব লাগিব আৰু পৰম্পৰাগত পোচাক পিন্ধাৰ ক্ষেত্ৰত কঠোৰ হ'ব লাগিব। জাতীয় পোচাক পৰিধান কৰাটো পবিত্ৰ কৰ্তব্য বুলি ভাৱিব লাগিব। বিহুতলীলৈ অহা বিহুৱতীসকলে মাজতে প্ৰচলন হ'বলৈ ধৰা মূগাৰ মেখেলা-চাদৰ পিন্ধিবলৈ এৰি মূগা ৰিহা-মেখেলা পিন্ধিব লাগিব, লগত ৰঙা বা ক'লা ৰঙৰ কিলাকুটি ঢকা ব্লাউজ। ডিঙিত এপদ অসমীয়া অলঙ্কাৰ ঢোলবিৰিটো হ'লেই শুৱনি হয়। তাকে যেনিবা টিলিকাটো নহৈ অলপ ডাঙৰটো হ'ব লাগে। গাভৰুৰ মূৰত কেঁকোৰা কাকৈৰ প্ৰয়োজন নাই, পূৰ্বে চোন গগণাও গুজা নাছিল। কঁকালৰ ৰঙা হাঁচতিখন, ছুৰী কটাৰীখন দেখাক দেখিহে লোৱা, নহ'লেও হয়।

(চ) বিহু মাৰিবলৈ অহা ডেকা বিহুৱাসকলে 'কলাৰ' থকা মূগাৰ ভমকা ফুলীয়া হাফ চাৰ্ট পিন্ধাটো বন্ধ কৰিব লাগে, এইটো কাহিনী চিত্ৰত বিহুৱাৰ অভিনয় কৰা সকলে পিন্ধা চোলাহে, তাহানিৰ বিহুৱা ডেকাই এনে চোলা পিন্ধাৰ পৰম্পৰা নাই। বিহুৱাসকলে ফুল নথকা মূগা কাপোৰৰ বা কপাহী কাপোৰৰ জৰী বন্ধা এঙা চোলা, হালোৱা চোলা আৰু আগফালে মূগা, পিচফালে ক'লা কাপোৰৰ বিহু চোলা পিন্ধাটোহে পৰম্পৰা।

(ছ) সাম্প্ৰতিক কালত মঞ্চৰ বিহু দেখি তাৰ পৰা জ্ঞান আহৰণ কৰা, বিহুক বেপাৰৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা, পুৰুষ বা ডেকাৰ বিহুনাচ আৰু গাভৰুৰ বিহু নাচৰ পাৰ্থক্য নুবুজা সমল ব্যক্তি বা প্ৰশিক্ষকৰে আৰু বিহু কৃষ্টিৰ পৰম্পৰাৰ ধাৰণা নথকা প্ৰশিক্ষকৰ বিহু নাচৰ কৰ্মশালা পতা কাৰ্য বিহুৰ পৰম্পৰা ৰক্ষা কৰিবলৈ হ'লে বন্ধ কৰিব লাগিব। বিহুনাচ লোকনাচ; লোকনাচ, লোককলা আদি পৰম্পৰাগতভাৱে অৰ্থাৎ ইটো প্ৰজন্মৰ পৰা সিটো প্ৰজন্মই শিকে। গতিকে বিহু নাচো তেনে ব্যৱস্থাৰেই শিকিবলৈ এৰি দিব লাগিব। পিচৰ প্ৰজন্মক ধন ঘটিবৰ বাবে, প্ৰতিযোগিতাত বঁটা সংগ্ৰহ কৰিবৰ বাবে বিহুনাচ শিকাব নালাগে। এনেদৰে শিকোৱা নাচ সদায় কৃত্ৰিম হয়। বিহু বিষয়ক কাহিনী চিত্ৰৰ নাম-নাচ-চেও-চাপৰ আদি শিকাব নালাগে। সেইখিনি কাহিনীয়ে বিচৰা মতে কৰে, পৰম্পৰা ৰাখিবলৈ নকৰে। কেছেট, চিডিৰ নাম-নাচ বিহু ভিত্তিকহে। আজিৰ কৰ্মশালাই বিহু নাচৰ পৰম্পৰা ভাঙিছে, নাচটোক অধিক কৃত্ৰিম কৰিছে।

(জ) কুৰি শতিকাৰ প্ৰথম দ্বিতীয় দশকৰ পৰা বিহুনাম-বিহুগীত সমাৰ্থক শব্দ হিচাপে ব্যৱহাৰ হৈ আহিছে। আজিকালিৰ বিহু ভিত্তিক কাহিনী চিত্ৰৰ চিডিবোৰৰ সকলো গীতেই বিহু সুৰীয়া গীত, বিহুনাম-বিহুগীত নহয়। চিডিৰ বিহু নাচবোৰো পৰম্পৰাগত বিহু নাচ নহয়, কৰিঅ'গ্ৰাফীৰে বন্ধা বিহুনাচ ভিত্তিক নাচহে বুলি উল্লেখ কৰাই হৈছে। নতুন প্ৰজন্মক বিহুনাম, বিহু নামৰ জাত আদি ডিম্বেশ্বৰ নেওগ দেৱৰ 'আকুল পথিক' (বন-বেণু), নকুল চন্দ্ৰ ভূঞাৰ 'বহাগী', ডঃ প্ৰফুল্ল দত্ত গোস্বামীৰ 'বাৰ মাহৰ তেৰ গীত', ডঃ লীলা গগৈ দেৱৰ 'বিহুগীত আৰু বনঘোষা' আদি গ্ৰন্থ অধ্যয়ন কৰি শিকিবলৈ দিব লাগে। এই লেখকৰ পূৰ্বে উল্লেখ কৰা গ্ৰন্থতো কিছু বিহুনাম জাতসহ পোৱা যাব। বিহুসুৰীয়া গীত লৈ কৰিঅ'গ্ৰাফীৰে বন্ধা কেৱল দৰ্শকৰ ফালে চাই থকা নাচ লৈ প্ৰতিযোগিতালৈ আহিলে বিচাৰকসকলে (বিহুৰ) হাত ধৰিব লাগে।

(ঝ) হুঁচৰি গায়, বিহু মাৰে। আজিকালি হুঁচৰি গোৱা ৰাইজৰ সংখ্যা কমি গ'ল। ব্যৱসায়ী আৰু কেৱল প্ৰতিযোগিতামুখী হুঁচৰি দলৰ (আচলতে হুঁচৰি বিহু) সংখ্যা বাঢ়ি আহিল। এইবোৰ দলে পৰম্পৰা নাৰাখে, ভাঙেহে। এতিয়াৰ এই বিহু দলবোৰৰ পৰিচালকৰ হাতৰ পুতলা হৈ পৰিছে। বিহুক কাৰোবাৰ হাতৰ পুতলা হ'বলৈ এৰি দিবনে? ৰঙালী বিহুৰ ব্যৱহাৰিক দিশৰ পৰম্পৰা ৰাখিবলৈ হ'লে দেশৰ বাহিৰে-ভিতৰে বিহু প্ৰদৰ্শন কৰোৱা চৰকাৰী বিভাগবোৰে বা বেচৰকাৰী সংগঠনবোৰে ৰঙালী বিহুৰ নাচ-নাম-গান-বাদ্যৰ পৰম্পৰাখিনি জানি ল'ব লাগিব আৰু পৰম্পৰা ৰক্ষা কৰা বিহুদলকহে অন্যান্য ঠাইলৈ পঠোৱাৰ ব্যৱস্থা কৰিব লাগিব। 'সাম্প্ৰতিক কালৰ বিহু ওস্তাদ'ৰ দ্বাৰা পৰিচালিত দল পঠালে পৰম্পৰা ইফাল সিফাল হয়েই। এওঁলোকে নিব নেলাগে যদিও লগত জাপিটো লৈ যায়েই। চোলাৰ নামত ভমকাফুলীয়াটো পিন্ধেই। বিহুতলীতো 'ঢুলীয়া হাত' বজোৱাৰ দৰে ঢোল বজায়েই। শাৰীপতা নাচ দেখুৱায়েই। এইবোৰ কাৰ্য বন্ধ কৰিবলৈ হ'লে অভিজ্ঞ ব্যক্তিৰ এখন উপদেষ্টা পৰিষদৰ দ্বাৰা বিহুদল নিৰ্বাচন কৰা ভাল। প্ৰয়োজন হ'লে এই বিহুদলবোৰক পৰম্পৰাৰ সম্যক ধাৰণা দিবৰ বাবে, সকলো দিশৰ পৰা এটা সুন্দৰ দল ৰূপে গঠিত হ'ব বাবে অভিজ্ঞ লোকৰ দ্বাৰা প্ৰশিক্ষণ দি লোৱাও ভাল।

**বিহুনাচৰ আখৰাৰ (কৰ্মশালা) পাঠ্যক্ৰম ঃ** বিহুনাম-বিহুগীতসমূহ অসমীয়া লোক সাহিত্যৰ অন্তৰ্গত, অসমীয়া মৌখিক সাহিত্যৰ এক অমূল্য সম্পদ। তেনেকৈ বিহু নাচ আদি অসমীয়া লোক-সংস্কৃতিৰ সোণসেৰীয়া সম্পদ। ইবিলাক সৃষ্টিকৰ্তা বা ৰচকৰ নাম নাথাকে। ইবিলাক ইটো প্ৰজন্মৰ পৰা সিটো প্ৰজন্মলৈ বাগৰি অহা কথাটো পূৰ্বে উল্লেখ কৰি অহা হৈছে। কিন্তু সাম্প্ৰতিক কালত সেই পৰিৱেশটোৰ কিছু সলনি হৈছে। বিশ্ব গাঁৱৰ ফালৰ পৰা নগৰমুখী হৈছে। বিহুনাচ, বিহুনাম নগৰৰ নতুন প্ৰজন্মক, ছাত্ৰ-ছাত্ৰীসকলক শিকাব লগা হৈছে। আমি নিবিচাৰিলেও বা সমৰ্থন নকৰিলেও সময়ে যেন বিহুনাম, বিহুনাচৰ প্ৰশিক্ষণৰ, আখৰাৰ (কৰ্মশালাৰ) দাবী কৰিছে। লগে লগে 'কৰ্মশালা'বোৰক সঠিক পথেদি লৈ যোৱাৰ প্ৰয়োজন আহি পৰিছে, যাতে আমি নিৱন্ধৰ প্ৰথম অংশত উল্লেখ কৰি অহাৰ দৰে বিহুনাচ, বিহুনামক কৃত্ৰিম কৰি পেলাব নোৱাৰে।

নাচিব জানিলেই বিহুনাচৰ 'কৰ্মশালা'ৰ শিক্ষক হ'ব নোৱাৰি। কিন্তু বৰ্তমান কালত কেৱল নাচিব, গাব জনা লোকক‌ে পৰম্পৰা ভাঙি আধুনিক পৰিৱেশনাক অধিক গুৰুত্ব দিয়া লোককে, পৰ্দাৰ গ্লেমাৰ থকা নায়িকাকে বিহুনাচৰ 'কৰ্মশালা'ৰ সমল ব্যক্তি (প্ৰশিক্ষক) হিচাপে নিমন্ত্ৰণ কৰিবলৈ লোৱা দেখা গৈছে। লগে লগে বিহু নাচৰ এক আধুনিক কৰিঅ'গ্ৰাফীৰে বন্ধা ৰূপ নতুন প্ৰজন্মৰ মাজত বিয়পি পৰিছে, বিহুসুৰীয়া গীতকে বিহুনাম-বিহুগীত বুলি বুজিবলৈ লৈছে। এই প্ৰসঙ্গতে বিহুনাচৰ কৰ্মশালাৰ এক পৰম্পৰাৰ ভেটিত সংস্থাপিত পাঠ্যক্ৰমৰ, মৰ্মকথাৰ প্ৰাসংগিকতা আহি পৰিছে। পাঠ্যক্ৰম নোহোৱাৰ বাবেই আজিৰ সমল ব্যক্তিসকলে মঞ্চৰ অভিজ্ঞতাৰে যি যেনেদৰে পাৰে শিকাই গৈছে। বৃত্তাকাৰ ৰূপৰ নাচ শাৰী পাতি শিকাবলৈ লৈছে, ল'ৰাৰ নাচৰ ঢোলৰ চাপৰত ছোৱালীক নচুৱাইছে, মধ্যলয়ৰ বিহুনাচ দ্ৰুতলয়ত শিকাইছে, মূল নাচৰ ছেও পাহৰি কেছেট চিডিৰ খিচিৰি ঢোলৰ ছেও শিকাইছে, হাতৰ চাপৰ নিশিকাই ঢোলত খেমতা তাল শিকাইছে, বাঁহৰ টকাৰ প্ৰচলন বন্ধ কৰিছে, লোকবাদ্যৰ স্বৰ নিয়ন্ত্ৰণ বা নাচোনত মাত্ৰা আৰোপ কৰি এক বন্ধা নাচৰ (শাস্ত্ৰীয়ৰ দৰে) প্ৰশিক্ষণ দিছে, পৰম্পৰাগত বিহুনাচৰ জটিল ৰূপ প্ৰদান কৰিছে। সেয়ে, এই গোটেই ব্যৱস্থাটোক সঠিক ঠাইলৈ আনিবৰ বাবে তলত আমি বিহুনাচৰ কৰ্মশালাৰ প্ৰাথমিক পাঠ্যক্ৰম এটিৰ আৰ্হি দাঙি ধৰিলো -

**বিহুনাচৰ আখৰাৰ প্ৰাথমিক পৰ্যায়ৰ পাঠ্যক্ৰম ঃ**

ক) আখৰাৰ সূচনা হিচাপে তলত বোল দিয়া, বিহুৱতী নচুওৱা ঢোলৰ ছেওটো বজাব। এই ঢোলৰ ছেওটো বজাওঁতে শিক্ষাৰ্থীসকলক হাতৰ চাপৰি বজাই বৃত্তাকাৰ ৰূপ (নাচৰ বাবে) ল'বলৈ দিব লাগে। প্ৰয়োজন হ'লে ছেওটো দুবাৰ বজাব লাগে আৰু শিক্ষাৰ্থীসকলক ছেওটো মনত ৰাখিবলৈ ক'ব লাগে। ছেওটো শেষ হোৱাৰ পিছত যোজনা গাব লাগে -

ঢোলৰ ছেও -

ঘেন ফ্ৰাওঁ খিত খিতি খিত তাখি
ঋত ফ্ৰাওঁ খিত খিতি খিত তাখি
ঘেন ফ্ৰাওঁ খিত খিতি খিত তাখি
ঋচ ফ্ৰাওঁ খিত খিতি খিত তাখি
ঘেন ঘেনি ঘেন ফ্ৰাওঁ, তাখি ঘেনি ঘেন ফ্ৰাওঁ
ঋতা তাখি ঘেন ঘেনা ঘেন।
(গোটেই বোলখিনি আকৌ এবাৰ বজাব।)
তাখি ঘেন ঘেন ফ্ৰাওঁ ঘেন।

**যোজনা ঃ**

আই সৰস্বতী দেৱী পাৰ্বতী তোমালৈ মানি যাওঁ চাউল।
পাহৰা নামকে সোঁৱৰাই দি যাবা নামৰ ভাঙি যাবা আউল।।
(যোজনা গাওঁতে হাত পকাবলৈ দিব নালাগে। সকলোকে এখন হাত খোপাত থৈ ইখন হাতেৰে দূৰলৈ দেখুৱাই লাহে লাহে পুনৰ খোপাত থবহি লাগে।)

**বিহুনাম ঃ** দলীয় কণ্ঠৰ -

এ জান ঐ আজি বিহু বিহু, এ জান ঐ কালি বিহু বিহু
এ জান ঐ নাহৰ ফুল ফুলিবৰ বতৰ।
জান ঐ ঢিমিক ঢামাক কৰি এ জান ঐ জ্বলে চাকি গছি
এ জান ঐ আশাৰে পথলৈ - আশাৰে পথলৈ চাই।।
(একেদৰে)
কেতেকী চৰায়ে, কাটে সৰু সূতা, মৰুৱা কাঠৰে যঁতৰ।।
জান ঐ ঢিমিক ঢামাক কৰি... (জাত সম্পূৰ্ণকৈ গাব)

(জয়জয়তে প্ৰশিক্ষকে বিহুনামত কণ্ঠদান কৰি শিক্ষাৰ্থীসকলক প্ৰথমতে হাতৰ চাপৰি বজাবলৈ শিকাব লাগে। হাতৰ চাপৰি বজোৱাত পাকৈত হ'লেহে সৰু গোট এটাক গাবলৈ আৰু আনসকলক নাচিবলৈ দিব লাগে।)

**বিহুনাম ঃ**

বিহুৰে বিৰিণা অ' পদুম পাতে সমনীয়া অ' পদুম পাতে
সমনীয়া অ' পদুম বিহুৰে ঐ বিৰিণা পাত।
বিহু থাকে মানে অ' পদুম বিহুকে বিনাবা অ' পদুম বিহুকে
বিনাবা অ' পদুম বিহু গ'লে বিনাবা কাক।।
ৰিজু বিজু বিজু বন ফুলি আছে বৃন্দাবন
পিন্ধো পিন্ধো লাগিছে, পিন্ধো পিন্ধো লাগিছে মন

(নাম আৰু জাত কিছু নতুন ধৰণেৰে সজোৱা হৈছে। নাম একক কণ্ঠত গাই 'ৰিজু, বিজু বিজু বন...' জাতটো দলীয় কণ্ঠত গাব লাগে।)

একেদৰে -
অতি চেনেহৰে মূগাৰে মহুৰা অতি চেনেহৰে মাকো।
তাতোকৈ চেনেহৰ ৰঙালী বিহুটি নেপাতি কেনেকৈ থাকো।।

**বিহুনাম ঃ** (এজনে লগাব, আনসকলে পুনৰাবৃত্তি কৰিব)

অ' চেনি বাখৰ ঐ চান্দ নো বিতলীয়া
অ' চেনি বাখৰ ঐ সূৰুয নো বিতলীয়া
অ' চেনি বাখৰ ঐ আৰুনো বিতলীয়া চকু চেনি বাখৰ ঐ
(দলীয়) আৰুনো বিতলীয়া, আৰুনো বিতলীয়া চকু
(একেদৰে) চকুৰ ঐ ভিতৰত, মণিনো বিতলীয়া
মনিব ঐ নোৱাৰো একো চেনি বাখৰ ঐ...

**বিহুনাম ঃ** (এজনে লগাব, আনসকলে পুনৰাবৃত্তি কৰিব)

ৰ ৰ ৰতি মইনামতী চ'তে নো গৈয়ে গৈয়ে
ৰ ৰ ৰতি মইনামতী ব'হাগে ঐ পালেহি
ৰ ৰ ৰতি মইনামতী ফুলিলে ঐ ভেবেলী লতা।

(একেদৰে) কৈনো থাকো মানে ওৰকে নপৰে ৰঙালী বিহুৰে কথা।

**ঢোলৰ ছেও ঃ**

ঘেন ৰিফাওঁ খিতি ঘেনাওঁ খিত খিতি খিত তাওঁ
খিতি ৰিফাওঁ খিতি ঘেনাওঁ খিতি খিতি খিত তাওঁ
ঘেন ৰিফাওঁ খিতি ঘেনাওঁ, খিতি ৰিফাওঁ খিতি ঘেনাওঁ
খিত তাখি ঘেন ঘেনাওঁ ঘেন।।

(ছেওটোৰ প্ৰথম দুশাৰীৰ বোল কেৱল দুবাৰ বজাব লাগে আৰু খিত খিতি খিত বোলত ঢোলৰ মাৰিৰে খোলাত আঘাত কৰিব লাগে।)

**বিহুৱতীৰ নাচোন ভঙ্গী ঃ**

১) ম'হৰ শিঙৰ দৰে হাত মেলি কঁকাল ভঙা
২) কঁকালত পিছফালে হাতৰ পিঠি লগাই কঁকাল ভঙা
৩) কঁকালত হাত দি হালি জালি (কঁকালৰ পৰা দেহৰ ওপৰ অংশ ঘূৰাই) নচা
৪) খোপাত হাত দি কঁকাল ভাঙি নচা

চতুৰ্থ ভঙ্গীত নিজৰ ঠাইতে এপাক ঘূৰিব পাৰে। আনকেইটা ভঙ্গী প্ৰদৰ্শনৰ সময়ত পদচালনাৰে ঠাই সলনি কৰিব কিন্তু বৃত্তাকাৰ ৰূপ নাভাঙিব।

**বিহুৱতীৰ সাজপাৰ ঃ** মেখেলা-ৰিহা, ৰঙা বা ক'লা ব্লাউজ, এপদ অলংকাৰ।

ওপৰত উল্লেখ কৰা একেখিনি বিহুনামকে গাই, তলত বোল দিয়া ঢোলৰ ছেওটো বজাই ল'ৰাক বিহু নাচ শিকাব পাৰি। ল'ৰাৰ নাচোন ভঙ্গীৰ ক্ষেত্ৰত - ১) ম'হৰ শিঙৰ দৰে হাত মেলি কঁকাল ভঙা (২) কঁকালত হাত দি কঁকাল ভঙা নাচকে প্ৰথম পৰ্যায়ত শিকাব লাগে। কছাৰী ছেও, ধেমেলীয়া ছেও আদিৰ নাচ বয়স বাঢ়িলে ডাঙৰক দেখি আপোনা-আপুনি (নিজে নিজে) শিকিবলৈ এৰি দিব লাগে। ল'ৰাৰ ক্ষেত্ৰত এই পাঠ্যক্ৰমতে 'হুঁচৰি'ও সংগঠিত কৰিব পাৰি। ল'ৰাৰ পোচাকৰ ক্ষেত্ৰত ধূতি, আগফালে মূগা আৰু পাছফালে ক'লা ৰঙৰ কাপোৰৰ বিহুচোলা বা মূগাৰ জৰী বন্ধা এঙা চোলা (ভমকা ফুলীয়া 'কলাৰ' থকা মূগাৰ হাফ চাৰ্ট বৰ্জনীয়), টঙালী আৰু এটা আগত ফুল থকা গামোচা।

**ল'ৰাৰ ঢোলৰ ছেও ঃ**

১) ঘেন ঘ্ৰেন ফাওঁ খিতি
ঘেনাওঁ উদাওঁ খিতি ঘেন তাখি ঘেন ফাওঁ খিতি
ঘেনাওঁ উদাওঁ খিতি ঘেন তাখি ঘেন ফাওঁ খিতি
ঘেন দাওঁ খিত তাওঁ ঘেনঘেনি ঘেন।
(গোটেইবিলাক বোল দুবাৰ বজাব)
২) ঘেন দিঘেন দাওঁ দাওঁ, ঘেন ঘেনা খিতি ঘেন
তাখি দিঘেন দাওঁ দাওঁ ঘেন ঘেনা খিতি ঘেন তাখি
দিঘেন দাওঁ দাওঁ দিঘেনিতাওঁ ৰিঘেন দাওঁ ঘেন

(বোলখিনি দুবাৰ বজাব। এইখিনি এটা খৰা ছেওৰ সূচনাখিনিহে মাত্ৰ)

দাখি ঘেন ঘেন ফ্ৰাওঁ ঘেন।

❖ *নাচ বা নৃত্য শব্দৰ প্ৰসংগত আজিকালি প্ৰচলিত 'কৰ্মশালা' শব্দটো অৰ্থৰ দিশৰ পৰা খাপ নাখায়। এই প্ৰসঙ্গত 'আখৰা' শব্দটোহে খাপ খায়। আমাৰ লেখাত শিকাৰুসকলে বুজিবৰ বাবেহে দুয়োটা শব্দ ব্যৱহাৰ কৰা হৈছে।* ❑

এক পৃষ্ঠাৰ পৰা

# অসম-নাগালেণ্ড সীমা

এই বিষয়ত সৰ্বোচ্চ ন্যায়ালয়ৰ যথোপযুক্ত আৰু সময়োপযোগী ৰায় দিব নোৱাৰাই অসম-নগালেণ্ডৰ সীমা বিবাদৰ মূল কাৰণ।

অসম-নগালেণ্ড সীমা অঞ্চলৰ নগা আক্ৰমণৰ ঘটনা যোৱা দুই দশক ধৰি বিৰামহীনভাৱে সংঘটিত হৈ আছে। চৰকাৰী আৰু বেচৰকাৰী সম্পত্তিৰ ওপৰত প্ৰথম গুৰুত্বপূৰ্ণ নগাৰ আক্ৰমণ হৈছিল ১৯৫৫ চনৰ ২৯ ডিচেম্বৰ তাৰিখে। কিন্তু অসম চৰকাৰে তাৰ বিৰুদ্ধে কোনো কাৰ্যকৰী ব্যৱস্থা ল'বলৈ সাহস কৰা নাই। ফলস্বৰূপে কুৰি বছৰ ধৰি নগাসকলে অক্ষমনীয় উৰ্দ্ধতা দেখুৱাই অসমৰ সীমাৰ ভিতৰত অবাধে নৰহত্যা আৰু লুটপাত চলাই আছে। তাৰ ভিতৰত মূল বিবাদ হিচাপে ১৯৭৯ চনৰ চুঙাজানৰ, ১৯৮৫ চনৰ মেৰাপানী আৰু খাদ্য সংঘটিত ২০১৪ চনত উৰিয়াম ঘাটৰ নগা দুৰ্বৃত্তৰ নাৰকীয় হজালীলাই অসমৰ বুৰঞ্জীত নৃশংহত্যাৰ দাগ ৰাখি যাব।[২] এই বিবাদসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল -

অসম-নগালেণ্ড সীমান্তৱৰ্তী অঞ্চলৰ বিবাদ স্বাধীনতাৰ পিছৰে পৰা চলি আহিছিল যদিও ১৯৭৯ চনৰ স্পষ্টত নৃশংস ৰূপত সংঘটিত হৈছিল, ১৯৭৯ চনৰ ৫ জানুৱাৰী তাৰিখে ৪৩৯ কি.মি. দৈৰ্ঘৰ অসম-নগালেণ্ড সীমান্তৰ গোলাঘাট জিলাক 'বি' হেক্টৰৰ চুঙাজানত তথা ৰেংমা, দক্ষিণ নামবৰ আৰু ডিফুত অতি নিষ্ঠুৰভাৱে নগাৰ সশস্ত্ৰ আক্ৰমণ সংঘটিত হৈছিল। য'ত নগাই খিলঞ্জীয়া অসমীয়াক অসমৰ ভূমিত কচু কটা দিছিল। সেই আক্ৰমণত প্ৰায় ৯০-১০০ জন অসমীয়াৰ মৃত্যু হৈছিল। প্ৰায় ২০,০০০ তকৈ অধিক অসমীয়া গৃহ হাৰা হৈছিল আৰু ১৩ খন গাঁৱৰ প্ৰায় ৪৫৯ টা ঘৰ ভষ্মীভূত কৰা হৈছিল। যাৰ পৰিপ্ৰেক্ষিতত নিৰপেক্ষ বাহিনী হিচাপে অসম ৰাইফলচৰ পৰিৱৰ্তে চি.আৰ.পি. এফ নিয়োগ কৰা হৈছিল।

১৯৮৫ চন, আকৌ অশান্ত হ'ল গোলাঘাট জিলাৰ অসম-নগালেণ্ড সীমান্তৰ মেৰাপানী। নগাৰ ভয়ংকৰ আক্ৰমণ চলিল সীমান্তৰ 'ডি' ছেক্টৈৰত নগাৰ দাবী উত্থাপিত ১৪৩০.৪০ বৰ্গ কি.মি. ভূমিৰ অন্তৰ্গত মেৰাপানীত এখন মুক্ত যুদ্ধ চলিছিল নগা উগ্ৰপন্থী, অসমৰ সীমান্তৰ নিৰাপত্তাৰক্ষীৰ মাজত, যাৰ ফলস্বৰূপে প্ৰায় ৪০ জনতকৈ বেছি লোকৰ মৃত্যু হ'ল। হাজাৰ হাজাৰ লোক আহি দৈয়াং বনাঞ্চলৰ মেৰাপানী, ভেলোগুৰি, তৰাণি, কাছমাৰী, চাউদাং পথাৰ, গমাৰী আদিকে ধৰি পুলিবগানলৈকে আশ্ৰয় শিবিৰ পাতিলে। এই সংঘাত পৰ্যালোচনা কৰিবৰ বাবে গঠন কৰা আৰ.কে. শাস্ত্ৰী কমিছনে প্ৰতিবেদনত উল্লেখ কৰে যে ১৯৮৫ চনৰ ৰক্তক্ষয় বিবাদৰ মূল কাৰণ আছিল অসম-নগালেণ্ড সীমান্তৱৰ্তী অঞ্চলত বন্দুকধাৰী প্ৰহৰী নিয়োগ কৰাটো, যিয়ে অসম-নগালেণ্ড চৰকাৰৰ মাজত সন্দেহৰ বীজ অংকুৰণ ঘটাইছিল।

সদ্য সংঘটিত অসম-নগালেণ্ডৰ সীমা বিবাদৰ কেন্দ্ৰবিন্দু হ'ল গোলাঘাট জিলাৰ 'বি' ছেক্টৰৰ অন্তৰ্ভূক্ত উৰিয়ামঘাটৰ সংঘাতৰ সূত্ৰপাত হৈছিল ২৬ জুলাইত। ছাত্ৰ অপহৰণক আৰু আটাছাৰ সদস্যক হত্যাকাণ্ড লৈ। অপহৃত ছাত্ৰদ্বয়ক উদ্ধাৰ কাৰ্যত অসম প্ৰশাসনৰ নিৰ্বিকাৰ ভূমিকাৰ ফলস্বৰূপেই উত্তেজিত জনসাধাৰণ আৰু আৰক্ষী চি.আৰ.পি.এফ.ৰ মাজত সৃষ্টি হোৱা অন্য এক সংঘাত, তাৰ সমসাময়িকভাৱে 'বি' ছেক্টৰ ৫৮৬.৮৮ বৰ্গ কি.মি. ভূমিৰ অন্তৰ্গত মাত্ৰ ২৫ বৰ্গ মাটিৰ নগা দুষ্কৃতিকাৰীয়ে 'বি' ছেক্টৰৰ অন্তৰ্গত ১৫ খন গাঁও ৭২৫ জন লোকৰ ঘৰ জ্বলাই দিছিল আৰু নগা ঘাতকৰ নিৰ্বিচাৰ গুলীত ১৬ জন লোকে প্ৰাণ হেৰুৱাইছিল। ১০,০০০ অধিক লোক গৃহহাৰা হ'ল, তাৰ প্ৰতিবাদ কৰিবলৈ যাওঁতে উৰিয়ামঘাট, চেতিয়া গাঁও, ৰোমানবস্তি, গোলাঘাটৰ ৰঙাজানত যুদ্ধৰ সূচনা হ'ল অসম আৰক্ষী, নিৰাপত্তাৰক্ষী চি.আৰ.পি.এফ.ৰ বৰ্বৰতাত প্ৰাণ হেৰুৱালে নিৰীহ জনসাধাৰণে। সেই সময়তে আকৌ 'বি' ছেক্টৰৰ ৫৮৬.৮৮ কি.মি. অন্তৰ্গত মাত্ৰ ২৫ বিঘা মাটিক কেন্দ্ৰ কৰি অসমৰ ছিখন ছামা আৰু নগালেণ্ডৰ ইকন থাংলোমাৰ মাজত মালিকীস্বত্ব সংঘাতে দেখা দিলে। তেনে পৰিপ্ৰেক্ষিতত প্ৰশাসনে অবৈধভাৱে ২৫ বিঘা মাটি ইকন মাংলোমাৰ হাতত হস্তান্তৰ কৰি দিলে। এই বিবাদৰ সময়ত অসমৰ প্ৰশাসনৰ যি অকাৰ্যক্ষম ভূমিকা তথা অসমীয়াৰ ওপৰত চলোৱা আক্ৰমণ আৰু ৰাজ্য চৰকাৰৰ নিৰ্বিকাৰ ভূমিকা যিয়ে সীমান্তৰ বিবাদ অধিক ৰক্তময় কৰি তুলিছিল।

অসম নগাভূমি সীমান্তৰ সীমা বিবাদৰ যিহেতুকে এক ঐতিহাসিক পটভূমি আছে যি পটভূমিৰ ওপৰত ভিত্তি কৰিয়েই নগাই বিবাদ কৰি আছে। কিন্তু অসমৰ ঐতিহাসিক পটভূমিৰ পৰিৱৰ্তে সাংবিধানিক সীমাৰ ওপৰত জোৰ দিবলগীয়া হৈছে। কিয়নো সীমান্তৱৰ্তী এলেকাৰ ক্ষেত্ৰত অসমৰ ইতিহাস হ'ল তুখুৰিয়া তথা জোৰ-তাপলি মৰা। কিয়নো অসমৰ সীমান্তৱৰ্তী এলেকাত বাস কৰা লোকসকল হৈছে স্বৰাজোত্তৰ কালৰ শৰনাৰ্থী আৰু বিদেশী প্ৰব্ৰজনকাৰী। সেয়েহে অসমে সমাধানৰ বাবে গুৰুত্ব দিছে সাংবিধানিক সীমাক ভিত্তি কৰি আনহাতে নগাই গুৰুত্ব দিছে ইতিহাসক কেন্দ্ৰ কৰি। এনে ক্ষেত্ৰত অসম, নগা সীমান্ত বিবাদৰ সমস্যা সমাধানৰ বাবে একমাত্ৰ সৰ্বোৎকৃষ্ট উপায় হৈছে গভীৰভাৱে লোৱা চিন্তা-চৰ্চ্চা।

অসম-নগালেণ্ড সীমা বিবাদৰ ক্ষেত্ৰত মন্তব্য আগবঢ়াবলৈ যাওঁতে প্ৰথমেই পৰ্যালোচনা কৰিব লাগিব অন্তনিৰ্হিত কাৰক, ব্যৱস্থাৱলী, পদক্ষেপ গ্ৰহণ আদিৰ ওপৰত। তাৰ ওপৰত ভিত্তি কৰিহে মন্তব্য আগবঢ়াব পৰা যাব -

১) চৰকাৰৰ উদাসীন আৰু অৱহেলিত মনোভাৱ হ'ল সীমা বিবাদ সমাধানৰ ওপৰত হেঙাৰ। সীমান্তত যি অমানৱীয় মৰ্মান্তিক, অশুভ পৰিস্থিতি সৃষ্টি হৈ অসমীয়াই যি অত্যাচাৰ ভোগ কৰিবলগীয়া হৈছে তাৰ বাবে স্বাধীন নাগৰিকৰ অধিকাৰ হিচাপে অসমীয়া উন্নয়ন, সুৰক্ষাৰ বাবে চাৰিওফালৰ পৰা অভিযোগ উত্থাপিত হোৱাৰ স্বত্বেও কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে এক উদাসহীন আৰু অৱহেলিত মনোভাৱৰ আওকাণ কৰি গুৰুত্বতা সহ সমাধানৰ পথ ক্ষীপ্ৰভাৱে অগ্ৰসৰ হ'ব লাগে।

২) সীমান্তৱৰ্তী এলেকাৰ সুৰক্ষা আৰু সমাধানৰ বাবে অসম চৰকাৰৰ এটা সীমান্ত উন্নয়ন বিভাগ বুলি এটা সুকীয়া বিভাগ আহে যদিও দুখৰ বিষয় এই যে চৰকাৰৰ দ্বাৰা আটাইতকৈ অৱহেলিত বুলি চিহ্নিত হোৱা বিভাগটোৱেই হ'ল সীমান্ত উন্নয়ন বিভাগ। ফলত সীমান্তত বিভিন্ন পৰিস্থিতি আৰু সমস্যা গা কৰি উঠিছে। আশ্চৰ্যজনক যে অসম চৰকাৰে এই বিভাগটোৰ বাজেট মাত্ৰ সাত কোটি টকাহে ধাৰ্য কৰিছে বুলি জনা গৈছে। তাৰোপৰি এই সাত কোটিৰ ভিতৰত আকৌ অসম চৰকাৰক ৫ কোটি টকাহে দিয়ে। বাকী দুই কোটি কেন্দ্ৰীয় চৰকাৰৰ বেলেগ আঁচনিৰ নামত দিয়ে আৰু এই ৫ কোটি টকাৰে সীমান্তৱৰ্তী মুঠ ৭৮ টা সীমান্ত চকী চলাব পৰা নাযায়। গতিকে এই ক্ষেত্ৰত অধিক ধন চৰকাৰে এই বিভাগলৈ আবণ্টন দিয়া প্ৰয়োজন।

৩) অসমৰ প্ৰশাসন যন্ত্ৰৰ শিথিল কাৰ্যক্ৰমণিকাই সৃষ্টি কৰিছে অন্য হেঙাৰ। দক্ষ প্ৰশাসনিক কাৰ্যৰ পৰিৱৰ্তে অসম চৰকাৰে নগা অৰুণাচলী নৃশংস কাৰ্যৰ প্ৰতিবাদ আৰু প্ৰতিৰোধৰ ব্যৱস্থা কৰিছে আইন-শৃংখলাৰ দোহাই দি। কিন্তু যি সাংবিধানিক সীমা নগাই উলংঘা কৰি আহিছে। গতিকে এই ক্ষেত্ৰত লাগিব প্ৰশাসনীয় কাৰ্য তীব্ৰতা, দক্ষতা আৰু উপযুক্ত কৰ্মপন্থা গঢ়া।

৪) অসমৰ ৰাইজ, সকলো দল-সংগঠন, জনগোষ্ঠী নিৰ্বিশেষে যে সকলোৱে সহযোগিতা আগবঢ়াব লাগিব।

৫) অসম তথা নগা চৰকাৰৰ গৃহমন্ত্ৰী আৰু নগা হো হোৱে ইয়াক কেৱল অবৈধ বাংলাদেশী আৰু আদিবাসীৰ সংঘাত বুলি কৈয়ে ইয়াৰ পৰা হাত সাৰিব নোৱাৰে। এইটো হয় যে সীমান্ত বহুতো সন্দেহজনক নাগৰিকত্বৰ লোক আছে। কিন্তু তাৰ বাসিন্দা আদিবাসী, চাহ জনগোষ্ঠীৰ লোক অসমীয়াৰ অবিচ্ছেদ্য অঙ্গ। গতিকে দুয়ো চৰকাৰে উপযুক্ত আলোচনা, চুক্তি কৰি, বুজা-বুজিৰ মাধ্যমেৰে এই সমস্যা সমাধান কৰিব লাগিব।

৬) সীমা বিবাদৰ ফলস্বৰূপে কৰা অৱৰোধ উন্নয়নৰ গতি তৰান্বিত কৰে। অৱৰোধ কাৰ্য আৰম্ভ হ'লেই ৰাজ্যত হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি হয়। গতিকে অৱৰোধ কাৰ্য সীমিত কৰণ কৰিব লাগে।

৭) উৰিয়ামঘাটত বৰ্তমানলৈকে নগা দুৰ্বৃত্তই নৃশংসতাৰ সৃষ্টি কৰি আছে। কিন্তু সেই একেই বৃহত্তৰ নাগালিমৰ স্বপ্ন দেখা নগা উগ্ৰপন্থী আৰু নগা চৰকাৰে মণিপুৰৰ ছাত্ৰ সন্থা, সংগঠন আদি সদা সৰ্তক, সচেতন আৰু অতন্দ্ৰ প্ৰহৰী। গতিকে অসম চৰকাৰক অসমীয়াই, অসম ছাত্ৰ সন্থা, সংগঠন আদি সমূহে এনে সদা সতৰ্কতা সচেতনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে।

৮) হোমেন বৰগোহাঞিৰ এটা মন্তব্য প্ৰণিধান যোগ্য যে - 'নগাসকলৰ মূল চালিকা শক্তি সমন্বিতে আধা অংশ লাগে। পাহাৰীয় ৰাজ্যৰ নেতা সকলে যেতিয়া সীমা ভূমি সম্পৰ্কে যি উদাৰতা, দৃঢ়তা প্ৰদৰ্শিত কৰে তেতিয়া ইয়াৰ প্ৰতিবাদ স্বৰূপে প্ৰতিফলিত হয় অসমীয়া নেতাৰ লেহুকা স্বৰূপ।' গতিকে এই ক্ষেত্ৰত নেতা আৰু দল-সংগঠনসমূহে সবল ভূমিকা গ্ৰহণ কৰিব লাগে।

৯) সীমান্তৱৰ্তী পাহাৰীয়া ৰাজ্য কেইখনৰ সীমাৰেখা আৰু মাটিকালি সংবিধানৰ দ্বাৰা এনেদৰে সুৰক্ষিত কৰা হৈছে যে কোনো ভাৰতীয় নাগৰিকেই গৈ তাত বসবাস কৰিব নোৱাৰিব।

এইখিনিতেই এটা প্ৰশ্ন হয়, প্ৰকৃততে আমি স্বাধীন হয়নে? আমি প্ৰকৃততে গণতন্ত্ৰৰ অধিকাৰ ভোগ কৰিব পাৰিছোনে? আমাৰ দেশ প্ৰকৃততে গণতান্ত্ৰিক নে ৰাজতান্ত্ৰিক?

সীমা সমস্যাটো এটা ৰাজনৈতিক সমস্যা আৰু ৰাজনৈতিক পৰিপ্ৰেক্ষিতাতে ইয়াক সমাধান কৰিব লাগিব। অসম চৰকাৰৰ দুৰ্বল স্থিতিৰ বাবেই আজি চুবুৰীয়া ৰাজ্যই অসমৰ মাটি দখল কৰিবলৈ সুবিধা লাভ কৰিছে। এই ক্ষেত্ৰত কেৱল কেন্দ্ৰ চৰকাৰক কেন্দ্ৰৰ বিষয়ববীয়া সকলক নিৰাপত্তাৰক্ষীসকলে দোষী সাব্যস্ত কৰিব নোৱাৰিব। কিয়নো ৰাজ্যৰ জনতাক নিৰাপত্তা দিয়াৰ মূল দায়িত্ব ৰাজ্য চৰকাৰখনে নিজে ল'ব লাগিব আৰু লগতে লাগিব জনসাধাৰণৰ সহযোগিতা।

উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে যদি এই সম্পৰ্কত পূৰ্বৰ পৰাই পূৰ্ণ সহযোগিতা আগবঢ়োৱা হ'লে এই বিবাদে জটিলতাৰ ৰূপ ধাৰণ নকৰিলেহেঁতেন। দুয়ো ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু বিভিন্ন বিষয়াৰ বৈঠক অনুষ্ঠিত কৰিছে যদিও এইবোৰ কেৱল আনুষ্ঠানিকতাৰ বাহিৰে একো নহয়। এই সমস্যাৰ ওৰ পেলাব পৰাকৈ কোনো ধৰণৰ সঠিক সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নাই। কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা গঠিত কে.ভি.কে. সুন্দৰম আৰু শাস্ত্ৰী আয়োগ দুখনেও ইয়াৰ প্ৰকৃত দিশ নিৰ্ণয় কৰিব নোৱাৰিলে নগালেণ্ডেও অসমৰ জাননী, কেন্দ্ৰৰ নিৰ্দেশ আদিত গুৰুত্ব প্ৰদান নকৰিলে।

গতিকে বৰ্তমান অৱস্থাত অসম-নগালেণ্ডৰ সীমা সমস্যা দুয়ো পক্ষই সম দৃষ্টিকোণ আৰু সমমিলৰ ভাৱেৰে চাব লাগিব। আকৌ অসমীয়াৰ দৰে কিন্তু নগালেণ্ডে দীৰ্ঘদিন ধৰি এই সমস্যাটো চলি থকাটো নিবিচাৰে। সেয়েহে এই ক্ষেত্ৰত "Give and take" ক মূল আধাৰ হিচাপে লৈ দুয়ো পক্ষৰ ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ যোগেদি উমৈহতীয়া সমাধান সূত্ৰ উদ্ভাৱন কৰিব লাগে। দুয়োখন ৰাজ্য চৰকাৰৰ উপৰিও অৰাজনৈতিক সংগঠনবোৰৰ সম্ভাৱনা অভিযোগ নগা আৰু অসমীয়াৰ মাজত ঐক্য, মিলাপ্ৰীতি আৰু সহিষ্ণুতা সৃষ্টি কৰি "We the people of North East India" - বুলি ভাৱিবলৈ বাধ্য হ'ব লাগিব।

সামৰণিতে এজন নগা গৱেষকে আগবঢ়োৱা এটি মন্তব্য মন কৰিব লাগিব - "It doesnot matter who ever livesat the border villages but everyone have the same rights to get the same justice and equality."

*তথ্যসূত্ৰ ঃ ১) 'অসমীয়া প্ৰতিদিন, ডিব্ৰুগড়, সোমবাৰ, ১৮ আগষ্ট ২০১৪/১ ভাদ, ১৯৩৬ শক, পৃষ্ঠা ঃ ৪ ২) বৰা, জগত চন্দ্ৰ, সংঘৰ্ষ জৰ্জৰিত অসম-নগালেণ্ড সীমান্ত, অসমীয়া প্ৰতিদিন, ডিব্ৰুগড়, সোমবাৰ, ১৮ আগষ্ট, ২০১৪/১ ভাদ, ১৯৩৬ শক, পৃষ্ঠা ঃ ৪। ৩) পাচনী, বিজয় কৃষ্ণ ইতিহাসৰ জলঙাইদি নগা-অসমীয়াৰ সংঘাত, প্ৰান্তিক, ৩৩ শ বছৰ ২০ শ সংখ্যা, ১৬-৩০ চেপ্টেম্বৰ ২০১৪।* ❑

# নীৰৱতাৰ আৱেদন

**ড° মীনা দেৱী বৰুৱা**

সদাব্যস্ত পৃথিৱীত
নীৰৱতাৰেই জীপাল কৰোঁ আমি
আমাৰ সহমৰ্মিতা,
পৰস্পৰে পৰস্পৰৰ হৃদয়ৰ বাৰ্তাবাহী হওঁ
যুগ যুগৰ অব্যক্ত আলাপ
বাংময় হৈ পৰে
নীৰৱতাৰ নিটোল নীলিম ছায়াত।
সমাহিত নৈখনৰ গতিময়তাতো
এক ৰহস্যময় নীৰৱতা।
নীৰৱতাৰেই উপলব্ধ হয়
আকাশ আৰু মহাসমুদ্ৰৰ
মহামিলনৰ অনন্ত পিপাসা
কুমাৰী নিশাও গৰ্বিত হ'ব পাৰে
নীৰৱতাৰ নীলাভ নিশ্বাস সামৰি
দুখৰ ভৰপক সময়ত
তুলসীতলৰ শিল্পগাঁথাৰে
নীৰৱতা সাবটা
আই দৃশ্যমান হৈ পৰে
আশীৰ্বাদৰ হাতখনিৰে
বিৱৰ্ণ পৃথিৱী যদি
এখন্তেক বুৰ গ'লহেঁতেন
নীৰৱতাৰ আলিঙ্গনত
সুখময় প্ৰাপ্তিৰ ঐক্যতানত
জোনাক নামিলহেঁতেন
একান্ত নীৰৱতা বুকুত সাৱটি
সুউচ্চ পাহাৰেও জুৰাব পাৰে
ৰুক্ষ, উন্মুক্ত বুকু খৰাং ধৰিত্ৰীৰ। ❑

গ্ৰন্থ পৰিচিতি

# অন্য এক দৃষ্টিকোণ ঃ মোৰ অনুভৱ

❑ মঞ্জিৰা ডেকা

বৰ্তমান সময়ৰ অধিক সংখ্যক ৰাজনীতিকৰ অধ্যয়ন, জ্ঞান আৰু গভীৰ চিন্তা-চৰ্চাৰ সম্পৰ্ক আছে নে নাই আমাৰ সন্দেহ হয়। তাৰ মাজৰে দুই-চাৰিজনৰ জ্ঞানৰ গভীৰতা নথকা নহয়। এপাচি শাকত এটা জালুকৰ দৰে অসমৰ ৰাজনীতিতো জ্ঞানৰ গভীৰতা থকা দুই-চাৰিজন ব্যক্তিৰ ব্যক্তিত্বই আমাক আকৰ্ষণ কৰে। এখন "Knowledge based" সমাজ গঢ়িবলৈ ৰাজনীতিকসকলৰ সমসাময়িক বিচিত্ৰ বিষয়ৰ জ্ঞান-চৰ্চাৰ আৱশ্যক। কিন্তু দুৰ্ভাগ্যজনক ভাৱে অসমৰ ৰাজনীতিকে ৰাজনীতিৰ বাবে ৰাজনীতি কৰে, ক্ষমতা লাভৰ বাবে ৰাজনীতি কৰে, নিজৰ দলীয় স্বাৰ্থক আগতলৈ ৰাজনীতি কৰে, সমাজ গঢ়াৰ সপোন লৈ নহয়। সেয়া আমাৰ জাতীয় দুৰ্ভাগ্য বুলিয়ে ক'ব লাগিব।

মোৰ দৃষ্টিত অসমৰ ৰাজনীতিত হিমন্ত বিশ্ব শৰ্মা সুউজ্জ্বল প্ৰতিভা/এক অদম্য সত্তা। যাৰ আছে অসমৰ ৰাজনৈতিক আৰু আৰ্থসামাজিক সমস্যাসমূহৰ সম্যক জ্ঞান, আছে অসমখনক লৈ দেখা এটা সময়োপযোগী সপোন। জন্মভূমি অসমক ভাৰতৰ ভিতৰত এখন শ্ৰেষ্ঠ ৰাষ্ট্ৰ ৰূপে প্ৰতিষ্ঠা কৰাৰ তেওঁৰ সপোনত নিশ্চয় কাৰো দ্বিমত নাই, অৱশ্যে সেই সপোন ফলৱৰ্তী কৰিবলৈ লোৱা সিদ্ধান্ত বা পথ সমূহৰ লগত সকলো একমত নহয় বা নোহোৱাটোৱে স্বাভাৱিক। বহু ক্ষেত্ৰত তেওঁ সমালোচনীয় যদিও বহুতে আকৌ তেওঁৰ ৰাজনৈতিক দক্ষতা-বিচক্ষণতাত ঈৰ্ষান্বিত হৈয়ো সমালোচনা কৰা যেন অনুভৱ হয়। কিন্তু তেওঁ কৰিবলৈ যোৱা প্ৰতিটো কাম যে গভীৰ অধ্যয়ন আৰু চিন্তা-চৰ্চাৰে পুংখানুপুংখভাৱে বিশ্লেষণ কৰি চাইহে বাস্তৱসন্মত আৰু ভৱিষ্যদৰ্শী পৰিকল্পনাৰে কৰিববলৈ চায় সেইটো মোৰ অনুভৱ হয়। বৰ্তমান সময়ৰ কলংকিত ৰাজনীতিৰ মেৰপাশত যে তেওঁ আৱদ্ধ নোহোৱাকৈ নাই সেইটো নকওঁ। সৎ ৰাজনীতিৰ (Honest politics) বাবে হয়তো আমাৰ দেশে আৰু কিছু সময়লৈ অপেক্ষা কৰিব লাগিব। পৰিৱেশেও মানুহ গঢ়ে। Something is better than nothing.

'I have a dream' আমেৰিকাৰ ইতিহাস সৃষ্টিকাৰী মাৰ্টিন লুথাৰ কিঙৰ মুখৰ পৰা ওলোৱা এই চাৰিটা শব্দেৰে হিমন্ত বিশ্ব শৰ্মাৰ অতি উচ্চ মানবিশিষ্ট প্ৰৱন্ধ সংকলন 'অন্য এক দৃষ্টিকোণ'ৰ মুখবন্ধতে অসমৰ এগৰাকী চিৰনমস্য, বৰেণ্য ভৱিষ্যদৰ্শী ব্যক্তি হোমেন বৰগোহাঞিঃ ডাঙৰীয়াই লিখিছে - 'সিমান উচ্চ স্তৰত আৰু ব্যাপক ক্ষেত্ৰত নহ'লেও আন বহুতো মানুহৰো একোটা মহৎ স্বপ্ন থাকিব পাৰে বা থকা উচিত। তেনে এটা স্বপ্নইহে মানুহৰ জীৱনটোক আৰু তেওঁৰ কৰ্মৰাজিক এটা বিশেষ তাৎপৰ্যৰে মণ্ডিত কৰিব পাৰে। মোৰ এটা স্বপ্ন আছে - এনে এটা বাক্য হিমন্ত বিশ্ব শৰ্মাৰ পৰা ওলোৱা নাই যদিও তেওঁ দি অহা ৰাজহুৱা বক্তৃতাবোৰত আৰু লিখি অহা প্ৰৱন্ধবোৰত সেইটো কথা স্পষ্ট ৰূপত প্ৰকাশ পাইছে যে তেওঁৰো এটা স্বপ্ন আছে। অসমক ভাৰতৰ ভিতৰত এখন অগ্ৰগণ্য ৰাজ্যৰূপে প্ৰতিষ্ঠা কৰা... একমাত্ৰ হিমন্ত বিশ্ব শৰ্মাৰ বাহিৰে অসমৰ আন কোনো ৰাজনীতিকিৰ মুখত এনে এটা মহৎ সংকল্পৰ কথা কোনেও শুনা নাই। তেওঁৰ হৃদয়ত এনে এটা স্বপ্ন চিৰ জাগৰূক হৈ আছে, যিয়ে তেওঁৰ ৰাজনীতিক আদৰ্শবাদৰ ৰহণ দিছে আৰু তেওঁৰ ৰাজনীতিক আনৰ পৰা পৃথক ৰূপত চিহ্নিত কৰিছে।'

বাৰ্কাৰে কৈছিল, "Political thought begins with Greeks" প্ৰাচীন বিশ্বৰ এগৰাকী বিখ্যাত ৰাজনৈতিক দাৰ্শনিক প্লেটোৰ বিখ্যাত গ্ৰন্থ 'গণৰাজ্য'ৰ মূল উদ্দেশ্য আছিল এখন আদৰ্শ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰা। তেওঁৰ কল্পিত ৰাষ্ট্ৰৰ লক্ষ্য আছিল ব্যক্তিত্বৰ পূৰ্ণ বিকাশ আৰু উৎকৃষ্ট জীৱন-যাপনৰ সুবিধা প্ৰদান কৰা। তেওঁ কৈছিল, ৰাজনৈতিক ক্ষমতা দাৰ্শনিক সকলৰ হাতত নথকাটোৱেই মানৱ সমাজৰ অনিষ্টৰ মৌলিক কাৰণ (until philosophers are kings and our kings and princes of this world have the spirit and power of philisophy, cities will never have rest from their evils.)

(২)

সময়োপযোগী আৰু অতি চিন্তনীয় সাতটা বিভিন্ন বিষয়ৰ প্ৰৱন্ধৰ আধাৰত প্ৰণীত লিখিত 'অন্য এক দৃষ্টিকোণ' পাঠকক গভীৰভাৱে/নকৈ চিন্তা কৰিব পৰা, চিন্তাৰ খোৰাক জগাব পৰা এখন উল্লেখযোগ্য গ্ৰন্থ। সাতটা বিষয় হ'ল -ক) উচ্চাভিলাষী ভৱিষ্যতৰ জন্ম

খ) হিন্দুবাদ, হিন্দুত্ব আৰু সহনশীলতা

গ) অসমীয়া জাতীয়তাবাদ বনাম ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদ

ঘ) সু-শাসন আৰু প্ৰতিষ্ঠান নিৰ্মাণ

ঙ) উন্নয়ন আৰু প্ৰাচ্যাভিমুখী নীতি

চ) উত্তৰ-পূবৰ উন্নয়ন আৰু বিকাশৰ এক সমন্বিত ৰূপ

ছ) ৰাজনৈতিক সংস্কৃতি আৰু সামাজিক ৰূপান্তৰ

প্ৰৱন্ধকেইটাত প্ৰণেতা হিমন্ত বিশ্ব শৰ্মাৰ চিন্তাৰ কিয়দংশ ডাঙি ধৰাৰ চেষ্টা কৰিলোঁ। 'অসমত উচ্চাভিলাসী অসমীয়াৰ প্ৰয়োজন কিয়?' প্ৰৱন্ধটোত লেখকে ৰাষ্ট্ৰৰ প্ৰশাসন, স্বাস্থ্যসেৱা, বৈজ্ঞানিক গৱেষণা, ক্ৰীড়া, সংবাদসেৱা আদি সকলো ক্ষেত্ৰতে অসমৰ নৱ প্ৰজন্মৰ অস্তিত্ব দেশৰ মঞ্চত উজলি উঠাৰ কামনাৰে সীমাবদ্ধ অসমীয়া মানসিকতাৰ ছবিখন সুন্দৰৰূপে উপস্থাপন কৰিছে আৰু লগতে আত্মবিশ্বাসী আৰু দৃঢ়মান ব্যক্তিত্বৰে অসমৰ মান ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজলি উঠাৰ আহ্বান কৰিছে। প্ৰৱন্ধটোত লেখকে গভীৰ হতাশাৰে ভাৰতৰ অইন ৰাজ্যৰ তুলনাত আজিও অসমীয়া যুৱক-যুৱতীৰ হতাশজনক ছবিখন প্ৰস্ফুতিত কৰি তুলিছে। অসমীয়া নৱপ্ৰজন্মৰ এগৰাকী অভিভাৱকৰ দৰে গভীৰ প্ৰত্যাশাৰে উচ্চাকাংক্ষী হোৱাৰ প্ৰেৰণা যোগাই মাৰ্ক টোৱেইনৰ এষাৰ অমৰ উক্তিৰে কৈছে - "Keep away from those who try to belittle your ambitions. Small people always do that, but the really great make you belive that you too can become great."

'জনসেৱী শাসন আৰু আমোলাতান্ত্ৰিক মেৰপেচ' নামৰ প্ৰৱন্ধটোত লেখকে ১৩ বছৰীয়া অভিজ্ঞতাৰে চৰকাৰৰ ভিতৰ চ'ৰাত থাকি অনুভৱ কৰিছে যে আমোলাতিন্ত্ৰক মেৰপেচ আৰু জনসেৱাৰ আসোঁৱাহপূৰ্ণ ব্যৱস্থাই ৰাজ্যখনৰ বিকাশৰ পথত প্ৰধান হেঙাৰ। নতুন অসমৰ স্বপ্ন তেতিয়ালৈকে বাস্তৱায়িত হোৱাৰ আশা নাই যেতিয়ালৈকে আমি আমোলাতান্ত্ৰিক ৰঙা ফিতাৰ মেৰপেচসমূহ গুচাই চৰকাৰী কাৰ্য সম্পাদন কৰা ব্যৱস্থাটোৰ সংস্কাৰ সাধন কৰি আমূল পৰিৱৰ্তন কৰিব নোৱাৰো। কাৰণ সুশাসনৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আমোলাতন্ত্ৰই।

'হিন্দুত্বৰ আদৰ্শ - উদাৰতা আৰু সাৰ্বজনীনতা', 'সহনশীলতা, উদাৰতা আৰু হিন্দুধৰ্ম' শীৰ্ষক প্ৰৱন্ধ দুটাত লেখকে উল্লেখ কৰিছে, সনাতন হিন্দু ধৰ্মত বিশ্বাসী লোক সাম্প্ৰদায়িক হ'ব নোৱাৰে, হিন্দু ধৰ্ম গভীৰ মানৱতাবাদেৰে সিক্ত এটা সংস্কাৰগত জীৱন চৰ্য্যা। এটা পৰিকল্পিত উদ্দেশ্যধৰ্মী প্ৰচাৰে নিৰন্তৰে বিজেপি, আৰ এছ এছক সাম্প্ৰদায়িক আখ্যা দি এটা সম্প্ৰদায়ক ভীতি-সন্ত্ৰস্ত কৰি ৰখাৰ ৰাজনৈতিক কৌশল অৱলম্বন কৰে। এনে ভীতিগ্ৰস্ততাৰ মাজত আৰ এছ এচৰ নাম লৈ এটা সম্প্ৰদায়ক ব্লেকমেইল কৰি সেই ভোটবোৰক ভোটবেংকলৈ পৰিণত কৰাৰ ৰাজনৈতিক কৌশল ৰচনা কৰে। আজি তেওঁলোকে চিন্তা কৰি চোৱাৰ সময় হৈছে যে আৰ এছ এচ বা ইয়াৰ আদৰ্শক সাম্প্ৰদায়িক আখ্যা দি সম্প্ৰদায়টোৰ পৰা ৰাজনৈতিক মুনাফা কোনে আদায় কৰিছে? ভাৰতবৰ্ষৰ দৰে বিশাল দেশৰ কোনোবা এটা প্ৰান্তত সংঘটিত এটা বিক্ষিপ্ত ঘটনাক ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত তুলি ধৰি গোটেই দেশতে ধৰ্মীয় অসহিষ্ণুতা পৰিৱেশৰ সৃষ্টি হৈছে বুলি আশংকা কৰাৰ যুক্তি আছে বুলি ক'ব নোৱাৰি। আমি সকলোৱে ভাৰতক পিতৃভূমি, মাতৃভূমি আৰু পুণ্যভূমি বুলি জ্ঞান কৰি আমাৰ দেশৰ পাঁচ হাজাৰ বছৰীয়া দৰ্শন-সংস্কৃতিৰ প্ৰবাহমান ধাৰাটোক জীপাল কৰি তুলিব লাগে আৰু সেয়াই আমাৰ দেশপ্ৰেম, ৰাষ্ট্ৰীয়তাবাদ আৰু জাতীয়তাবাদৰ উৎকৃষ্ট পথ।

'চৰকাৰী নিযুক্তিত স্বচ্ছতা - নতুন চৰকাৰৰ দায়িত্ব'ত বিভিন্ন বিভাগৰ নিযুক্তি প্ৰক্ৰিয়া মেধাৰ ভিত্তিত নহৈ ৰাজনৈতিক আৰু আমোলাতান্ত্ৰিক প্ৰভাৱ লুকাই থকা হেতুকে অসমৰ শিক্ষিত নিৱনুৱা যুৱক-যুৱতীৰ মাজত স্বাভাৱিকতে এক হতাশাৰ বাতাবৰণে গা কৰি উঠিছে। বিশেষকৈ অসম লোকসেৱা আয়োগৰ সংস্কাৰৰ বাবে যুক্তিৰে বিচাৰ কৰি নিযুক্তিৰ ক্ষেত্ৰত এক আস্থাৰ পৰিৱেশ সৃষ্টি কৰিবলৈ লেখকে কিছু বাস্তৱ সন্মত পৰামৰ্শ আগবঢ়াইছে।

প্ৰতিটো প্ৰৱন্ধতে লেখকে ক্ষুৰধাৰ বিশ্লেষণী শক্তিৰে সমস্যাবোৰৰ নিজস্ব উদাৰতা আৰু প্ৰগতিশীলতাৰে বিশ্লেষণ কৰি তাৰ সমাধানৰ্থে ৰাজ্যখনৰ এগৰাকী প্ৰভাৱশালী ৰাজনীতিকে নিৰূপণ কৰি ল'ব পৰাটো এটা শুভ কথা। তাৰ আগতে অসমৰ কোনো ৰাজনীতিকে এনে গভীৰতাৰে সমস্যাসমূহৰ বিশ্লেষণ কৰি তাক জনসাধাৰণৰ লগত ভগাই লৈছিল নে নাই মই নাজানো। কিন্তু হিমন্ত বিশ্ব শৰ্মাই যেনেদৰে সমস্যাবোৰ গভীৰতাৰে দাঙি ধৰি ৰাইজক তাৰ ভাগ দিছে তেওঁ তাক বাস্তৱত ৰূপায়ন কৰিব যদি পাৰে অসমৰ ৰাজনৈতিক ইতিহাসত তেওঁৰ নাম সোণালী আখৰেৰে জিলিকি থাকিব তাত সন্দেহ নাই।

হোমেন বৰগোহাঞিঃদেৱে লিখিছে, এটা স্বপ্ন আৰু এটা আদৰ্শৰ দ্বাৰা সকলো সময়তে জড়িত হৈ থকা হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ সীমাহীন প্ৰশাসনিক আৰু ৰাজনৈতিক ব্যস্ততাৰ মাজতো এনে এখন চিন্তাগৰ্ভ কিতাপ লিখি দুটা কথা প্ৰমাণ কৰিছে। এক, বিপুল প্ৰাণ-প্ৰাচুৰ্য আৰু শ্ৰম-সহিষ্ণুতা (Stamina)। দুই, দেশ আৰু জাতিৰ প্ৰতি তেওঁৰ অকৃত্ৰিম দায়বদ্ধতা। তেওঁৰ অধ্যয়ন আৰু চিন্তা শক্তিৰ লগত যোগ হৈছে তেওঁৰ প্ৰত্যক্ষ প্ৰশাসনিক আৰু ৰাজনৈতিক অভিজ্ঞতা। এটা কথা কোৱা হয় যিকোনো এটা সমস্যা শুদ্ধভাৱে বিশ্লেষণ কৰিব পাৰিলে তাৰ আধা সমাধান হৈ যায়...

(৩)

'অন্য এক দৃষ্টিকোণ' হিমন্ত বিশ্ব শৰ্মাৰ উচ্চ বৌদ্ধিক চিন্তা-চৰ্চ্চাৰ এক অৱলোকন। প্ৰতিটো প্ৰৱন্ধতে লেখকে বৰ্তমান অসমৰ প্ৰতিটো সমস্যাকে এক বহল আৰু গভীৰতাৰে উপস্থাপন কৰি তাক সমাধানৰ পথ নিৰূপণ কৰি সকলোকে চিন্তাৰ খোৰাক জগাইছে। অনুভৱ কৰিব পাৰি প্ৰতিটো প্ৰৱন্ধতে লেখকৰ দৃষ্টিৰ প্ৰসাৰতা আৰু গভীৰতা।

'উত্তৰ-পূবৰ উন্নয়ন আৰু বিকাশৰ এক সমন্বিত ৰূপ' বিষয়ক প্ৰৱন্ধত লেখকে উত্তৰ-পূবৰ ৰাজ্যসমূহৰ মাজৰ ঐক্য আৰু সম্প্ৰীতি বিনস্ত হ'ব পৰা কাৰক সমূহক চিনাক্ত কৰি উত্তৰ-পূৰ্বাঞ্চলৰ নিৰাপত্তাৰ লগতে আৰ্থসামাজিক বিকাশৰ বাবে সমন্বিত প্ৰচেষ্টাৰে কিদৰে আগবাঢ়িলে উমৈহতীয়া বিকাশ সম্ভৱ হ'ব তাক সুন্দৰকৈ দাঙি ধৰিছে। জলবিদ্যুত, প্ৰাকৃতিক গেছ আৰু পৰ্যটনৰ ক্ষেত্ৰত উচ্চ মানৰ আন্তঃগাঁথনি নিৰ্মাণ কৰি উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনিৰ মান যথেষ্ট উন্নত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সৈতে ৰাজ্য চৰকাৰসমূহে সহমতেৰে কাম কৰাটো অতীৱ প্ৰয়োজনীয়। দেশ বিভাজনৰ ফলত উত্তৰ-পূৰ্বাঞ্চলৰ কি আৰু কিদৰে ক্ষতি হ'ল আদি সকলোবোৰ কথা সামৰি সুন্দৰকৈ বিশ্লেষণ কৰি কেনেদৰে বিকাশৰ দিশত ধাৱমান হ'ব পাৰি তাক প্ৰৱন্ধটোত উল্লেখ কৰিছে।

'অসমীয়া জাতীয়তাবাদ আৰু ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদ', 'অসমত ৰাষ্ট্ৰীয়তাবাদাৰ অনুৰণন' শীৰ্ষক প্ৰৱন্ধ দুটাত লেখকে শংকৰদেৱৰ জন্মৰ আগৰে পৰা কিদৰে অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰে ভাৰতৰ ভাস্কৰ্য, স্থাপত্য আৰু ভাষাৰ লগত এক নিবিড় সম্পৰ্ক আছে তাক যুক্তিৰে দাঙি ধৰিছে। সুস্থ অসমীয়া জাতীয়তাবাদ আৰু ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদ পৰস্পৰ বিৰোধী ধাৰণা নহয়, বৰং এটা আনটোৰ পৰিপূৰক, সেয়া সুন্দৰকৈ যুক্তিৰে ব্যাখ্যা কৰি দেখুৱাইছে।

ৰামায়ণ-মহাভাৰতত বৰ্ণিত বিভিন্ন আখ্যান-উপাখ্যানৰ পৰা এই কথা নিশ্চতভাৱে প্ৰতিপন্ন হৈ আহিছে যে প্ৰাগ ঐতিহাসিক কালৰে পৰা অসমৰ আত্মা ভাৰতৰ আত্মাৰ সৈতে সংপৃক্ত হৈ আছিল। অযোধ্যাৰ নৃপতি শ্ৰীৰামচন্দ্ৰৰ গুৰু আছিল অসমৰ মহামুনি বশিষ্ঠ। ভাৰতীয় মনীষাই বশিষ্ঠক সপ্তঋষিৰ মাজত স্থান দিছে। মাধৱ কন্দলিৰ অসমীয়া সপ্তকাণ্ড ৰামায়ণ বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতা ৰচনা হোৱা কথা, ভগদত্ত, ঘটোৎকচ, হিড়িম্বা, ঊষা-অনিৰুদ্ধৰ প্ৰেমগাথা, কৃষ্ণ-ৰুক্মিণী আদি বিভিন্ন ঘটনা প্ৰবাহে কয় ভাৰতৰ লগত অসমৰ আত্মিক মিলনৰ কথা।

কিন্তু আমাৰ পূৰ্বজৰ বহু কষ্টৈপাৰ্জিত এই স্বৰাজ, ভাৰতৰ তথা অসমৰ জনতাৰ বহু ত্যাগৰ বিনিময়ত লাভ কৰা এই মুক্তি কেতিয়াবা কোনো অপশক্তিয়ে বিঘ্নিত কৰিব খোজে। ইতিহাসৰ অপব্যাখ্যাৰে ৰক্তাক্ত সংগ্ৰামৰ প্ৰবক্তাসকলে অসমক ভাৰতৰ পৰা পৃথক কৰি তুলিব খোজে, যি ৰক্তাক্ত সংগ্ৰামে অসমক কেইবা শতিকাও পিছুৱাই থৈ গৈছে। বিচ্ছিন্নতাবাদ আৰু উগ্ৰজাতীয়তাবাদে জন্ম দিছে উগ্ৰবাদ আৰু অসমত সৃষ্টি কৰিছে এক ধৰণৰ নৈৰাজ্যবাদী প্ৰৱণতা।

প্ৰতিটো প্ৰৱন্ধই লেখকৰ জ্ঞানৰ গভীৰতা আৰু অধ্যৱসায়ৰ পৰিচয় দাঙি ধৰে লগতে পাঠকৰো চিন্তাৰ পৰিধি বৃদ্ধিত সহায়ক হ'ব।

(৪)

'অন্য এক দৃষ্টিকোণ' হিমন্ত বিশ্ব শৰ্মাৰ অসমৰ সমস্যা আৰু অনুন্নয়নৰ কাৰকসমূহৰ এক সামগ্ৰিক অধ্যয়নৰ ফলশ্ৰুতি। অসমৰ প্ৰতিটো সমস্যাৰ সম্যক ধাৰণা বৰ্তমান অসমৰ ৰাজনীতিক কিমান জনৰ আছে সেইটো এটা সন্দেহৰ বিষয়। অসমৰ স্থান অনুন্নত ৰাজ্যৰ তালিকাত চতুৰ্থ স্থানত কিয় থাকিব লগা হ'ল? অসমে আজি ভাৰতৰ অন্য ৰাজ্যৰ লগত ফেৰ মাৰিব নোৱাৰাৰ মূল কাৰণবোৰৰ ভিতৰত নিশ্চয়কৈ এটা অন্যতম কাৰক হ'ল অসমৰ বহু ৰাজনীতিকৰ বৌদ্ধিক দীনতা! বৌদ্ধিকভাৱে সবল ব্যক্তি এগৰাকী, সৎ ব্যক্তি এগৰাকী ৰাজনীতিলৈ নহাৰ লগতে আজি নৱপ্ৰজন্মও ৰাজনীতিৰ প্ৰতি বিতশ্ৰদ্ধ হোৱা বহুতো কাৰক ভিতৰত এইটোও এটা অন্যতম কাৰণ।

মই ভাৱো, বৌদ্ধিক ভাৱে সবল, সৎ ব্যক্তিসকল ৰাজনীতিলৈ নহাটোৱে আমাৰ ৰাজ্যখনৰ অনুন্নত হোৱাৰ এটা কাৰণ। কিতাপখনৰ 'শিক্ষক দিৱসৰ আশা' নামৰ প্ৰৱন্ধটোত লেখকে প্ৰাচীন ভাৰতীয় শিক্ষা ব্যৱস্থাৰ গুৰু-শিষ্য সম্পৰ্কৰে বৰ্তমান শিক্ষক আৰু শিক্ষাৰ্থীৰ সম্পৰ্কৰ কথা দোহাৰিছে - ধ্যানমূলম গুৰু মূৰ্তি/পূজামূলম গুৰু পদম। মন্ত্ৰমূলম গুৰু বাক্যম/ মোক্ষমূলম গুৰু কৃপা।' লেখকে বিবেকানন্দ আৰু কালামৰ আদৰ্শৰ কথাৰে ভাৰতক বিশ্বৰ আগশাৰীৰ ৰাষ্ট্ৰলৈ ৰূপান্তৰ কৰাৰ বাবে শিক্ষক আৰু শিক্ষাৰ্থী সকলক আহ্বান কৰিছে। এইবাৰৰ বাজেটত তেওঁ দ্ব্যৰ্থহীন ভাষাৰে ঘোষণা কৰিছে যে নতুন চৰকাৰৰ বাবে শিক্ষা এটি কেৱল বিভাগ বা মহাবিদ্যালয়-মহাবিদ্যালয়ৰ সমষ্টি নহয়। শিক্ষা হৈছে এক সামাজিক কল্যাণ আৰু একাত্ম মানৱতাবাদৰ প্ৰমূল্যবোধ জাগ্ৰত কৰা একোটা সাধনা। অসমৰ সমাজ জীৱনৰ সকলোবোৰ দিশ বিজ্ঞান, প্ৰযুক্তি, গৱেষণা, শিক্ষা, বাণিজ্য, প্ৰশাসন, সংস্কৃতি আৰু পৰম্পৰা আদি ক্ষেত্ৰবোৰ এদল কৰ্মদক্ষ আৰু বুদ্ধিমান তাৰকাৰে ভৰি পৰি অসমৰ এক উজ্জ্বল প্ৰতিচ্ছবি উদ্ভাসিত হৈ উঠিবলৈ অসম চৰকাৰৰ জৰিয়তে সপ্তধাৰা নামৰ এক অভিলাষী আঁচনি প্ৰণয়ন কৰিছে। ৰাজ্যখনৰ আগৰবোৰ শিক্ষামন্ত্ৰীৰ এনে কোনো পৰিকল্পনাৰে বাস্তৱসন্মত আঁচনি প্ৰস্তুত কৰিছিল নে মই নাজানো, কিন্তু শৰ্মা ডাঙৰীয়াই শিক্ষকৰ বাবে যিবোৰ কৰ্মসূচী ৰূপায়নৰ বাবে আগবঢ়াইছে সেয়া কাৰ্যক্ষেত্ৰত ৰূপায়ন কৰিলে শিক্ষা ক্ষেত্ৰত অসমৰ মান ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উন্নত নহৈ নোৱাৰে।

যদিও সমালোচক সকলে উগ্ৰ জাতীয়তাবাদী আৰু উগ্ৰ হিন্দুত্ববাদী বিভিন্ন কথাতৰে তেওঁৰ সিদ্ধান্তসমূহ আলোচনা কৰিবলৈ প্ৰয়াস কৰিছে, গভীৰভাৱে নিৰীক্ষণ কৰিলে কিন্তু দেখা যায় তেওঁৰ লিখাত বা মানসিকতাত সেই সংকীৰ্ণ ছবি পৰিস্ফুত হোৱা নাই বৰং তেওঁৰ চিন্তা-চেতনাই উদাৰ আৰু প্ৰগতিশীলতাৰে বাট দেখুৱাইছে। পৰিশেষত 'অন্য এক দৃষ্টিকোণ'ত দেখা আৰু দেখুওৱা হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ স্বপ্নৰ অসমে বাস্তৱ ৰূপ পাওক তাৰে কামনাৰে...। ❖

# ২০১৭ চনৰ ১৭ জানুৱাৰীত ‘যুগবাৰ্তা’ৰ প্ৰস্তাৱনা সংখ্যা উন্মোচনী অনুষ্ঠানৰ মুহূৰ্ত বিশেষ















এই সংখ্যাৰ ঃ পৃষ্ঠপোষকতা আগবঢ়াইছে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি, অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° হৰেন্দ্ৰ নাথ গগৈদেৱে। গগৈদেৱলৈ ‘যুগবাৰ্তা’ৰ পৰিয়ালৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

‘যুগবাৰ্তা’ৰ তৃতীয় সংখ্যা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ১ জুন ২০১৭ তাৰিখে প্ৰকাশ পাব।

অহা সংখ্যাত —

- পোহৰৰ বৰ্ণময় ইতিহাস ঃ ড° প্ৰণৱজ্যোতি চেতিয়া
- বিজ্ঞানভিত্তিক মাছ পালন ঃ ড° বিপিন খঞীয়া
- জীৱন দায়িনী ঔষধৰ ধনাত্মক আৰু ঋণাত্মক দিশ ঃ দিগন্ত শৰ্মা
- অভিভাৱকৰ শিশুৰ প্ৰতি কৰ্তব্য ঃ ৰুণু তামুলী বৰা
- বৰ্তমান যুগত নাৰী সুৰক্ষা গুৰুত্বতা ঃ গীতালি বৰা
- বাসন্তী বিষাদ ঃ ৰোহিত দত্ত।



বিহুলৈ সাজি-কাচি ওলালো মই নাচনি...

মুখ্য উপদেষ্টা ঃ আনন্দ শইকীয়া

চিনামৰা মহাবিদ্যালয়ৰ প্ৰকাশনৰ হৈ ব্যৱস্থাপক ড° অঞ্জন শইকীয়াৰ দ্বাৰা প্ৰকাশিত আৰু ‘অসমীয়া খবৰ’ পুলিবৰ যোৰহাটত মুদ্ৰিত ঃ মুখ্য কাৰ্যালয় ঃ চিনামৰা মহাবিদ্যালয়, চিনামৰা, যোৰহাট, ফোন ঃ ৯৮৬৪৯৬৫০১৮, ৯৪৩৫৭৩৮৬৪৫, ৮৮২২৯১৯১৩১।
E-mail : editoryogabarta@gmail.com.

মুখ্য সম্পাদক ঃ দ্বীপেন নাথ (অবৈতনিক)
কাৰ্যবাহী সম্পাদক ঃ মৃদুল শইকীয়া (অবৈতনিক)
সহঃ সম্পাদক ঃ তৰুণ শইকীয়া, সীমান্ত বৰা, নিপুল শইকীয়া, বিপিন বড়া (অবৈতনিক)